তিনিখন মলয়ালম নাটক

আদান প্ৰদান

তিনিখন মালয়ালম নাটক

কন্যাকা

এন কৃষ্ণপিল্লে

তেওঁ আকৌ আহিছে

চি. জে টমাছ

এইখনেই পৃথিৱী

কে টি মোহাম্মদ

অনুবাদ

ৰাম গোস্বামী

নেশ্যনেল বুক ট্ৰাষ্ট, ইণ্ডিয়া

ISBN 81-237-0867-X

1994 (শক 1916)

মূল্য : 51.00 টকা

Original title : Tin Malayalam Natak (*Malayalam*)

Assamese Translation : Tinikhan Malayalam Natak

সঞ্চালক, নেশ্যনেল বুক ট্ৰাষ্ট ইণ্ডিয়া, এ-5 গ্ৰীণ পাৰ্ক,
নতুন দিল্লী-110016 ৰ দ্বাৰা প্ৰকাশিত।

ভূমিকা

মলয়ালম নাট্যসাহিত্যৰ বাস্তববাদৰ ভেটিৰ ওপৰত দণ্ডায়মান হৈ আছে তিনিজোপা শক্তিশালী বৃক্ষ। শ্ৰী এন, কৃষ্ণ পিল্লৈৰ 'কন্যাকা', শ্ৰী চি,জে, টমাছৰ, 'তেওঁ আকৌ আহিছে' আৰু শ্ৰী কে,টি, মুহম্মদৰ 'এইখনেই পৃথিৱী' নামৰ নাট তিনিখন হৈছে এই তিনিজোপা শক্তিশালী বৃক্ষ।

ই,বী, কৃষ্ণপিল্লৈ তথা এন,পি, চেল্লপ্পন নায়াৰ সেই যুগৰ প্ৰমুখ্য নাট্যকাৰ আছিল। বিংশ শতাব্দীৰ আৰম্ভণিত ৰচনা কৰা ঐতিহাসিক নাটবোৰৰ উদ্দেশ্য আছিল জাতীয় জাগৰণ আৰু অতীত গৌৰৱৰ চিত্ৰপট প্ৰদৰ্শন কৰা। নাটকবোৰত যুদ্ধ বিগ্ৰাদিৰ চমকপ্ৰদ ঘটনা, বীৰত্ব আৰু প্ৰেৰণা ফুটাই তুলিবলৈ ক্ৰিয়াশীল সংলাপৰ ঠাইত বৰ্ণনাত্মক দীৰ্ঘভাষণ, অলৌকিক ঘটনাই অধিক প্ৰাধান্য লাভ কৰিছিল। নাটবোৰ মেলোড্ৰামা হৈ পৰিছিল। প্ৰহসন জাতীয় নাটবোৰতো সংগতিবিহীন দৃশ্যপটেৰে লঘু আৰু সাৰশূন্য হাস্যৰস দেখুৱা হৈছিল। আন ধৰণৰ নাটক ৰচনাৰ প্ৰয়াসো পৰিলক্ষিত হৈছিল। সাময়িক সংস্কাৰ আৰু ৰাজনৈতিক চেতনা জাগ্ৰত কৰিবলৈ 'পাকঘৰৰ পৰা ৰংগমঞ্চলৈ' আৰু 'অনাদায় ৰাজহ' আদি নাটকৰ জন্ম হৈছিল। কিন্তু নাটকৰ বিষয়বস্তু বেলেগ হ'লেও নাট ৰচনাৰ শৈলী পূৰ্বৱৰ্তী নাটক সমূহৰ দৰেই আছিল। প্ৰতিপাদ্য আৰু সাংকেতিক ভাব প্ৰকাশৰ কৌশল প্ৰবৰ্তন হয় পৰৱৰ্তী কালছোৱাত। ১৯৩৪ চনত শ্ৰী এন্, বালকৃষ্ণ পিল্লৈয়ে নৰৱেৰ বিখ্যাত নাট্যকাৰ হেনৰিক্ ইব্ছেনৰ যুগান্তকাৰী ৰচনা 'গোষ্ট' (১৮৮১) নাটকৰ মলয়ালম অনুবাদ 'প্ৰেত' অংকন কৰি এক নতুন চিন্তাধাৰা প্ৰৱৰ্তন কৰে। এই অনূদিত নাটখনৰ মাজেদি য়ুৰোপত প্ৰচলন হোৱা বাস্তৱবাদৰ প্ৰভাৱ মলয়ালম নাট ৰূপায়ণ-ৰীতিত লক্ষ্য কৰা হয়। বালকৃষ্ণ পিল্লৈয়ে য়ুৰোপীয় বাস্তৱবাদী নাট্যৰীতিৰ মূল সাঁতোটা বিশেষত্বৰ কথা 'প্ৰেত' নাটখনৰ ভূমিকাত উল্লেখ কৰিছিল। সেইকেইটা হ'ল-

(ক) আজিকালি নাটকৰ বিষয়, স্থান আৰু কালৰ পৰা আঁতৰত নাথাকে। অজ্ঞাত বা অদৃশ্য পটভূমিৰ ওপৰত ৰচিত নাটকৰ স্থান আজি নাট্য-জগতত নাই। আমাৰ আশে-পাশে ঘটি থকা দৈনন্দিন ঘটনাসমূহ আজিৰ নাটকৰ বিষয়বস্তু। ইয়াৰ বিপৰীতে থকা অতীতৰ ঘটনাৱলী, অসাধাৰণ, অলৌকিক দৃশ্যাৱলী, লুট-মাৰপিট, যুদ্ধ-বিগ্ৰহ, চিত্ত-চমৎকাৰী আদি বিক্ষোভজনক কাৰ্য সমূহক অধিক গুৰুত্ব দি লোকৰঞ্জনৰ মাধ্যম হিচাপে পুৰণি নাটকবোৰক ৰূপ দিয়া হৈছিল।

(খ) যেতিয়া দৈনিক জীৱন নাটকৰ বিষয়বস্তু হৈ পৰিল, তেতিয়াহে নাটকে প্ৰত্যক্ষ বা পৰোক্ষভাৱে সৰু সুৰা ঘটনা আৰু বাস্তৱ জীৱনৰ ভিতৰেদি মানুহৰ পৰমতৃষ্ণা ফুটাই তুলিবলৈ সক্ষম হ'ল। প্ৰকৃততে, পুৰণি নাট সমুহে ঘটনাৰ যুগ দৃষ্টি আৰু শাৰীৰিক প্ৰবৃত্তিবোৰৰ মনস্তাত্বিক ৰহস্য বা আবেদন দাঙি ধৰা নাছিল। লৌকিক সুখ-দুখ, অনুভূতি মানসিক দ্বন্দ্ব ইয়াত চিত্ৰিত হৈছিল বুলি ক'ব নোৱাৰি। অধ্যাপক বোগনে কৈছিল,"নাটকৰ উল্লেখযোগ্য লক্ষণ হৈছে, ইয়াৰ গতিয়ে বাহ্যজীৱনৰ চিত্ৰণৰ মাজেদি মনৰ গভীৰ তললৈ প্ৰৱেশ কৰা অভিনৱত্ব।" পুৰণি নাটকত এনে অভিনৱত্ব দেখিবলৈ পোৱা নগৈছিল।

(গ) প্ৰাচীন নাটক আছিল পাৰলৌকিক মুখী। পুৰণি ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ আৰু সংৰক্ষণশীল মনোভাৱ, সততা প্ৰভৃতিৰ বিৰুদ্ধাচৰণ কৰোঁতাসকলক কঠোৰ আৰু নিৰ্দয় ৰূপত প্ৰদৰ্শন কৰা হৈছিল। তেওঁলোকৰ আচৰণক ভৰ্ৎসনা বা তিৰস্কাৰ কৰা হৈছিল। ধৰ্মীয় আৰু সামাজিক অনুষ্ঠানবোৰ আছিল শক্তিশালী। মানুহে এইবোৰক পৰম পৱিত্ৰ আৰু অপৰিৱৰ্তনীয় বুলি গণ্য কৰিছিল। পুৰণি নাটকত যি লৌকিক সম্বন্ধ, শ্ৰমৰ যি মৰ্যাদা বা ব্যৱধান তাক বাস্তৱধৰ্মী নাটকে পৰিৱৰ্তন ঘটালে। নব্য অভিজ্ঞতা উদ্ভাৱন হৈ নাটকত সমাজৰ তল শ্ৰেণীত বাস কৰা লোকৰ স্থান উন্নত হ'ল।

(ঘ) পুৰণি নাটকৰ গতিশীলতা ঘাইকৈ কেন্দ্ৰীভূত হৈছিল শাৰীৰিক ক্ৰিয়া-কলাপত। নাটকৰ গতি তীব্ৰ হৈছিল বাহ্যিক আড়ম্বৰ আৰু আমোদী উপদৃশ্যৰ সংযোগেৰে। বৰ্তমানৰ নাটকত এনে গতি চাঞ্চল্য নাই। ইয়াৰ ঠাইত মানসিক সংঘাতৰ প্ৰাধান্য বাঢ়িছে। নাটকীয় সংঘাতে আৱেগ, দ্বন্দ্ব, উৎকণ্ঠাৰ মাজেদি ভাৱাশ্ৰয়ী হৈ পৰিছে। ঘটনাৰ গতি সঞ্চাৰণত ভাৱপ্ৰকাশে গুৰুত্ব লভিছে।

(ঙ) এই মানসিক কাৰ্য কলাপ তথা মানসিক সংঘাত শাৰীৰিক ক্ৰিয়া-কলাপৰ দৰে সাধাৰণ শব্দৰে ব্যক্ত কৰিব নোৱাৰি। সেই কাৰণে আধুনিক নাটকত শব্দৰ উপৰিও সংকেতৰ ব্যৱহাৰ প্ৰয়োজন হ'ল।

(চ) যেতিয়া আধুনিক নাটকত মানৱীয় মূল্যবোধ বৃদ্ধি পালে, তেতিয়া ব্যক্তি বিশেষ, আনকি স্ত্ৰী-পুৰুষ সমন্বিতে সমূহ মানৱজাতিকো প্ৰাধান্য নিদি কোনো কোনো নাট্যকাৰে অদৃশ্য শক্তিকো তেওঁলোকৰ নাটকৰ বিষয়বস্তু হিচাপে দেখুৱাবলৈ ধৰিলে।

(ছ) নাটক ৰচনাৰ কৌশলৰ ক্ষেত্ৰত পুৰণি আৰু নতুন নাটকৰ তাৰতম্য যথেষ্ঠ বেছি।

"প্ৰেত" নাটকৰ অনুবাদক বালকৃষ্ণ পিল্লেয়ে নাটখনৰ প্ৰাক্‌বচনত আধুনিক নাটকৰ বিশেষত্বৰ বিষয়ে এটা মূল্যৱান টোকা দাঙি ধৰিছিল। এই টোকাটোৰ পৰা অনুপ্ৰেৰণা লাভ কৰি শ্ৰী, চি নাৰায়ণ পিল্লেয়ে ইব্‌ছেনৰ ৰোজমাৰছলম্‌ (গোলাপ-নিৱাস) নাটকখন 'মুল্লক্কল ভৱন' নামকৰণেৰে আৰু স্বতন্ত্ৰৰূপেৰে অভিযোজনা কৰিলে। এই নাটখনৰ লগতে ইংৰাজী ভাষাত ওলোৱা আন আন ইব্‌ছেনীয় নাট্য সম্ভাৰ অধ্যয়ন কৰি

শ্ৰী এন, কৃষ্ণ পিল্লৈৰ দৰে এজন তৰুণ নাট্যকাৰে মলয়ালম নাটকৰ গতি পৰিৱৰ্তন কৰিবলৈ যত্নপৰ হৈছে। শ্ৰী পিল্লৈয়ে এই কথা নিজে স্বীকাৰ কৰি লিখিছিল—

" মই এইটো বিচাৰিছিলোঁ যে গৌৰৱপূৰ্ণ আৰু মৌলিক জীৱনৰ কোনো এক সমস্যাৰ যথাৰ্থবোধৰ লগতে সমস্যাটোৰ সূক্ষ্ম বিচাৰ কৰি তাৰ পৰা উদ্ভৱ হোৱা পৰিণতিক সহজ কথাসূত্ৰ, স্থান, কাল, পাত্ৰ-পাত্ৰী, বিষয়-সন্দৰ্ভ সংলাপ আৰু অৰ্থপূৰ্ণ বাক্য প্ৰয়োগেৰে সংগঠিত কৰি এখন সময়োপযোগী নাটক ৰচনা কৰিম। ইব্‌ছেনৰ নাটকে মোক লক্ষ্যস্থানত উপনীত হ'বলৈ প্ৰেৰণা যোগাইছিল। দুটা সূত্ৰেৰে বিষয়বস্তু নিৰ্মাণৰ পুৰণি প্ৰথাই একৰূপতাৰ প্ৰতিবন্ধক হিচাপে থিয় দিছিল। গতিকে, এক সূত্ৰৰ নীতি মানি লৈ অযথা নাটৰ কলেবৰ বৃদ্ধি নকৰি, দৃশ্যৰ সংখ্যা হ্ৰাস কৰি, কম দৃশ্যপটেৰে যথাসম্ভৱ নাটকৰ মূল ভাৱ আৰু সংঘৰ্ষ উজ্জ্বল কৰিবলৈ মই আশা কৰিছিলোঁ। শুৱলা আৰু শক্তিশালী কথাশৈলীৰে, কম আৰু জোখৰ চৰিত্ৰ ৰূপায়নেৰে, দীৰ্ঘ ভাষণ, বিৱৰণ, ব্যাখ্যা, ভাৱ স্থিতিৰ অযথা বৰ্ণনা, স্বগোক্তি আদি অস্বাভাৱিক পুৰণি নাট্যৰীতি পৰিহাৰ কৰিবলৈ মই সংকল্প লৈছিলোঁ।"

'কন্যাকা' নাটখনত ওপৰত উল্লেখ কৰা বিশেষত্ব সমূহ ফুটি ওলাইছে। এন, কৃষ্ণ পিল্লৈৰ প্ৰথম নাটক 'ভগ্নভৱন' সম্পূৰ্ণ ইব্‌ছেনীয় আদৰ্শৰে ৰচিত বুলি কব নোৱাৰি। অৱশ্যে নাটকৰ বিষয়বস্তুৰ সংঘৰ্ষাত্মকতা আৰু গভীৰতাত ইব্‌ছেনৰ প্ৰভাৱ লক্ষ্য কৰিব পাৰি। কিন্তু 'কন্যাকা' সকলো ফালৰে পৰা ইব্‌ছেনৰ আদৰ্শৰে ৰচিত হৈছে। নাটকখনত এটাই মাত্ৰ মূল ভাৱ সিদ্ধ হৈছে। নাটকৰ কাহিনী এনে ধৰণৰ — দেৱকীকুট্টীনামৰ এগৰাকী যুৱতীয়ে বিয়া নোহোৱাকৈ থাকি বহুতদিন চাকৰি কৰি আছিল। চাকৰিত তেওঁৰ পদোন্নতিও হৈছিল। কিন্তু তথাপিও তেওঁৰ জীৱন সুখৰ আছিল বুলি ক'ব নোৱাৰি। দেৱকীৰ ভনীয়েকৰ বিয়া হৈছিল। দেৱকীয়ে ভনীয়েকৰ পৰা কথা প্ৰসংগত শুনিছিল যে এগৰাকী নাৰীৰ বাবে জীৱন ধাৰণৰ যোগ্যতা মূলতঃ বিবাহিত জীৱন আৰু মাতৃত্বৰ গৌৰৱৰ মাজেদিহে ফুটি ওলায়। দেৱকীয়ে উচ্চ চাকৰি কৰিছিল যদিও তেওঁৰ এই শূন্যতাই মানসিক পীড়া, শাৰীৰিক যন্ত্ৰণা প্ৰশমিত কৰিব পৰা নাছিল। পত্নী আৰু মাতৃ হোৱা বাসনাই তেওঁৰ অন্তৰ্দ্বন্দ্ব প্ৰৱল কৰিছিল। তেওঁ ভনীয়েকৰ তত্ত্ব স্বীকাৰ কৰিলে আৰু নিজ চাকৰিৰ পৰা পদত্যাগ কৰি বেলুপিল্লৈ নামৰ নিজৰ পিয়ন এজনক পতি বৰণ কৰি ঘৰৰ পৰা ওলাই গ'ল। কৃষ্ণপিল্লৈয়ে নাটখন আৰম্ভ কৰিছে ঘটনাৰ শীৰ্ষ বিন্দুত আৰম্ভ হোৱাৰ ঠিক প্ৰাক্‌মুহূৰ্ত্তত। মানসিক সঙ্ঘৰ্ষৰে নাটখন আগবাঢ়ি শেষ পৰিণতিত উপস্থিত হৈছে। নাটখনত অনাৱশ্যকীয় বিস্তৃতি নাই। পৰম্পৰাগত হাস্যৰসৰ দৃশ্যৰ অৱতাৰণা নকৰি নাট্যকাৰে একাগ্ৰতাৰে নাটকীয় কথা শৈলী আগবঢ়াই লৈ গৈছে। নাটকত অংক মাত্ৰ চাৰিটা আৰু প্ৰত্যেকটো অংককে ভাৱগধুৰ কৰা চেষ্টা প্ৰতিফলিত হৈছে। চতুৰ্থ অংকত দেৱকীকুট্টিয়ে নিজ সিদ্ধান্তৰ কথা মাকক কৈছে। এই সিদ্ধান্তৰ মাজেদি দেৱকীকুট্টিৰ চাৰিত্ৰিক বৈশিষ্ট্য আৰু স্পষ্টবাদিতা প্ৰকাশ পাইছে। মাক মাধৱীয়ে কৈছিল

"এৰা, তোৰ বিয়া হোৱা নাই, তোৰ বিয়াৰ কথা আমিও চিন্তা কৰা নাই, দেৱকীকুট্টি।

মাকৰ কথাত উত্তৰ দি দেৱকীকুট্টিয়ে যি কৈছিল, সেয়া তাৎপৰ্য্যপূৰ্ণ।

"কিয় কৰা নাছিলা? কিয় মোৰ বিয়াৰ কথা তোমালোকে চিন্তা কৰা নাছিলা? মা, তুমি তোমাৰ বিগত দিনৰ ফালে মনত পেলোৱাছোন। এতিয়াৰ কথা নাভাবিবা। কাৰণ এতিয়া তোমাৰ বয়স হৈছে, চুলি পকিছে, চকুৰ দৃষ্টি কমিছে, শৰীৰ দুৰ্বল হৈছে। কিন্তু তুমি যেতিয়া কুমাৰী আছিলা, তোমাৰ বিয়া হোৱা নাছিল, তেতিয়া তোমাৰ মনৰ অৱস্থা বাৰু কেনে আছিল? তোমাৰ নিপোটল শৰীৰ, যৌৱন-উতলা প্ৰাণে এজন স্বামীৰ কামনা কৰা নাছিলনে? যৌৱনৰ উত্তাপত তোমাৰ দেহ-মন চঞ্চল হৈ পৰা নাছিল জানোঁ? কতদিন চাগে তুমি ঠাণ্ডাৰাতিৰ শীতল জোনাকী নিশাৰ আনন্দ উপভোগ কৰি বিছনাত বাগৰি বাগৰি সপোন কোঁৱৰৰ লগত কথা পাতি ঘণ্টাৰ পাছত ঘণ্টা কটাই দিছা, কোনে জানে। সেই সপোন কোঁৱৰক স্বামীৰূপে পাবলৈ তুমি কিমান হা-হুমুনিয়াহ কাঢ়িছিলা! মা, যিদিনাৰ পৰা তুমি স্বামীৰ লগত বিবাহিত জীৱন আৰম্ভ কৰিলা আৰু লাহে লাহে এখন ঘৰৰ গৃহকৰ্ত্ৰী হ'লা তাৰ বহুত বছৰৰ আগৰে পৰা এইবোৰ কল্পনাই তোমাৰ মনগহনত ঠাই পোৱা নাছিলনে? তুমি মোক প্ৰথমতে জন্ম দিলা। তুমি মোৰ হাঁহি, চাল চলন, দেহৰ অৱয়ব, মাত-কথা আৰু মুখৰ ভাৱ-ভংগী লক্ষ্য কৰি মোৰ ভৱিষ্যতৰ বাবে চিন্তা কৰিব লাগিছিল। তাকে নকৰি এতিয়া কৈছা, মোৰ কথা তোমালোকে চিন্তা কৰা নাই।"

দেৱকীকুট্টিৰ এনে তীব্ৰ বাক্যবানত মাক স্তব্ধ হৈ ৰৈ গৈছিল। তেওঁ কোনো উত্তৰ বিচাৰি পোৱা নাছিল। এনে প্ৰকাৰ ভাৱগধূৰ পৰিমণ্ডল সৃষ্টি কৰাত কৃষ্ণ পিল্লৈৰ বিশেষ দক্ষতা প্ৰকাশ পাইছে। এই 'কন্যাকা' নাটকত মুঠ চৰিত্ৰ মাত্ৰ আঠোটা। প্ৰত্যেকটোৱেই সংগতিহীন, একো একোটা টাইপ। নাটখনৰ বচন ভংগী 'বলাৱল' বা 'অনুৰঞ্জন'ৰ দৰে সহজ নহয়, ভাৱবিহীন সংলাপ আৰু ঘটনাৰ বৰ্ণনা ইয়াত নাই। পুৰণি নাটকত দুটা চৰিত্ৰৰ মাজৰ কথা বতৰাত স্বগতোক্তি প্ৰয়োগ কৰি দৰ্শকক ডাঙৰ স্বৰেৰে ভাৱ প্ৰকাশ কৰা যি প্ৰথা, তাক পৰৱৰ্তী নাট্যকাৰসকলে অস্বাভাৱিক বুলি বৰ্জন কৰিলে। ইব্‌ছেনৰ নাটকত স্বগতোক্তি সম্পূৰ্ণ পৰিত্যাগ কৰা হৈছে। শ্ৰী এন. কৃষ্ণপিল্লৈয়ো তেওঁ ৰচনা কৰা নাটকত স্বগত বচন একেবাৰে ত্যাগ কৰিলে। এনেদৰে তেওঁ একসূত্ৰ, সংঘৰ্ষাত্মক আৰু বলিষ্ঠ চৰম পৰিণতিৰে উৎকণ্ঠাপূৰ্ণ সমস্যা প্ৰধান, নাট ৰচনাত সফলতা অৰ্জন কৰিবলৈ সমৰ্থ হ'ল। 'কন্যাকাৰ' সমস্যা সামাজিক বা আৰ্থিক বুলি ক'ব নোৱাৰি; চাকৰি, প্ৰৌঢ়তা আৰু আৰ্থিক সুৰক্ষাই এগৰাকী নাৰীক পূৰ্ণতা লাভ প্ৰদান কৰিব পাৰে নে নোৱাৰে, এইটোহে নাটকখনৰ কেন্দ্ৰীয় সমস্যা। নাটকখনে নিষেধাত্মক সিদ্ধান্তত উপনীত হৈছে। অকল কাম বাসনাৰ বাবেই নহয়, বৰং সংসাৰ পাতি দৰিদ্ৰতাৰ মাজেদিয়ো ভনীয়েকে সুখ-শান্তিৰে দিন কটোৱা দেখি দেৱকীকুট্টিৰ ঈৰ্ষা হৈছিল। তেওঁ চাকৰি বাদ দি বেলুপিল্লৈ নামৰ তেওঁৰ অধিনষ্ঠ পিয়ন এজনক নিজৰ স্বামীৰূপে বৰণ কৰিবলৈ কুণ্ঠাবোধ নকৰিছিল। নাট্যকাৰে নাটকখনৰ ভূমিকাত এই কথা ব্যক্ত কৰিছে। "যি বস্তু নিজৰ হাতত

নাথাকে, সেই বস্তু আনৰ হাতত দেখিলে কোনো কোনোৱে সন্তুষ্টি লভিব পাৰে। তেনেলোকৰ সংখ্যা বৃদ্ধি পাওঁক। কিন্তু সাধাৰণ ব্যক্তি এনে কাৰ্যত সন্তোষিত হ'ব নোৱাৰে। তাৰ পৰিৱৰ্তে তেওঁলোকৰ মনত ক্ৰুৰতা, ঈৰ্ষা প্ৰবৃত্তিবোৰ প্ৰৱল হৈ উঠে আৰু ধ্বংসকাৰী জুইৰ দৰে আশা চৰিতাৰ্থ কৰিবলৈ উত্তেজিত হোৱাৰ সম্ভাৱনাই দেখা দিয়ে''। এই বাক্যৰ মাজেদি নাট্যকাৰে বুজাব খুজিছে যে দেৱকীকুট্টিয়ে অন্তৰত পোহ দি থকা বিদ্ৰোহ প্ৰদৰ্শন কৰিবলৈ সামাজিক দৃষ্টিত হেয় আৰু শিক্ষা, চাকৰি, পদমৰ্যাদা আদিৰ ক্ষেত্ৰত অতিকৈ নিম্নতৰ এজন ব্যক্তিক হঠাতে স্বামীৰূপে গ্ৰহণ কৰিলে। মাক-বাপেকে দেৱকীকুট্টিৰ চাকৰি, প্ৰমোচন আৰু উপাৰ্জনৰ ওপৰত গুৰুত্ব দিছিল, তেওঁৰ বিয়াৰ ক্ষেত্ৰত অকণো চিন্তা নকৰিছিল। নাট্যকাৰে কৈছে যে মাক বাপেকে দেৱকীকুট্টিক তেওঁৰ উপাৰ্জন ভোগ কৰিবলৈহে ৰাখিছিল। ইয়াৰ প্ৰতিশোধ লবলৈ দেৱকীকুট্টিয়ে এটা চৰম সিদ্ধান্ত ল'ব লগাত পৰিল। গাভৰু জীয়েকক বিয়া নিদি চাকৰি কৰিবলৈ পঠোৱাত যে বিপদো আছে, সেই কথাৰো ইংগিত নাটকত প্ৰকাশ পাইছে। আনফালে নাট্যকাৰে দেৱকীকুট্টিৰ ভনীয়েকৰ উক্তিত এনে কিছুমান কথা দিছে যিবোৰে নাটকীয় সীমা চেৰাই গৈছে। উদাহৰণ স্বৰূপে কব পাৰি যে বায়েকৰ ৰক্ষণাবেক্ষণত থকা ভনীয়েক ভাৰতীয়ে দুখীয়া স্বামীৰ ঘৰলৈ যোৱাৰ পাছত বায়েকলৈ যিখন চিঠি দিছিল তাত লিখিছিল, ''—— মই বিশ্বাস কৰোঁ যে এগৰাকী স্ত্ৰীৰ স্থান তেওঁৰ দাম্পত্য জীৱনত সুৰক্ষিত হয়। ধন, ঐশ্বৰ্য আৰু মুক্তি— সকলোবোৰেই হ'ল দাম্পত্য জীৱনৰ সু-ফল। নাৰীয়ে পত্নী আৰু মাতৃ হ'বলৈ যি আকাঙ্খা কৰে তাৰ মাজত সোমাই আছে নাৰীত্বৰ গৌৰৱ আৰু জীয়াই থকাৰ অধিকাৰ......'' এনে কথা কোৱা উচিত নহয়। নাৰীক এনে সংকুচিত দৃষ্টিৰে চোৱাটো অনুচিত। যি নাৰী স্বাধীনতাই আজিৰ যুগত নিজৰ ভৰিত থিয়দি শিক্ষা দীক্ষাৰে পুৰুষৰ দৰে আগবাঢ়ি যাবলৈ সকীয়াইছে, সেই যুগত নাৰীয়ে চাকৰি কৰাটো একো দোষণীয় কাম হ'ব নোৱাৰে বৰং ইয়াক প্ৰয়োজন বুলিহে স্বীকাৰ কৰা হৈছে। নাৰীৰ বাবে বিবাহেই একমাত্ৰ সমস্যা সমাধানৰ উপায় বুলি আজিৰ দিনত কোৱা অযুগুত। 'উঠটী হুই যৱনিকা' নামৰ নাট-সমীক্ষা গ্ৰন্থখনৰ ৰচয়িতা শ্ৰী চি,জে, টমাছৰ নাটকৰ বিষয়ে অধ্যয়ন পুষ্ট মন এটাৰ পৰিচয় পোৱা গৈছিল। তেওঁ নিজৰ সিদ্ধান্তৰ ভেটি নাটকৰ মাজেদি উপস্থাপন, কৰিবলৈ ৰচনা কৰিলে, 'তেওঁ আকৌ আহিছে', টমাছৰ নাট্যধাৰা ইব্‌ছেনৰ নাট্য ধাৰাৰ লগত বেছি পাৰ্থক্য নহয়। টমাছে বিশ্বাস কৰিছিল যে নাটক অতি গহীন ভাৱ প্ৰদৰ্শনৰ কলা নহয়। এই প্ৰদৰ্শন কলাত মানুহৰ মানসিক ক্ৰিয়া-প্ৰক্ৰিয়া, সংঘৰ্ষ, বিকাৰগ্ৰস্থমনৰ প্ৰতিফলন দেখুৱা হয়। তেওঁ ইব্‌ছেনৰ দৰে পূৰ্ণ পাৰিবাৰিক ক্ষেত্ৰত থিয় হ'বলৈ সাজু নাছিল। তেওঁৰ নাটকৰ পটভূমি ৰচিত হৈছিল পাৰিবাৰিক সমস্যাকে কেন্দ্ৰ কৰি। তেওঁ এই সমস্যাৰ মাজতে সামাজিক আৰু ৰাষ্ট্ৰীয় ক্ষেত্ৰলৈ দৃষ্টি নিক্ষেপ কৰিছিল। পাৰিবাৰিক সমস্যাক কেনেকৈ সামাজিক আৰু ৰাষ্ট্ৰীয় প্ৰভাৱে নিয়ন্ত্ৰণ কৰে, নাট্যকাৰে তেওঁৰ সচেতন সৃজন-সত্তাৰে আলোকপাত কৰিছিল।

'কন্যাকা নাটকৰ দৰে উচ্চ পৰ্যায়ৰ মৌলিক নাটক বুলি নকলেও 'তেওঁ আকৌ আহিছে' নামৰ নাটখনত এটা জলন্ত সমস্যা কৃতিত্বৰে সৈতে দাঙি ধৰা হৈছে আৰু সমস্যাটোৱে আমাৰ মনত জোকাৰ মাৰি সহানুভূতিৰে আমাক আকৃষ্ট কৰিছে। সমস্যাটো হ'ল, দম্পতিৰ বিয়োগ বা বিচ্ছেদ। বিবাহ বান্ধোনৰ মংগল সূত্ৰেৰে ধৰি ৰাখিব পৰা এই সমস্যাক কামবাসনাৰ প্ৰতিফলন বুলিও কব নোৱাৰি। সদ্য বিবাহিতা স্ত্ৰীক শাহুৱেকৰ জিম্মাত এৰি দূৰ দেশত থকা স্বামীয়ে কেনেকৈ এগৰাকী গাভৰু স্ত্ৰীক অসৎ পথেদি যোৱাৰ এটা পৰিস্থিতি সূচনা কৰে নাটকখনে তাকেই প্ৰত্যক্ষ কৰিছে। প্ৰশ্ন উঠিছে, এনে পূৰ্ণ যৌৱনা, সদ্য বিবাহিতা স্ত্ৰীয়ে স্বামীৰ প্ৰত্যাবৰ্তনৰ বাবে অনিশ্চয়তাৰ দিন গণি অপেক্ষা কৰি থাকিবনে? পতিব্ৰতা হৈ ঘৰত বৃদ্ধা শাহুৱেকৰ আলপৈচান ধৰি নিজৰ সকলো কামনা বাসনা দমন কৰি ৰাখিবনে? এই নিয়ন্ত্ৰণ কিমান শক্তিশালী? বীণৰ তাঁৰক হাতেৰে ঢাকি থলেও তাঁৰৰ স্পন্দন হঠাতে বাজি উঠে। টমাছে তেওঁৰ নাটখনত এই কথাকে পতিয়ন নিয়াবলৈ যত্ন কৰিছে।

মাথুকুট্টী এজন সৈনিক। তেওঁৰ লগত বিয়া হৈছিল সাৰাম্মাৰ, মাদকতাপূৰ্ণ মধুচন্দ্ৰিকা শেষ নৌহওঁতেই মাথুকুট্টীয়ে দেশ এৰি যাব লগা হ'ল। সুদীৰ্ঘ চাৰি বছৰৰ পাছত তেওঁ উভতি আহিল।

এই সময় ছোৱাতে সাৰাম্মাৰ লগত মাথুকুট্টীৰ বন্ধু, প্ৰতিবেশী কুঞ্জৰৰ্কীৰ লগত ঘনিষ্ঠতা বৃদ্ধি পায় আৰু সাৰাম্মা গৰ্ভৱতী হয়। হঠাৎ স্বামী আহি উপস্থিত হ'লত সাৰাম্মাই তেনে এটা অৱস্থাত স্বামীক স্বাগত জনাবলৈ ইতস্ততঃ কৰিছিল বৰং কুঞ্জৰৰ্কীৰ লগত ঘৰ এৰি পলাই যাবলৈহে সাজু হৈছিল। কুঞ্জৰৰ্কী আছিল কাম বন নোহোৱা নিবনুৱা ডেকা। তেওঁ সাৰাম্মাৰ প্ৰস্তাৱত মান্তি হ'বলৈ সাহস নকৰিলে। নিজৰ স্ত্ৰীয়ে পৰপুৰুষৰ লগত অবৈধ প্ৰেম কৰি গৰ্ভৱতী হোৱাত মাথুকুট্টীয়ে গম পাই ক্ষুব্ধ হৈছিল; কিন্তু নিজৰ কথা ভাৱি তেওঁ সাৰাম্মাক ক্ষমা কৰে আৰু তেওঁৰ ঘৰত থাকিবলৈ অনুমতি দিয়ে। মাথুকুট্টীয়ে সাৰাম্মাৰ পৰা পত্নীৰ যি প্ৰেম, যি পৰিচৰ্যা তাক আশাকৰা মতে পোৱা নাছিল। এটা অৰ্থহীন আৰু ভুৱা দাম্পত্যজীৱন যাপন কৰিবলৈ তেওঁ দৰাচলতে ভাল নাপাইছিল। যেতিয়া কিছু দিনৰ পাছত মাকৰ মৃত্যু ঘটিল, তেতিয়া মাথুকুট্টীৰ মনলৈ মুক্তিৰ চিন্তাই এটা সিদ্ধান্ত ল'বলৈ সুযোগ দিলে। তেওঁ স্থিৰ কৰি পেলালে যে তেওঁ মৃত্যুক সাৱটি লৈ এই অন্তৰ্দ্বন্দ্বৰ জ্বালা প্ৰশমিত কৰিব। এনে সুবিধা এটা আহি উপস্থিত হ'ল। এটা গোপন সন্ত্ৰাসবাদীদলৰ আমন্ত্ৰণক্ৰমে মাথুকুট্টীয়ে খাৰ-বাৰুদ প্ৰস্তুত কৰা কাৰখানা এটাত যোগ দিলে আৰু তাতে আকস্মিকভাৱে ঘটা বোমা বিস্ফোৰণ এটাত প্ৰাণ হেৰুৱালে। সাৰাম্মা আৰু কুঞ্জৰৰ্কীৰ প্ৰতিবন্ধক দূৰ হ'ল। তেওঁলোকে সংসাৰ আৰম্ভ কৰিলে আৰু জন্ম দিলে এটি পুত্ৰ সন্তানক। নাট্যকাৰে এই নবজাত শিশুক নতুন পুৰুষ আখ্যা দিছে।

এই নাটকৰ সকলো কেইটা চৰিত্ৰই বিশেষ গুণসম্পন্ন। জীৱনত ভুল কৰা সাৰাম্মা আৰু কুঞ্জৰৰ্কীৰ অৱতাৰণা, দুষ্ট চৰিত্ৰৰ প্ৰতিনিধিত্ব বুলিব নোৱাৰি। তেওঁলোকে এটা

অসংযত মুহূৰ্তত ভুল কৰি পেলাই পাছত অনুশোচনাত ম্রিয়মান হৈছিল। এক প্ৰকাৰে এইটো ভুল বুলি কব নোৱাৰি। আৰু যদি ভুল বুলি ধৰা হয় তেতিয়া ক'ব লাগিব যি সকলে এই ভুল সংঘটিত হ'বলৈ পৰিবেশ সৃষ্টি কৰিলে তেওঁলোকো সমানে এই ভুলৰ বাবে জগৰীয়া। নাটকখনৰ সংলাপত নাট্যকাৰ টমাছে এই কথা প্ৰত্যয় নিয়াব খুজিছে। সাৰাম্মাই অন্ধ স্বামী মাথুকুট্টীক কৈছিল; বাৰু, মোক এতিয়া শেষ কৰা, মই কি কৰিব পাৰোঁ, মৃত্যুক মই ভয় নকৰোঁ মোৰ হাঁহি আনন্দ নোহোৱা হৈছে, মই শাস্তি বিচাৰিছোঁ, মোক ঘৰৰ পৰা উলিয়াই দিয়া, একেটা কথাকে কৈ কৈ কিয় মোক থেকেচি আছা? ...... এইখন ঘৰত ৰাখি মোক কিয় তিল তিলকৈ মাৰিব খুজিছা। মই এজনী নাৰী, বিবাহিতা স্ত্রী। তুমি মোক বিয়া কৰায়েই ঘৰত এৰি যুদ্ধক্ষেত্ৰলৈ গুছি গলা। এতিয়া চাৰি বছৰৰ পাছত তুমি মোক তোমাৰ বিবাহিতা স্ত্রী বুলি বিচাৰি আহিছা। এই চাৰিবছৰে মই কেনেকৈ দিন কটাইছিলোঁ, তুমি খবৰ ৰখা নাই। মই নিঠৰুৱা হৈ দুখৰ দিন কটাইছিলোঁ। কোনেও মোক সহানুভূতি দেখুৱা নাছিল। এতিয়া তুমি আহিছা, একমাত্ৰ এটা অৰ্থহীন সম্পৰ্কৰ দাবী প্ৰতিপন্ন কৰিববলৈ। ''সাৰাম্মাই এই কথাবোৰ দ্বিধাহীনভাৱে কৈ গৈছিল, মাথুকুট্টীৰ কোনো উত্তৰ নাছিল। তেওঁ উপলব্ধি কৰিছিল যে সাৰাম্মাই যি ভুল কৰিলে, তাৰবাবে মাথুকুট্টী দায়ী। সাৰাম্মাই ভুল স্বীকাৰ কৰি কৈছিল,'' ...... মোৰ ভুল হৈছে। মই যি ভুল কৰিছোঁ, তাক তুমি কেতিয়াও ক্ষমা কৰিব নোৱাৰা। সেই ভুলৰ বাবে যি কোনো শাস্তি মূৰ পাতি ল'বলৈ মই প্ৰস্তুত। মই একো সুখ নিবিচাৰোঁ, তোমাৰ সেৱা কৰিববলৈ এজনী চাকৰণী হৈ থাকিববলৈকো মোৰ আপত্তি নাই।....

সাৰাম্মাৰ এই উক্তি শুনাৰ পাছত আমাৰ মনত তেওঁৰ প্ৰতি সহানুভূতি উদয় হয়। টমাছে সাৰাম্মাৰ চৰিত্ৰটো অংকিত কৰিছে, অদমনীয় কাম বাসনাৰে প্ৰবৃত্ত হৈ পৰ পুৰুষৰ লগত সংগ লাভ কৰা স্বেচ্ছাচাৰিণী, ব্যভিচাৰী তিৰোতাৰূপে নহয়, মুহূৰ্তৰ দুৰ্বলতাৰ বাবে আন পুৰুষৰ কামনাৰ বলি হৈ পৰা এজনী নাৰী ৰূপেহে। সাৰাম্মাক শাস্তি দিয়া অভিপ্ৰায়েৰে আগবাঢ়ি মাথুকুট্টীয়ে যেতিয়া তাইৰ চুলিত খামোচ মাৰি ধৰি ৰৈ গৈছিল আৰু ভুলৰ বাবে ক্ষমা কৰিছিল তেতিয়া মাথুকুট্টীৰ চৰিত্ৰই আমাৰ অন্তৰ চুই গৈছিল। ভাল বেয়া এন্ধাৰ আৰু পোহৰ এই দুয়োটা দিশ নাট্যকাৰে সফলতাৰে ব্যক্ত কৰিলে। অনেক নাট্যকাৰে এনে দৃষ্টিভংগী প্ৰকাশ কৰিব নোৱাৰে। চি,জে, টমাছে সকলোবোৰ চৰিত্ৰ প্ৰায় এনেদৰেই অৱতাৰণা কৰিছে; মাথুকুট্টীৰ মাক, কুঞ্জৱৰ্কী আদি চৰিত্ৰও এই ধৰণৰ। নাটকখনৰ আন এটা উল্লেখযোগ্য চৰিত্ৰ হৈছে পাদুৰী। টমাছে এই চৰিত্ৰৰ মাজেদি ধৰ্মীয় গোড়ামী প্ৰদৰ্শন কৰিছে। নিজকে যীশুৰ অনুগত সেৱক বুলি কোৱা এই পাদুৰীজনেও সাৰাম্মা আৰু কুঞ্জৱৰ্কীৰ দাম্পত্যজীৱন স্বীকাৰ নকৰাত তেওঁৰ উপদেশবোৰ অন্ধকাৰৰ মাজতে ডুব গৈ আছে বুলি নাট্যকাৰে অনুভৱ কৰিছে। অস্কাৰৱাইল্ডৰ 'সলোমী' নাটকৰ 'য়হন্নান' চৰিত্ৰৰ লগত ইয়াৰ সাদৃশ্য আছে।

'কন্যাকা'ত দেৱকীকুট্টিৰ চৰিত্ৰত আমি মানসিক সংঘৰ্ষ দেখিববলৈ পাওঁ। কিন্তু

চি,জে, টমাছৰ 'তেওঁ আকৌ আহিছে' নাটকত এই সংঘৰ্ষ প্ৰায় আটাইকেইটা চৰিত্ৰত প্ৰতিফলিত হৈছে। মাথুকুট্টী, সাৰাম্মা, কুঞ্জৰৰ্কী আৰু মাক প্ৰত্যেকতে নাটকীয় সংঘাত সোমাই আছে। চাৰিটা চৰিত্ৰৰে নাটখনক বেছি সজীৱ কৰি তুলিবলৈ এনে সংঘাতৰ অৱতাৰণা কৰা হৈছে।

পাদুৰীয়ে সাৰাম্মাক উপদেশ দি কৈছিল, ''তুমি যি মহা পাপ কৰিছা, তোমাৰ পৰিত্ৰাণ নাই। কেতিয়াও মৰি নোযোৱা পোক আৰু কেতিয়াও নুমাই নোযোৱা জুইৰে আবৃত্ত নৰকত তোমাক পেলাই দিয়া হ'ব।'' পাদুৰীৰ মুখত এনে ব্যাখ্যা শুনি সাৰাম্মাৰ মনত সঙঘৰ্ষ হৈছিল। 'তেওঁ মৃত্যুক বৰণ কৰিবনে, জীয়াই থাকিব'। এই সংঘৰ্ষময় চিন্তাতে সাৰাম্মাই জীয়াই থকাৰ শক্তিশালী সিদ্ধান্ত লৈ পেলাইছিল। এই সংঘৰ্ষই তেওঁৰ চৰিত্ৰটো বাস্তৱিকতে সজীৱ কৰি তুলিছে, শক্তিসম্পন্ন ৰূপত তুলি ধৰিছে।

ইব্‌ছেন আৰু কৃষ্ণপিল্লৈৰ পাছত 'গাখীৰ নিদিয়া গাই'ৰ লগতে শ্ৰী কে,টি, মুহম্মদে মলয়ালম ৰংগমঞ্চত প্ৰৱেশ কৰে। 1953 চনত কোযিক্কোডত অনুষ্ঠিত প্ৰথম নাট সমাৰোহত এওঁৰ নাটকে প্ৰথম পুৰস্কাৰ লাভ কৰে। তেওঁৰ নাট ৰচনাত এটা বলিষ্ঠ ধাৰা লক্ষ্য কৰিব পাৰি। তেওঁ মলয়ালম ৰংগমঞ্চত সংস্কাৰৰ প্ৰবক্তাৰূপে প্ৰসিদ্ধি লাভ কৰিছে। আজিও তেওঁ নাটকৰ পৰীক্ষা-নিৰীক্ষাত লাগি আছে। 'এইখনেই পৃথিৱী' নামৰ নাট খনক নতুন পৰীক্ষামূলক নাটক বুলি ক'ব নোৱাৰিলেও 'গাখীৰ নিদিয়া গাই'তকৈ এইখন বেলেগ ধৰণৰ নাটক বুলি ক'ব পাৰি। ইয়াৰ প্ৰতীকাত্মক শৈলী শ্ৰী বি,টি, মহাতিৰিপ্পাদ ৰচিত 'ৰান্ধনি ঘৰৰ পৰা ৰংগমঞ্চলৈ' নামৰ সামাজিক প্ৰহসনৰ লগত ৰিজাব পাৰি। যদি বি,টি, মহাতিৰিপ্পাদে নম্পুতিৰি সমাজৰ অনাচাৰৰ পিনে তৰোৱাল দাঙিছে তেনেহলে কে,টি, মুহম্মদে মুছলিম সমাজৰ অন্ধ বিশ্বাসৰ ফালেও হাতত তৰোৱাল তুলি লৈছে। পাৰ্থক্য ইমানেই। মূৰ নুখুৰালে মুছলমান হ'ব নোৱাৰে; উপবাস (ৰোজা) নকৰিলে পাপ হয়; মুছলমান স্ত্ৰীয়ে নিজৰ ঘৰৰ চৌপাশৰ বাহিৰা পৃথিৱীখন চোৱা মানা; তেওঁলোকে চিনেমা চাব নাপায়, শাৰী পিন্ধিব নালাগে; কাপোৰ গেৰোৱাৰ ওপৰত পিন্ধিব লাগে ইত্যাদি অন্ধবিশ্বাসত বিশ্বাসী এজন ধনী ব্যৱসায়ী আৰু তেওঁক সমাজৰ পৰা আঁতৰাবৰ বাবে শক্তি সংগ্ৰহকাৰী খালিদ নামৰ যুৱকৰ যি সংঘৰ্ষ, তাক এই নাটখনে মুখ্য প্ৰতিপাদ্য বিষয় বুলি প্ৰতিপন্ন কৰিছে। এই সংঘৰ্ষত অন্ধ পৰম্পৰাৰ সংৰক্ষকজনৰ পৰাজয় হৈছে। নতুন পুৰুষে বিপদ নেওচি আগবাঢ়িছে। এই নাটকত অৰ্থবল সমস্যা নহয়। অৰ্থবলেৰে গৰ্বিত ধনীসমাজে ধৰ্মৰ অধিকাৰ নিজৰ হাতৰ মুঠিত ৰাখিবলৈ যি হাবিয়াস কৰে, তাৰ ফলতে উদয় হয় অবিচাৰ, ধৰ্মৰ নামত ভ্ৰষ্টাচাৰ, উৎপীড়ন। সমস্যাৰ সৃষ্টি হৈ বান্ধোন থান বান হবৰ উপক্ৰম ঘটে। কে,টি, মুহম্মদে নাটকখনত এই কথা উল্লেখ কৰিছে। নিজৰ দুষ্টামি আৰু জীৱনত কৰা সকলো অপকৰ্ম ধৰ্মৰ আঁৰকাপোৰেৰে আঁৰি মুক্তিলাভ কৰাৰ অভিলাষী মুছলমানসকলক এই নাটকৰ জৰিয়তে নাট্যকাৰে আত্মনিৰীক্ষণ কৰিবলৈ প্ৰেৰণা দিছে। 'মানুহ যদি প্ৰকৃততে অসৎ হয় তেনেহলে ৰোজা আৰু নামাজ পঢ়ি লাভ নাই। কে,টি, মুহম্মদা মতে, এইটোৱে নাটকে প্ৰতিপন্ন কৰাৰ লক্ষ্য ৰাখিছে।

শ্ৰী কে,টি, মুহম্মদে ক'বলৈ গ'লে, মানৱ জীৱনৰ এটা খণ্ডিত টুকুৰাহে আমাৰ আগত দাঙি ধৰিছে। যি খণ্ডিত টুকুৰাটো তেওঁ নাটকৰ প্ৰয়োজনীয় বুলি ভাৱিছে, তাকে ঘটনাৱলীৰ লগত সংযোগ কৰিছে। এই নাটকত কোনো পাত্ৰ-পাত্ৰীৰ মানসিক সংঘৰ্ষ প্ৰকট হৈ উঠা নাই। সংলাপ বিন্যাসতো শিথিলতা লক্ষ্য কৰা যায়। সংলাপত বলিষ্ঠ কৃত্ৰিম সম্বন্ধ ঘটোৱা প্ৰচেষ্টা ইয়াত নাই। 'এৰনাট'ৰ মুছলিম মলয়ালমৰ সকলো দোষ—ত্ৰুটি আৰু কৰ্ম শক্তি, উৎসাহ, খ্যাতি প্ৰভৃতি এই নাটকত দেখিবলৈ পোৱা যায়। নাটকৰ জৰিয়তে সকলো মুছলিম মলয়ালমক আৱিস্কাৰ কৰা প্ৰচেষ্টা সৰ্ব প্ৰথমে 'এইখনেই পৃথিৱী' নামৰ নাটকখনেই কৰিছে বুলিব পাৰি। ইটশ্বেৰী প্ৰণীত 'কুট্টকৃষি' (সংযুক্ত খেতি) আৰু চেৰুকাটু প্ৰণীত 'নম্মলোনু' (আমি সকলো এক) নাটকত মুছলমান পাত্ৰ আছে, কিন্তু তেওঁলোকৰ কথা বতৰাত ঠিক মুছলিম মলয়ালম বৈশিষ্ট্য প্ৰকাশ পোৱা নাই। নাট্যমোদীসকলৰ বাবে এই মুছলিম মলয়ালম আছিল এটা নতুন আমেজ।

'এই খনেই পৃথিৱী' নাটখন ৰংগমঞ্চৰ উপযোগী কৰি নিৰ্মাণ কৰা হৈছে। ইয়াত নাটকীয় সমন্বয়ৰ ফলস্বৰূপ বিশেযত্ব ৰক্ষা কৰা প্ৰচেষ্টা আছে। নাট্যকাৰ শ্ৰী এন, কৃষ্ণপিল্লেয়ে এই সন্দৰ্ভত কোৱা অভিমত প্ৰণিধানযোগ্য। তেওঁ কৈছিলঃ

... সমস্যাৰ বাবে সমস্যা আছে। বিচাৰ-প্ৰচলন কৰিবলৈকো ইয়াত সমল আছে। গহীন কাহিনীৰ আৱশ্যক হ'লে, তাৰো অভাৱ নাই। ৰচনাৰ বিভিন্ন অংশত হাস্যৰস বা কমেডিৰ লক্ষণ বৰ্তমান। কে,টি, মুহম্মদে 'এইখনেই পৃথিৱী' নামৰ নাটকখনত এইবোৰৰ বিচিত্ৰ সমাবেশ ঘটাইছে।

দৰ্শকক মাজে মাজে বিবুদ্ধিত পেলাই কে,টি, মুহম্মদে যেন আমোদ পায়! 'মই ভয়কৰোঁ', লাল ঘড়ী, আদি নাটকৰ বিশেষত্বই 'এই খনেই পৃথিৱী' পূৰ্ণ বিকাশ লাভ কৰিব পাৰিছে। উদাহৰণ স্বৰূপে কব পাৰি যে 'এইখনেই পৃথিৱী'ৰ এটা দৃশ্যত খালিদ আৰু পাত্তেইৰ কথা বতৰাৰ মাজত তেওঁলোক দুয়োৰে নিকাহ হৈ যোৱা দৰ্শকে গম পাইছে। পতি খালিদে পত্নী পাত্তেইক পৰম্পৰাগত ধৰণেৰে নিয়ন্ত্ৰিত বা বশ কৰিবলৈ বৰমতাটো হৈ উঠিল। যি খালিদে স্ত্ৰী স্বাধীনতাৰ বাবে সংগ্ৰাম কৰিছে, সেই খালিদে নিজৰ পত্নীক এনেদৰে বশ কৰিবলৈ যোৱা কাৰ্যটোৱে দৰ্শকক স্তম্ভিত নকৰাকৈ নাথাকে। কিন্তু অলপ সময়ৰ পাছতে এই ধূৰলি-কুৱলী অৱস্থাটোৰ ভেদ ভাঙিল। দৰ্শকে গম পালে যে আচলতে খালিদ আৰু পাত্তেইয়ে সেয়া নাটকৰ আখৰাহে কৰিছিল। দৰ্শকে নিজৰ বুৰ্বকামীত হাঁহিবলৈ ধৰিলে। 'মই যাওঁ' নামৰ নাটকখনতো দ্বিতীয় আৰু তৃতীয় দৃশ্যত সপোনৰ অৱতাৰণা কৰি নাট্যকাৰে দৰ্শকক বিবুদ্ধিত পেলাইছে। এই সপোন পাছত বুজাই দি হাস্যৰসৰ সৃষ্টি কৰিছে। তেনেকৈ আছে 'লাল ঘড়ী'ত হাস্যৰসৰ চাচপেঞ্চ। হাস্যৰসৰ খোৰাক যোগোৱা 'লীলা' নামৰ চৰিত্ৰৰ মুখত এনে কিছুমান সংলাপ দৰ্শকৰ কাণত পৰে। যিবোৰ শুনি দৰ্শক হতভম্ব হৈ পৰে। অনেক সমালোচকে ভাবিব পাৰে যে দৰ্শকসকলক প্ৰথমতে বিমূঢ় অৱস্থাত পেলাই পাছত হাঁহিৰ অৱতাৰণা কৰা উত্তেজনা এটা ল'ৰা-ধেমালি মাথোন। ইয়াত কলাৰ আস্বাদ নাথাকে। নাটকত বুদ্ধিৰ প্ৰদৰ্শন বেছি চমকপ্ৰদ।

লুকাভাকুতকৈ চকু খুলি ৰখাটোকহে বেছি প্ৰাধান্য দিব লাগে। সেই কথা যিয়েই নহওক লাগিলে, শ্ৰীকে,টি, মুহম্মদে তেওঁৰ নাটকৰ মাজেদি আমাক হাঁহিবলৈ যি সুযোগ দিছে, তাৰ বাবে তেওঁক প্ৰশংসা কৰিব লাগে। যিখন সমাজে নাটক অভিনয়ক ভাল চকুৰে নাচায়, যিখন সমাজত অভিনয় কৰাটো এক প্ৰকাৰ নিষিদ্ধ, সেইখন সমাজক নাটকৰ ফালে আকৰ্ষণ কৰিবলৈ শ্ৰীকে,টি, মুহম্মদে কৰা চেষ্টা সঁচাকৈয়ে প্ৰেৰণাদায়ক। এনে প্ৰেৰণা যোগাবলৈ তেওঁ এগৰাকী নিপুণ আৰু শক্তিশালী নাট্যকাৰ। তেওঁ বহুকেইখন নাট ৰচনা কৰিছে। 'এই খনেই পৃথিৱী' নাটখন তেওঁৰ অভিনৱ শিল্পসৃষ্টি। ইয়াত ঐতিহাসিক মহত্ব সোমাই আছে। তেওঁৰ সকলোবোৰ নাটকৰ গুণাগুণ বিচাৰ-বিশ্লেষণ কৰিলে 'এইখনেই পৃথিৱী' নাটখন কিমান পৰিগণনীয় সেই বিষয়ে সন্দেহৰ অৱকাশ নোহোৱা নহয়।

আমি ভূমিকাৰ আৰম্ভণীতে উল্লেখ কৰিছো যে 'কন্যাকা' 'তেওঁ আকৌ আহিছে' আৰু 'এইখনেই পৃথিৱী' নামৰ নাটক তিনিখন বাস্তৱতাৰ ভূমিত মূৰ তুলি দণ্ডায়মান হৈ থকা তিনিজোপা বটবৃক্ষ।

অধ্যাপক এ,পি,পি, নম্পুতিৰি।

কন্যাকা

এন, কৃষ্ণপিল্লে

পাত্ৰ পৰিচয়

কৃষ্ণ পনিক্কৰ ঃ সমাজত ভাল প্ৰতিষ্ঠা পাবলৈ পৰিশ্ৰম কৰা এজন গৃহস্থ। ধন উপাৰ্জনকে জীৱনৰ লক্ষ্য পূৰণৰ একমাত্ৰ সহায়ক ৰূপে মানি লোৱা এজন মানুহ। বয়স প্ৰায় ৬৩ বছৰ।

মাধৱীমা ঃ স্বামীৰ আদৰ্শত চলা এগৰাকী স্ত্ৰী, বয়স ৬০ বছৰ।

দেৱকীকুট্টী ঃ মাধৱীমাৰ ডাঙৰ জীয়েক। চৰকাৰী বিষয়া, কিন্তু অবিবাহিতা। পত্নীত্ব, মাতৃত্ব আৰু গৃহিণী হোৱাৰ সপোন দেখা ৩৫ বছৰীয়া যুৱতী।

ভাৰতী ঃ মাধৱীমাৰ সৰু জীয়েক, পত্নী আৰু মাতৃ হোৱা সৌভাগ্য লাভ কৰিছে। বয়স ২৪ বছৰ।

ৰাজশেখৰ ঃ সভ্যতাৰ কৃত্ৰিমতাৰে নিজৰ জীৱন ধন্য কৰা এজন যুৱক। বয়স ৩০ বছৰ।

চেল্লপ্পন পিল্লৈ ঃ ভাৰতীৰ স্বামী। আদৰ্শবান আৰু কৰ্তব্যপৰায়ণ। কিন্তু জীৱনযুদ্ধত পৰাজিত হোৱা এজন সহজ সৰল মানুহ। বয়স ৩০ বছৰ।

জানকী ঃ এজনী কাম বন কৰি খোৱা দুখীয়া তিৰোতা। 'মাধৱীসদন'ৰ চাকৰণী। বয়স ২৫ বছৰ।

বেলু পিল্লৈ ঃ দেৱকীকুটীৰ ভৃত্য। স্বাস্থ্যবান, সুঠাম ডেকা। বয়স ৩০ বছৰৰ ওপৰত।

স্থান

প্ৰথম অঙ্ক

ত্ৰিবান্দ্ৰম চহৰত অৱস্থিত 'মাধৱীসদন'। কাহিনীৰ ঘটনাবোৰ প্ৰায় এমাহৰ ভিতৰৰ।

স্থান ঃ ত্ৰিবান্দ্ৰম চহৰৰ 'মাধৱীসদন' নামৰ নতুন ফেচনৰ এটা চকুত লগা ঘৰৰ ভিতৰৰ কোঠালি, বেছ আহল বহল। চকী, মেজ, খাট আদি যথাস্থানত শোভা পাইছে। বেৰত এখন ডাঙৰ আইনা আৰু আধুনিক ধৰণৰ চিত্ৰ অঁৰা আছে।

সময় ঃ নিশা আঠ বাজিছে। কৃষ্ণ পনিক্কৰ আৰু মাধৱীমাই বহি কথা পাতি আছে। কৃষ্ণপনিক্কৰৰ যিটো চেহেৰা তালৈ লক্ষ্য কৰিলে ক'ব পাৰি যে অতীতৰ পৰা অশেষ কষ্ট কৰি লোহাৰ দৰে টান শৰীৰ এটা তেওঁ এই বুঢ়া বয়সলৈকে অটুট ৰাখিছে। পূৰঠ মুখ ডাঠ চেলাউৰি আৰু দীঘল বগা চুলিৰে এই দেখনিয়াৰ মানুহজনক দূৰৈৰ পৰাই চিনি পাব পাৰি। পৰিধানত কেৱল এখন বগা ধুতি আৰু গাত এখন কাপোৰ। আনহাতে, 'মাধৱীমা'ৰ শৰীৰৰ প্ৰত্যেক অঙ্গ মাংসলযুক্ত। জীৱনত সুখ, ভোগ, সুবিধা উপভোগ কৰাৰ যি অদম্য বাসনা, যি অভিব্যক্তি তেওঁৰ কথা-বতৰাত, ভাব-ভঙ্গীত প্ৰকাশ পায় তাৰ পৰা এই বৃদ্ধা স্ত্ৰী গৰাকীৰ স্বভাৱ বটিয়াকৈ ফুটি ওলায়। মাধৱীমাই বিশ্বাস কৰিবলৈ মান্তি নহয় যে তেওঁৰ বয়স হৈছে। অসাধাৰণ সাজ-পোচাকেৰে তেওঁ সদায় নিজকে সজীৱ কৰি ৰাখিব খোজে।

মাধৱীমা ঃ সিহঁতৰ কথাৰ পৰা আমি বাৰু কি বুজিব পাৰোঁ ? সিহঁতে এনেধৰণৰ কথা কিমান বছৰৰ পৰা কৈ আহিছে। কিন্তু সিহঁতে কি পালে ?

কৃষ্ণ পনিক্কৰ ঃ পাওকে বা নেপাওকে সিহঁতে কৈয়ে থাকিব, মাধৱী।

মাধৱীমা ঃ যেতিয়ালৈকে জিভা নিবিযায়, মুখ বন্ধ নহয়, তেতিয়ালৈকে কিজানি, কৈয়ে থাকিব, আৰু কি।

কৃষ্ণ পনিক্কৰ ঃ কি কৈছা ? মুখ বন্ধ হ'ব ? নহয় মাধৱীমা, মুখ বন্ধ কেতিয়াও নহয়। সিহঁতৰ জিভা, তীখাৰে তৈয়াৰী, তীখাৰে।

মাধৱীমা ঃ উস্ সিহঁতৰ ঈৰ্ষালৈ মন কৰিছানে ? আমিতো সিহঁতৰ একো অপকাৰ কৰা নাই। অন্তৰতো দুখ দিয়া নাই......

কৃষ্ণ পনিক্কৰ ঃ আমি যে সুখেৰে দিন কটাইছো, সিহঁতে সহ্য কৰে কেনেকৈ ?

মাধৱীমা ঃ সেই কথা বাদ দিয়া, আমি নমৰালৈকে সিহঁতে মাত্ৰ এইদৰে চিঞৰিবহে পাৰিব, আৰু কি কৰিব ?

কৃষ্ণ পনিক্কৰ ঃ (*ব্যাকুল হৈ*) তাৰ পিচত ? তাৰ পিচত জানো সিহঁতে ভয় খাব? আমাৰ কথা জানো পাহৰি পেলাব ?

মাধৱীমা ঃ কিমান কথা সিহঁতে পাহৰিলে, কিমান বাৰ ভয় খালে ! এবাৰ নহয়, দুবাৰ নহয়, বহুত বাৰ, বহুত বাৰ !

কৃষ্ণ পনিক্কৰ ঃ সেই বহুতৰ লগত আমাৰ অতীতৰ কথাও যদি থাকিলহেঁতেন......

মাধৱীমা ঃ থাকিল বা নেথাকিল। সিহঁতে যি মন যায় কওঁক, আমি এনেকৈয়ে আগবাঢ়ি গৈ থাকিম।..... বাৰু, শান্ত মংগলৰ ঘৰৰ বিষয়ে কি হ'ল ?

কৃষ্ণ পনিক্কৰ ঃ অহা শুকুৰবাৰৰ ভিতৰত এই বিষয়ে দলিল পত্ৰ লিখা হৈ যাব।

মাধৱীমা ঃ তিনি হাজাৰতে কামটো তেনেহ'লে নিষ্পত্তি হৈ গৈছে ?

কৃষ্ণ পনিক্কৰ ঃ কি কম, মাধৱী, তেওঁ মান্তি হ'ব খোজাই নাছিল, চাৰে তিনি হাজাৰৰ এক পইচাও কম কৰিবলৈ তেওঁ ৰাজী হোৱা নাছিল। শেষত মইহে কোনোমতে ৰাজী কৰালো। সকলোৱে এতিয়া ক'ব, এই লেনদেনত আমাৰ সমূলি লোকচান হোৱা নাই।

মাধৱীমা ঃ আৰু এটা কথা, সেইদিনা পপ্পু নায়াৰে যি ডৰা খেতিৰ মাটিৰ কথা কৈছিল তাক আমি হাতৰ পৰা এৰি দিয়া ঠিক নহ'ব। তাত ভাল খেতি হয়, পানী যোগানৰো ভাল ব্যৱস্থা আছে। তাত শস্য নদন-বদন হৈ উঠিব।

কৃষ্ণ পনিক্কৰ ঃ (*উৎসাহ আৰু গৰ্বেৰে*) এৰিব কোনে ? প্ৰাণ থকালৈকে সেই মাটি আমাৰ হাতৰ পৰা যাবলৈ নিদিওঁ। কিন্তু, দাম অলপ বেছি কৈছে। পইচাৰ নাটনি নহ'ব। কিবা এটা উপায় ওলাব। তাতে, দেৱকীকুট্টীৰ উপাৰ্জন হৈছে, আমি নিশ্চয় কিনিব পাৰিম।

মাধৱীমা ঃ নহয়, নহয়, দেৱকীকুট্টীৰ উপাৰ্জনেৰে ত্ৰিবান্দ্ৰমত কিছু মাটি কিনা যাওক। খেতিৰ মাটিৰ বাবে বাৰু ময়ে টকা দিম।

কৃষ্ণ পনিক্কৰ ঃ কিবা এটা কৰিব লাগিব। আমাৰ বদনাম ৰটি ফুৰা মানুহবোৰৰ মুখত চুঙা চাই সোপা দিব লাগিব।

মাধৱীমা ঃ এনে এটা সময় আহিব যেতিয়া সিহঁতে এমুঠি ভাতৰ বাবে আমাৰ ঘৰৰ দুৱাৰত বাৰে বাৰে হাত পাতিব লাগিব......

কৃষ্ণ পনিক্কৰ ঃ ভগবানৰ কৃপাতে আজি আমাৰ আশা পূৰণৰ বাবে দেৱকীকুট্টী আছে, এয়ে যথেষ্ট নহয় জানোঁ, মাধৱীমা ?

মাধৱীমা ঃ ভগবানে কিয় কৃপা নকৰিব ! চাকৰিত তাইৰ যি প্ৰমোচন হৈছে সেয়া ভগবানৰে কৰুণা নহয় জানো ? আজি তাইৰ দৰমহা ডেৰশৰ পৰা তিনিশ হ'ল। ভৱিষ্যতে যে ছশ নহ'ব কোনে জানে ?

কৃষ্ণ পনিক্কৰ ঃ তেতিয়াতো এই ত্ৰিবান্দ্ৰম চহৰৰ এক চতুৰ্থাংশ আমাৰ হাতলৈ আহিল বুলি ধৰি লোৱা.......

মাধৱীমা ঃ আৰু, আমাৰ কুৎসা ৰটনা কৰা মানুহবোৰে তেতিয়া আমালৈ ফুল চটিয়া । *(হাঁহে)*

কৃষ্ণ পনিক্কৰ ঃ হয়, হয়, যি বোৰে আমাক এশিকনি দিম বুলি ভাবিছিল, সিহঁতক তেতিয়া আমিহে এশিকনি দিব পাৰিম। *(হাঁহে)*

মাধৱীমা ঃ কিন্তু এটা কথা ভাবিছোঁ। সঘনে আমি সিহঁতক বিতুষ্ট কৰা ঠিক নহ'ব। অলপ নহয় অলপ ভালৰি লগাই থাকিব লাগিব।

কৃষ্ণ পনিক্কৰ ঃ তুমি ঠিক কৈছা, বঢ়িয়া কথা কৈছা। ইয়াৰ উপায় নোহোৱা নহয়। দেৱকীকুট্টীৰ অহা জন্মদিনৰ সুযোগতে সকলোবোৰকে নিমন্ত্ৰণ কৰি এটা প্ৰীতিভোজ পাতিলে কেনে হয় ?

মাধৱীমা ঃ কিন্তু খাইপাত ফলা অযোগ্য মানুহবোৰৰ লগত কিয় অযথা পইচা খৰচ কৰিব লাগে ? মইতো ইয়াকে ভাবিছোঁ....

কৃষ্ণ পনিক্কৰ ঃ নহয়, নহয়, এই কথা ঠিক নহয় মাধৱী, আমি অলপ কৌশলেৰে আমাৰ কাম সমাধা কৰিব লাগিব। চিধা বাটেৰে সিহঁতক বশ কৰাটো যে অসম্ভৱ কথা।

মাধৱীমা ঃ তেনেহ'লে তাকে কৰা।

কৃষ্ণ পনিক্কৰ ঃ কিন্তু মোৰ এটা কথাত ভয় আছে। দেৱকীকুট্টীয়ে এইবোৰ পচন্দ নকৰে। তাইক কিন্তু মই বৰ অস্থিৰ আৰু ব্যাকুল যেন দেখিবলৈ পাইছো। পৰহি চাকৰিৰ প্ৰমোচনৰ খবৰ পোৱাৰ পিচতো যেন.....

মাধৱীমা ঃ ময়ো লক্ষ্য কৰিছিলোঁ, তাই যেন শেঁতা পৰি গৈছিল....

কৃষ্ণ পনিক্কৰ ঃ তাই এটা শব্দও উচ্চাৰণ নকৰিলে ?

মাধৱীমা ঃ এৰা, তাই তৎক্ষণাত আমাৰ ওচৰৰ পৰা গুছি গ'ল।

কৃষ্ণ পনিক্কৰ ঃ মোৰ সন্দেহ হৈছে; আমাৰ সম্পৰ্কে মানুহে কোৱা কথাবোৰ সম্ভৱ তাইৰ কাণত পৰিছে। মানে, তোমাৰে মোৰে অতীতৰ ঘটনা... বিয়া-বাৰুৰ কথা ?

মাধৱীমা ঃ নহয় নহয়, সেইটো অসম্ভৱ। মানুহৰ লগত হলিগলি কৰা, কথা-বতৰা পতা, তাইৰ অভ্যাস নাই। নিজৰ ঘনিষ্ঠ বান্ধবীৰ লগতে তাই বৰকৈ কথা নাপাতে। সেইবোৰ অতীতৰ কথা তাইৰ কাণত আক' পৰিব কেনেকৈ ?

কৃষ্ণ পনিক্কৰ ঃ জানকীয়ে হয়তো তাইৰ অস্থিৰতাৰ কাৰণ জানিব পাৰে। আচল কথাটো যিয়েই নহওক আমি কিন্তু জানিব লাগিব। বহুত দিনৰ পৰা তাই মোৰ ওচৰলৈ অহা নাই, মোৰ লগত কথাও পতা নাই।

মাধৱীমা ঃ মোৰ লগতো তাইৰ সম্পৰ্ক তেনেকুৱাই হৈছেগৈ ! তাই এতিয়া চৰকাৰী চাকৰি কৰে। যোগ্যতা আৰু গৌৰৱ দুয়োটা তাই অৰ্জন কৰিছে। আমি ভবাৰ দৰে তাই কেনেকৈ চলিব ?

কৃষ্ণ পনিক্কৰ ঃ তুমি ঠিকেই কৈছা। তথাপিও জানকীক মাতি কথাটো সোধোঁ।

মাধৱীমা ঃ (*জানকীক ডাঙৰকৈ মাতে*) জানু, অ' জানু ? (*ভিতৰৰ পৰা জানকীৰ প্ৰবেশ। অতি যত্নৰে নিজৰ শৰীৰ আটিল কৰি ৰাখিছে। স্বাস্থ্যৱতী নিপোতল চেহেৰা, দেখিলে ভাল লাগে। সাধাৰণ লিগিৰীৰ সাজপাৰ*)

মাধৱীমা ঃ জানু, তইতো দেৱকীকুট্টীৰ বৰ বন্ধু। তয়ে কছোন বাৰু তাই আজিকালি কিয় মন মাৰি থাকে ? ইমান ব্যাকুল হবৰ আৰু বেজাৰ কৰিবৰ কি হৈছে ? কিহৰ বাবে তাইৰ ইমান অশান্তি হৈছে ?

জানকী ঃ মই একো গম নেপাওঁ, আই। ডাঙৰ বাইদেউৱে এইবোৰ মোক কিয় ক'ব, আপুনিও ভাল কথা সুধিছে ?

কৃষ্ণ পনিক্কৰ ঃ এনেকুৱা কি কথা থাকিব পাৰে, যিটো তই বুজিব নোৱাৰ। তইতো খুব চালাক। তাই নক'লেও জানো তই কাৰণটো ধৰিব পৰা নাই ?

জানকী ঃ (*মাধৱীলৈ চাই*) মই, কিনো জানিম আই; তেওঁ সদায় মুখ ওফন্দাই থাকে। ৰাতি মই তেওঁৰ কাষতে শোওঁ। তেতিয়া গম পাওঁ, তেওঁ কেতিয়াবা কেতিয়াবা উচুপি উচুপি কান্দে। মই সুধিলে একো নামাতে। কেতিয়াবা কেতিয়াবা ভয়তে, মই তাৰ পৰা ওলাই আহোঁ।

মাধৱীমা ঃ দেৱকীকুট্টীয়ে এই সম্পৰ্কে ভাৰতীক কিবা কোৱা তই শুনিছনে ?

জানকী ঃ ওঁ বহুত শুনিছোঁ ! এসময়ত দুয়োজনী বায়েক ভনীয়েকৰ খুব মিল আছিল। কিন্তু আজিকালি আৰু নাই। এতিয়াটো ডাঙৰ বাইদেউ অকলেই থাকে। কেতিয়াবা, কেতিয়াবাহে মই তেওঁৰ কাষত বহোঁ, কথা ইমানেই।

কৃষ্ণ পনিক্কৰ ঃ দুয়োজনী বায়েক ভনীয়েকৰ মাজত কাজিয়া লাগিল হ'বলা ?

মাধৱীমা ঃ ভাৰতীজনী বৰ অবুজ। তাইৰ লগত কিবা লাগিবও পাৰে, কোনে জানে ?

জানকী ঃ নহয়, আই, এনে কথা হ'ব নোৱাৰে। সৰু বাইদেউৰেতো নিজৰ কাম লৈয়ে ব্যস্ত; নিজৰ স্বামী চেল্লপ্পন পিল্লে আৰু নিজৰ সন্তান শশীক লৈয়ে তেওঁৰ সময় অতিবাহিত হয়। তেওঁলোক নিজৰ কোঠাতে থাকে। কথা কলেহে কাজিয়া হোৱাৰ ভয় থাকে; নহয় জানো আই ?

কৃষ্ণ পনিক্কৰ ঃ ঠিকেই কৈছ জানকী, ভাৰতীয়ে নিজৰ সন্তানক খুৱায়, মূৰ্খ স্বামী চেল্লপ্পন পিল্লেৰ লগত কথা পাতি, ৰুমতে সোমাই থাকে। আৰু কি কৰিব ?

মাধৱীমা ঃ ভাৰতীয়ে আগৰ দৰে ডাঙৰ বায়েকৰ লগত কথা-বতৰা নেপাতে, দেৱকীকুট্টীৰ তাৰ বাবে বেজাৰ লগা স্বাভাৱিক।

জানকী ঃ নহয় আই, মই হ'লে তেনে বুলি নাভাবোঁ। ডাঙৰ বাইদেউৱে চাকৰি কৰি টকা-পইচা ঘটাৰ বাবে মানুহ কিছুমানৰ হিংসা হৈছে। হিংসাত জ্বলি পুৰি মৰা মানুহবোৰে মন্ত্ৰ-তন্ত্ৰৰ সহায়ত, নতুবা আহুদিৰ সহায়ত বাইদেউৰ এনে কৰিছে। আৰু সেইবাবেইহে, তেওঁৰ স্বভাৱৰ এই পৰিৱৰ্তন ঘটিছে।

মাধৱীমা ঃ তই বৰ সাৱধান। এনেকুৱা ঘটিবও পাৰে।

কৃষ্ণ পনিক্কৰ ঃ হু। সেইটো হ'ব পাৰে। যদি সেয়ে হয়, ময়ো তাৰ প্ৰতিকাৰৰ হকে মন্ত্ৰতন্ত্ৰৰ ব্যৱস্থা কৰিম। ইয়াৰ বাবে যিমান খৰচ হয়, হওঁক !

জানকী ঃ (*সন্তোষেৰে*) সোনকালে কৰক আই ! সোনকালে নকৰিলেহে ডাঙৰ বাইদেউৰ সুন্দৰ চেহেৰা নষ্ট হৈ যাব। মন্ত্ৰতন্ত্ৰই আক' শৰীৰৰ ওপৰত ভীষণ পোৰণি তোলে।

মাধৱীমা ঃ ঠিক আছে; সকলো ব্যৱস্থা কৰা হ'ব। বাৰু, তই এতিয়া যা। (*জানকী গুছি গ'ল। ৰাজশেখৰৰ প্ৰৱেশ। নতুন ফেচনৰ কাপোৰ পিন্ধিছে, চাল-চলন, চেহেৰা-পাতিত কৃত্ৰিমতাৰ প্ৰভাৱ সুস্পষ্ট। খঙেৰে সোমাই আহে।*)

কৃষ্ণ পনিক্কৰ ঃ কি হ'ল ৰাজন ! তোৰ ইমান খং উঠিছে কিয় ?

ৰাজশেখৰ ঃ দেউতাক মই মোৰ খং উঠাৰ অভিযোগ দিবলৈ আহিছোঁ।

কৃষ্ণ পনিক্কৰ ঃ তই কি ক'ব খুজিছ ? তোৰ কি হৈছে ? পৰিস্কাৰ কৈ ক' !

মাধৱীমা ঃ ক' বোপাই, তোৰ কি হৈছে ? তোৰ ডাঙৰ বায়েৰ যেনেকৈ অসুখী, তোকো দেখোন তেনেকুৱা লাগিছে ?

ৰাজশেখৰ ঃ মোৰ ভাগ্য, মা,

মাধৱীমা ঃ অসুখী হোৱাৰ দুৰ্ভাগ্য তোৰ কেতিয়াৰ পৰা ঘটিল ?

ৰাজশেখৰ ঃ (*কৃষ্ণ পনিক্কৰলৈ চাই*) আপুনিয়ে কওঁক, দেউতা।

কৃষ্ণ পনিক্কৰ ঃ মই ক'ব পাৰোঁ। আজি যদি তোৰ কিবা বিপদ আহে আমি তাক বাধা দিম।

ৰাজশেখৰ ঃ নিজৰ নিজৰ ক্ষমতাৰ ওপৰত অহংকাৰ কৰি কোনো লাভ নাই, দেউতা।

কৃষ্ণ পনিক্কৰ ঃ এতিয়া দেখিছোঁ কথাৰ পাতনি মেলি ৰাতিপুৱাই দিবি।

ৰাজশেখৰ ঃ দেউতা ! সঁচা কথা ক'বলৈ গলে মই চেল্লপ্পন পিল্লৈৰ ওপৰত বিৰক্ত হৈছোঁ, দুখ পাইছো।

মাধৱীমা ঃ তেওঁ তোক গালি পাৰিছে ?

ৰাজশেখৰ ঃ সেইবোৰ মই পৰোৱাই নকৰোঁ।

কৃষ্ণ পনিক্কৰ ঃ তেন্তে ?

ৰাজশেখৰ ঃ ইয়াতকৈ আৰু একো ডাঙৰ অপমান মোৰ হ'ব নোৱাৰে, এই ঘৰৰ কোনো মানুহৰে হ'ব নোৱাৰে....

কৃষ্ণ পনিক্কৰ ঃ হ'ল কি ? কি হৈছে সোনকালে ক'।

ৰাজশেখৰ ঃ কি হ'ব আৰু, মোৰ সৰুভনীজনীক তাৰ ডিঙিত বান্ধি দিয়া হৈছে।

কৃষ্ণ পনিক্কৰ ঃ তেন্তে তোৰ বিবেচনা মতে সেইখন বিয়া হ'ব নালাগিছিল, নহয় ?

ৰাজশেখৰ ঃ ইয়াত সন্দেহ কৰাৰ কি কাৰণ আছে ? তাক এটা ডেকা ল'ৰা বুলি ক'ব নোৱাৰি। মানুহৰ লগত কেনেকৈ ব্যৱহাৰ কৰিব লাগে, সি নাজানে। জানানে মা, আজি মোৰ বন্ধু কোনবিলাক ? চীফ চেক্ৰেটৰীৰ ল'ৰা, পেস্কাৰৰ ল'ৰা, হাইকোৰ্টৰ জজ চাহাবৰ ল'ৰা, এইবোৰ মোৰ বন্ধু। এইবোৰৰ লগত সি মুখ খুলি ভদ্ৰভাৱে কথা ক'ব নাজানে। অনুগ্ৰহ কৰি কোনোবাই কথা সুধিলেও, সি তাৰ পৰা আঁতৰি পলায়।

মাধৱীমা ঃ হায় ! এইটো আমাৰ বাবে বৰ লাজৰ কথা। দোষ দিবি কেনেকৈ ? চেল্লাপ্পন পিল্লে হৈছে গাঁৱৰ মানুহ।

ৰাজশেখৰ ঃ কিন্তু লাজ কি বস্তু সি বুজিবই নোৱাৰে। মান সম্ভ্ৰমো বুজি নাপায়। আৰু শুনা, তোমাৰ জোৱাইৰ কীৰ্ত্তি। সি কোনো পাৰ্টিত যোগ নিদিয়ে। চিনেমা চাবলৈ মাতিলেও সি নাযায়। ভাল সাজপোচাক পিন্ধি বাহিৰলৈ ওলোৱা তাৰ অভ্যাস নাই। কাপোৰ বুলিবলৈ তাৰ ধুতি এখন, খৰা চোলা এটা আৰু গামোচা এখন। ইমানেই তাৰ দৈনন্দিন পোচাক। তথাপিও সি অহঙ্কাৰ কৰে,— সিয়ো বোলে কলেজত পঢ়িছিল।

কৃষ্ণ পনিক্কৰ ঃ সি এটা সহজ, সৰল, চিধা মানুহ ৰাজন।

মাধৱীমা ঃ (*ব্যঙ্গ কৰি*) বৰ সহজ সৰল মানুহ, চিধা মানুহ ! এক পয়চাৰো মূল্য নাই, অপদাৰ্থ এটা।

ৰাজশেখৰ ঃ সহজ সৰল মানুহ বুলি কৈছে ? এনেকুৱা সহজ সৰল মানুহ বাকচৰ

ভিতৰত ভালকৈ বন্ধ কৰি থোৱাৰ হে যোগ্য। দেউতা, আৰু এটা কথা শুনক, সি চাইকেল চলাবও নাজানে। (*ঠাট্টা কৰি হাঁহে*)

কৃষ্ণ পনিক্কৰ ঃ গাঁৱলীয়া মানুহ নহয় জানোঁ ? চহৰৰ বতাহ লাগিলে লাহে লাহে সকলো শিকি ল'ব।

ৰাজশেখৰ ঃ নহয় দেউতা, সি যদি শিকিব পাৰে তেন্তে মোৰ ডিঙি কাটি আপোনাক উপহাৰ দিম। দাড়ি খুৰাবলৈকো তাক ঘৈণীয়েকে মনত পেলাই দিব লাগে। সি এটা জঙ্গলী মানুহ।

মাধৱীমা ঃ ৰাজন। এটা উপায় আছে। ভাৰতীক কৈ মেলি মই সকলো ঠিক কৰি দিম। তই হৈ চৈ খন নকৰিবি। মানুহে আমাক হে হাঁহিব।

ৰাজশেখৰ ঃ যদি আপোনালোকে ঠিক কৰিব নোৱাৰে, মই ঠিক কৰিব পাৰিম। মোক সি কি বুলি ভাবিছে ? মই সদায় টি, এম, এচ ফাৰ্ষ্ট কোৰ্টৰ চীফ চেক্ৰেটৰীৰ ল'ৰাৰ লগত খেলো, ফুৰোঁ। এই চহৰত ময়েই দামী কাপোৰ পিন্ধোঁ।

কৃষ্ণ পনিক্কৰ ঃ তোৰ এইবোৰ কামত সুবিধা আছে, তাৰ নাই, পাৰ্থক্য ইমানেই।

ৰাজশেখৰ ঃ (*অন্যমনস্ক হৈ*) মই এদিনত যিমান টকা খৰচ কৰোঁ, সিমান টকা হাজাৰ দৰমহা পোৱা মানুহৰ ল'ৰাই এমাহতো খৰচ কৰি শেষ কৰিব নোৱাৰে। হোটেলত চাহ খাবলৈ যাওঁতে মোৰ লগত কমেও কুৰিজন লোক গোট খায়। তেওঁলোক কিন্তু সাধাৰণ মানুহ নহয়— ডাঙৰ ডাঙৰ অফিচাৰৰ ল'ৰা। আজিলৈকে , সামান্য চাৰি পইচাৰ কাৰণে, মই চাকৰিও কৰিব লগা হোৱা নাই।

মাধৱীমা ঃ তেনে অৱস্থাত যেন নপৰ', তাকে চিন্তা কৰি আমি ধন সম্পত্তি জমা কৰিছোঁ।

ৰাজশেখৰ ঃ কিন্তু মোৰ ভনী জোঁৱাই ? হে ঈশ্বৰ ! সি আজিলৈকে চাৰিজনৰ লগ হৈ পোৱা নাই। সি 'বেক্কৰৰ ৰেষ্টোৰাঁ' পৰ্যন্ত দেখা নাই। দেউতা, মই সুধিব খুজিছোঁ, সি যদি চিগাৰেট খায়, কি ক্ষতি হ'ব ? সি ত্ৰিবান্দ্ৰমত থকা আজি সাত বছৰ হ'ল। সি কি শিকিলে ? এইটোৱেইতো হাঁহি উঠা কথা দেউতা। অলপ ভাবি চাওঁক। সি কলেজত পঢ়িলে কিয় ?

কৃষ্ণ পনিক্কৰ ঃ তাক পৰিস্থিতিয়ে তেনেকৈ গঢ় দিছে, ৰাজন ! সেই দিনা তাৰ দেউতাকে কৈছিল যে তাৰ কলেজৰ মাচুলখিনিও অতি কষ্টেৰে যোগাৰ কৰি দিব লগা হৈছিল।

ৰাজশেখৰ ঃ সেইটো ঠিক। দাৰিদ্ৰতাৰ বাবেই তেনে হৈছে। কিন্তু তাৰ ৰুক্ষতাৰ ফালে এবাৰ চাওকচোন। ইয়াৰ বাবে ত্ৰিবান্দ্ৰমবাসীৰ পৰা, বিশেষকৈ মোৰ পৰা সি ঘৃনাহে পাইছে।

কৃষ্ণ পনিক্কৰ ঃ হুহ, সেইটো কিন্তু তাক শোভা নাপায়।

ৰাজশেখৰ ঃ সি কিন্তু নিজৰ ৰুক্ষতাক বিশেষত্ব বুলি গৌৰৱ কৰে। সদায় দার্শনিকৰ দৰে কথা কয়। সকলো কথা বৰকৈ চিন্তা কৰে। মই কিন্তু এতিয়ালৈকে কোনো কথা পাঁচ মিনিটৰ বেছি চিন্তা কৰিব নোৱাৰোঁ, আৰু এইবাবেই হ'বলা, মোৰ মূৰৰ চুলি এতিয়ালৈকে ক'লা হৈ আছে। তাৰ চুলিলৈ মন কৰকচোন। ইমান কম বয়সতে তাৰ মূৰৰ চুলি পকি বগা হ'ল ? নিজৰ চিন্তা বঢ়াই লোৱাৰ সেয়ে লাভ, আৰু কি ?

মাধৱীমা ঃ মোৰতো ভয়েই লাগিছে। ভাবি ভাবি সি এতিয়া মোৰ ছোৱালীজনীকো মূৰ্খ কৰি পেলাব। তাইতো আগৰে পৰা মূৰ্খ।

কৃষ্ণ পনিক্কৰ ঃ এইটো অসম্ভৱ। তুমি তাইক যিমান মূৰ্খ বুলি ভাবিছা, তাই সিমান মূৰ্খ নহয়, মাধৱী।

মাধৱীমা ঃ মূৰ্খ নহয় ? মনত আছে;—মেট্ৰিক কিমান বাৰ ফেল কৰিছে ?

কৃষ্ণ পনিক্কৰ ঃ শ্ৰেণীত পাছ বা ফেল হ'লে মানুহৰ বুদ্ধিৰ জোখ জানো কৰিব পাৰি ? হায়। কি ভুল ধাৰণা।

ৰাজশেখৰ ঃ ঠিক কৈছে। যিহেতু ভাৰতীৰ স্বামীয়ে বি, এ পাচ কৰিছে, তেওঁকো তেন্তে বুদ্ধিমান বুলি ধৰিব লাগিব, নহয় মা ?

মাধৱীমা ঃ এশজনৰ ভিতৰত এজনহে এনেকুৱা হ'ব পাৰে, ইয়াৰ অৰ্থ......

ৰাজশেখৰ ঃ এজন নহয় মা, হাজাৰ জন এনেকুৱা হ'ব পাৰে। মইতো পাচ কৰিব নোৱাৰিলোৱেই। মোৰ তাতে সন্তুষ্টি।

কৃষ্ণ পনিক্কৰ ঃ আমিও সন্তুষ্ট। কিন্তু, ৰাজন, তই কিবা কাম এটা যোগাৰ কৰি ল'। তই বিচৰা মতে অলপ টকা তোক মই দিব পাৰোঁ।

ৰাজশেখৰ ঃ (*বৰ অসহনীয়ভাৱে*) মোৰ দ্বাৰা নহ'ব দেউতা, কিমান কষ্ট হ'ব। কাম বা কেনে হ'ব ? সদায় একে কথাতে লাগি থাকিব লাগিব, হিচাপ কৰিব লাগিব। একে ঠাইতে বহি থাকিব লাগিব।.... মইনো চাকৰি কিয় কৰিব লাগে দেউতা ?

কৃষ্ণ পনিক্কৰ ঃ আমাৰ সকলো কাম কৰিবলৈ চাকৰ বাকৰ আছেই। মোকতো সিহঁতেই চোৱা মেলা কৰে। তোৰ নিজৰ বাবেহে কৈছোঁ......

ৰাজশেখৰ ঃ দেউতা, এইবোৰ কথা শুনিলেই মোৰ মূৰৰ বিষ উঠে। কাম কৰি জীয়াই থকাটো কেনে ধৰণৰ জীৱন, কিমান লাজৰ কথা দেউতা ! আপুনি বুঢ়া হৈছে, সেইবাবে এই কথাবোৰ ভাবিছে।

কৃষ্ণ পনিক্কৰ ঃ নহয়, মই বেলেগ কথা কোৱা নাই। আমি যি কোনো প্ৰকাৰে টকা ঘটিব লাগিব। অহা দহ বছৰৰ ভিতৰত ত্ৰিবান্দ্ৰমত এটা ডাঙৰ সম্পত্তি কৰি

ল'ব লাগিব। সেইবাবেই তোক কাম কৰাৰ কথা কৈছোঁ, ৰাজন।

ৰাজশেখৰ ঃ হয়, সেইটো হ'ব দেউতা, কিন্তু তাৰ বাবে ইমান মূৰ ঘমোৱা কিহৰ প্ৰয়োজন ? ডাঙৰ বাইদেউৰ জমা দৰমহাৰ পৰাই দেখোন এইবোৰ কাম সমাধা হ'ব।

কৃষ্ণ পনিক্কৰ ঃ অকল দৰমহাৰ টকাৰে জানো হ'ব ?

ৰাজশেখৰ ঃ দেউতা, আপুনি এইটো বুজি পোৱা নাই। আজি কালি ত্ৰিবান্দ্ৰম চহৰত ডাঙৰ ডাঙৰ মানুহবোৰেই মোটা দৰমহা পোৱা বিষয়া।

মাধৱীমা ঃ (*বাপেক পুতেকৰ কথা-বতৰা হৈ থাকোতে মাধৱীমাই তামোল খাই আছিল। তামোল চোবোৱা বন্ধ কৰি ক'লে*) আপুনি তাৰ লগত তৰ্ক কিয় কৰিছে ? ৰাজনে চাকৰি কৰাৰ প্ৰয়োজন নাই। সি চাকৰি কৰিলে কিবা লাভ হ'বনে ?

কৃষ্ণ পনিক্কৰ ঃ মই জেদ ধৰিব নোখোজোঁ। আৰু এটা কথা ৰাজন শুন, তই সেই চেল্লপ্পন পিল্লৈৰ লগত বেছিকৈ লাগি নাথাকিবি। তহঁত দুটাৰ স্বভাৱ দেখি মোৰ ভয় লাগিছে, তহঁতৰ মাজত কাজিয়া নালাগিলেই ৰক্ষা। তহঁতে কাজিয়া কৰিলে লাজৰ সীমা নোহোৱা হ'ব।

ৰাজশেখৰ ঃ তাৰ লগত কোনো লাগিবলৈ যাব। কিন্তু দেউতা, তাৰ দাৰ্শনিকৰ দৰে কথাবোৰ শুনিলে মোৰ নিশ্চয় খং উঠা স্বাভাৱিক। তাৰ দৃষ্টিত আমি সকলোবোৰ মূৰ্খ। আমি একো নাজানোঁ, মনুষ্যত্বৰ পাঠ আমাক সি শিকাব খোজে। (*ঘৃণাসূচক হাঁহি, বিদ্ৰুপ*)

মাধৱীমা ঃ বোপাই, তই অলপ সহ্য কৰ। মই নিজেই এই বিষয়ে তাৰ লগত কথা পাতিম।

ৰাজশেখৰ ঃ সহ্য কৰি কৰি আমাৰ মান মৰ্যাদা নষ্ট হৈ গ'ল, মা।

কৃষ্ণ পনিক্কৰ ঃ তোক হাৰ মানিবলৈতো আমি উপদেশ দিয়া নাই।

ৰাজশেখৰ ঃ সেই কথাবোৰ বাদ দিয়ক দেউতা। মোক এশ টকাৰ প্ৰয়োজন হৈছে। (ক্ষন্তেক ৰৈ)

মাধৱীমা ঃ (*লগে লগে*) কিয় ?

ৰাজশেখৰ ঃ মই টি, এচ্, এচ্ কোৰ্টৰ মানুহক এটা 'টি পাৰ্টি' দিব লাগে। এইবাৰ মই সকলোকে পৰাজিত কৰি বিজয়ী হৈছোঁ আৰু কাপ পাইছোঁ। এই বছৰ মই চেম্পিয়ন হৈছোঁ। তেওঁলোকে মোক ইয়াৰ বাবে এটা পাৰ্টি দিছিল। এতিয়া সৌজন্যতাৰ খাতিৰত ময়ো এটা পাৰ্টি দিব লাগে।

কৃষ্ণ পনিক্কৰ ঃ বাৰু ঠিক আছে। পইচা মই তোক আজিয়েই দিম। কিন্তু মনত ৰাখিবি। আমাৰ পাৰ্টিত যাতে কোনো খুঁট নাথাকে।

মাধৱীমা ঃ তেওঁলোকে দিয়া পাৰ্টিতকৈ যাতে আমাৰ পাৰ্টি এশ গুণে ভাল হয়।

কৃষ্ণ পনিক্কৰ ঃ তই যদিও এজন চৰকাৰী চাকৰিয়ালৰ ল'ৰা নহ'ব্, তথাপি তোৰ আভিজাত্য তেওঁলোকতকৈ যাতে কোনো গুণে কম নহয়, সেইটো তই দেখুৱাব লাগিব। এশ টকাৰ বাবে কিহৰ চিন্তা ?

ৰাজশেখৰ ঃ তথাপি দেউতা, আমি এখন মটৰ গাড়ী কিনা উচিত, নহয় জানোঁ ? গাড়ী নাথাকিলে আমাক কোনে খাতিৰ কৰিব ?

মাধৱীমা ঃ ঠিক কৈছ বোপাই, তদুপৰি আমাৰ দেৱকীকুট্টীৰ এতিয়া চাকৰিৰ প্ৰমোচন হৈছে । এনে অৱস্থাত আমাৰ এখন নিজা মটৰগাড়ী নথকাটো বেয়া কথা।

ৰাজশেখৰ ঃ ভাড়া গাড়ীত উঠিবলৈ লাজ লাগে দেউতা। আমাৰ ভনী জোঁৱাইৰো একে কথা। পাৰ্থক্য ইমানেই যে যেতিয়া সি কোনো মটৰ গাড়ীত উঠিব লগা হয়, তেতিয়া তাৰ লাজ লাগে। মটৰ গাড়ীত উঠাটোৱে বোলে লাজৰ কথা। *(ঘৃণাৰে কথাখিনি কৈ হাঁহি ওলাই যায়)*

মাধৱীমা ঃ ৰাজনে চাগে মনত বৰ দুখ পাইছে, বেচেৰা।

কৃষ্ণ পনিক্কৰ ঃ চোৱা মাধৱী, আজি কিমান ডাঙৰ ডাঙৰ মানুহ আহি দেৱকীকুট্টীৰ প্ৰমোচনত অভিনন্দন জনাইছে। কিন্তু মন কৰিছানে, চেল্লপ্পন পিল্লে তাইৰ ওচৰলৈ আহি মাত এষাৰো দিয়াহি নাই। মানুহবোৰে বাৰু মনত কি ভাবিব।

মাধৱীমা ঃ নহয়, হ'ব নোৱাৰে, এইবোৰ কথা এনেয়ে উৰাই দিব নোৱাৰি। মই এতিয়াই গৈ তাৰ লগত কথা হম *(প্ৰস্থান)*

(কৃষ্ণ পনিক্কৰে মাধৱী যোৱালৈ চাই থাকে আৰু বহে। এনেতে দেৱকীকুট্টী সোমাই আহে। দুৰ্বল আৰু লাহী শৰীৰ, ওখ-নিয়মীয়া, ব্যৰ্থতাই নিঃশেষ কৰি অনা যৌৱনৰ অৱশিষ্টখিনিতো যেন কমনীয়তা দৃশ্যমান। সম্ভ্ৰম্ আৰু শিক্ষিতা নাৰীৰ দৰে বেশভূষা, বাঞ্চিত বস্তু নোপোৱাৰ অতৃপ্তিয়ে দেৱকীৰ ব্যাকুলতা ক্ষণিকৰ বাবে হ'লেও প্ৰকাশ কৰে। কক্ষত প্ৰৱেশ কৰাৰ লগে লগে তেওঁৰ ব্যাকুলতা দীনতা আৰু অসহনীয়তা প্ৰকট হৈ উঠা লক্ষ্য কৰিব পাৰি। পোনে পোনেই আইনাখনৰ গুৰিলৈ গ'ল। নিজৰ চেহেৰাটো ঠিক কৰি লবৰ বাবে চুলিকোছা অলপ ফণিয়াই ললে। আইনাৰ পৰা মুখ ঘূৰাই কৃত্ৰিম প্ৰফুল্লতা প্ৰকাশ কৰি আকৌ চেহেৰাটো এবাৰ আইনাত নিৰীক্ষন কৰিলে। দীঘল উশাহ এটা টানিলে— যেন, তেওঁৰ এটা ডাঙৰ পৰাজয় ঘটিছে।)

কৃষ্ণ পনিক্কৰ ঃ বিয়াটো বেছ ধুমধামেৰে হৈ গ'ল, কি কৱ দেৱকী ? *(দেৱকীকুট্টী মনে মনে থাকে)* ধুমধামেৰে কিয় নহ'ব? পৰমেশ্বৰ পিল্লে জানো সাধাৰণ মানুহ ? আজিৰ সমাজত তেওঁৰ স্থানতো কম নহয় ? বাৰু, দৰা দেখিবলৈ কেনে আছিল, সুন্দৰ নহয় নে ? *(দেৱকীকুট্টী মনে মনে থাকে)*, এৰা, সৌন্দৰ্য্যৰ

কথা, সোধা বিষয় নহয়। শুনিছোঁ; তেওঁৰ নিজা সম্পত্তি এক লাখৰ কম নহ'ব। সেই ছোৱালীজনীৰ কপাল ভাল আৰু কি ।....... বাৰু, ভোজ কেনে হ'ল ?

দেৱকীকুট্টী ঃ যিবোৰে ভোজ খাইছিল সেইবোৰেহে ক'ব পাৰিব।

কৃষ্ণ পনিক্কৰ ঃ এইবাবে হে তোক সুধিছোঁ।

দেৱকীকুট্টী ঃ মই খবৰ লব লাগিব।

কৃষ্ণ পনিক্কৰ ঃ কিয়, তই ভোজ খোৱা নাছিলি ?

দেৱকীকুট্টী ঃ নাই।

কৃষ্ণ পনিক্কৰ ঃ অ' বুজিছো। এক প্ৰকাৰ ভালেই হ'ল। তই যেনেকুৱা চৰকাৰী বিষয়া, তাত ভোজ নোখোৱাকৈ উভতি অহাটো ভালেই হৈছে। তথাপি অলপ শুনছোন, আজি ইয়ালৈ কিমান মানুহ আহিছে, গম পাইছই নহয় ? লক্ষ্য কৰিছোঁ অহা মানুহবোৰৰ ভিতৰত এনেকুৱা মহিলাও আছে যিবোৰে ডাঙৰ ডাঙৰ চৰকাৰী পদৰ দায়িত্ব বহন কৰিছে।

দেৱকীকুট্টী ঃ আজি ইয়াত কি আছিল ? কি হৈছিল ?

কৃষ্ণ পনিক্কৰ ঃ ধেমালি নকৰিবি দেৱকী, তই যেনিবা নাজানহে ।

দেৱকীকুট্টী ঃ মই ধেমালি এৰিলেও ধেমালিয়ে মোৰ পাচ নেৰে দেউতা।

কৃষ্ণ পনিক্কৰ ঃ তইতো কেচুৱা নহয় যে এনে ধৰণৰ কথা কবি।

দেৱকীকুট্টী ঃ যিমান দূৰ বুজিছোঁ, আজি ইয়াত কোনো নতুন কথা হোৱা নাই।

কৃষ্ণ পনিক্কৰ ঃ একো হোৱা নাই ? তোৰ দৰমহা ডেৰশৰ পৰা তিনিশ টকা হৈছে, নহয় নে ?

দেৱকীকুট্টী ঃ ইয়াত মই একো নতুনত্ব দেখা নাই।

কৃষ্ণ পনিক্কৰ ঃ বুজিছোঁ, তোৰ মতে এই উন্নতি ঠিক হোৱা নাই।

দেৱকীকুট্টী ঃ হয় দেউতা, এইটোক মই একো উন্নতি বুলি নাভাবোঁ।

কৃষ্ণ পনিক্কৰ ঃ ঠিক্ ঠিক্, এই কথাটো ময়ো স্বীকাৰ কৰোঁ। তোৰ জ্ঞান, বুদ্ধি আৰু শিক্ষাৰ তুলনাত এইটো একো উন্নতি নহয়। সঁচা কথা। যি সকল আজি ইয়ালৈ আহিছিল তেওঁলোকেও এই কথা মানি লৈছিল। কিন্তু আৰু এটা কথা নহয়। তোৰটো বয়স বেছি হোৱা নাই, প্ৰমোচন পাবলৈ তই বহুত সময় পাবি।

দেৱকীকুট্টী ঃ (*আইনাত মুখখন চাই*) এৰা, এৰা, মই এতিয়াও সৰু ছোৱালী হৈ আছোঁ। সময় বহুত আছে। (*কৃত্ৰিম হাঁহি মাৰে*)

কৃষ্ণ পনিক্কৰ ঃ দেখিছোঁ, তোৰ ভাগ্য সম্পৰ্কে সকলো জ্যোতিষীৰে একমত।

দেৱকীকুট্টী ঃ অকল জ্যোতিষীৰে নহয়, সকলোৰে একমত।

কৃষ্ণ পনিক্কৰ ঃ আৰু এটা কথা, তোৰ জন্ম দিন এই মাহতে। এই সুযোগতে আজি ইয়ালৈ অহা মানুহবোৰক সেইদিনা ভোজ এটা দিয়া যাওক। এই বিষয়ে তই কি ভাব ? (*দেৱকীকুট্টী নিমাত*) খৰচৰ কথা নেভাবিবি, এই খৰচ বৰ জৰুৰী বুলি ভাবিছোঁ।

দেৱকীকুট্টী ঃ দেউতা, অহা জন্ম দিনত মোৰ বয়স কিমান হ'ব ?

কৃষ্ণপনিক্কৰ ঃ কিয়, তোৰ মনত নাই ? পয়ত্রিছ বছৰ পূর্ণ হ'ব।

দেৱকীকুট্টী ঃ (*হুমুনিয়াহ কাঢ়ি কোমল স্বৰেৰে*) পয়ত্রিছ।

কৃষ্ণ পনিক্কৰ ঃ তোৰ মাৰৰ বয়স এতিয়া ষাঠি। তেওঁৰ পশিছ বছৰ বয়সত তোৰ জন্ম হৈছিল।

দেৱকীকুট্টী ঃ বিয়াৰ সময়ত মাৰ কিমান বয়স আছিল ?

কৃষ্ণ পনিক্কৰ ঃ চব্বিছ বছৰ ! (*দেৱকীকুট্টীৰ মন বিষাদমগ্ন ... হুমুনিয়াহ কাঢ়িলে*)

দেৱকীকুট্টী ঃ দুয়ো পূর্ণযৌৱনত ভৰি দিছিল মাত্র....

কৃষ্ণ পনিক্কৰ ঃ তেতিয়া মোৰ এই শৰীৰ কিমান বলী আছিল। অকলে মই এবস্তা চাউল উঠাই, নিজৰ মূৰত ৰাখিব পাৰিছিলোঁ (*আচৰিত কিবা গ্লানি যেন অনুভৱ কৰিছে.....*)

দেৱকীকুট্টী ঃ মা'ও নিশ্চয় তেনে আছিল ?

কৃষ্ণ পনিক্কৰ ঃ বহুত বেছি। এই ঘৰখনৰ সকলো বোজা তেওঁৰ ওপৰত পৰিছিল। (*দেৱকীকুট্টীয়ে যেন সপোন দেখিছে, ঠিয় দি*) তেন্তে তোৰ জন্মদিন এইবাৰ ধুমধামেৰে পালন কৰিম ? (*দেৱকীকুট্টীৰ যেন সপোন এতিয়াও ভঙা নাই....*) তই, এইবোৰ কি ভাবি আছ, দেৱকীকুট্টী ?

দেৱকীকুট্টী ঃ মই ভাবিছোঁ, তেতিয়া দেউতা মা কেনে আছিল, এতিয়া কেনে হৈছে।

কৃষ্ণ পনিক্কৰ ঃ তাত ভাৱিব লগা কি আছে ? এটা সময়ত এটা ধৰণৰ......

দেৱকীকুট্টী ঃ এৰা, সদায় একেধৰণেৰে থকাটোও বেয়া।

কৃষ্ণ পনিক্কৰ ঃ (*কথাৰ সুৰ সলনি কৰাৰ অভিপ্রায়ে*) তেন্তে, সেই ভোজৰ বিষয়ে ?

দেৱকীকুট্টী ঃ সেই বিষয়ে মোৰ কোনো অভিমত নাই। তাতে এনে কথাত মোৰ মতামত লোৱাৰো কোনো প্রয়োজন নাই।

কৃষ্ণ পনিক্কৰ ঃ প্রয়োজন আছে নে নাই সেইটো বেলেগ প্রশ্ন। কিন্তু, তোৰ মতামত আমি জনাটো উচিত নহয় জানোঁ ?

দেৱকীকুট্টী ঃ নজনাটোহে বৰং উচিত।

কৃষ্ণ পনিক্কৰ ঃ হে মোৰ ভগবান ! এনে সহজ সৰল ছোৱালীয়ে চৰকাৰী চাকৰি কেনেকৈ কৰিছে ?

দেৱকীকুট্টী ঃ মোৰো সেইটো সন্দেহ হয়, দেউতা।

কৃষ্ণ পনিক্কৰ ঃ মোৰ কথাৰ তাৎপৰ্য্য হ'ল— তই কেৱল নাৰী হৈ চৰকাৰী চাকৰি চম্ভালিবি কেনেকৈ ? পুৰুষৰ দৰে তোৰ কিছু সাহসো থকাৰ দৰকাৰ।

দেৱকীকুট্টী ঃ (*বিষাদ ভাৱেৰে*) পুৰুষৰ দৰে হ'বলৈ, বহুত চেষ্টা কৰোঁ। তথাপি কিন্তু ভগবানে কয়— হেৰ, তই নাৰীহে, পুৰুষ নহয়।.....

কৃষ্ণ পনিক্কৰ ঃ (*হাঁহি*) এই ঠাট্টা বিদ্রূপ দেখিছোঁ তোৰ একমাত্ৰ অৱলম্বন, নহ'লে তোৰ সকলো কাম হৈ গ'লহেঁতেন। বাৰু দেৱকী, সেইবোৰ কথা বাদ দে। এতিয়া ভিতৰলৈ বল, খোৱা বোৱা কৰোগৈ। তইতো ভোজত নাখালিয়েই।

দেৱকীকুট্টী ঃ দেউতা, আপুনি খাওকচোন, মই অলপ পিচতে গৈছো।

কৃষ্ণ পনিক্কৰ ঃ বাৰু, পলম নকৰিবি। (*প্ৰস্থান*)

(*দেৱকীকুট্টী পুনৰ আইনাৰ ওচৰলৈ যায়, নিজৰ প্ৰতিবিম্বত দৃষ্টি পেলায়। এপদ এপদ কৈ গাৰ অলঙ্কাৰ খুলি পেলায়। বিদ্রূপৰ সুৰত কয়,...... ঠাট্টা, বিদ্রূপ তেনেহ'লে..., পুনৰ বিচনাত শুই পৰিল। গাৰুটো বুকুত গুজি উচুপি উচুপি কান্দিবলৈ ধৰে, যেন শোকে খুন্দা মাৰি ধৰিছে। জানকীয়ে বিমোৰত পৰি দৌৰি আহে*)

জানকী ঃ বাইদেউ, আপুনি কি কৰিছে ? এই খাৰু, মণি, ঠুৰিয়াবোৰ কিয় পেলাই দিছে ?

দেৱকীকুট্টী ঃ তোৰ যদি দুখ লাগিছে তয়ে সেইবোৰ পিন্ধি ল, জানকী।

জানকী ঃ (*হতভম্ব হৈ*) আৰু আপুনি ?

দেৱকীকুট্টী ঃ তয়ে পিন্ধ, মই নিপিন্ধোঁ ।

জানকী ঃ কিমান দুখৰ কথা, কিয় নিপিন্ধিব ?

দেৱকীকুট্টী ঃ অলঙ্কাৰ নিপিন্ধিলে, কোনোবা যেন মৰিহে যাব।

জানকী ঃ তিৰোতাই মৃত্যুৰ পৰা বাচিবৰ কাৰণে গহনা পিন্ধে নেকি ? আপুনি কি কথা কৈছে ?

দেৱকীকুট্টী ঃ জানু, তই মোক এটা সহায় কৰিবি ? এই আইনাখন ইয়াৰ পৰা আঁতৰাই নে ।

জানকী ঃ এই আইনাখনে আপোনাক কি কৰিলে ?

দেৱকীকুট্টী ঃ এই অৰ্থহীন আইনাখনত মই মোৰ, মুখ চাব নোখোজোঁ।

জানকী ঃ তেন্তে, ভাৰতী বাইদেউৰ কোঠাত থকা আইনাখনকে ইয়ালৈ লৈ আহোঁ ?

দেৱকীকুট্টী ঃ সেই, আইনা চোৱাৰ মোৰ যোগ্যতাই নাই। সেইখন আইনাত মই মোৰ মুখ চালে মোৰ ভয় লাগিব, মই চিএঞৰি দিম। নহয়, নহয়, নহয়, মই সেইটো

কেতিয়াও নিবিচাৰোঁ।

জানকী ঃ বাইদেউ, মই একো বুজিব পৰা নাই ?

(এনেতে নেপথ্যত ভাৰতীৰ কোঠাৰ পৰা "প্ৰিয়তমা, প্ৰিয়তমা" নামৰ গীত এটাৰ সুৰ কাণত বাজি উঠে। এই গীতৰ সুৰে দেৱকীকুট্টীক অসহ্য বেদনাৰে চঞ্চল কৰি তোলে ।)

দেৱকীকুট্টী ঃ জানু, তই ভাৰতীক কʼগে যে সেই ৰেকৰ্ডখন ইয়ালৈ পঠাই দিব লাগে। যা বেগাই যা। (*জানকী যাওঁ নেযাওঁকৈ ওলাই গʼল। দেৱকীকুট্টীয়ে অধীৰ আৰু অশান্ত মনেৰে কোঠাটোৰ ভিতৰত অহা যোৱা কৰে। অলপ পিচতে জানকীয়ে ৰেকৰ্ডখন আনি তেওঁৰ হাতত দিয়ে। ৰেকৰ্ডখন দেৱকীকুট্টীয়ে লৈ, জোৰেৰে মাটিত দলিয়াই দিয়ে। ৰেকৰ্ডখন ভাঙি টুকুৰা টুকুৰ হৈ যায়।)*

জানকী ঃ বাইদেউ, সেইটো কিমান ভাল গান আছিল !

দেৱকীকুট্টী ঃ আগৰে পৰা সেই গানটো ইয়াত বজোৱা নিষিদ্ধ কৰা হৈছিল।

জানকী ঃ সেই গানত কিনো বেয়া কথা আছিল ? তাত কিবা অভদ্ৰতা, অশ্লীলতাৰ ভাৱ আছিল জানো ? মই নাজানো বাবেহে সুধিছোঁ।

দেৱকীকুট্টী ঃ মোৰ গোটেই জীৱনৰ হাঁহি তই কাঢ়ি লৈ যা, মোৰ আপত্তি নাই, মই আনন্দেৰে অনুমতি দিছোঁ। কিন্তু মোক অলপ শান্তিৰে জীয়াই থাকিবলৈ দে। মোক মাত্ৰ শান্তি লাগে, শান্তি।

জানকী ঃ বাইদেউ, এনেকৈ নকʼব। আপোনাৰ মুখৰ হাঁহি মই কাঢ়ি নিম ? মোৰ ইমান দুঃসাহস ? হায় ভগবান !

দেৱকীকুট্টী ঃ জানু, তই ইমানদিন এই ঘৰতে আছ। মোৰ হাঁহি নোহোৱা কৰিছ। অকল তয়ে নহয়, এই ঘৰৰ নানা ধৰণৰ মানুহে মোৰ হাঁহি নোহোৱা কৰিছে, মোক হাঁহিয়াতৰ পাত্ৰ কৰি তুলিছে।

জানকী ঃ হায় ভগবান ! আপুনি দেখোন সকলোবোৰ কাণ্ড-কাৰখানা নিজেই দেখিছে, শুনিছে। এইবোৰৰ সত্যতা আপুনিয়েইতো জানে।

দেৱকীকুট্টী ঃ ভগবানে এইবোৰ নেদেখেও, নুশুনেও। যদি দেখিলেহেঁতেন, যদি শুনিলেহেঁতেন....। জানু, এই অলঙ্কাৰবোৰ যাতে, কোনেও ইয়াত পৰি থকা নেদেখে, তই ব্যৱস্থা কৰ, বুজিলি ?

জানকী ঃ আপোনাৰ আদেশ মই পালন কৰিম, বাইদেউ। (*অলঙ্কাৰখিনি বুটলি লয়*)

দেৱকীকুট্টী ঃ তই ইয়াৰ পৰা এতিয়া যাব পাৰ! মোক ইয়াত অকলে থাকিবলৈ দে। মই কিছু সময় ইয়াতে থাকিব খোজোঁ— অকলে, নীৰলে আৰু শান্তিৰে... (*জানকীয়ে নিঃশব্দে আঁতৰ হয়*)... যদি এই শান্তি মই সদায় পালোহেঁতেন। (*বিপৰীত ফালেৰে ভাৰতীৰ প্ৰবেশ, লগত নিজৰ কেঁচুৱা*)

ভাৰতী ঃ বাইদেউ তুমি মোৰ সেই ৰেকৰ্ডখন কিয় ভাঙি পেলালা ? সেই গানটো মোৰ কিমান প্ৰিয় আছিল, তুমিতো জানা।

দেৱকীকুট্টী ঃ কিন্তু মোৰ গানটো ভাল নেলাগে, সেইবাবে ৰেকৰ্ডখন ভাঙি পেলালো। (*কেঁচুৱাটো ল'বৰ বাবে হাত আগবঢ়ালে, কিন্তু কেঁচুৱাটোৱে মাকৰ হাতৰ পৰা নাহিল।*)

ভাৰতী ঃ বদমাচ্ ইয়াৰ ব্যৱহাৰটো চোৱাচোন ?

দেৱকীকুট্টী ঃ নহয় ভাৰতী, তইঁতৰ দৰে সিয়ো মোক বিদ্ৰুপ কৰিছে। মাকৰ মন সি ভালকৈ বুজি পাইছে, কথা ইমানেই। ভৱিষ্যতে বাৰু তোৰ ল'ৰা মই কোলাত নলওঁ। (*মেজত থকা কেঁচুৱাটোৰ ফটোখন কোঠাৰ বাহিৰত পেলাই দিলে।*)

ভাৰতী ঃ (*চিঞৰি*) বাইদেউ, ল'ৰাটোৱে তোমাক কি কৰিলে ? (*দেৱকীকুট্টী নিৰ্বাক, নিথৰ, নিস্তব্ধ হৈ ঠিয় দি থাকিল।*)

—পট পৰিৱৰ্তন—

দ্বিতীয় অঙ্ক

স্থান ঃ মাধৱীসদনৰ স্বামী-স্ত্ৰীৰ এটা কক্ষ। খাট, বিচনা, এখন আইনা, মেজ ঝুলনা, ৰং-বিৰঙৰ পুতলা, কেঁচুৱা ল'ৰাৰ তিনি চাৰি সাজ পিন্ধা কাপোৰ আঁৰা আছে। চেল্লপ্পন পিল্লে আৰু ৰাজশেখৰে বহি কথা পাতি আছে। চেল্লপ্পনৰ স্বাস্থ্য দুৰ্বল কিন্তু চকু বৰ উজ্জ্বল। চকুৰ দৃষ্টিয়ে স্বাস্থ্যবান মানুহৰ শক্তিৰো অভাৱ পূৰণ কৰে। পিন্ধন-উৰণত অসাৱধানতা পৰিলক্ষিত।

সময় ঃ দিনৰ তিনি বাজিছে।

ৰাজশেখৰ ঃ মোৰ আৰু সুধিব লগা একো নাই। শেষবাৰৰ বাবে মাথোন সুধিব খুজিছোঁ, তুমি পাৰিলৈ আহিবা, নে নাহা ?

চেল্লপ্পন পিল্লে ঃ তুমি এবাৰেই সোধা বা এশবাৰেই সোধা, মোৰ উত্তৰ একেটাই।

ৰাজশেখৰ ঃ এনেকুৱা উত্তৰ পাবলৈ মই সোধা নাছিলোঁ।

চেল্লপ্পন ঃ আৰু বেলেগ উত্তৰ আশা নকৰিবা।

ৰাজশেখৰ ঃ মেনন চাহাবৰ লগত পৰিচয় থকাহেঁতেন তুমি আনন্দমনেৰে মোৰ লগত যাবলৈ ওলালাহেঁতেন। তেখেতৰ দৰে ধনী, জ্ঞানী আৰু সাহসী মানুহ গোটেই ত্ৰিবান্দ্ৰম চহৰতে দ্বিতীয় ব্যক্তি নোলাব। তুমি জনা উচিত যে ৰাজহুৱা কামৰ বাবে তেওঁ হাজাৰ টকা দিবলৈকো কুণ্ঠাবোধ নকৰে। এনে এজন ভদ্ৰলোকে দিয়া পাৰিলৈ যদি তুমি...

চেল্লপ্পন ঃ এৰা, এৰা, তেওঁৰ স্বভাৱৰ বিষয়ে মই বহুত কিছুৱে শুনিছোঁ। তেওঁৰ

ধন,জন, মান, সন্মানৰ বিষয়ে বেছি জানিবৰ মোৰ আগ্ৰহ নাই। মই তেওঁক এজন ব্যভিচাৰী, মদপী বুলিহে জানোঁ। মই ধৰিব পাৰিছোঁ সামাজিক কামত তেওঁ পানীৰ দৰে টকা ঢালে, যাতে তেওঁৰ অসৎ প্ৰবৃত্তিৰ কথা মানুহৰ দৃষ্টিত ধৰা নপৰে, আৰু কদাচিত পৰিলেও, যাতে মানুহে বাহিৰ কৰি নুফুৰে, গুৰুত্ব নিদিয়ে।

ৰাজশেখৰ ঃ মনে মনে থাকা, চেল্লপ্পন পিল্লে ! তুমি কি জানা ? তুমি ভাবিছা, মিঃ মেননে কম দামী মদপান কৰে। তুমি কিন্তু জনা উচিত যে তেওঁ যি মদ খায় সেই মদ বৰ দামী, সেইবোৰৰ নাম শুনিলেই কিজানি তোমাৰ মূৰ বিষাব। আৰু তেওঁৰ স্বভাৱৰ কথা কৈছা ? সেইবাবে ইমান চকুপানী টোকাৰ আৱশ্যক নাই। যিবোৰ লোকে সুখ আৰু সুবিধাৰ মাজত থাকে, তেওঁলোকৰ মাজত কম বেছি পৰিমাণে বদ স্বভাৱ কাৰ নাই ? আহা, তুমি বৰ ভাল মানুহ যেন দেখুৱাইছা, বাৰু সেই কথা বাদ দি এতিয়া তুমি পাৰ্টিলৈ বলা। মই ভাবোঁ, তুমি যোৱা উচিত।

চেল্লপ্পন ঃ মই দেখোন তোমাক কৈছোৱেই, এনে ধৰণৰ পাৰ্টিলৈ যোৱা মোৰ অভ্যাস নাই ?

ৰাজশেখৰ ঃ অভ্যাস জন্মগত প্ৰবৃত্তি নে ?

চেল্লপ্পন ঃ নহয়। কিন্তু মই এতিয়া নতুন অভ্যাস এটা আৰম্ভ কৰিব নোৱাৰোঁ। আৰু ইয়াৰ প্ৰয়োজনো মই অনুভৱ নকৰোঁ।

ৰাজশেখৰ ঃ মোৰ ভনী জোঁৱাই এজন জেন্‌টেল্‌মেন্ নহ'ল, দুখৰ কথা।

চেল্লপ্পন ঃ ঠিক কৈছা, জেনটেলমেনৰ বিষয়ে তোমাৰ যি ধাৰণা, তেনে ধৰণৰ 'জেনটেলমেন' মই হ'ব নোখোজোঁ। তোমাৰ জেনটেলমেন চাহাবৰ নকল মাত্ৰ, তেওঁলোকক 'চচাইটি' লাগে, পাৰ্টি লাগে। তেওঁলোকে নতুন মটৰগাড়ীত উঠি হাওৱা খাব। বহুত দামী দামী মদ খাব।

ৰাজশেখৰ ঃ সেয়া নহয়, মই কওঁ শুনা—জেনটেলমেনৰ বিশেষত্ব। তেওঁ কেৱল গুৰৰ তৈয়াৰী চাহ খায়, সদায় দাড়ী নুখুৱায়, চাইকেলত নুঠে, মটৰ গাড়ীত উঠা তেওঁৰ বাবে নিষিদ্ধ। তেওঁ সাধাৰণ কাপোৰ পৰিধান কৰে *(হাঁহে)*

চেল্লপ্পন ঃ কি কৰা যায়, কোৱা, মানুহৰ ৰুচি বিভিন্ন। এজনৰ পচন্দ, আনজনৰ অপচন্দ।

ৰাজশেখৰ ঃ হেৰা চেল্লপ্পন, মই তোমাক এশবাৰ কৈছোঁ, মোক তোমাৰ বেদান্ত নুশুনাবা। মই যেনে আছো তেনে থকাই মোৰ দৰ্শন, ইয়াতকৈ বেলেগ দৰ্শন মোৰ নাই। থাকিলেও সেই দৰ্শনে তোমাৰ ওপৰত প্ৰভাৱ বিস্তাৰ নকৰে, মোৰ পূৰা বিশ্বাস আছে।

চেল্লপ্পন ঃ মই বেদান্তৰ প্ৰশংসা কৰা নাই, কৰিলেও যে সফল হ'ব, এনে

বিশ্বাস মোৰ নাই, অভিলাসো নাই।

ৰাজশেখৰ ঃ অভিলাস নাথাকিলেও লগ পালেই তুমি মোক দৰ্শনৰ লেকচাৰ শুনোৱা। উঁহ্ কি যন্ত্ৰণা ! হে ভগবান, নৰকতো ইয়াতকৈ বেছি যন্ত্ৰণা সহ্য কৰিব লাগিবনে ?

চেল্লপ্পন ঃ তেনেহ'লে, এতিয়া ভগবানে নতুন এখন নৰক সৃষ্টি কৰক।

ৰাজশেখৰ ঃ ভগবানৰ প্ৰাইভেট চেক্ৰেটৰীতো তুমিয়েই।

চেল্লপ্পন ঃ অনুগ্ৰহ কৰি এটা কাম কৰা, ভৱিষ্যতে যাতে মোৰ কথাত হস্তক্ষেপ নকৰা, মাত নামাতা তাৰ প্ৰতি লক্ষ্য ৰাখিবা।

ৰাজশেখৰ ঃ কি কৈছা ? হস্তক্ষেপ নকৰিম, মাত নামাতিম ? এটা কথা তোমাক কওঁ, শুনা। আমি এলাপেচা মানুহ নহয়। আমি গৰ্ব, মান সম্ভ্ৰম ৰাখি চলা মানুহ। কিন্তু যেতিয়া জানি শুনিও তুমি আমাৰ যশ আৰু সন্মানত কলঙ্ক সানিবলৈ সাহস কৰা, তেতিয়া আমি মাত নমতাকৈ কিয় থাকিম ? তুমি কি কৈছা, চেল্লপ্পন পিল্লে ? কি কৈছা ?

চেল্লপ্পন ঃ তোমাৰ মান-সম্ভ্ৰম, অভিমানৰ ওপৰত মোৰ কোনো অধিকাৰ নাই, সঁচা কথা, মই ভাবোঁ, তোমাক অপমান কৰা, তোমালোকক হেয় প্ৰতিপন্ন কৰা, একো কাম মই কৰা নাই।

ৰাজশেখৰ ঃ একো কৰা নাই ? হেৰা তুমি যেতিয়া কান্ধত গামোছা এখন পেলাই মাজৰাস্তাৰে ইফালে সিফালে যোৱা, তেতিয়া আমাৰ সন্মানত আঘাত নালাগেনে ? কেতিয়াবা তুমি মোৰ বন্ধুবোৰৰ লগত মুখ খুলি কথা-বতৰা পাতিছানে ? কেতিয়াবা তেওঁলোকে চিগাৰেট উলিয়াই তোমালৈ আগবঢ়ালে, তুমি হাত পাতি লৈছানে ? আৰু ভদ্ৰলোকৰ দৰে এক মুহূৰ্তৰ বাবেও তুমি তোমাৰ পৰিচয় দিব পাৰিছানে ?

চেল্লপ্পন ঃ মনে মনে থাকা, ৰাজশেখৰ নায়াৰ, মনে মনে থাকা। মোৰো মান মৰ্যাদা আছে। মান মৰ্যাদা অকল তোমালোকৰ একচেতিয়া সম্পত্তি নহয়।

ৰাজশেখৰ ঃ তোমাৰ মান মৰ্যাদাৰ কথা আমাৰ জনা আছে। বিয়াৰ পিচত ইয়াত থাকি তুমি যি মান ৰক্ষা কৰিছা, সেইটো মোৰ জনা আছে। *(ডাঙৰ কৈ হিতিকিং কৰা ভাৱত হাঁহে)*

চেল্লপ্পন ঃ বুজিছোঁ, এই হাঁহিৰ সংকেত মই মৰ্মে মৰ্মে বুজি পাইছোঁ। তোমালোকৰ খৰচতে মই ইয়াত বেকাৰ হৈ পৰি আছোঁ। তোমাৰ হাঁহিত সেই ইঙ্গিতকে মই পাইছোঁ।

ৰাজশেখৰ ঃ হয়, হয়, তাত সন্দেহৰ অৱকাশ ক'ত ?

চেল্লপ্পন ঃ তেন্তে, মিষ্টাৰ ৰাজশেখৰ নায়াৰ, এইটো মোৰ ভুল হৈছিল। মই স্বীকাৰ কৰিছোঁ। তোমালোকৰ লগত সম্বন্ধ কৰাই মোৰ ভুল হৈছিল। এই চহৰত ভাল মানুহ লগ পাবলৈ আশা কৰাই মোৰ ভুল হৈছিল।

ৰাজশেখৰ ঃ (*অৱজ্ঞাৰ সৈতে*) অ', এতিয়াহে গম পালোঁ। এই সংসাৰত তুমিহে অকল ভাল মানুহ। তুমি এটা নতুন তথ্য আৱিস্কাৰ কৰিলা। ইয়াৰ বাবে হাজাৰবাৰ ধন্যবাদ।

চেল্লপ্পন ঃ বন্ধু, এনে ধৰণৰ ব্যংগোক্তি বা বক্ৰোক্তিত মই পৰাজয় বৰণ নকৰোঁ। মই স্বীকাৰ কৰোঁ তোমালোকৰ ঘৰত মই বিয়া কৰাইছোঁ। এই বিয়াৰ অৰ্থ যদি, সেই মুহূৰ্তৰ পৰা নিজৰ চিন্তা-ভাৱনা, আচাৰ-বিচাৰ সকলো ত্যাগ কৰি এক নতুন ধাতুৰে জীয়াই থকা আৰম্ভ কৰা, তেতিয়া হ'লে মই কম, এইটো তোমালোকৰ ভ্ৰান্ত আদৰ্শ, বিকৃত ধাৰণা। মই স্ব-ইচ্ছাৰে মোৰ পেটৰ ভোক মাৰিবলৈ নিজৰ ৰুচি অনুযায়ী আহাৰ খাওঁ, কাপোৰ পিন্ধোঁ। মই খোৱাৰ সময়ত যদি ভাতৰ গৰাহটো ডাঙৰকৈ লওঁ, তাত তোমালোকৰ কব লগা আছে। মই গামোছা পিন্ধোঁ, মই পাটৰ কাপোৰ পিন্ধোঁ, যিয়েই নিপিন্ধো লাগিলে, তাত তোমালোকৰ চিন্তা হোৱা অযুগুত। সঁচা কথা ক'বলৈ গ'লে, মান-সম্ভ্ৰমৰ যি ধাৰণা লৈ তোমালোক আছা, সেই ধাৰণাতোৱেই মাৰাত্মক ভুল। তোমালোকৰ সভ্যতা, মোৰ সভ্যতা হ'ব নোৱাৰে।

ৰাজশেখৰ ঃ তোমাৰ সভ্যতা আমাৰ সভ্যতা কেতিয়াও একে হ'ব নোৱাৰে। একেবাৰে সঁচা কথা। কিন্তু ইয়াত আমাৰ সভ্যতাহে চলিব। আমি সমাজত নিজৰ মুখ দেখুৱাব লাগিব। সমাজত তোমাক নিজৰ ভনীজোঁৱাই বুলি ক'বলৈ মোৰ লাজ লাগে। আমিতো ভদ্ৰ সমাজত থাকিব লাগে।

চেল্লাপ্পন ঃ এৰা, ঠিকেই। সদায় চাৰি পাঁচজন মানুহে (*তোষামোদকাৰী*) তোমালোকক আগুৰি থাকে, নহ'লে হয়তো তোমালোক লুটি খাই বাগৰি পৰিবা। বাৰু, তোমালোকৰ পৰাধীনতাৰ বিষয়ে কি কম ? যেতিয়া চাৰি পাঁচজন মানুহে হাঁহে, তেতিয়া তোমালোকেও হাঁহা, সেইবোৰে যেতিয়া কান্দে, তোমালোকেও কান্দা। তেওঁলোক নঙঠা হ'লে, তোমালোকেও নাঙঠ হৈ ফুৰিবলৈ সাজু হোৱা, ৰাজহাড় নোহোৱা তোমালোক মাথোন এবিধ সামাজিক প্ৰাণী !!

ৰাজশেখৰ ঃ তেনে ক্ষেত্ৰত এই বৰ বৰ কথা কওতা লোকজনে ঘূৰি পকি ইয়ালৈ আহি মেৰুদণ্ডহীন প্ৰাণীৰ ভৰিত পৰিবলৈ লজ্জিত নহ'ল কিয় ?

চেল্লপ্পন ঃ ঠিকেই কৈছা, ভাই, এনে মানুহ নিৰ্লজ্জ হৈ তোমালোকৰ ভৰিত পৰিব লগা হৈছে, কি কৰা যায়, সমাজৰ চাবি কাঠি যে তোমালোকৰ হাততে। যিসকলে কপট, চালাকি আৰু মিঠা মিঠা কথাৰে সভ্যতাৰ চিনাকি দিয়ে, সেই অসভ্য আৰু বৰ্বৰ মানুহবোৰৰ হাততে আজি সমাজৰ চাবি কাঠি সোমাই থাকে।

ৰাজশেখৰ ঃ তুমি ইমান পৰ্যন্ত ক'বলৈ আগবাঢ়িছা ? মই ভাৰি আচৰিত হৈছোঁ। যদি ঘৰৰ বাহিৰে ভিতৰে এনেধৰণৰ লেকচাৰ দি ফুৰা, তেতিয়াহ'লে, অকণো পলম নকৰাকৈ এই ঘৰৰ পৰা গুচি যোৱা, আমি ইয়াত চাৰিজন ভাল মানুহৰ লগত জীৱন-নিৰ্বাহ কৰিব লাগে। তুমি আৰম্ভণিৰ পৰাই কোৱা নাই জানো, যে তুমি আমাক বিকৃত ৰূপতহে বুজিছা ?

চেল্লপ্পন ঃ কৈছোঁ ঠিকেই। কিন্তু, যিমান প্ৰকৃততে ক'ব লাগে, তাতকৈ কম হে কোৱা হৈছে।

ৰাজশেখৰ ঃ হয়, হয়, আমিও ভুল কৰিছোঁ। আমিও তোমাৰ স্বৰূপ ভালকৈ ধৰিব নোৱাৰিলোঁ।

চেল্লপ্পন ঃ মানে ?

ৰাজশেখৰ ঃ আমি ভাবিছিলোঁ, তুমি এজন ভদ্ৰলোক আৰু বুদ্ধিমান, অযোগ্য আৰু অপদাৰ্থ নহয়।

চেল্লপ্পন ঃ ভাল হ'ল যে পলমকৈ হ'লেও তোমালোকে ঠিক বুজিব পাৰিলা। এইয়া মোৰ পৰম ভাগ্য বুলি ধৰিছোঁ। এতিয়া, তোমালোকৰ সভ্যতা আৰু বিবেচনাৰ বাহিৰত অলপ সময় মোক থাকিবলৈ দিয়া।

ৰাজশেখৰ ঃ তুমি ইমান গৰ্ব নকৰিবা। মোৰ সকলো জনা আছে। কিবা নহয় কিবা প্ৰকাৰে ফিজ দিবলৈ পইচা জমা কৰি হোটেলৰ মালিকক ফাঁকি দি, ত্ৰিবান্দ্ৰমতে থাকি ডিগ্ৰী লোৱা বাহাদুৰী মৰা মানুহবিলাকৰ ভিতৰত বোধকৰোঁ তুমিও এজন.....। ইমান ডাঙৰ বুলি নিজকে নাভাবিবাচোন।

চেল্লপ্পন ঃ এনে বাহাদুৰী মৰা মানুহকে মূৰত তুলি, নিজৰ ভনীয়েকক তেওঁলৈ বিয়া দি তোমালোক ধন্য হৈছা। আমীৰ হোৱাৰ অহঙ্কাৰ কৰিছা। ৰাজশেখৰ, তুমিও নিজকে ইমান ডাঙৰ বুলি ফুটনি নামাৰিবা।

ৰাজশেখৰ ঃ কি কৈছা তুমি ? সাৱধান কিন্তু, এই মইমতালি মৰা স্বভাৱ তোমাৰ শেষ কৰিব লাগিব। হয় তোমাক এজন ভদ্ৰলোক কৰি তুলিম, নহয়, তোমাৰ অস্তিত্বই নোহোৱা কৰিম, বুজিছা ? (*খঙেৰে বেগাই প্ৰস্থান*)

চেল্লপ্পন ঃ (*হাঁহি, ৰগৰ কৰি*) নহয়, নহয়, বন্ধু, দুয়োটা কামেই একেলগে হৈ যাওক ।!

(*ভাৰতীৰ প্ৰবেশ। ভাৰতী দেখাত সুন্দৰী নহয়, কিন্তু, আপচুও নহয়। সাধাৰণ সাজ-পোচাক। মুখত প্ৰফুল্লতা নেথাকিলেও চেহেৰাত শান্তি আৰু তৃপ্তি পৰিলক্ষিত।*)

চেল্লপ্পন ঃ (*উপহাস, পৰিহাস, অশান্তি আদি মনোভাৱ নিয়ন্ত্ৰণ কৰি ধেমালি কৰাৰ চলেৰে হাঁহি মাৰি*) ককায়েকৰ পৰ্ব শেষ হৈছে। এতিয়া ভনীয়েকৰ পৰ্ব আৰম্ভ

হ'ব ছাগে ?

ভাৰতী ঃ সহজ ভাষাত যদি কয়, উত্তৰ দিব পাৰোঁ।

চেল্লপ্পন ঃ তোমালোকে বুজিব পৰা ভাষা মোৰ আয়ত্ত হোৱা নাই।

ভাৰতী ঃ (*হাঁহি পাতলকৈ*) ইমান দিনে সেই ভাষা আয়ত্ত নোহোৱাটো নিশ্চয় লজ্জাৰ বিষয় ? আজি তিনি চাৰি বছৰে ক'ৰ্ছ (*পাঠ্যক্ৰম*) সম্পূৰ্ণ নহ'ল হ'বলা ।

চেল্লপ্পন ঃ ভাৰতী, বি, এটো মই সহজেই পাচ কৰিলো, কিন্তু এই পৰীক্ষা ? এশবাৰ চেষ্টা কৰিও পাচ কৰিব নোৱাৰো।

ভাৰতী ঃ (*গহীনাই হাঁহি*) আমাৰ শশীৰ ভাষা কি হ'ব ? মাকৰ ভাষা নে দেউতাকৰ ?

চেল্লপ্পন ঃ সেইটো নিৰ্ণয় হ'বলৈ এতিয়াও বাকী। (*ক্ৰোধ ভাৱেৰে*) ভাৰতী, এজনৰ কথাৰ পৰা কোনোমতে ৰক্ষা পাই আহিছিলোঁ। ইমানদিনে ককায়েৰৰ অত্যাচাৰতে আছিলোঁ। এতিয়া আকৌ জ্বলাবলৈ আহিছে তোমাৰ মাৰাই, পুতেকৰ মূৰ্তি ধাৰণ কৰি।

ভাৰতী ঃ দাদাই জোৰ কৰাতহে মায়ে কথা ক'বলৈ আহিছিল।

চেল্লপ্পন ঃ হ'ব পাৰে। কিন্তু, মাৰ কথা বৰ কঠোৰ আছিল। মোক মৰম কৰা দূৰৈৰ কথা, মোৰ প্ৰতি তেখেতৰ অলপ মানো দয়া নাই। অৱশ্যে কম পক্ষেও মায়ে মোৰ প্ৰতি শিষ্টতা দেখুৱাব পাৰিলেহেঁতেন। ৰাজশেখৰৰ কথা মই নধৰোঁ।

ভাৰতী ঃ মায়েতো বেছি লিখা পঢ়া কৰা নাই, আপুনি ইয়াকে ভাবি কথা ক'লেই হ'ল।

চেল্লপ্পন ঃ এৰা ভাৰতী, মই বুজি বাজ্ঞি কথা ক'বলৈ ঠিক কৰিছোঁ। মই ইয়াৰ পৰা গুছি যাম বুলি স্থিৰ কৰিছোঁ।

ভাৰতী ঃ ইয়াৰ পৰা গুছি যাব ? আপুনি অকলে ?

চেল্লপ্পন ঃ এৰা, দুখ নকৰিবা। তুমি ভুল নুবুজিবা। ইয়াত মোৰ দম বন্ধ হৈ যাব খুজিছে। এদিনৰ বাবেও ইয়াত থকাটো মোৰ বাবে নিৰাপদ নহয়।

ভাৰতী ঃ মই আজিলৈকে আপোনাক বেলেগ বুলি বুজা নাছিলোঁ। ঘৰৰ মানুহৰ চকুত মই বৰ মূৰ্খ, তথাপি তেওঁলোকতকৈ আপোনাক মই জানো বেছি নুবুজোঁ ?

চেল্লপ্পন ঃ সেই কথা মই ভালকৈ জানোঁ; কিন্তু ভাৰতী, মোৰ ভয় হৈছে, তুমি কিজানি ভাবিছা, তোমাৰ ওপৰত অসন্তুষ্ট হৈ মই গুছি যাব খুজিছোঁ ?

ভাৰতী ঃ সৌভাগ্যবশতঃ আপোনাৰ পত্নীয়ে এনেকৈ কেতিয়াও নাভাবে।

চেল্লপ্পন ঃ ভাৰতী, মোৰ জীৱনত একমাত্ৰ সেই সৌভাগ্যকে মই সহজে পাইছোঁ।

ভাৰতী ঃ আপুনি কিন্তু, সেই সৌভাগ্যক পাহৰি কাম কৰিছে।

চেল্লপ্পন ঃ কি কৰোঁ ভাৰতী, চাৰিওফালে মই দেখিছোঁ, চলনা, কপটতা আৰু কৃটিমতা। যি ফালে চাওঁ, সেই ফালেই এনেকুৱা মানুহ লগ পাওঁ যি বোৰে ধন আৰু যশস্যাৰ বাবে মানৱতাকো বিক্ৰি কৰিব পাৰে। সেই মানুহবোৰৰ ভিতৰত তোমাকেই দেখিছোঁ একমাত্ৰ মূৰ্খ তিৰোতা, যি এক বেলেগ ধাতুৰে নিজৰ অস্তিত্ব বজাই ৰাখিছে।

ভাৰতী ঃ তেতিয়াহ'লে সেই মূৰ্খ তিৰোতাৰ খাতিৰত আপুনি যি কাম কৰিব সেই সকলোবোৰ মঙ্গলৰ বাবেই হৈছে বুলি ধৰি লব।

চেল্লপ্পন ঃ মোৰ চাৰিওফালে কোন কোন আছে জানা ভাৰতী ? এনে এজন জেঠেৰি আছে, যিজনে মোক ভদ্ৰ বুলি নুবুজিলে, এনে এজন শহুৰ আছে, যি জনে মোক কৰ্মঠ বুলি নাভাবিলে, আৰু, এনে এগৰাকী শাহু আই আছে, যি গৰাকীয়ে মোক এক পইচাৰো মূল্য নিদিলে। এনে অৱস্থাত মই গুছি নোযোৱাকৈ কেনেকৈ থাকো, কোৱা ?

ভাৰতী ঃ কিন্তু এটা কথা নহয় ? আপুনি কেনেকৈ গুছি যাব ? ছা'ৰ দৰে সদায় অনুসৰণ কৰা আপোনাৰ পদানুগামী পত্নীক, আপোনাৰ নিজ তেজ মঙহেৰে সৃষ্টি কৰা ঔৰসজাত সন্তানক ইয়াত পেলাই থৈ......?

চেল্লপ্পন ঃ যদি, সেই 'এটা কথা' নাথাকিলহেঁতেন, কিমান আগতে মই ইয়াৰপৰা গুছি যাব পাৰিলোহেঁতন !!

ভাৰতী ঃ সেই 'এটা কথাৰে' আন কথাকো ধৰি ৰখা শক্তি, নিশ্চয় আছে ?

চেল্লপ্পন ঃ ভাৰতী, তুমি মোৰ অৱস্থাটো ভালকৈ বুজিবলৈ যত্ন কৰা। মই তোমাক মোৰ ঘৰৰ পৰিস্থিতিৰ বিষয়ে অনেক বাৰ কৈছোঁ। ঘৰত মোৰ সত্তৰ বছৰীয়া বৃদ্ধ পিতা, ছয়টা ল'ৰা-ছোৱালী আছে। মোৰ উপাৰ্জনৰ ওপৰতে তেওঁলোকে নিৰ্ভৰ কৰিছে। এসাজ খাবলৈকে তেওঁলোকে সদায় ভাবিব লাগে। মই ঘৰৰ সকলো সা-সম্পত্তি শেষ কৰি এই ডিগ্ৰী লৈছোঁ। এতিয়া মোৰ অৱস্থা দেখি তেওঁলোকে মোক হাঁহিছে। মোৰ কথা উৰাই দিছে।...... তোমাৰ বায়েৰাই সোনকালে মোক চাকৰি এটা যোগাৰ কৰি দিয়াৰ প্ৰতিশ্ৰুতি নিদিয়াহেঁতেন মই কিজানি এই বিয়া নকৰিলোহেঁতন।

ভাৰতী ঃ (*হুমুনিয়াহ কাঢ়ি*) বাইদেউৰ অভিপ্ৰায় সেয়ে আছিল। তেওঁ কিমানবাৰ মোক কৈছিল, মই সোনকালে বিয়া কৰিব লাগে। বিয়াৰ পাচত মোৰ যেতিয়া এটা ল'ৰা জন্ম হ'ব, সেই ল'ৰাক বাইদেউৱে তুলি-তালি ডাঙৰ-দীঘল কৰিব, মোক নিদিয়ে। তেওঁ মোৰ হাতত ধৰি প্ৰতিশ্ৰুতি দিছিল, দুমাহৰ ভিতৰতে আপোনাক এটা চাকৰি, যি কোনো উপায়ে যোগাৰ কৰি দিব।

চেল্লপ্পন ঃ (*বিৰক্তভাৱে*) আৰু, বাইদেৱে তোমাৰ ল'ৰাটোৰ ফটোখন দূৰলৈ পেলাই

'দিলে। ভাৰতী, সেই সময়ত মই যদি তাত থাকিলোহেঁতেন....

ভাৰতী ঃ নহয়, নহয়, সেই কথাত আপুনি বাইদেউক দোষাৰোপ নকৰিব। শশীক তেওঁ বেছি মৰম কৰে বাবেই হাত আগবঢ়াই তাক কোলাত লব খুজিছিল, আৰু যেতিয়া শশীয়ে মোৰ ওচৰৰ পৰা তেওঁৰ ওচৰলৈ নগ'ল, তেতিয়া বাইদেউৰ খং আৰু অভিমান বেছি হ'ল। টেবুলত সজাই থোৱা শশীৰ ফটোখন দূৰলৈ পেলাই দিলে।

চেল্লপ্পন ঃ হ'ব পাৰে, এইটো চহৰীয়া প্ৰেমৰ আন এটা নমুনা। কিন্তু, এই প্ৰেম, এই মৰম, মোৰ সহ্য নহয়, ভাৰতী। এনে ধৰণৰ মৰমৰ বাবেই দুমাহৰ ভিতৰতে দিও বোলা চাকৰি, চাৰি বছৰেও তোমাৰ বায়েৰে দিব নোৱাৰিলে।

ভাৰতী ঃ মোৰ সন্দেহ হৈছে। বাইদেউৱে মোক কিহবাত বেয়া পাইছে। মই লক্ষ্য কৰিছোঁ, বহুত দিনৰে পৰা বাইদেউৱে মোক তেনেকৈ নামাতে। মোৰ লগত ভালকৈ কথাও নকয়। সৰু কালৰ কথা আজি মনত পৰিছে। যিদিনা মায়ে মোক মাৰিছিল সেইদিনা বাইদেৱে লঘোণ দিছিল। মোৰ কেতিয়াবা অসুখ হ'লে, তেওঁ কলেজলৈ নগৈছিল। আমাৰ ঘৰলৈ আহ-যাহ কৰা মানুহবোৰৰ লগত, বাইদেউৱে কেৱল মোৰ কথাহে পাতিছিল।

চেল্লপ্পন ঃ তেনেহ'লে ভাৰতী, বাইদেউৰ অভিযোগৰ কাৰণ সুস্পষ্ট ?

ভাৰতী ঃ সুস্পষ্ট ? কেনেকৈ ? কি কাৰণ থাকিব পাৰে ?

চেল্লপ্পন ঃ মই হে তোমালোকৰ মাজত থকা মৰমৰ এনাজৰী ছিঙি দিলোঁ।

ভাৰতী ঃ সেইটো কেনেকৈ হ'ব পাৰে ? খোলাকৈ কওঁক। কাৰণটো মই জানিব লাগিব।

চেল্লপ্পন ঃ মোৰ নিচিনা অসভ্য, দুৰ্ভগীয়া মানুহ এটাৰ লগত সম্বন্ধ পাতি তেওঁলোকে মোৰ পৰা অশান্তি পাইছে। ইয়াত আৰু কোনো সন্দেহ নাই।

ভাৰতী ঃ আপুনি মিছাতে এই কথা ভাবিছে। আচলতে কথাটো তেনে নহয়। বাইদেউৰ আপোনাৰ প্ৰতি অলপ মানো বিৰাগ বা বিৰোধ নাই। মোৰ বিয়াৰ আগতে তেওঁ আপোনাক প্ৰশংসা কৰি খুব আনন্দিত হৈছিল।

চেল্লপ্পন ঃ হ'ব পাৰে। কিন্তু তেওঁলোকে মোক ভালদৰে চিনি নেপালে। বাৰু এতিয়া সেইবোৰ কথা বাদ দিয়া। ভাৰতী, আমি দুটাই তৰ্ক-বিতৰ্ক কৰি লাভ নাই। ঘৰৰ পৰা মোলৈ খনে খনে চিঠি আহি আছে। ঘৰৰ প্ৰতি মোৰ যি কৰ্ত্তব্য তাক পালন কৰিবলৈ মই যত্ন কৰা নিতান্তই দৰকাৰ হৈ পৰিছে। নহ'লে মানুহ বুলি মই পৰিচয় দিব নোৱাৰিম। নিজৰ ঘৰৰ অভাৱ-অনাটন দূৰ কৰিবলৈ মই যি কোনো চাকৰি বিচাৰি ল'বই লাগিব।

ভাৰতী ঃ মযো তাকে কওঁ, যেতিয়ালৈকে আপোনাৰ চাকৰি যোগাৰ নহয়, তেতিয়ালৈকে আপুনি ইয়াৰ পৰা নাযাব।

চেল্লপ্পন ঃ ইয়াৰ পৰা আঁতৰি গৈ চাকৰিৰ অন্বেষণ কৰা মোৰ বোধেৰে অধিক সহজ হ'ব।

ভাৰতী ঃ ক'ৰবাত চাকৰি পালেই আমি ইয়াৰ পৰা গুছি যাম, আপোনাৰ ইচ্ছা আৰু আদৰ্শ অনুযায়ী আমি জীয়াই থাকিম।

চেল্লপ্পন ঃ ইয়াৰ পৰা যোৱাৰ পাছত যদি কিবা চাকৰি পাওঁ, তেনেহ'লে লাভ হ'ব দুটা। এটা হ'ল আমাৰ পৰাধীনতা আঁতৰ হ'ব, আনটো হ'ল, বেয়া ভাগ্যৰ পৰা আমি মুক্তি পাম।

ভাৰতী ঃ এখন কাপোৰ খুলি আন এখন পিন্ধা যিমান সহজ, ইয়াৰ পৰা গুছি যোৱাটো আপুনি সিমানেই সহজ বুলি ভাবিছে হ'বলা ?

চেল্লপ্পন ঃ একেবাৰে সহজ নহয়, কিন্তু যোৱাটো যে নিতান্ত জৰুৰী। তোমালোকৰ খৰচতে, তোমালোকৰ অন্ন খায়, তোমালোকৰ আৰ্জনৰ তেল ঘঁহি, গা ধুই তোমালোকৰ কটু কথা শ্ৰৱণ কৰি ইয়াত জীয়াই থকা অসহনীয়। আজি তোমালোকে ভাবিছা, মই তোমালোকৰ গোলাম। এটা চাকৰি দিয়াহেঁতেন, তোমালোকৰ এই ধাৰণা, এশগুণে বৃদ্ধি পালেহেঁতেন। সেয়েহে কৈছো......

ভাৰতী ঃ এনে নহয়। যি কোনো প্ৰকাৰে, কষ্ট কৰি হ'লেও এটা চাকৰি যোগাৰ কৰিব পাৰিলে, আমি সকলো সম্পৰ্ক ছিঙি, এই জালৰ পৰা ওলাই যাম।

চেল্লপ্পন ঃ সেয়া যে প্ৰতাৰণা ?

ভাৰতী ঃ তেনে প্ৰতাৰণাৰে এই মানুহবোৰৰ চকু মেল খুৱাব লাগিব।

চেল্লপ্পন ঃ তেওঁলোকৰ চকু মেল নাখায় ভাৰতী, মেল নাখায়। তোমাৰ দৰে মূৰ্খ তিৰোতা এজনীয়ে কি কৰিব পাৰিবা ?

ভাৰতী ঃ (*দৃঢ়তাৰে*) মোৰ দৰে মূৰ্খ তিৰোতায়ো বহুত আচৰিত কাম কৰিব পাৰে।

চেল্লপ্পন ঃ ভাৰতী ! (*ভাৰতীয়ে চকু তলমূৰ কৰে*)

চেল্লপ্পন ঃ ভাৰতী। (*ভাৰতীয়ে মূৰ তোলে, আৰু চেল্লপ্পনলৈ চায়*)

চেল্লপ্পন ঃ ভাৰতী, তুমি যিয়েই নোকোৱা, মই যাবলৈ সিদ্ধান্ত লৈ পেলাইছোঁ। মই নাজানোঁ, ইয়াৰ পৰা গৈ মই কি কৰিম, কি-বা কৰিব পাৰিম ! কিবা সুবিধা কৰিব পাৰিলেই তোমাক আৰু ল'ৰাটোক তুৰন্তে ইয়াৰ পৰা লৈ যাম। তেতিয়ালৈকে.... ভাৰতী, মাত্ৰ তেতিয়ালৈকে......। আমি জানো যে, ইজনৰ ওপৰত সিজনৰ সম্পূৰ্ণ বিশ্বাস আছে, ভৰসা আছে।.... মাত্ৰ, তেতিয়ালৈকে,

আমি বেলেগে থাকিব লাগিব, ভাৰতী।

ভাৰতী : (*চকুৰ পানীৰে শোকাতুৰা*) আপুনি তেনেহ'লে যাব খুজিছে ? মই কি ক'ম, বাধা দিয়া শক্তি মোৰ ক'ত ? নাযাব বুলি মই কম কেনেকৈ ? ঘৰত আপোনাৰ বৃদ্ধ পিতা আছে। সহোদৰ ভাই আছে (*অলপ ৰৈ, চিন্তা কৰি*).... আপুনি, কেতিয়া যাব বুলি ভাবিছে ?

চেল্লপ্পন : যিমান শীঘ্রে ইয়াৰ পৰা ওলাই যাব পাৰোঁ সিমানে মঙ্গল।

ভাৰতী : দুদিনৰ বাবে আপুনি অপেক্ষা কৰক। (*অনুনয় বিনয়েৰে*)

চেল্লপ্পন : তাৰ পৰা লাভ ?

ভাৰতী : মই বাইদেউক আকৌ এবাৰ সুধি চাওঁ বুলি ভাবিছোঁ।

চেল্লপ্পন : মই যোৱাৰ পাচতো তুমি কথা হ'ব পাৰিবা।

ভাৰতী : নহয় আপুনি থাকোতেই। শেষবাৰৰ বাবে তেওঁক মই সুধি চাম।

চেল্লপ্পন : তেওঁৰ উত্তৰ, আগতে যি আছিল, সেয়ে হ'ব।

ভাৰতী : নহয়, নহয়। এইবাৰ মই তেওঁক স্পষ্টকৈ-কৈ দিম, এনেকৈ আশা পালি বহি থাকিব নোৱাৰি।

চেল্লপন : মই সুধিব খুজিছোঁ, তুমি কিয় অনৰ্থক যত্ন কৰিছা ? বাইদেউৰ এই বিষয়ত কোনো আন্তৰিকতা নাই।

ভাৰতী : মই সেইটো বিশ্বাস নকৰোঁ, নামানো।

চেল্লপ্পন : তুমি অনৰ্থক পৰাজয় বিচাৰিছা।

ভাৰতী : ঘৰৰ সকলোৱেতো কৈয়ে থাকে, মই সদায় পৰাজিত....

চেল্লপ্পন : বাৰু, ঠিক আছে। মই আপত্তি নকৰোঁ, এই পৰীক্ষাটো হৈ যাওক।

ভাৰতী : ভগবানে মোক কৃপা কৰক, মই যেন এই পৰীক্ষাত উত্তীৰ্ণ হওঁ !!

চেল্লপ্পন : তোমাৰ ভগবান এই বিষয়ত অসহায়। তেওঁ এই বিষয়ত কি কৰিব পাৰিব ? (*ভাৰতীয়ে যেন কিবা চিন্তা কৰিছে*) ভাৰতী, কি ভাবিছা ? লাভ নাই, একো লাভ নাই। (*অলপ ৰৈ*) মই অলপ ফুৰি আহোঁ।

ভাৰতী : উভতি আহোতে, শশীৰ বাবে পুতলাটো কিনি আনিব।

চেল্লপ্পন : বাৰু, বাৰু হ'ব। চোৱা ঠিক সময়মতে তাক ঔষধ খুৱাই দিবা। (*যাবলৈ আগবাঢ়ে*)

ভাৰতী : (*বেজাৰ আৰু আনন্দ যেন, একেলগে হৈছে এই ভাৱত*) ইমান কোমল অন্তৰৰ মানুহ, আমাক এৰি কেনেকৈ থাকিব বাৰু ?

(*চেল্লপ্পন পিল্লেই ব্যাকুল ভাবেৰে বাহিৰলৈ যায়। ভাৰতীয়ে তেওঁ যোৱাটো*

সস্নেহে লক্ষ্য কৰে আৰু তললৈ মূৰ কৰি খন্তেক বহে। এনে সময়তে ঝুলনাত থকা ল'ৰাটোৱে সাৰ পাই কান্দিবলৈ ধৰে। ভাৰতীয়ে ওচৰলৈ গৈ ঝুলনা লৰাই লৰাই নিচুকণি গীত আৰম্ভ কৰে)

আমাৰে মইনাৰ আমনি নাই
ভাগৰটি লাগিলেই টোপনি যায়।।
টোপনিত মইনাই সমাজিক দেখে
মৰমৰ মাকৰ কোলাতে উঠে ।।

(গীত শুনি অসহ্য বেদনাৰে দেৱকী কুট্টীৰ প্ৰবেশ, এনেকুৱা ওমলাগীত শুনিলে তেওঁ চঞ্চল হৈ পৰে।)

দেৱকী কুট্টী ঃ (*বিৰক্তিৰে*) আকৌ সেই গীত..... (*খন্তেক ৰৈ*) তই, তোৰ ল'ৰাটো শুৱাইছ হ'বলা ?

ভাৰতী ঃ টোপনিৰ পৰা উঠিছিল, আকৌ শুইছে.....

দেৱকী কুট্টী ঃ মোৰ মূৰ কামুৰিছে, তোৰ অমৃতাঞ্জনৰ বটলটো দিবিনে ?

ভাৰতী ঃ (*অমৃতাঞ্জন দি*) মোৰ লগত এনেকৈতো আগেয়ে তুমি কথা কোৱা নাছিলা? কি হৈছে বাইদেউ ?

দেৱকী কুট্টী ঃ কিয়, ধেমালি কৰিলে বেয়া পাৱ নেকি ?

ভাৰতী ঃ বাইদেউ, তুমি যি বিচাৰা, নিজে আহি ৰুমৰ পৰা নিব পাৰা, বা জানকীক পঠাই দিব পাৰা, তোমাৰ এনে ধৰণৰ মিনতি ভৰা কথাই মোক দুখ দিয়ে. বাইদেউ।

দেৱকী কুট্টী ঃ কথা তেন্তে সেইটো। মই শিষ্টতাৰে মাত্ৰ কৈছিলোঁ। তাত তই দুখ পাব লগা কি আছে ?

ভাৰতী ঃ দুখ পাব লাগে নে নালাগে সেইটো মইহে জানোঁ।

দেৱকী কুট্টী ঃ (*অলপ উদাস হৈ*) ঠিক আছে, তয়ে নিৰ্ণয় কৰি ল'। মোৰ কব লগা একো নাই।

ভাৰতী ঃ তোমাৰ লগত মোৰ অলপ কথা আছিল।

দেৱকী কুট্টী ঃ (*ঠাট্টাৰ সুৰত*) শুনিবলৈ মই সাজু আছোঁ ? (বহে)

ভাৰতী ঃ বহুতদিনৰ পৰা মই কম কম বুলি ভাৱি আছিলোঁ....

দেৱকী কুট্টী ঃ এতিয়াতো ক'বলৈ সময় আৰু সুবিধা পাইছ, ঠিক আছে ক'।

ভাৰতী ঃ মই কিবা এটা নহয় কিবা এটা কাৰণত সুধিবলৈ দেৰি কৰি আছিলোঁ।

দেৱকী কুট্টী ঃ (*ঠাট্টাপূৰ্ণ গাম্ভীৰ্যৰে*) সুধিবলৈ দেৰি কৰাৰ কি কাৰণ থাকিব পাৰে ? হয়তো কেতিয়াবা ল'ৰাই কান্দে, কেতিয়াবা স্বামীদেৱতা আহি তোক মাতি লৈ যায়....

ভাৰতী ঃ মোৰ এনেকুৱা ভাব হৈছে,— কিছুদিনৰ পৰা যেন তুমি মোক বেয়া পাইছা।

দেৱকী কুট্টী ঃ মই ভাল পোৱা, বেয়া পোৱাত তই কিয় মূৰ ঘমাব লাগে ?

ভাৰতী ঃ লাগে, মই মূৰ ঘমাব লগা হৈছে বাবেহে কৈছোঁ... বাইদেউ, এদিন আমি কেনেকৈ আছিলো, আমাৰ দুয়োৰে শৰীৰ আছিল দুটা, কিন্তু, আমাৰ মন আছিল একেটাই।

দেৱকী কুট্টী ঃ এতিয়াতো তোৰ আৰু এটা শৰীৰ যোগ হ'ল। তোৰটো একো হানি হোৱা নাই, কোনো কষ্ট হোৱা নাই।

ভাৰতী ঃ তোমাৰ কথাৰ অৰ্থ, মই ধৰিব পৰা নাই।

দেৱকী কুট্টী ঃ (*দৃঢ়ভাৱে*) মোৰ, কথাৰ অৰ্থ হ'ল— তোৰ এটা সন্তান আছে।

ভাৰতী ঃ বুজিছো। তুমি, মই আৰু মোৰ সন্তানটো।

দেৱকী কুট্টী ঃ নহয়, সঁচা কথাটো তই ক'বলৈ টান পাইছ। মই কওঁ, তই, তোৰ স্বামী আৰু তহঁতৰ সন্তানটো।

ভাৰতী ঃ তোমাৰ কথা মই বুজি নাপাওঁ।

দেৱকী কুট্টী ঃ মই যদি কথা নকওঁ, তেতিয়া মোৰ অপৰাধ হয়, যদি মোৰ কথা তই বুজি নাপাব। তেতিয়াও মোৰ অপৰাধ হয়।

ভাৰতী ঃ বাইদেউ, মই কাৰো অপৰাধ নধৰো, কাকো দোষ নিদিওঁ, দোষিমেই বা কিয়? মোৰ প্ৰতি তোমাৰ যি মৰম আছিল, সেই মৰম কিমান পৱিত্ৰ আৰু ঐশ্বৰিক আছিল ? সেই মৰমৰ পৰা অজি মই বঞ্চিতা। এই অভাৱে মোৰ অন্তৰ ক্ষত-বিক্ষত কৰিছে। আগৰ মৰম পুনৰ পাবৰ বাবে, মই ব্যাকুল হৈ পৰিছোঁ, আকৌ আগৰ দৰে কথা পাতিবলৈ মই বিচাৰিছোঁ।

দেৱকী কুট্টী ঃ দেখিছোঁ, এতিয়ালৈকে মোৰ প্ৰতি তোৰ চেনেহ কমা নাই। ইয়াতে মই সন্তুষ্ট, ভাৰতী।

ভাৰতী ঃ বাইদেউ, যদি সন্তুষ্ট হৈছা, সেইয়া মোৰ প্ৰতি অনুগ্ৰহ বুলি মই ধৰি লৈছোঁ।

দেৱকী কুট্টী ঃ তই সকলো প্ৰকাৰে অনুগ্ৰহৰ পাত্ৰী।

ভাৰতী ঃ তুমি হয়তো মোক ভুল বুজিছিলা..... হয়তো, তোমাৰ চেনেহত কিবা চলনা সোমাই আছিল।

দেৱকী কুট্টী ঃ (*উদাসীন ভাবেৰে*) তই যি ভাবিছ ভাৱ। মোৰ ক'ব লগা একো নাই ভাৰতী, একো নাই।

ভাৰতী ঃ দেখিছোঁ, তোমাৰ বহুত পৰিৱৰ্তন হৈছে।

দেৱকী কুট্টী ঃ তোৰ জীৱনলৈ অনেক পৰিৱৰ্তন অহা দেখি, তয়ো মোৰ জীৱনত অনেক পৰিৱৰ্তন ঘটিছে বুলি ভাবিছ। মোৰ কিন্তু, সমূলি পৰিৱৰ্তন হোৱা নাই। পৰিৱৰ্তন হোৱা, কোনো কাৰণো মই দেখা নাই।

ভাৰতী ঃ বাইদেউ, তোমাৰ সেই আগৰ হাঁহি, আনন্দ, স্পষ্ট কথাবোৰ কলৈ গ'ল ?

দেৱকী কুট্টী ঃ তই জানো নাজান, ভাৰতী ?

ভাৰতী ঃ নাজানো বাইদেউ, মই অলপো নাজানোঁ।

দেৱকী কুট্টী ঃ তই নজনাটো দুখৰ কথা। মোৰ আগৰ হাঁহি, আগৰ আনন্দ, সকলোবোৰ কৰবাত হেৰাই গ'ল। আগৰ বতাহৰ লগতে হয়তো, সেইবোৰ ক'ৰবালৈ গুছি গ'ল......

ভাৰতী ঃ সেই বতাহ এবাৰৰ বাবে হ'লেও এই কোঠালৈ পুনৰ বৈ পৰক, বাইদেউ।

দেৱকী কুট্টী ঃ আপত্তি নাই, সেই বতাহে আকৌ এই কোঠালিৰ ভিতৰত সোমাই আমাৰ দুয়োৰে প্ৰাণ, শীতল কৰিব পাৰে। কিন্তু, এই কোঠালিৰ বাহিৰত, কেতিয়াও বব নোৱাৰে।

(*দেৱকী কুট্টী আৰু ভাৰতী দুয়ো স্পৰ্শকাতৰ হৈ ক্ষন্তেকৰ বাবে স্তব্ধ হৈ যায়*)

ভাৰতী ঃ বাইদেউ, শশীৰ দেউতাকৰ চাকৰি কি হ'ল ?

দেৱকী কুট্টী ঃ মই নাজানোঁ।

ভাৰতী ঃ তুমিয়ে যদি নাজানা, কোনে জানিব ? তোমাৰ যদি মোৰ প্ৰতি অলপো মৰম আছে। এইকণ উপকাৰ নকৰা কিয় বাইদেউ ?

দেৱকী কুট্টী ঃ (*অসহায়তা প্ৰকাশ কৰি*) মই কি কৰিব পাৰোঁ, ভাৰতী।

ভাৰতী ঃ তোমাৰ কথাৰ ওপৰতে ভৰসা কৰি তেওঁ মোক বিয়া কৰাইছিল; দাদা ও মাৰ কটু কথা শুনিও চাকৰিৰ আশাত তেওঁ এতিয়াও এই ঘৰতে আছে। এই কথাটো তোমাৰ নজনা নহয় ?

দেৱকী কুট্টী ঃ ভৰসা মই দিছিলোঁ, সঁচা কথা। কিন্তু এই ভৰসা সকলোৰে বাবে এজন ব্যক্তিয়ে জানো সদায় পূৰণ কৰিব পাৰে ?

ভাৰতী ঃ তুমি আন্তৰিকতাৰে চেষ্টা কৰিলে, নিশ্চয় পূৰণ হ'ব বাইদেউ।

দেৱকী কুট্টী ঃ মনে প্ৰাণে মই চেষ্টা কৰিলে মোৰ জানো মুক্তি লাভ হ'ব ?

ভাৰতী ঃ নিশ্চয়, কম পক্ষেও মোৰ বোজা তোমালোকৰ পৰা কমিব। স্বামীৰ উন্নতি হ'লে তাৰ পৰা আমিও লাভবান হম।

দেৱকী কুট্টী ঃ এৰা, তেওঁৰ উন্নতি হ'লে লাভ হ'ব তহঁত তিনিওৰে।

ভাৰতী ঃ নহয়, আমাৰ অনেকৰে লাভ হ'ব, তেওঁৰ পৰিয়ালৰ। তেওঁৰ বৃদ্ধ পিতাক, ভাই-ভনী সকলো উপকৃত হ'ব। চাকৰি নাপালে তেওঁৰ ভাই-ভনীয়ে উদ্ধাৰ পাব কেনেকৈ?

দেৱকী কুট্টী ঃ তেওঁলোকক উদ্ধাৰ কৰা তেনেহ'লে তোৰ স্বামীৰে দায়িত্ব ?

ভাৰতী ঃ সেই দায়িত্ব পালনত তোমাৰ বাহিৰে আনে তেওঁক কি সহায় কৰিব ?

দেৱকী কুট্টী ঃ (*ঘৃণাপূৰ্ণ হাঁহিৰে*) সহায় কৰা মোক অনেক আছে, ভাৰতী।

ভাৰতী ঃ কাৰবাক কৈ তেনেহ'লে তুমিয়ে অলপ সহায় নকৰা কিয় ?

দেৱকী কুট্টী ঃ ভাৰতী, মই চেষ্টা কৰিলেও একো ফল নধৰে। সহায় কৰাৰ মোৰ সামৰ্থও নাই।

ভাৰতী ঃ তোমাৰ সামৰ্থ নিশ্চয় আছে, কিন্তু আগ্ৰহ নাই।

দেৱকী কুট্টী ঃ (*উদাসীন ভাৱেৰে*) যি মন যায় ক'। কিবা নহয় কিবা সত্য নিশ্চয় থাকিব পাৰে।

ভাৰতী ঃ তেওঁ মোক কৈছে, চাকৰিৰ সম্ভাৱনা নহ'লে তেওঁ ইয়াৰ পৰা গুছি যাব।

দেৱকী কুট্টী ঃ ঠিকেই কৈছে। ইয়াৰ পৰা গুছি যোৱাৰ বাহিৰে তেওঁৰ কি উপায় আছে?

ভাৰতী ঃ তেওঁ গুছি গ'লে তোমাৰ ভনীয়েৰ আৰু ল'ৰাটোৰ কি দশা হ'ব ?

দেৱকী কুট্টী ঃ কি হ'ব আৰু ?

ভাৰতী ঃ মোতকৈ তুমি বেছি জানা; তোমাৰ বুজিব পৰা বুদ্ধি আছে, বেছি শিক্ষা আছে, তথাপি তুমি সুধিছা— কি হ'ব আৰু।

দেৱকী কুট্টী ঃ ঠিকেই সুধিছোঁ, কি হ'ব আৰু ? তই ল'ৰাটোৰ সৈতে ইয়াতে থাকিবি। আমি যেনেকৈ আছো তেনেকৈ থাকিবি, আৰু কি হ'ব ?

ভাৰতী ঃ আৰু একো নহয় ? বাইদেউ, তুমি মোক জীয়াই থাকোতেই মাৰিব খুজিছা।

দেৱকী কুট্টী ঃ আহা ! তোৰ গাত লাগিছে নহয় ? ভয় নাই। ইয়াত দেখোন জীয়াই থাকিও মৰি যোৱা মানুহ আছে ? সিহঁততকৈ তইতো ভালেই আছ।

ভাৰতী ঃ (*অসন্তোষ হৈ*) দুখৰ কথা এয়ে যে, এই বাইদেৱেই, এদিন মোক কৈছিল, মোৰ প্ৰথম সন্তানটো তেওঁ নিব। মোক নিদিয়ে। এই বাইদেৱেই মোৰ বিয়াৰ বাবে এদিন ব্যস্ত হৈ পৰিছিল। বাইদেউ, এইবোৰ কথা এতিয়া কিয় কব লগা হৈছে, তুমি হয়তো নুবুজিবা, এৰা, বুজিবানো কেনেকৈ ?

দেৱকী কুট্টী ঃ ঠিক কৈছ, ভাৰতী, ঠিক কৈছ। তোৰ কথা মই বুজিম কেনেকৈ ? বুজিবলৈ মোৰ আগ্ৰহো নাই।...... বাৰু, তোৰ আৰু কিবা কব লগা আছে ?

ভাৰতী ঃ নাই, নাই, এটা কথাও ক'ব লগা নাই। কোৱাৰ সময় পাৰ হৈ গৈছে।

দেৱকী কুট্টী ঃ (*পৰিহাসপূৰ্ণ ভাৱেৰে*) ওঁ, এতিয়া চাগে, তোৰ কাৰ্যক্ৰম আৰম্ভ হ'ব ?

ভাৰতী ঃ (*দৃঢ়তাৰে*) নিশ্চয়। এজনী স্ত্ৰীয়ে এনে অৱস্থাত কি কৰিব লাগে, এজনী

মাকে এনে পৰিস্থিতিত কি কাম কৰা উচিত, মোৰ নিশ্চয় জনা আছে। (*ভাৰতীয়ে বেগেৰে ওলাই যায়*)

দেৱকী কুট্টী ঃ যা, যা, কিন্তু শেষত তই কি কৰিবি ? (*দেৱকীকুট্টীয়ে চঞ্চল হৈ ইফাল সিফাল কৰে*)

(*দুৱাৰত বৈ থকা অৱস্থাত বেলুপিল্লে, এজন সুঠাম চেহেৰাৰ ডেকা, দেৱকী কুট্টীৰ অধীনস্থ কৰ্মচাৰী*)

দেৱকী কুট্টী ঃ কি হ'ল, বেলুপিল্লে ?

বেলু পিল্লে ঃ ফাইল লৈ আহিছো, বাইদেউ ।

দেৱকী কুট্টী ঃ ওভটাই লৈ যোৱা, আজি মোৰ গা ভাল নহয়।

বেলু পিল্লে ঃ বাৰু, বাইদেউ হ'ব।

দেৱকী কুট্টী ঃ অফিচত কবা, দুদিন মই কামলৈ যাব নোৱাৰোঁ।

বেলু পিল্লে ঃ বাৰু, কম বাইদেউ।

দেৱকী কুট্টী ঃ কাইলৈ ইয়ালৈ এবাৰ আহিবা।

বেলু পিল্লে ঃ ভাল বাৰু বাইদেউ, আহিম।

দেৱকী কুট্টী ঃ তুমি যাওতে জানকীক ইয়ালৈ আহিবলৈ কবা।

বেলু পিল্লে ঃ ভাল, কমগৈ।

দেৱকী কুট্টী ঃ বেলু পিল্লে, তুমি এতিয়া যাব পাৰা।

বেলু পিল্লে ঃ ভাল বাইদেউ, মই আহিলোঁ। (*প্ৰস্থান*)

(*দেৱকী কুট্টীয়ে ভাৰতীৰ কোঠালিত থকা খাট, ঝুলনা, পুতলা আদিত নিজৰ দৃষ্টি নিক্ষেপ কৰিছে। এনেতে জানকীৰ প্ৰবেশ।*)

জানকী ঃ বাইদেউ, আপুনি যি কৰিছে, সেইয়া মহাপাপ।

দেৱকী কুট্টী ঃ কিয় ? মই এনেকৈ এই কোঠাত সোমোৱাৰ বাবে নে কি ?

জানকী ঃ তেনেকৈ মই কেতিয়া ক'লো ? আপুনি দেখা নাইনে ? সেই ৰোসী নামৰ কুকুৰজনীয়ে কেনেকৈ পৰি পৰি কান্দি আছে ? কেনেকৈ চিঞৰিছে ? দেখি আৰু শুনি সেই দৃশ্য সহ্য কৰিব নোৱাৰা হৈছে। আপুনি বুক্ কৰক ধৰাই মিউনিচিপালিটিৰ মানুহক সোধাই দিছে নহয় ? সেইবাবেই ৰোসীয়ে এনেকৈ চিঞৰি আছে।

দেৱকী কুট্টী ঃ মই কি কৰিব পাৰোঁ, জানকী, সিহঁতে দুটাই লেঙৰ-পেঙৰ কৰি যি ক্ৰীড়া আৰম্ভ কৰে, সেই দৃশ্য দেখিলে এটা লাইনো পঢ়িব পৰা সম্ভৱ নহয়। কেতিয়াবা কেতিয়াবা সিহঁতে এনেকৈ চিঞৰি থাকে, যে, মোৰ ঘৰৰ পৰা ওলাই যাবৰ ইচ্ছা হয়। সেইবাবেই কোনেও নেদেখাকৈ বুক্ কৰক

মিউনিচিপালিটিৰ মানুহৰ তত্ত্বাৱধানত ৰাখিবলৈ দি দিছোঁ।

জানকী ঃ দুয়োটাই একেলগে চিঞৰিলেও ৰোসী আৰু বুক্ কৰৰ কেনে সুন্দৰ জোৰা আছিল; বুক্ কৰক ধৰি নিয়াৰ এদিনৰ ভিতৰতে ৰোসীৰ এনে দুখ লগা অৱস্থা হৈছে। সঁচাকে ক'বলৈ গ'লে বাইদেউ, মানুহৰ বিচ্ছেদ ঘটিলে যি অৱস্থা হয়, এই অবোধ কুকুৰৰো তেনে হৈছে.......

দেৱকী কুট্টী ঃ ভাবিবলৈ কি আছে ? দহ-পাঁচ দিনলৈ চিঞৰি থাকিব,তাৰ পিচতে ঠাণ্ডা হৈ যাব।

জানকী ঃ সেইটো ঠিকেই, পিছে ৰোসীয়ে সেই কেইদিনতে কান্দি কান্দি নমৰিলেই ৰক্ষা।

দেৱকী কুট্টী ঃ (*কথাৰ বিষয় সলনি কৰি*) জানু, মোৰ মূৰৰ কামোৰণি আৰম্ভ হৈছে, অলপ অমৃতাঞ্জন ঘহিবলৈ ইয়ালৈ আহিছিলোঁ....

জানকী ঃ আপুনি অযথা ভাওঁ জুৰিছে, বাইদেউ ! আপুনি নিশ্চয় ভাৰতীৰ ল'ৰাটো চাবলৈ আহিছে, মোৰ চকু নাই হ'বলা ? (*ঝুলনাৰ ফালে চাই*) আ—হা ! পগলাটো শুলে চাগে ?

(*জানকীয়ে ঝুলনাৰ ওচৰলৈ গৈ ঝুলনাখন লৰাই থাকে*)

দেৱকী কুট্টী ঃ জানকী, তোৰ ডাঙৰ ল'ৰাটোৰ বয়স কিমান হৈছে ?

জানকী ঃ আপোনাৰ মনত নাই ?

দেৱকী কুট্টী ঃ নাই। মোৰ মনত নাই।

জানকী ঃ অহা চ'ত মাহত তাৰ ছয় বছৰ হ'ব।

দেৱকী কুট্টী ঃ আজি কালি তাক মই দেখাই নোপোৱা হ'লোঁ। কেনে আছে ? অলপ শকত আৱত হৈছে নে ?

জানকী ঃ কি শকত হ'ব ? দুয়োৰে যত্নত অলপ মান হৈছে। বাপেকক খাবলৈ দিলে আধাতকৈয়ো বেছি পুতেকক খাবলৈ দিয়ে, কথাৰ ৰহস্য ইমানেই। মই যদি তেখেতক সোধো বোলো, নিজৰ খোৱা ভাগ যদি ল'ৰাকে খুৱায় তেতিয়াহ'লে আপুনি দেখোন শুকাই খীনাই বিচনাত পৰিব লাগিব। তেখেতে খং কৰি কয়, "হেৰা জানু, আমি যেতিয়া বুঢ়া হম, বিচনাত পৰি থাকিম, তেতিয়া কষ্ট কৰি কোনেনো আমাক ভৰণ-পোষণ দিব ?"

দেৱকী কুট্টী ঃ (*হুমুনিয়াহ কাঢ়ি*) তেওঁ ঠিকেই কৈছে জানকী, নিজৰ সন্তান থাকিলে বুঢ়া কালত কিছু সহায় হয়।

জানকী ঃ তেতিয়ালৈকে বাইদেউ, কষ্ট কিজানি কৰিবই লাগিব। কিন্তু, এই তুলি তালি ডাঙৰ দীঘল কৰা কিমান কঠিন কাম ? যি ধনী, তেওঁৰ পক্ষে হয়তো সকলো

সহজ, কিন্তু আমাৰ দৰে ভিক্ষাৰীয়ে কি কৰিব ?

দেৱকী কুট্টী ঃ মই যি কৰিলো, সেইটো তেনেহ'লে অনৰ্থক হৈ গ'ল ?

জানকী ঃ কি কথা, বাইদেউ ?

দেৱকী কুট্টী ঃ ৰামন পিল্লৈৰ সৈতে তোৰ বিয়াখন পাতি তহঁতক মই ভিক্ষাৰীৰ বেশলৈ ঠেলি দিলো ? নহয় জানকী ?

জানকী ঃ এনেকৈ নক'ব বাইদেউ, বৰং আপুনি উপকাৰহে কৰিলে। ইয়াৰ বাবে পুণ্য হ'ব। আমাৰ দুখীয়া অৱস্থাৰ কথা নাভাবিব, সেয়া আমাৰ ভাগ্য, কাৰোবাৰ জানোঁ সেইবোৰ আঁতৰাবলৈ চিন্তা আছে ? অন্য নহ'লেও এজন পুৰুষৰ আশ্ৰয় পাইছোঁ। আমাৰ বেদ-পুৰাণটো আছে পুৰুষৰ বাবে এজনী নাৰীৰ আৰু নাৰীৰ বাবে এজন পুৰুষৰ আৱশ্যক। এজনৰ ওপৰত নিজৰ সকলো সমৰ্পণ কৰি তেওঁৰ বিশ্বাসভাজন হ'ব পৰাটো কম গৌৰৱৰ কথানে ? নিজে ভোকত থাকিও, নিজৰ ল'ৰা-ছোৱালীক খুৱাব মেলিব পাৰিলে, নিজৰ পেট ভৰি যোৱা যেন লাগে বাইদেউ ।

দেৱকী কুট্টী ঃ (*দুখ আৰু ক্ষোভক সংযত কৰি*) ভোকৰ দৰব আজিলৈকে কোনেও আৱিস্কাৰ কৰিব পৰা নাছিল। তই আজি তাকো কৰিলি। মই এই আৱিস্কাৰৰ বিজ্ঞাপন ছপাই যিমান পাৰোঁ প্ৰচাৰ কৰিম।

জানকী ঃ ভাল হ'ব, বৰ ভাল হ'ব। আপুনি মোৰ হাঁহি কাঢ়ি নিনিব বাইদেউ। এনে দৰব যদি নাথাকিলেহেঁতেন, তেতিয়াহ'লে দেখোন বহুত মানুহে আত্মহত্যা কৰিব লাগিলেহেঁতন।

দেৱকী কুট্টী ঃ এই বিজ্ঞাপন লৈ কোনোবাই প্ৰচাৰ কৰি ফুৰিলে দৰবৰ বিক্ৰী খুব হ'ব। উপাৰ্জনো বাঢ়িব। কি কৱ, জানকী ?

জানকী ঃ কি কম বাইদেউ, আমি সাধাৰণ মানুহ, যি পাইছোঁ, সেয়ে আমাৰ বাবে যথেষ্ট।..... সেই দিনা আপুনি মোৰ হাঁহি উঠা কথাত বিৰক্ত হৈছিল। আজি কিন্তু আপুনিহে মোক হহুঁৱাইছে।

দেৱকী কুট্টী ঃ মই অকল তোৰ বিষয়ে কোৱা নাছিলোঁ, এই ঘৰৰ সকলোৰে কথা কৈছিলোঁ, নহয় জানো জানকী ?

জানকী ঃ হয়। কিন্তু, কিয় কৈছিল ? মোৰ কি মন বোলা কথা এটা নাই ? চকু মুদি মই নচলো বাইদেউ ! ভাগ্য ভাল, আপোনাৰ দৰে মই শিক্ষিতা নহ'লো।

দেৱকী কুট্টী ঃ জানকী, সঁচা কথা কৈছোঁ, উচ্চ শিক্ষা মোৰ বাবে এক অভিশাপ হৈ পৰিছে। প্ৰত্যেকৰ ওচৰত এই উচ্চ শিক্ষাৰ বাবে মই হাঁহিয়াতৰ পাত্ৰী হৈছোঁ। তহঁত সকলোৱে মোক ঠাট্টা কৰিছ, বিদ্ৰুপ কৰিছ।

জানকী ঃ আপুনি, কথা ক'লেই ঠাট্টা-বিদ্ৰুপ কৰিছোঁ বুলি ধৰিছে কিয় কওঁক ?

দেৱকী কুট্টী ঃ কি কম, তইঁতৰ যেন মোৰ ওপৰত কোনো আস্থা নাই, বিশ্বাস নাই, মোৰ লগত যেন তইঁতে কোনো ঘনিষ্ঠ সম্পৰ্ক ৰাখিব নোখোজ। জানকী, তই জানো কোৱা নাছিলি যে মানুহৰ ওপৰত বিশ্বাস ৰাখিব লাগে ?

জানকী ঃ বিশ্বাস ৰখা উচিত। কিন্তু আপুনি যদি ভাবে আমি আপোনাক বিশ্বাস নকৰোঁ, তেনেহ'লে কি উপায় আছে ? পেট ফালি নাড়ী উলিয়াই দেখুৱালেও আপুনি কব, সেইডাল নাড়ী নহয়, কলগছৰ ৰচি হে।

দেৱকী কুট্টী ঃ বাৰু জানকী তোৰ কথাৰ এটা প্ৰমাণ দে। তই মোক মৰম আৰু বিশ্বাস কৰা কথা মই পতিয়ন নাযাও বুলি কৈছ নহয় ? মোৰ এটা কথা ৰক্ষা কৰিব পাৰিবি ?

জানকী ঃ তাত সন্দেহ আছে ?

দেৱকী কুট্টী ঃ ভাৰতীয়েও মোৰ কথা পালন কৰিব নে ?

জানকী ঃ এশবাৰ পালন কৰিব।

দেৱকী কুট্টী ঃ মায়েও মোৰ কথাত মান্তি হ'ব নে ?

জানকী ঃ তাকো সুধি আহিব লাগিব নে ?

দেৱকী কুট্টী ঃ তেন্তে ঠিক আছে। তই কিন্তু ভয়ত নকঁপিবি ? চা, মোৰ বাবে তোৰ যদি অন্তৰত মৰম আছে বিশ্বাস আছে, তেনেহ'লে তেনেহ'লে তই তোৰ স্বামী ৰামন্ পিল্লেক এৰি দে, ভাৰতীয়ে চেল্লপ্পন পিল্লেক এৰি দিয়ক আৰু মোৰ মায়ে দেউতাক এৰি দিয়ক. (*জানকী হতভম্ব হৈ নিথৰ হৈ যায়)*

দেৱকী কুট্টী ঃ কি হ'ল জানু, উত্তৰ কিয় নিদিয়, ক' পাৰিবি ?? উত্তৰ দে ?

জানকী ঃ ইয়াৰ কোনো উত্তৰ নাই।

দেৱকী কুট্টী ঃ উত্তৰ নাই ? এৰা, উত্তৰ নাই, ইয়াৰ কোনো উত্তৰ তইঁতে দিব নোৱাৰ। তইঁতে জান মাত্ৰ কেনেকৈ ভাল লগা কথা ক'ব লাগে, খোচামত কৰিব লাগে। খোচামতিৰে মোৰ হিয়া নুজুৰায়, জানকী।

জানকী ঃ নিজৰ স্বামীক পৰিত্যাগ কৰিলে মোৰ ওপৰত আনৰ বিশ্বাস থাকিবনে ? এইটো এটা কঠিন পৰীক্ষা।

দেৱকী কুট্টী ঃ এই পৰীক্ষাত তইঁত আটায়ে ফেইল মাৰিবি।

জানকী ঃ আপুনিও এই পৰীক্ষাত ফেইল মাৰিব।

দেৱকী কুট্টী ঃ নহয়, কেতিয়াও নহয়। তইঁত সকলোকে মই এতিয়াই ত্যাগ কৰিব পাৰোঁ।

জানকী ঃ কি কৈছে। আমাক ত্যাগ কৰিব পাৰিব ? .....তাৰ পৰা আপোনাৰ লাভ ? আজি যদি আপোনাৰ এজন স্বামী থাকিলহেঁতেন.....

দেৱকী কুট্টী ঃ (*উৎসুকপূৰ্ণ আবেগেৰে*) কি কৈছ জানকী। আকৌ এবাৰ ক' ?

জানকী ঃ আপোনাৰ যদি এজন স্বামী থাকিলহেঁতেন ! আপুনিও তেওঁক ত্যাগ কৰিব নোৱাৰিলেহেঁতেন ।

(*দেৱকী কুট্টী কিছু সময় স্তব্ধ হৈ যায় যেন নিজৰ জীৱনৰ কথা তেওঁ ভাবিব খুজিছে।*)

জানকী ঃ অৱশ্যে এটা কথা নহয় বাইদেউ ? আপোনাৰ স্বামীৰ প্ৰয়োজনেই বা ক'ত ? আপুনি উচ্চ শিক্ষিতা, ভাল দৰমহা পোৱা ডাঙৰ চৰকাৰী চাকৰিয়াল । ধন-সম্পত্তি অনেক আছে। একো কথাতে আনৰ ওপৰত নিৰ্ভৰ কৰি চলিব নালাগে। সহায়ৰ বাবে আনৰ প্ৰয়োজন নহয়। আপোনাৰ দৰে অফিচাৰ মানুহৰ বাবে, স্বামীৰ আৱশ্যক নাই।

দেৱকী কুট্টী ঃ ঠিক কৈছ জানকী। ভাল দৰমহা, উচ্চ শিক্ষা আৰু ধন-সম্পত্তি যি সকলৰ আছে, তেওঁলোকৰ বাবে স্বামীৰ আৱশ্যক নাই।

জানকী ঃ স্বামীযে নোলায়, এনে নহয়। যেনে ধৰণৰ স্বামী বিচাৰে তেনে ধৰণৰ স্বামী হয়তো আপোনালোকে বিচাৰি ল'ব পাৰিব। কিন্তু আমালৈ এবাৰ ভাবি চাওক বাইদেউ, যিবোৰৰ ধন-সম্পত্তি নাই, শিক্ষা দীক্ষা নাই, ডাঙৰ দৰমহা পাতি একো নাই, সেইবোৰ নাৰীয়ে কি কৰিব ? তেওঁলোকৰ দুৰৱস্থা কেনেকৈ গুছিব ? সেইবাবে, তেওঁলোকৰ প্ৰয়োজন পুৰুষৰ। পুৰুষৰ বলিষ্ঠ বাহুৰ মাজত তেওঁলোকে নিৰাপত্তা বিচাৰি লয়। জীৱনৰ সঙ্গীৰূপে পুৰুষক সাৱটি ধৰে। এনেকুৱা অসহায় নাৰী আমাৰ সমাজত কিমান আছে ? তাৰ হিচাপ কোনে ৰাখিব বাইদেউ।

দেৱকী কুট্টী ঃ ঠিকেই কৈছ জানকী; যাৰ দৰমহা নাই, শিক্ষা নাই, একো সম্পত্তি নাই তেনে নাৰীৰ স্বামী ভাগ্য সহজে নঘটে। মধ্যবিত্ত শ্ৰেণীৰ নাৰীয়েহে যদি অকল স্বামী সুখ ভোগ কৰে তেতিয়া কি হ'ব ?

জানকী ঃ কিন্তু যিবোৰৰ ভাগ্যত স্বামী আছে সেইবোৰ নাৰীয়ে কি কৰিব ? তেওঁলোকে থকা স্বামীক এৰি দিব নেকি ?

দেৱকী কুট্টী ঃ (*ক্ৰুৰতাপূৰ্ণ চাৱনিৰে, গম্ভীৰ ভাৱে*) কিয় নেৰিব জানকী ?

জানকী ঃ এইবোৰ ল'ৰা-ধেমালিৰ কথা। এইবোৰ শুনি মোৰ হাঁহি উঠিছে। আপুনি ভবাৰ দৰে তেনে মূৰ্খ তিৰোতা ওলাবনে ?

দেৱকী কুট্টী ঃ (*দূৰলৈ দৃষ্টি নিক্ষেপ কৰি*) **ওলাব। আৰু যদি বিশ্বাস নহয়, মই দেখুৱাই দিম নহয়।**

—পট পৰিৱৰ্তন—

তৃতীয় অঙ্ক

স্থান ঃ *(প্ৰথম অঙ্কতে বৰ্ণনা কৰা কক্ষত দেৱকী কুট্টী বেগেৰে ইফালে সিফালে অহা-যোৱা কৰি আছে। নিৰাশা, পৰাজয় আৰু অসহনীয়তাৰ ভাৰ তেওঁৰ গতি গোত্ৰ, চাল-চলনত স্পষ্ট হৈ ওলাইছে। মাজে মাজে দৃঢ়তা ভৰা দৃষ্টিত তেওঁ ৰৈ যায়। আকৌ কেতিয়াবা সেই দৃঢ়তা, সংযম এৰি ইফালে সিফালে চাই তেওঁ ঘূৰি ফুৰে,- অলপ পিচতে টেবুলত থকা চিঠিখন দাঙি পঢ়ে।)*

সময় ঃ দিনৰ দুই বাজিছে।

দেৱকী কুট্টী ঃ *(চিঠি পঢ়ে)* "মই সেই পথকে বাছি লৈছোঁ। যিটো এজনী পত্নীয়ে কৰা উচিত।" *(চিঠিৰ পৰা মূৰ দাঙি)* তই মোক শিকাইছ নহয় ? *(আকৌ চিঠি পঢ়ে)* "আপোনালোকৰ দৃষ্টিত মই যদিও মূৰ্খৰ দৰে কাম কৰিছোঁ। কিন্তু, এইটো সুনিশ্চিত যে এই পৰিস্থিতিত ইয়াৰ বাহিৰে আন কোনো উপায় মোৰ নাই। জয়ী হোৱা এইটোৱেই একমাত্ৰ পথ মই বিচাৰি পাইছোঁ।" *(চিঠিৰ পৰা মূৰ উচ্চতৰ কৰি)*... তোৰ জয়, মোৰ পৰাজয় ! তোৰ উদ্দেশ্য এয়ে নহয় নে ?

(চিঠিখন দুয়োহাতেৰে মোহাৰি দূৰলৈ পেলাই দিয়ে)

বেলু পিল্লৈৰ প্ৰবেশ।

দেৱকী কুট্টী ঃ কি কথা বেলু পিল্লৈ ?

বেলু পিল্লৈ ঃ অফিচৰ পৰা খবৰ পঠাইছে, আপুনি অফিচলৈ এবাৰ যাব লাগে। কিবা জৰুৰী কাম আছে।

দেৱকী কুট্টী ঃ কবা, মই যাব নোৱাৰোঁ।

বেলু পিল্লৈ ঃ অফিচাৰে কৈ পঠাইছিল কিবা জৰুৰী চিঠি এখনৰ উত্তৰ দিব লাগে....

দেৱকী কুট্টী ঃ মই যাব নোৱাৰোঁ, তুমি গুছি যোৱা.......।

বেলু পিল্লৈ ঃ ঠিক আছে বাইদেউ। ফাইল ইয়ালৈকে.....

দেৱকী কুট্টী ঃ কি কৈছা ? তুমিও মোক শিকাবলৈ আহিছা ? তোমাক যাবলৈ কৈছো নহয় ? অফিচলৈ নোযোৱাৰ পৰিণাম ভোগ কৰিবলৈকে, মই সাজু হৈ অপেক্ষা কৰিছোঁ, বেলু পিল্লৈ !

বেলু পিল্লৈ ঃ *(ডাঙৰকৈ)* বাইদেউ ! *(দুঃ চিন্তাৰে প্ৰস্থান)*

দেৱকী কুট্টী ঃ *(পুনৰ অশান্তি, মানসিক ক্ৰিয়া প্ৰক্ৰিয়া। দলিয়াই পেলাই দিয়া চিঠিখন পুনৰ বুটলি আনি হাতত লয় আৰু খুলি পঢ়ে)*.... "ভগবানে বাইদেউৰ মঙ্গল কৰক.... তই ভগবানৰ ওচৰত মোৰ হৈ প্ৰাৰ্থনা জনাইছ নহয় নে ? মূৰ্খ ছোৱালী। *(জানকীৰ প্ৰৱেশ)*

জানকী ঃ বাইদেউ, এইবোৰ কেনেকৈ সহ্য কৰিব পাৰি ? এই বেয়া মানুহবোৰৰ

লগত জীয়াই থকাই টান হৈ পৰিছে।

দেৱকী কুট্টী ঃ (*অশান্তি সূচক ভঙ্গীমাৰে*) তই আক' কি বলকিবলৈ আহিলি ? কি হৈছে ?

জানকী ঃ মানুহে ৰতি ফুৰিছে যে, এইখন ঘৰৰ মানুহে চেল্লপ্পন পিল্লেক খেদি পঠাইছে।

দেৱকী কুট্টী ঃ তাতে কি হ'ল ? আকাশখন ভাঙি পৰিল বুলি ভাবিছ হ'বলা ?.

জানকী ঃ হুহ, একো হোৱা নাই ? কি হৈছে, বাইদেউ ? যেতিয়া বহুত মানুহে একেটা কথাকে কৈ ফুৰে তেতিয়া, সেই কথাৰ ওপৰত গুৰুত্ব দিয়া হয়। ইয়াতকৈ বেছি অপমান কিবা হ'ব পাৰে নে ? এই অপমানৰ ভয়তে বুঢ়া দেউতা আৰু আয়ে বিচনাত পৰি আছে ?

দেৱকী কুট্টী ঃ তেওঁলোকৰ মৰমৰ জীয়েক ভাৰতীয়ে তেওঁলোকক এৰি গুছি গৈছে। বেজাৰৰ কাৰণ এইটোৱেই নহয় জানো জানকী ?

জানকী ঃ ভাৰতী বাইদেউ যোৱাৰ কাৰণে দুখ কৰাৰ কি কথা হ'ব পাৰে ? পত্নীয়ে পতিৰ ঘৰলৈ যোৱাটো কিবা নতুন কথা নে ?

দেৱকী কুট্টী ঃ তইতো ভাৰতীৰ ফালেই সদায় থাক'। তাইৰ হৈ তই সদায় মাতিবিয়েই।

জানকী ঃ মই মতা নমতাৰ পৰা কি লাভ ? তথাপি বাইদেউ, মই এগৰাকী মাক নহয় জানো ? চেল্লপ্পন পিল্লে যোৱাৰ পিছত ভাৰতীৰ ল'ৰাটোৱে যেতিয়া 'দেউতা, দেউতা' বুলি ফেকুৰিছিল, তেতিয়া মোৰ হিয়া খুন্দা মাৰি ধৰিছিল। কোনো মাতৃয়ে এনেদৰে শিশুয়ে কান্দিলে সহ্য কৰিব পাৰিব নে ? ভাৰতীৰ ঠাইত মই হোৱা হ'লে, দহ দিনৰ ভিতৰতে মূৰ খুন্দিয়াই আত্মঘাতী হ'লোহেঁতেন।

দেৱকী কুট্টী ঃ এতিয়াটো তাই জয়ী হ'ল, আমি পৰাজিত হ'লোঁ। জয়ী হ'ল যেতিয়া তাইৰ ভালেই হ'ল। কি, কৰ, জানকী ?

জানকী ঃ বাইদেউ, তেওঁ নিৰ্বিঘ্নে, নিৰাপদে থাকক, ভগবানে মঙ্গল কৰক।

দেৱকী কুট্টী ঃ নহয় জানু, মোৰ কিন্তু ধাৰণা হৈছে, তাইৰ জয় হোৱা নাই। তাই জয়ী হোৱা ভাওঁ ধৰি মাত্ৰ অহঙ্কাৰ কৰিছে।

জানকী ঃ ইয়াত সন্দেহৰ কি কথা আছে বাইদেউ; চেল্লপ্পন পিল্লেৰ ঘৰৰ অৱস্থা যে নিতান্তই বেয়া, সেই কথা কোনে নাজানে। এনে অৱস্থা এটা জানি শুনিও যেতিয়া ভাৰতী গৈছে, তেওঁৰ অহঙ্কাৰ নিশ্চয় ওলাই পৰিছে। কিন্তু তেনে এটা পৰিস্থিতিকো মানুহে কেতিয়াবা আনন্দেৰে গ্ৰহণ কৰে। সহ্য কৰোঁতে কৰোঁতে ভাৰতীৰো সেইখন ঘৰ আপোন হৈ পৰিব। দিন সদায় একেদৰে নাথাকে বাইদেউ, এদিন দেখিব, তেওঁৰ ভাল দিন আহিছে।

দেৱকী কুট্টী ঃ সেইটোনো কি কথা, স্বামীৰ লগত থাকিলে যি কোনো পৰিস্থিতিৰ সন্মুখীন হোৱাটো স্ত্ৰীৰ ধৰ্ম।

জানকী ঃ তেনেহ'লে বাইদেউ, আপুনি এটা সাধু শুনিব নে ? সেইদিনা ভাৰতী বাইদেউৰে মোক এটা সাধু কৈছিল, এজনী তিৰোতাই কেনেকৈ স্বামীৰ লগত জীয়াতু ভুগিছিল, সেই বিষয়ে ইয়াত বৰ সজ কথা আছে। সাধুটো শুনিলে আপোনাৰো চকুৰ পানী ওলাব। শুনিবনে বাইদেউ ?

দেৱকী কুট্টী ঃ নাই, নুশুনো। তই মই ভাল পোৱা সাধু শুনাব নোৱাৰিবি জানু।

জানকী ঃ বাইদেউ, আপোনাৰ এয়া কি হৈছে ? আপুনি আজি কালি মোৰ সাধু নুশুনে, একোকে নুশুনে। আপুনি এনেকৈ থাকিলে উদ্দেশ্যবিহীন হৈ পৰিব; আপুনি অফিচলৈ নাযায়, মন্দিৰলৈকো নাযায়। কাৰো লগত কথা নাপাতে। কাৰো কথা নুশুনে। কোনো কাম নকৰে। তেনেহ'লে আপুনি সময়বোৰ কেনেকৈ কটাব ?

দেৱকী কুট্টী ঃ ঠিকেই কৈছ জানকী, সময়বোৰ কেনেকৈ কটাম ? চেল্লপ্পন পিল্লে যোৱাৰ কিছুদিনলৈকে মই সুখতে দিন কটাইছিলোঁ। কিন্তু, যেতিয়া ভাৰতী তেওঁৰ কাষলৈ গুছি গ'ল, তেতিয়াৰে পৰা মোৰ আনন্দও নোহোৱা হ'ল।

জানকী ঃ মোৰ কথা কিন্তু সম্পূৰ্ণ বিপৰীত, বাইদেউ। যেতিয়ালৈকে ভাৰতী বাইদেউ ইয়াৰ পৰা যোৱা নাছিল, মই বৰ দুঃচিন্তাত পৰিছিলোঁ। 'দেউতা, দেউতা' বুলি কান্দি থকা সেই শিশুটোক লৈ ঘণ্টাৰ পিচত ঘণ্টা চকুপানী বোৱাই দিয়া ভাৰতী বাইদেউৰ মুখখন দেখিলে মোৰ বুকুখন হমূহমাই গৈছিল, চকুপানীৰে মই বাট নেদেখা হৈছিলোঁ।

দেৱকী কুট্টী ঃ তোৰ আগত লুকুৱাই লাভ নাই জানকী। সেই শিশুটোৰে, যেতিয়া বাগৰি বাগৰি ইয়াত কান্দিছিল, তেতিয়া মোৰ অন্তৰত এক অজ্ঞাত আনন্দই খেল খেলিছিল। কিন্তু, যেতিয়া ভাৰতীয়ে জেদ ধৰি ইয়াৰ পৰা ল'ৰাটো লৈ গুছি গ'ল.... (*দীঘল হুমুনিয়াহ কাঢ়ে*) তেতিয়া ?

জানকী ঃ এই সকলোবোৰ ঠিক হৈ যাব। কাৰো দিন সমানে নাযায়, বাইদেউ।

দেৱকী কুট্টী ঃ কিন্তু জানকী, ভাৰতীৰে কিজানি শেষত জয় হ'ল।

জানকী ঃ বাইদেউ, সেই কথা ভাবি আপুনি কিয় মিছাতে মূৰ ঘোলা কৰিছে ?

দেৱকী কুট্টী ঃ মনে মনে থাক জানকী, তই একো বুজি নাপাৱ। তই মাত্ৰ মোক উপদেশ দিবহে জান। তই আচলতে কাণ্ডজ্ঞানশূন্য পশু।

জানকী ঃ ক্ষমা কৰক বাইদেউ। আপুনি হয়তো বেলেগ ভাবিছে। মোৰ অভিপ্ৰায় কিন্তু সেইটো নাছিল ?

দেৱকী কুট্টী ঃ তোৰ অভিপ্ৰায় মোৰ জনা আছে। তহঁতৰ শ্ৰেণীৰ মানুহৰ অভিপ্ৰায়

মই ভালদৰে বুজি পাওঁ। ইয়াৰ পৰা আঁতৰি যা, মূৰ্খ কৰবাৰ।

জানকী ঃ বাইদেউ, মোৰ ওপৰত খং নকৰিব। আমি বৰ দুখীয়া। মোৰ কথাত যদি আপুনি বিৰক্ত হৈছে, ভৱিষ্যতে আপোনাৰ লগত মই কথা নাপাতো, মুখ নেমেলো....।

দেৱকী কুট্টী ঃ তহঁতৰ কথাত মই সঁচাকৈয়ে বিৰক্ত হৈছোঁ। তহঁতৰ ভালপোৱা অভিনয়ত মই অতিষ্ঠ হৈ উঠিছোঁ। তহঁতে মোক যথেষ্ট লাজ অপমান দিছ। মই এতিয়া নিজেই সকলো দেখিছোঁ, সকলো বুজিছোঁ, কাৰ জয় হৈছে, কাৰ পৰাজয় ঘটিছে। (*জানকীয়ে মনে মনে থাকে। দেৱকী কুট্টীয়ে মৌন জানকীক লক্ষ্য কৰে আৰু কয়*) তই এতিয়া ইয়াত মনে মনে ঠিয় হৈ থাকি মোক আকৌ অপমান কৰিব খুজিছ ?

জানকী ঃ হায় ভগবান, এইবোৰ কি শুনিছোঁ ? কথা ক'লেও জগৰ, কথা নক'লেও মোৰ জগৰ। মই কি কৰিব লাগে বাইদেউ ?

দেৱকী কুট্টী ঃ তই সুধিছ, তই কি কৰিব লাগে, নহয়নে ? বাৰু শুন। তই এই মুহূৰ্ততে এই ঘৰৰ পৰা ওলাই যা, তোৰো নিজা এখন ঘৰ আছে। তাত তোৰ স্বামী আছে। সন্তান আছে। ইয়াত থকা তোৰ কোনো প্ৰয়োজন নাই। মই বিচাৰিছোঁ... এই সকলোবোৰ কেনেকৈ শেষ কৰিব পাৰি... নাইকিয়া কৰিব পাৰি।

জানকী ঃ বাইদেউ, আপুনি মোক খেদি আমাৰ পাঁচোটা প্ৰাণী শেষ কৰিব খুজিছে ? মই আপোনাৰ কি হানি কৰিছোঁ (*দুখেৰে*)....? এইখন ঘৰলৈ মই অহা দহ বছৰ হ'ল। এই দহ বছৰে কাৰোবাৰ প্ৰতি মই অসৎ ব্যৱহাৰ কৰিছোঁ নে ? (*চকুপানী মোছে*)

দেৱকী কুট্টী ঃ তহঁত সকলো শোষক মাত্ৰ। তহঁতে মোৰ কষ্টৰ ফল উপভোগ কৰিবলৈ কেৱল মোক সদায় আগুৰি আছ'। মোৰ প্ৰতি তহঁতৰ মৰম অলপো নাই। মোৰ দুখ দেখিলে তহঁতে আনন্দ উপভোগ কৰ। মোক নচুৱাবলৈ বৈ থাক।

জানকী ঃ সেই মানুহৰ ভিতৰৰ পৰা মোৰ নামটো গুছাই দিয়ক বাইদেউ। মই ৰাতিপুৱাৰ পৰা ৰাতিলৈকে কষ্ট কৰি, খাটি, নিজৰ পেট প্ৰৱৰ্ত্তাইছোঁ।

দেৱকী কুট্টী ঃ আনে যেতিয়া কাম নকৰাকৈয়ে শোষণ কৰিছে, তই কিয় কাম কৰিব লাগে জানকী ? সেইবাবে কৈছোঁ, তই গুছি যা, নিজৰ ঘৰলৈ তই গুছি যা।

জানকী ঃ যাম বাইদেউ, মই আৰু নেথাকো। আপোনাৰ মঙ্গল কামনা কৰিয়েই মই গুছি যাম।

দেৱকী কুট্টী ঃ তোৰ কথাৰ উদ্দেশ্য মোক পৰাজিত কৰা। তোৰ কথাৰ সুৰত তই জয়ী হোৱাৰ ইঙ্গিত মই বঢ়িয়াকৈ ধৰা পেলাইছোঁ। আ—হা, মোৰ মঙ্গল

কামনা....? মোৰ আক' মঙ্গল, কেনেকৈ হ'ব ? যদি মঙ্গল হয়েই, তেন্তে, তাৰ ফল ভোগ কৰিম মই নিজে, তইতো নহয় ? তইঁত আটায়ে লগ হৈ মোৰ যি মঙ্গল মাতি আনিছ, সেইটোৱেই মোৰ বাবে যথেষ্ট, আৰু বেছি হয়তো মোৰ সহ্য নহ'ব। জানকী, মনত ৰাখিবি, তয়ো এজনী দাইনীক পৰিহাস কৰিছ মাত্ৰ।....হুহ্। বাৰু, তই এতিয়া যাব পাৰ'।

জানকী ঃ এইটো মই আজিহে বুজিব পাৰিছোঁ, *(চকুপানী টুকি প্ৰস্থান)*

(কৃষ্ণ পনিক্কৰ লাহে লাহে সোমাই আহে। চেহেৰাত পৰাজয় আৰু তীব্ৰ গ্লানিৰ চিন পৰিলক্ষিত)

কৃষ্ণ পনিক্কৰ ঃ দেৱকী কুট্টী, অফিচৰ পৰা তোক মাতি পঠিয়াইছিল। তই নগ'লি ?

দেৱকী কুট্টী ঃ নগলো, দেউতা।

কৃষ্ণ পনিক্কৰ ঃ কিয় নগলি মা ?

দেৱকী কুট্টী ঃ মোৰ গা ভাল নহয় দেউতা।

কৃষ্ণ পনিক্কৰ ঃ তোৰ গা ভাল নহয় ? কি হৈছে ? চৰকাৰী কামটো চলিবই লাগিব মা, নহয় জানো ?

দেৱকী কুট্টী ঃ মোৰ বাবে নিজৰ সুখেই, সকলো দেউতা।

কৃষ্ণ পনিক্কৰ ঃ সেই সুখৰ বাবেই অফিচলৈ যোৱাটো তোৰ বাবে নিতান্ত দৰকাৰী কথা, যদি [illegible]যাৱ, তাৰ ফল কাইলৈ তই ভোগ কৰিব নালাগিব জানো ?

দেৱকী কুট্টী ঃ আজিৰ পিচত হে কালি আহিব।

কৃষ্ণ পনিক্কৰ ঃ দেৱকী, আজি সমাজত আমাৰ প্ৰতিষ্ঠাৰ নাম মাত্ৰ অৱশিষ্ট হে আছেগৈ। তাকো যদি হেৰুৱাওঁ তেনেহ'লে আমি জীয়াই থকা নিস্প্ৰয়োজন। সেই কথা এবাৰ চিন্তা কৰ।

দেৱকী কুট্টী ঃ সেই প্ৰতিষ্ঠাৰ কথা চিন্তা নকৰোঁ। আজি মোক লৈ যি কথা আলোচনা হৈছে, সেই কথা যদি অলপ গভীৰভাৱে বিচাৰ কৰা হয় তেনেহ'লে কালিলৈ হ'ব লগা দুঃচিন্তা নোহোৱা হ'ব, দেউতা।

কৃষ্ণ পনিক্কৰ ঃ কি কৰিব পাৰোঁ ? *(বিষাদেৰে)* .....সেই বদমাছ মানুহটোৱে মোৰ সৰল ছোৱালীজনীক পাগলী কৰিলে, মানুহক বদনাম ৰটিবলৈ সুবিধা দিলে।

দেৱকী কুট্টী ঃ সেই হতভগীয়া মানুহটোক কিয় গালি পাৰিছে দেউতা ?

কৃষ্ণ পনিক্কৰ ঃ কিয় গালি নাপাৰিম দেৱকী ? সিয়েইতো তাইক ফুচুলাই মেলি এনেকুৱা দশা কৰিলে। নহ'লে, মোৰ ছোৱালী এনেকুৱা বেয়া নাছিল।

দেৱকী কুট্টী ঃ এৰা, ঠিকেই কৈছে দেউতা, আপোনাৰ ছোৱালী বেয়া নাছিল,

কেতিয়াও নাছিল, কিন্তু কি হৈ গ'ল ? তাইৰ জেদ তাই পালন কৰিলে, তাই জিকিলে।

কৃষ্ণ পনিক্কৰ ঃ দেৱকী কুট্টী, সেই নিস্কৰ্মা, অপদাৰ্থ মানুহটোৱে সেইবোৰ কথা তাইৰ হতুৱাই লেখাই গৈছে সেইবোৰত তই বিচলিত নহ'বি।

দেৱকী কুট্টী ঃ সকলোবোৰ দোষৰ বাবে আপুনি কেৱল সেই সহজ, সৰল মানুহটোক জগৰীয়া কৰিছে। আপোনাৰ ছোৱালীৰ গাত যেন অকনো দোষ নাই ?

কৃষ্ণ পনিক্কৰ ঃ সেইদিনা তোৰ মাৰে আৰু ভায়েৰে কৈছিল, মানুহটোৱে তাইক পগলা কৰিহে এৰিব। এতিয়া দেখিছোঁ ঠিকেই কৈছিল, আৰু সেয়ে হ'লগৈ।

দেৱকী কুট্টী ঃ ছোৱালী এতিয়া পাগলী হৈছে, আৰু সেইবাবে আপোনালোকৰ মনত কষ্ট হৈছে, নহয় নে দেউতা ?

কৃষ্ণ পনিক্কৰ ঃ কষ্ট নাপাম কিয় দেৱকী, তাই যে মোৰ নিজৰ সন্তান। যদি সেই দুষ্ট মানুহটোৱে নিজে যাব খুজিছিল, গুছি যাব লাগিছিল, কোনে তাক বাধা দিব। কিন্তু সি ভাৰতী আৰু তাইৰ ল'ৰাটোক এনেকৈ ফুচুলাই কিয় লৈ গ'ল ? সিহঁতেতো ইয়াত থাকিব পাৰিলেহেঁতেন ?

দেৱকী কুট্টী ঃ ঠিক কথা দেউতা, স্বামীৰ অনুপস্থিতিতো ভাৰতীয়ে ল'ৰাটোৰ সৈতে ইয়াতে থাকি যাব লাগিছিল।

কৃষ্ণ পনিক্কৰ ঃ তাই কিজানি এসাজ খাবলৈ পাইছে। আন সাজ লঘোণে আছে ? কোনে জানে দেৱকী ?

দেৱকী কুট্টী ঃ খাবলৈ পোৱা নাই ভালেই হৈছে দেউতা, ইয়াত দুখ কৰিবৰ কি আছে? তাইতো এতিয়া স্বামীৰ লগতে আছে।

কৃষ্ণ পনিক্কৰ ঃ তই, এক প্ৰকাৰে ঠিক কথাকে কৈছ; যি অৱস্থাতে নহওঁক ভাৰতী এতিয়া তাইৰ স্বামীৰ লগতে আছে । (*দেৱকী কুট্টী খন্তেক নিস্তব্ধ হৈ যায়....*) মানুহে আমাক দোষাৰোপ কৰিবলৈ একো নাই। বৰং আমাক মানুহে প্ৰশংসাহে কৰা উচিত।

দেৱকী কুট্টী ঃ ছোৱালীৰ প্ৰশংসাই মাক বাপেকৰ প্ৰশংসা, নহয় জানো দেউতা ?

কৃষ্ণ পনিক্কৰ ঃ তথাপিও দেৱকী, এটা কথা নহয় ? তাত তাই কেনেকৈ থাকিব ? দুয়ো সাজ ভাত তাই ভালকৈ খাব পাইছেনে ? আৰু শুন, তাই নিজ প্ৰয়োজন মতে পিন্ধিব মেলিব পাৰিছেনে ? তেল ঘহি গা-মূৰ ধোৱা তাইৰ যি অভ্যাস, তাক পূৰণ কৰিবলৈ তাই সুবিধা পাইছেনে ? তাইৰ ল'ৰাটোৰ যদি অসুখ বিসুখ হৈছে ? ইয়াৰ পৰা যাওঁতে তাৰ গা বেয়া আছিল, ইয়াত থাকোতে সি কিমান ফূৰ্তি কৰি আছিল ?.....এইবোৰ ভাবিলে দেৱকী, মোৰ চকু পানী ওলায়।

দেৱকী কুট্টী ঃ সঁচা কথা দেউতা, ইয়াত একোৰে অভাৱ নাছিল, অভাৱ হ'বনো

কেনেকৈ ? মই ইয়াত থাকোতে মোৰ ভনীৰ বাবে কোনো বস্তুৰে অভাৱ ঘটিব পাৰে নে ?

কৃষ্ণ পনিক্কৰ ঃ এৰা দেৱকী, তাইৰতো একোৰে অভাৱ নাছিল। কিন্তু দুৰ্ভাগ্যৰ কথা, এই সকলোবোৰ এৰি তাই গুচি যোৱাটোকে প্ৰাধান্য দিলে।

দেৱকী কুট্টী ঃ নহয় দেউতা, আপোনাৰ ধাৰণা ঠিক নহ'বও পাৰে। ভাৰতীয়ে ভাল কাম এটা কৰাৰ প্ৰেৰণাত এই সিদ্ধান্ত হয়তো লৈ পেলাইছিল। নিজে ভাবি কাম কৰা ইচ্ছা কাৰোবাৰ জানো থাকিব নালাগে ?

কৃষ্ণ পনিক্কৰ ঃ তাই কি কাম কৰিব পাৰে ? অসহায় এজনী ছোৱালী।

দেৱকী কুট্টী ঃ কিন্তু তাই এতিয়া এজনী বিবাহিতা স্ত্ৰী।

কৃষ্ণ পনিক্কৰ ঃ পিচে কি হ'ল ?

দেৱকী কুট্টী ঃ এজনী বিবাহিতা স্ত্ৰীয়ে বহুতো কাম কৰিব পাৰে।

কৃষ্ণ পনিক্কৰ ঃ তোৰ কথা মই ধৰিব পৰা নাই ?

দেৱকী কুট্টী ঃ সেই কথা তাইৰ চিঠিতে লিখা আছে।

কৃষ্ণ পনিক্কৰ ঃ মইতো তোক আগতেই কৈছোঁ। সেইবোৰ অৰ্থহীন কথা তাইৰ হতুৱাই সিয়েই লিখাইছে ?

দেৱকী কুট্টী ঃ এনে ধাৰণা ঠিক নহয় দেউতা।

কৃষ্ণ পনিক্কৰ ঃ তই কিবা কথা জান তেনেহ'লে ?

দেৱকী কুট্টী ঃ মই তাইক যিমান জানোঁ, আপোনালোকে হয়তো সিমান নাজানে।

কৃষ্ণ পনিক্কৰ ঃ তেনেহ'লে তই ক'ব খুজিছ, তাই জানি বুজিয়েই এনেদৰে শত্ৰুতা শালি সেইখন চিঠি লিখিছে ?

দেৱকী কুট্টী ঃ তাই আমাক পৰাজিত কৰিব খুজিছে দেউতা।

কৃষ্ণ পনিক্কৰ ঃ তয়ো পাগলী হ'ব খুজিছ নেকি দেৱকী, এনেদৰে কিয় কৈছ ?

দেৱকী কুট্টী ঃ কি কম দেউতা, মোৰ অস্থিৰ, মানসিক অৱস্থাই হয়তো মোক এনেদৰে ক'বলৈ বাধ্য কৰিছে।

কৃষ্ণ পনিক্কৰ ঃ মই কেনেকৈ বিশ্বাস কৰোঁ, দেৱকী কুট্টী ?

দেৱকী কুট্টী ঃ চিঠিখন জানো আপুনি ভালকৈ পঢ়া নাই ? তাই লিখিছে, "....যদিও আপোনালোকৰ দৃষ্টিত মই মূৰ্খ, তথাপিও ইয়াৰ বাহিৰে মোৰ কতো জয় হ'ব নোৱাৰে। মই সুখী হ'ব নোৱাৰিম...." ইয়াৰ অৰ্থ কি হ'ব পাৰে দেউতা ?

কৃষ্ণ পনিক্কৰ ঃ তেনেহ'লে ইয়াৰ পৰা গৈ তাই সুখী হৈছে ?

দেৱকী কুট্টী ঃ নহয়, তাই আমাৰ পৰা বেলেগ হ'ব খুজিছে, আমাক পাহৰি যাব খুজিছে.....

কৃষ্ণ পনিক্কৰ ঃ তই হে কিজানি তাইৰ কথাবোৰৰ বেলেগ অৰ্থ উলিয়াইছ ?

দেৱকী কুট্টী ঃ কি কৰোঁ দেউতা, উপায় নাই, আপুনিতো কৈছেই, মই পাগলী হৈছোঁ, পাগলী হোৱা বাবেই মই সকলো কথা বেলেগ দেখো, বেলেগ শুনো, বেলেগ অৰ্থ কৰোঁ।

কৃষ্ণ পনিক্কৰ ঃ সেইবুলি অফিচলৈ যোৱা কথাটো পাহৰি নাযাবি।

দেৱকী কুট্টী ঃ সিমানেই যথা লাভ, নহয় জানো দেউতা ?

কৃষ্ণ পনিক্কৰ ঃ অনৰ্থক তোক উপদেশ দিয়া মূৰ্খৰ কাম। অফিচলৈ যোৱা নোযোৱাত লাভ-লোকচান কি, তইতো নজনা নহয়। মই কোৱা লাভ নাই....।

দেৱকী কুট্টী ঃ লাভ নোহোৱা নহয়। আপুনি মোক উপদেশ দিয়া আপোনাৰ কৰ্ত্তব্য। সকলো বাপেকে উপদেশ দিয়ে।

কৃষ্ণ পনিক্কৰ ঃ কি কৰো ভগবান । মই যে নিৰুপায়। (*প্ৰস্থান*) (*দেৱকী কুট্টীয়ে চিন্তামগ্ন হৈ ইফাল সিফাল কৰে*)

দেৱকী কুট্টী ঃ এতিয়া দেখিছো, সকলো একে দলৰ, মই হে মাত্ৰ অকলশৰীয়া। (*ডাঙৰকৈ মাতে*) হেৰ, কোন আছ ? কুট্টন ! কুট্টন !

(*কুট্টন নামেৰে ল'ৰা এটা সোমাই আহে*)

দেৱকী কুট্টী ঃ কুট্টন, তই ৰাজনক দেখিছিলি নে ?

কুট্টন ঃ দাদাই ওচৰৰে এঘৰতে বহি তাচ খেলি আছে, বাইদেউ !

দেৱকী কুট্টী ঃ তাক ইয়ালৈ মাতিছোঁ বুলি কৈগে যা, এতিয়াই....

কুট্টন ঃ তাচ খেলি থাকোতে মাতিলে, দাদাই খুউব খং কৰে, মাৰিবলৈ আহে।

দেৱকী কুট্টী ঃ নামাৰে যা, মই মাতিছো বুলি কবি।

কুট্টন ঃ ভাল বাৰু। (*কুট্টনৰ দৌৰি প্ৰস্থান*)

দেৱকী কুট্টী ঃ (*বিৰক্তভাৱেৰে*) হুহ্, তাচ, মদ, ব্যভিচাৰ। আৰু বা কি কি অপকৰ্ম আছে ? সকলোবোৰ মোৰ পইচাৰে পূৰ্ণদমে চলিব লাগিছে ।

(*দেৱকী কুট্টীয়ে বেগেৰে গৈ চকী এখনত বহি পৰে। কিবা এটা নিৰ্ণয় কৰাৰ বাবে যেন চিন্তা কৰিছে। এনেতে বিপৰীত ফালৰ পৰা ভায়েক ৰাজশেখৰৰ প্ৰৱেশ*)

ৰাজশেখৰ ঃ বাইদেউ, তুমি বোলে মোক মাতিছা ?

দেৱকী কুট্টী ঃ মাতিছো, মাতিছো। তোৰ মুখখন চাবলৈ মোৰ হেপাহ হৈছে বাবেই তোক মাতি পঠাইছোঁ।

(*ৰাজশেখৰে ইতস্ততঃ কৰি পুনৰ উভতি যাব খোজে*) কি হ'ল, বোলো কি হ'ল ? উভতি যাবলৈ ইমান খৰধৰ হ্‌বৰ কি কাৰণ হ'ল, শুনো ?

ৰাজশেখৰ ঃ তুমি মোৰ ওপৰত বিৰক্ত হৈছা, বাইদেউ।

দেৱকী কুট্টী ঃ বিৰক্ত ? মই তোৰ ওপৰত বিৰক্ত হ'লে তই জানো ভয় কৰ ?

ৰাজশেখৰ ঃ তোমাৰ কথা মই কেতিয়াও নেপেলাওঁ বাইদেউ, কোৱা, মই কি দোষ কৰিছোঁ ?

দেৱকী ঃ আ-হা-হা ? মোৰ কথা পালন কৰিব ? তেতিয়াতো মোৰ প্ৰতি ডাঙৰ উপকাৰ কৰা হ'ব। ডাঙৰ উপকাৰ।

ৰাজশেখৰ ঃ উপকাৰ নহয় বাইদেউ । তোমাৰ আজ্ঞা পালন কৰা, মোৰ কৰ্ত্তব্য মাত্ৰ।

দেৱকী কুট্টী ঃ তই জানো এতিয়ালৈকে তোৰ কৰ্ত্তব্য কি, বুজা নাই ?

ৰাজশেখৰ ঃ মোৰ কৰ্ত্তব্য কি, তুমি দেখোন এতিয়ালৈকে মোক কোৱাই নাই ?

দেৱকী কুট্টী ঃ তোৰ কৰ্ত্তব্য কি, মই তোক কোৱা নাই বুলি ক'বলৈ তোৰ লাজ নালাগিল নে ? তই জানো কেচুৱা ল'ৰা ? তই দেখোন বৰ সভ্য আৰু সামৰ্থবান ডেকা বুলি ফুটনি মাৰ ? পিচে এতিয়া ?

ৰাজশেখৰ ঃ সভ্যতা আৰু সামৰ্থৰ ক্ষেত্ৰত মই কোনো গুণে কম নহওঁ বাইদেউ। আজিও এই চহৰত কুৰিজন সামৰ্থবান ডেকাৰ ভিতৰত মই সকলোতকৈ ওপৰত।

দেৱকী কুট্টী ঃ আহা, কথাৰ জোৰ শুনা, তই সকলোতকৈ ওপৰত নহয় নে ?— তাচ খেলত, মদ খোৱাত, চাহাব হৈ ফুৰাত আৰু ঘৰৰ মানুহৰ অনিষ্ট কৰাত । এয়েতো ?

ৰাজশেখৰ ঃ যিয়েই নোকোৱা লাগিলে। কিন্তু বাইদেউ, এটা কথা জানি থোৱা। এই চহৰত এনে এজন মানুহ নাই, যি জনে আমাৰ ঘৰৰ মানুহৰ বিষয়ে নাজানে। অকল সেয়ে নহয়, আমাৰ বাবে নিজৰ প্ৰাণ পৰ্যন্ত বলিদান দিবলৈ মোৰ দহজন ডেকা বন্ধু, মই কোৱা মাত্ৰকে আগবাঢ়ি আহিব।

দেৱকী কুট্টী ঃ তোৰ নিচিনা নিলৰ্জ্জ, অপদাৰ্থ ডেকা ল'ৰা এটাৰ পৰা ইমান বৰ বৰ কথা মই শুনিব নোখোজোঁ, তোৰ সাহসী ডেকা বন্ধুবোৰৰ কথা মোক নকবি। পুৱাৰ পৰা সন্ধিয়ালৈকে মাটিত ঘাম পেলাই মই উপাৰ্জন কৰিব লগা হৈছে। সেই উপাৰ্জনৰ পইচাকে অযথা খৰচ কৰি আমাৰ বাবে প্ৰাণ উচৰ্গা কৰিব খোজা কিছুমান নিষ্কৰ্মা ডেকাক তই হাতত ৰাখিছ আৰু কি ? এনে কথা ক'বলৈ তোৰ লাজ লগা নাইনে ? তোৰটো এতিয়া ত্ৰিশ বছৰ বয়স হ'ল। এতিয়ালৈকে এক পইচাও তই উপাৰ্জন কৰিবলৈ সক্ষম হৈছনে ?

ৰাজশেখৰ ঃ আজিলৈকে তাৰ আৱশ্যকতা মই অনুভৱ কৰা নাই।

দেৱকী কুট্টী ঃ চাৰি পইচা ঘটিবলৈ তই কিবা ব্যৱসায় শিকিছনে ?

ৰাজশেখৰ ঃ সেইটো কি ইমান ডাঙৰ কথা ? দুই তিনি দিনতে আজিকালি ব্যৱসায় শিকি ল'ব পাৰি।

দেৱকী কুট্টী ঃ হেৰ' যেতিয়া তোৰ ভনীয়েৰ সেই পাগলটোৰ পিচে পিচে ঘৰ এৰি গুছি গ'ল, তেতিয়া তই তাইৰ বিষয়ে কিবা ভাবিছিলি ?

ৰাজশেখৰ ঃ সেই বিষয়ে ভাবিবলৈ মোৰ কি হৈছে ? মই কেতিয়াবাই মা-দেউতাক কৈছিলোঁ— সেই মানুহটো অকৰ্মণ্য, সি ভদ্ৰ ব্যৱহাৰ নাজানে। সি ভদ্ৰলোক, আই মিন, জেনটলমেন নহয়, সেইবাবে, বিয়াৰ ক্ষেত্ৰত ভাবি-চিন্তি কাম কৰা যুগুত। মই সাৱধান কৰাৰ বাহিৰে আৰু......

দেৱকী কুট্টী ঃ তই সাৱধান হ'বলৈ কোৱাৰ বাহিৰে আৰু একো কৰিব লগা নাছিল ? তোৰ কথা শুনি এনে ভাব হৈছে যে মা-দেউতাৰ ওপৰত সকলো দায়িত্ব জাপি দি তই মাত্ৰ ভৱিষ্যত বক্তাৰ ভূমিকা লৈয়ে ক্ষান্ত আছ। তোৰ নিজা কৰিব লগা একো নাই।

ৰাজশেখৰ ঃ তাইৰ বিয়াৰ বিষয়তো মোৰ কোনো দায়িত্ব নাছিল। গতিকে এতিয়াও দায়িত্ব থাকিব নোৱাৰে।

দেৱকী কুট্টী ঃ তোৰ কোনো দায়িত্ব নাছিল নহয় ?. বাৰু ৰাজন, মোৰ এটা কথাৰ উত্তৰ দে, এই জীৱনত তোৰ কৰ্ত্তব্য কি, উপলব্ধি কৰিছনে ?

ৰাজশেখৰ ঃ মোৰ এটাই ডাঙৰ কৰ্ত্তব্য আছে, সেইটো হৈছে জীয়াই থকা।

দেৱকী কুট্টী ঃ এৰা, ঠিক কথা। এটা পশুৰ দৰে তই জীয়াই থকা কৰ্ত্তব্য পালন কৰিছ । *(বৈ)* ভাৰতীক তই তোৰে এজনী আপোন ভনী বুলি কেতিয়াবা ভাবিছ নে ?

ৰাজশেখৰ ঃ তুমি মোক ভাৰতীৰ কথা কৈ মনত কিয় কষ্ট দিছা বাইদেউ ?

দেৱকী কুট্টী ঃ কষ্ট দিছোঁ, এৰা ঠিকেই কৈছ। তহঁতৰ মনত হঠাতে দুখ দেখিলে মই অসীম আনন্দ উপভোগ কৰোঁ।

ৰাজশেখৰ ঃ ভাৰতীৰ মুখলৈ চাই হে, প্ৰথমদিনাই সেই জঙ্ঘলী মানুহটোক মই আমাৰ ঘৰৰ পৰা উলিয়াই নিদিলোঁ। নহ'লে, কথা বেয়া হ'লহেঁতেন।

দেৱকী কুট্টী ঃ পিচে, এতিয়া কি হ'ল দেখিলি ? সেই মানুহটোৰ পিচে পিচে ভাৰতীও গুছি গ'ল। তায়ো স্বামীৰ লগতে বনলৈ গুছি গ'ল।

ৰাজশেখৰ ঃ তোমালোকৰ কথা ভাবি, ভাৰতীৰ ভৱিষ্যত বিচাৰ কৰি মই তাক একো নকৰিলোঁ।

দেৱকী কুট্টী ঃ ৰাজন, হৈছে, হৈছে, আৰু ওফাইদাং মৰা কথা নকবি, এইবোৰ কথাত মই পতিয়ন যাব নোৱাৰোঁ। তই মাত্র এনে ধৰণৰ ফুটনিমৰা কথা কবলৈহে শিকিছ ।

ৰাজশেখৰ ঃ অকল ক'বলৈকে শিকা নাই, কিছু কৰিবলৈকো শিকিছোঁ।

দেৱকী কুট্টী ঃ তই শিকাহেঁতেন, আজি এনেকৈ মাতি আনি তোক ইমান টান কথা কোৱা, প্রয়োজনেই নহ'লহেঁতেন। তই দেখোন বৰ চাহাব হৈ ঘূৰি ফুৰিছ। তোৰ ভনীয়েৰ এতিয়া ক'ত পৰি আছে, তই জানো খবৰ ৰাখিছ ?

ৰাজশেখৰ ঃ কিয়, সেই চেল্লপ্পন পিল্লেৰ লগত। ইয়াত কিবা সন্দেহ আছে ?

দেৱকী কুট্টী ঃ হেৰ, জধামূর্খ, তাই এতিয়া কোনো এখন গাঁৱৰ নিজান অঞ্চলত, খেৰৰ জুপুৰী ঘৰৰ মাটিত পৰি, চকুলো টুকিছে। হয়তো নিজৰ তেজ মঙহৰ সন্তানটো কোলাত লৈ কোনো প্রকাৰে শুৱাবলৈ নিচুকণি গীত গাইছে। দিনৌ এসাজ ভাতৰ বাবে মোৰ ভনীজনীয়ে কিমান জীয়াতু ভুগিব লগা হৈছে। কোনে জানে ? (কন্দাৰ ভাও জোৰে) ইয়াৰ পৰা যাওঁতে পিন্ধি যোৱা কাপোৰ সাজকে চাগে তাই পিন্ধি আছে, সলনি কৰিব পৰা নাই, আৰু তই, ইয়াত বৰ চাহাব হৈ ভেমত ওফন্দি আছ, বন্ধুৰ লগত মজা কৰিছ।

ৰাজশেখৰ ঃ বাইদেউ, কিন্তু মই কি কৰিব পাৰোঁ?

দেৱকী কুট্টী ঃ তই তোৰ ভনীয়েৰৰ দুখ উপলব্ধি কৰিব পৰা নাই। উপলব্ধি নকৰিলেও তাইৰ প্রতি তোৰ অলপ মৰম থকা দৰকাৰ। আজি এই চহৰৰ দগাবাজ ল'ৰাবোৰে আমাক অপমান কৰিবলৈ যিবোৰ কথা ইফালে সিফালে ৰটি ফুৰিছে,— অন্ততঃ সেইবোৰ কথা, তোৰ মগজুত সোমাব লাগিছিল।

ৰাজশেখৰ ঃ বাইদেউ, তুমি কেৱল মোক তিৰস্কাৰ কৰিছা। কিন্তু মই কি কৰিব লাগে, সেইটো কোৱা নাই।

দেৱকী কুট্টী ঃ শেষত বদনাম কাৰ বেছি হ'ব ? ঘৰৰ ভিতৰত সোমাই থকা আমাৰ দৰে মাইকী মানুহবোৰৰ নে, বাহিৰত বৰ মতা দেখুৱাই ফুৰা তইঁত মানুহবোৰৰ ? তোৰো জানো বদনাম নহ'ব ?

ৰাজশেখৰ ঃ বাইদেউ, তুমি মোক মিছাতে কথা শুনাই আছা। মই কিজানি কিবা এটা ব্যৱস্থা ল'ব পাৰোঁ, মাত্র মোক অলপ বুজাই কোৱা, মই কি কৰা উচিত ?

দেৱকী কুট্টী ঃ মই তোক এতিয়াও ভাঙি মেলি ক'ব লাগিব নে ? তই কথাৰ ইঙ্গিত কিয় ধৰিব নোৱাৰ ? বাৰু শুন, মই নিজেই এই কথা তোৰ মগজুত সুমুৱাই দিওঁ। যি কোনো প্রকাৰে তই ভাৰতীক ওভতাই আন, আৰু ইয়াত থাকিবলৈ দে।

ৰাজশেখৰ ঃ বাৰু, মই এতিয়াও যাম। গাঁৱলৈ যোৱাটো আৰু যমৰ ঘৰলৈ যোৱাটো মোৰ বাবে একে কথা, তথাপি মই যাম। অহা কালিয়েই ভাৰতীক মই ইয়ালৈ লৈ আহিম। এই দায়িত্ব মই নিজে গাত পাতি ললো বাইদেউ !

দেৱকী কুট্টী ঃ তই নিজে এই দায়িত্ব লোৱা কি দৰকাৰ ? তোৰ কথা শুনি এনেহে ভাব হৈছে যেন তই মোৰ বাবেহে এই কাম কৰিবলৈ ওলাইছ। নালাগে, তই যোৱাৰ কোনো প্ৰয়োজন নাই।

ৰাজশেখৰ ঃ মই নিশ্চয় যাম, যোৱাটো মোৰ কৰ্ত্তব্য।

দেৱকী কুট্টী ঃ নহয় ৰাজন। নাযাবি। তই এই কাম নিজে হাতত নলবি।

ৰাজশেখৰ ঃ নহয় বাইদেউ, হ'ব নোৱাৰে। মই যাবলৈ সিদ্ধান্ত লৈ পেলাইছোঁ। মোৰ এই কামত কোনোবাই মাত মাতিলে মোক বাধা দিব খুজিলে, মই সহ্য নকৰোঁ, সুদাই নেৰোঁ।

দেৱকী কুট্টী ঃ এতিয়াও তোৰ দম্ভ নুগুছিল। মই তোৰ বৰ বৰ কথা শুনিব নোখোজোঁ। বাৰু, এটা কথা সোধো, যদি চেল্লপ্পন পিল্লেই ভাৰতীক আহিবলৈ নিদেয়ে, তেতিয়া ?

ৰাজশেখৰ ঃ তেতিয়া সি আৰু এই সংসাৰত জীয়াই নাথাকে।

দেৱকী কুট্টী ঃ মূৰ্খহে হে এনেধৰণৰ উত্তৰ দিয়ে। ৰাজন, তই মোৰ কথা শুন। তই চেল্লপ্পন পিল্লেৰ লগত কথাকে নাপাতিবি। তই মাত্ৰ ভাৰতীৰ মন পৰিৱৰ্তন কৰিবলৈ চেষ্টা কৰিবি, তাতকৈ বেছিলৈ, তই নাযাবি।

ৰাজশেখৰ ঃ মই জানোঁ। ভাৰতীয়ে মোৰ কথাত মান্তি হ'বনে নহয়।

দেৱকী কুট্টী ঃ আহ্, কিয় মান্তি নহ'ব ! তইতো তাইৰ ককায়েক, আৰু ককায়েক বাবে তই তাইৰ সকলো দায়িত্ব নিজে লবলৈ আগবাঢ়িছ। মই ভাবোঁ ভাৰতীয়ে মান্তি নোহোৱা কোনো কাৰণ নাই।

ৰাজশেখৰ ঃ তুমি ভাল বেয়া, দুয়োটা মোক ক'বলৈ যত্ন কৰিছা। তোমাৰ কথাৰ ওপৰত মাত মতা নিৰৰ্থক। ভাৰতীৰ মঙ্গলৰ বাবে মই সকলো কৰিবলৈ প্ৰস্তুত।

দেৱকী কুট্টী ঃ আজি এই ত্যাগী পুৰুষজনক মই দায়িত্বৰ কথা সোঁৱৰাই দিব লগা হৈছে।

ৰাজশেখৰ ঃ তোমাৰ উপদেশ শুনিলে মোৰ বেয়া নালাগে। কিন্তু, যেতিয়া সেই অভদ্ৰ চেল্লপ্পন পিল্লেৰ বক্তৃতা শুনোঁ, তেতিয়া মোৰ মূৰ ঘূৰাবলৈ ধৰে।

দেৱকী কুট্টী ঃ ইয়াৰ কাৰণ নোহোৱা নহয়। মই তোৰ সকলো খৰচ বহন কৰো, কিন্তু তেওঁৰ পৰা তোৰ কোনো আৰ্থিক লাভ নহয়। কথা এয়েতো ?

ৰাজশেখৰ ঃ বাইদেউ, যদি মৃত্যু পৰ্যন্ত মোৰ সকলো খৰচ তুমিয়েই বহন কৰিব লগা

হয়, তেতিয়াও মই এই ব্যৱস্থাক অপমানসূচক বুলি নাভাবোঁ।

দেৱকী কুট্টী ঃ বুজিছো, তেনেহ'লে মৃত্যু পর্যন্ত মোৰ খৰচতে তোৰ কাৰ্যতালিকা ঠিক হৈ আছে ? হায়, শোষকৰ দল।

ৰাজশেখৰ ঃ আৰু নহ'লেনো কি ? এই সংসাৰত সকলোৱে কেৱল চাকৰি কৰিহে জীৱন-নিৰ্বাহ কৰিছে নে, বাইদেউ ? (*হাঁহে*)

দেৱকী কুট্টী ঃ মূৰ্খৰ দৰে হাঁহিলে কোনো লাভ নাই। অহা কাইলৈ ৰাতি ভাত খোৱা সময়ত এই ঘৰত যদি ভাৰতীক দেখা পাওঁ, তেতিয়াহে তোৰ এই হাঁহিৰ সাৰ্থকতা বুজিব পাৰিম।

ৰাজশেখৰ ঃ মই কথা দিছোঁ। এতিয়া মই আহিলো।

(*প্ৰস্থান*)

দেৱকী কুট্টী ঃ (*তৃপ্তিৰ হাঁহি মাৰি*) এনে প্ৰতিশ্ৰুতিকে ময়ো বিচাৰো; জয় আৰু পৰাজয়ৰ নিৰ্দ্ধাৰণতো কৰিব লাগিব। (*খন্তেক ৰৈ*) তাই আহিব, কিন্তু, চেল্লপ্পন পিল্লে নাহে, সেয়ে হ'ব মোৰ জয় ! সেয়ে হ'ব তাইৰ পৰাজয় !!

—পট পৰিৱৰ্তন—

চতুৰ্থ অঙ্ক

ঃ প্ৰথম দৃশ্য ঃ

[*মাধৱীসদনৰ এটা কক্ষ। মাধৱীমা আৰু বেলুপিল্লে বহি বথা পাতি থাকে। মাধৱীমা বিমৰ্ষ আৰু অস্থিৰ*]

মাধৱীমা ঃ ইহঁতৰ বুঢ়া বাপেক আৰু মোৰ দৰে কাহ বেমাৰী মাক এজনী মৰি যোৱাহেঁতেন ভাল আছিল। বেলুপিল্লে, ইয়াতকৈ আৰু ডাঙৰ বিপদ কি হ'ব পাৰে?

বেলুপিল্লে ঃ কি কৰিব আই, আমি ভাবি চিন্তি কিবা এটা কৰিলে, ভগবানে তাৰ ওলোটাতো কৰে।

মাধৱীমা ঃ হে প্ৰভু, মোৰ ল'ৰাটোক ৰক্ষা কৰা। সি এতিয়া জেলত পচি আছে, কোনে ভাবিছিল, এনে নিদাৰুণ শোকে মোক সৰ্বনাশ কৰিব? মোৰ ল'ৰাৰ কিমান ভাল স্বভাৱ আছিল? আজি সকলো ওলট-পালট হৈ গ'ল।

বেলুপিল্লে ঃ তেওঁ যদি অকলে তালৈ গ'লহেঁতেন, তেতিয়া একো ক্ষতি নহ'লহেঁতেন, কিন্তু, তেওঁ যাওঁতে লগতে বন্ধু কেইটাকো লৈ গ'ল। আৰু ইয়াৰ বাবেই সকলো অথন্তৰ আহি পৰিল।

মাধৱীমা ঃ সি মোক নোকোৱাকৈ তালৈ গৈছিল। মোক কোৱাহেঁতেন, মই কেতিয়াও তাক যাবলৈ নিদিলোহেঁতেন।

বেলুপিল্লে ঃ এতিয়া দুখ কৰিলে কি হ'ব, আই। যি হ'ব লগা আছিল হৈ গ'ল! চেল্লপ্পন পিল্লেৰ শেষ সময় হয়তো এনেকৈয়ে উপস্থিত হৈছিল, আমি কি কৰিব পাৰোঁ?

মাধৱীমা ঃ তেওঁৰ অন্তিম কাল আহিছিল, হয়তো সঁচা। কিন্তু মোৰ ল'ৰা? তাৰটো এনে বিপদ হ'ব নালাগিছিল?

বেলুপিল্লে ঃ যি দোষ কৰে তাক আইনে সুদাই নেৰে। আইনৰ বিচাৰত ডাঙৰ-সৰু, ধনী-দুখীয়াৰ প্ৰভেদ নাই। তাতে কৰ্মফল বুলি এটা কথা আছে, আই। কৰ্মফল ভোগ কৰিবই লাগিব।

মাধৱীমা ঃ কিন্তু বেলু, মোৰ ল'ৰা আনৰ দৰে নহয়। কষ্ট কি, সি আজিলৈকে নাজানিলে। খোৱা ভাতৰ কাঁহিত কেতিয়াবা শিলগুটি পালে, সি গোটেই ঘৰখনতে হুলস্থূল কৰে। মানুহে দিনত এবাৰহে কাপোৰ সলায়, কিন্তু সি? দুই-তিনিবাৰ কাপোৰ সলায় চখ্ কৰে। এতিয়া সেই আদৰত উঠা ল'ৰাৰ কি অৱস্থা হৈছে? (*চকু পানী টোকে*) বাহী ভাত, দগধা কাপোৰ তাৰ ভাগ্যত মিলিছে.........

বেলুপিল্লে ঃ সকলোৰে দিন সমানে নেযায়, আই। ইয়াত বেজাৰ কৰিব লগা একো নাই। সুখৰ পিচত দুখ, দুখৰ পিচত সুখ এই ভাগ্যচক্ৰ অবিৰাম গতিত চলিব লাগিছে।

মাধৱীমা ঃ এই সকলোবোৰ সেই আপদীয়া ছোৱালীজনীৰ বাবেই হৈছে। বেলুপিল্লে, তাই আক' চিঠিত লেখিছে স্বামীৰ দায়িত্ব এতিয়া তাই বহন কৰিব। ইয়ালৈ তাই নাহে।

বেলুপিল্লে ঃ এনেকৈ লেখিছে? নিশ্চয় তেওঁৰ অন্তৰ পাথৰৰ দৰে কঠিন হৈ গৈছে..... নহলে........

মাধৱীমা ঃ তাই বিবাহিতা স্ত্ৰী। কিন্তু এনেকুৱা স্ত্ৰীতো দেখা নাই? কষ্ট স্বীকাৰ কৰি হলেও স্বামীৰ পৰিয়ালক সেৱা শুশ্ৰূষা কৰা তাইৰ বোলে ধৰ্ম! হায়! মোৰ গৰ্ভত এনে সন্তান জন্ম হৈছে, সি এইখন ঘৰৰ সৰ্বনাশ মাতি আনিছে?

বেলুপিল্লে ঃ নহয় আই, এনেকৈ নকব। ভগবানেও এনে অভিশাপ সহ্য কৰিব নোৱাৰিব। ভগবানে আমাক সৎপথৰ সন্ধান নিদিয়ে বুলি কেনেকৈ ক'ব? সকলো কাৰ্য তেওঁৰ দৃষ্টিগোচৰ হ'বই, লুকাই নাথাকে, আই।

মাধৱীমা ঃ সৎ পথৰ সন্ধান দিয়ে? কিন্তু বেলুপিল্লে, আমি এনে ভৰসাত ইমান দিন ধৈৰ্য্য ধৰি আছিলোহঁক। কিন্তু এতিয়া এনে এটা ঘটনাৰ পাচত মানুহে আমাক কি ক'ব? শগুণৰ আগত মৰা শ' পৰি থকাৰ দৰে আমাৰ দশা হৈছে।

বেলুপিল্লে ঃ আই, এনে এটা বিষয়ত আমি ধৈৰ্য্যৰে, ভাবি চিন্তি কাম কৰিব লগা হৈছে। আমাৰ ডাঙৰ বাইদেউৰ কি অৱস্থা হৈছে এবাৰ চিন্তা কৰি চাওকচোন। মানুহে লাহে

লাহে কোৱাকুই কৰিছে, অফিচতো বু-বু-বা-বা হৈছে।

[*বেলুপিল্লৈৰ কথা শুনি মাধবীমাই অশ্বস্তিবোধ কৰে আৰু দুই হাত মূৰত দি বহি পৰে। এনেতে দেৱকীকুট্টীৰ প্ৰবেশ। চেহেৰাত দৃঢ়তা, শান্তি আৰু তৃপ্তিৰ চিন পৰিলক্ষিত।*]

দেৱকীকুট্টী ঃ বেলুপিল্লে, এই কাগজখন লোৱা, অফিচত দিবা, শুনিছা?

বেলুপিল্লে ঃ শুনিছো বাইদেউ; (*কাগজখন লয়*) আজি অফিচলৈ আহিব নহয়?

দেৱকীকুট্টী ঃ অফিচলৈ যোৱাৰ সকলো কথা তাত লিখা আছে। তুমি মাত্ৰ দি দিবা।

বেলুপিল্লে ঃ কাগজখন দি মই আকৌ আহিব লাগিব?

দেৱকীকুট্টী ঃ আৱশ্যক নাই। বাৰু, কাইলৈ এবাৰ আহিবা।

বেলুপিল্লে ঃ আহিবৰ সময়ত কিবা ফাইল থাকিলে লৈ আহিম?

দেৱকীকুট্টী ঃ ফাইল অনাৰ কোনো প্ৰয়োজন নাই। অকল বেলুপিল্লে আহিলেই হ'ব। (*অলপ হাঁহে*)

বেলুপিল্লে ঃ ভাল বাইদেউ। [*যাব খোজে।*]

দেৱকীকুট্টী ঃ অ' অলপ শুনা। কাইলৈ পুৱা জানকীৰ ঘৰলৈ এবাৰ যাবা আৰু কবা, তাইক মই মাতিছো, এবাৰ আহি যাব।

বেলুপিল্লে ঃ বাৰু। (*প্ৰস্থান*)

মাধৱীমা ঃ দেৱকী; মোকৰ্দমাটো কি হ'ল ?

দেৱকীকুট্টী ঃ মই খবৰ কৰা নাই ।

মাধৱীমা ঃ ৰাজনৰ জামিন হ'বনে?

দেৱকীকুট্টী ঃ হয়তো, হ'ব পাৰে।

মাধৱীমা ঃ অলপ সাৱধানে কাম কৰিবি। মোকৰ্দমা ভালকৈ চলাই তাক খালাচ কৰাব লাগিব। আৱশ্যক হ'লে এশ, ডেৰশ টকা ভেটী দিব লাগিব।

দেৱকীকুট্টী ঃ আমি ধৈৰ্য্য ধৰাটো ভাল, মা।

মাধৱীমা ঃ উকীলে কিবা কৈছে?

দেৱকীকুট্টী ঃ উকীলক মই লগ ধৰা নাই। বাৰু, সেই কথা এৰা। তোমাৰ লগত মোৰ অলপ কথা আছিল।

মাধৱীমা ঃ মোকৰ্দমাৰ বিষয়ে? সেই বিষয়ে জানিবলৈ, মই অধৈৰ্য্য হৈ আছোঁ।

দেৱকীকুট্টী ঃ সেই বিষয়ে নহয়।

মাধৱীমা ঃ তেনেহ'লে?

দেৱকীকুট্টী ঃ মোৰ নিজৰ বিষয়ে।

মাধৱীমা ঃ তোৰ বিষয়ে? তোৰ বিষয়ে এতিয়া, কি কব লগা আছে?

দেৱকীকুট্টী ঃ বহুত ক'ব লগা আছে। যিমান কথা কম বুলি ভাবি আহিছোঁ, সিমান কথা ক'ব পাৰিমনে নোৱাৰোঁ, নাজানো? কিন্তু, যি খিনিকে ক'ব পাৰোঁ, সিমানে মই শান্তি পাম, মা।

মাধৱীমা ঃ বেগেতে ক'। মই শুনিবলৈ প্ৰস্তুত আছোঁ।

দেৱকীকুট্টী ঃ মা, মই পৰাজয় স্বীকাৰ কৰিছোঁ।

মাধৱীমা ঃ কেনে ধৰণৰ পৰাজয়? তোৰ কি হৈছে আক'; পাগলী!

দেৱকীকুট্টী ঃ মোৰ সৰু ভনী ভাৰতীৰ জয় হ'ল, মই হাৰিলোঁ।

মাধৱীমা ঃ এইটো আকৌ কেনে ধৰণৰ হৰাজিকাৰ কথা? মই বুজিব পৰা নাই দেৱকী?

দেৱকীকুট্টী ঃ ভাৰতীৰ শেষৰ চিঠিখনে জয় পৰাজয় নিৰ্ণয় কৰিলে মা। চিঠিখনৰ প্ৰত্যেক শব্দই এইটোকে বুজাইছে— ভাৰতীৰ জয় হৈছে আৰু মোৰ পৰাজয় ঘটিছে........।

মাধৱীমা ঃ তোৰ কথাৰ অভিপ্ৰায় কি? তোৰ কথাৰ পৰা মই কি অৰ্থ উলিয়াব পাৰোঁ দেৱকীকুট্টী? তোৰ নিচিনা জনাবুজা ছোৱালীয়ে যদি এনেকৈ কথা কয়, তেনেহলে.......

দেৱকীকুট্টী ঃ তেনেহলে, এইটোকে বুজিবা যে ভাৰতীয়ে মোক শিকাব পাৰে? জ্ঞান-বিবেচনাত তাই মোক শিক্ষা দিব পৰা হ'ল। তাই মোক এটা উপদেশ দি, বুজাই দিলে........ নাৰীৰ জীৱনত আটাইতকৈ ডাঙৰ গৌৰৱ কি?

মাধৱীমা ঃ তোৰ কথা বতৰাৰ পৰা মোৰ এয়ে ধাৰণা হৈছে যে ভাৰতীৰ দুষ্টালিৰ প্ৰভাৱ তোৰ ওপৰতো পৰিছে।

দেৱকীকুট্টী ঃ নহয় মা, তাই মোক জ্ঞান দিছে। তাইৰ পৰা মই বুজিব পাৰিছোঁ এজনী স্ত্ৰীৰ ক্ষমতা কিমান?

মাধৱীমা ঃ স্ত্ৰীৰ ক্ষমতা মানে? নিজৰ মাক-বাপেক, ককায়েক-বায়েকহঁতক অপমান কৰা আৰু নিজে আনৰ নিন্দাৰ পাত্ৰী হোৱা। আৰু কি?

দেৱকীকুট্টী ঃ নহয়, সেইটো অৰ্থ তাইৰ চিঠিত নাই। নিজৰ স্বামীৰ জীৱন সুখী কৰা স্ত্ৰীৰ ধৰ্ম বুলিহে তাই চিঠিত লেখিছিল।

মাধৱীমা ঃ স্বামীৰ জীৱন সুখী কৰিবলৈ তাইৰ দৰে কোনোবাই নৰক যাস্ত্ৰনা ভোগ কৰিবনে?

দেৱকীকুট্টী ঃ ভাৰতীৰ বাবে সেইয়া নৰক নহয়, স্বৰ্গহে। স্বামীৰ সঙ্গ লাভ কৰি জীয়াই থকাটোহে তাইৰ ধৰ্ম। তাকে পালন কৰি তাই জয় ঘোষণা কৰিছে মা।

মাধৱীমা ঃ যদি, তোৰ কথাকে মানি লব লাগে, তেনেহলে, মোক বুজাই দে এতিয়া

কেনেকৈ তাইৰ জয় হ'ল আৰু তই পৰাজয় মানিলি?

দেৱকীকুট্টী ঃ সেইটো এটা দীঘল কাহিনী মা।

মাধৱীমা ঃ যিমানেই দীঘল কাহিনী নহওক, মই শুনিব লাগিব।

দেৱকীকুট্টী ঃ মোৰ এটা জেদ আছিল। তাই যাতে কেতিয়াও জিকিব নোৱাৰে।

মাধৱীমা ঃ কিয়?

দেৱকীকুট্টী ঃ ভাৰতীৰ জয় হোৱাটো মই কামনা কৰা নাছিলোঁ মা!

মাধৱীমা ঃ এনে কথা কিয় কৈছ, দেৱকীকুট্টী, মই ধৰিব পৰা নাই........।

দেৱকীকুট্টী ঃ (*স্পৰ্শকাতৰ*) সঁচা কথা কবলৈ গ'লে, মোৰ স্বামী নাই। মোৰ ল'ৰা-ছোৱালী নাই। মই কাৰো, পত্নী হ'ব পৰা নাই।

মাধৱীমা ঃ তোৰ স্বামী নাই বাবে তোৰ পৰাজয় আৰু ভাৰতীৰ স্বামী থকাৰ বাবে তাইৰ জয়...... এইটো এটা অদ্ভুত যুক্তি, মই বিশ্বাস নকৰোঁ দেৱকীকুট্টী।

দেৱকীকুট্টী ঃ মোৰ অভিপ্ৰায় সেইটো নহয়।

মাধৱীমা ঃ তেন্তে কি?

দেৱকীকুট্টী ঃ মই এনে কিছুমান কথা কব খুজিছোঁ, যিবোৰ কথা তুমি নাজানা।

মাধৱীমা ঃ মই শুনিব খুজিছোঁ।

দেৱকীকুট্টী ঃ মা, ভাৰতী আৰু মোৰ মাজত এদিন কিমান পৱিত্ৰ আৰু গভীৰ স্নেহ আছিল?

মাধৱীমা ঃ মই জানোঁ। ভালকৈ জানোঁ।

দেৱকীকুট্টী ঃ তুমি সিমান ভালকৈ নাজানা মা।

মাধৱীমা ঃ কি কৈছ দেৱকীকুট্টী, মই ভালকৈ নাজানো? মই যদি নাজানোৱেই, তেনেহ'লে মই তহঁতৰ মা নহওঁ।

দেৱকীকুট্টী ঃ কিন্তু পিছলৈ ভাৰতীক মই যিমান ঘৃণা কৰিবলৈ ধৰিলোঁ, সিমান ঘৃণা আন কোনোৱে তাইক কৰা নাছিল।

মাধৱীমা ঃ এই কথা মই বিশ্বাস কৰিব নোৱাৰোঁ।

দেৱকীকুট্টী ঃ মোৰ বাবে সেই কথা তুমি বিশ্বাস কৰা মা। তাইক মই সঁচাকৈয়ে চকু পাৰি দেখিব পৰা নাছিলোঁ..... তাই মোৰ পৰা বহুত দূৰলৈ আঁতৰি যোৱা দেখি মোৰ মন তাইৰ প্ৰতি নিৰ্দয় হৈ পৰিছিল, তাই ইমান দূৰলৈ আঁতৰি গৈছিল যে মই ওচৰ চাপিব খুজিলেও তাই কাষৰ পৰা গুছি গৈছিল, তাইৰ ছা টোহে মাত্ৰ মোৰ ওচৰত ৰৈ গৈছিল।

মাধৱীমা ঃ এনে ব্যৱহাৰ দেখুৱা বাবে ভাৰতী দায়ী হ'ব লাগিব।

দেৱকীকুট্টী ঃ কেতিয়াও নহয়।

মাধৱীমা ঃ নহয়? তেন্তে দায়ী কোন? তইতো তাৰ বাবে দায়ী নহয়।

দেৱকীকুট্টী ঃ ময়ো নহয়, ভাৰতীও নহয়।

মাধৱীমা ঃ তেনেহলে কোন হ'ব? সেই অপদাৰ্থ চেল্লপ্পন পিল্লে?

দেৱকীকুট্টী ঃ বেচেৰা চেল্লপ্পন পিল্লেও নহয়। তেওঁৰ বিয়াখনেই সকলো অথন্তৰৰ কাল হ'ল।

মাধৱীমা ঃ বিয়াখন? মানুহ নহয়? সাধাৰণ বিয়া এখন সকলো অথন্তৰৰ মূল? কি কথা কৈছ দেৱকীকুট্টী?

দেৱকীকুট্টী ঃ এৰা মা, বিয়াখনেই কাল হ'ল। ভাৰতীৰ বিয়া হৈ যোৱাৰ লগে লগে তাই বিচৰণ কৰা সংসাৰখনো বেলেগ হৈ গ'ল। সেই সংসাৰত আৰু এজন মানুহ গোট খালে, তাই মোক পাহৰি পেলালে।

মাধৱীমা ঃ মোৰ সেই আজলী ছোৱালীজনী অসৎ চেল্লপ্পন পিল্লেৰ জালত বন্দী হৈ গ'ল, কাৰণ ইমানেই।

দেৱকীকুট্টী ঃ নহয় মা, সেই বেচেৰা চেল্লপ্পন পিল্লেৰ দোষ নাই। তেওঁৰ সলনি অন্য এজনে ভাৰতীক বিয়া কৰোৱাহেঁতেন, এনে অৱস্থাই ঘটিলেহেঁতেন।

মাধৱীমা ঃ আনে বিয়া কৰোৱাহেঁতেন ভাৰতীৰ মতিগতি এনে কেতিয়াও নহ'লহেঁতেন মই ডাঠি ক'ব পাৰোঁ।

দেৱকীকুট্টী ঃ কথাটো তুমি ঠিক ধৰিব পৰা নাই মা। ভাৰতীৰ বিয়া হৈ যোৱাৰ আগতে আমাৰ দুজনীৰ ভিতৰত কিমান আন্তৰিক মৰম আছিল। মই তাইৰ বাবে ''গোসানী''ৰ দৰে হৈ পৰিছিলোঁ, মোক লগ পাবলৈ, মোৰ লগত কথা পাতিবলৈ, মোৰ লগত একে লগে বহি খেলিবলৈ তাই অসাধাৰণ অনুভূতি দেখুৱাইছিল; তাইৰ স্পৰ্শকাতৰ আনন্দত মই অভিভূত হৈ পৰিছিলোঁ..... কিন্তু মা, সেই আপদীয়া বিয়াখনৰ লগে লগে আগৰ আনন্দ, মৰম-চেনেহ সকলো শেষ হৈ গ'ল।

মাধৱীমা ঃ বিয়া হৈ যোৱাৰ পাচতো তইঁতে আগৰ দৰে মৰম চেনেহ কিয় ৰাখিব নোৱাৰিলি? সেয়েহে মই কৈছো ভাৰতীৰ যি পৰিৱৰ্তন ঘটিল, তাৰ মূলতে দায়ী সেই চেল্লপ্পন পিল্লে।

দেৱকীকুট্টী ঃ প্ৰশ্নৰ উত্তৰ কিন্তু অতি স্পষ্ট। আগৰ আনন্দ, মৰম-চেনেহৰ পৰিৱৰ্তে তাই যেতিয়া নতুন আনন্দ, নতুন উত্তেজনা লাভ কৰিলে, তাই আগৰ কথা পাহৰি গ'ল।

মাধৱীমা ঃ ওহো, চেল্লপ্পন পিল্লেৰ লগত তেনেধৰণৰ আনন্দ, সুখ ভোগ আহিব কেনেকৈ? তই কি কৈছ?

দেৱকীকুট্টী ঃ মা, ভাৰতীৰ উপলব্ধি কিন্তু, মই যি কৈছো সেয়ে আছিল। অৱশ্যে ইয়াৰ

বাবে ভাৰতীক কোনেও জগৰীয়া কৰিব নোৱাৰে। জগৰীয়া প্ৰমাণিত কৰা অধিকাৰো কাৰো নাই।

মাধৱীমা ঃ তেনেহলে, তয়ে তাইক বুজাই মেলি ঠিক পথ-লৈ আনিব পাৰিলিহেঁতেন।

দেৱকীকুট্টী ঃ কিন্তু, অন্য প্ৰতিক্ৰিয়াই হে দেখা দিলে। তাইক বুজাই মেলি আকৌ আগৰ অৱস্থালৈ ওভটাই অনা, প্ৰবৃত্তি মোৰ নোহোৱা হ'ল। মই তাইৰ পৰা অশান্তিহে পাবলৈ ধৰিলোঁ। মোৰ গা-মন পুৰিবলৈ ধৰিলে। তাইৰ বিবাহিত জীৱনৰ সুখ-আনন্দ মোৰ সহ্য নোহোৱা হ'ল। নিজে কেনেকৈ শান্তি পাম, আনন্দ পাম তালৈ মোৰ লক্ষ্য নাই। কিন্তু যি আনন্দ উপভোগ কৰি তাই মোক পাহৰি পেলাইছে, সেই আনন্দক সমূলে ধ্বংস কৰা মোৰ উদ্দেশ্য হৈ পৰিল, মই উপায় বিচাৰিলোঁ।

মাধৱীমা ঃ দেৱকীকুট্টী, তই এটা মনে গঢ়া গল্প কৈছ। মই তোক যেতিয়া ভালকৈ জানো। তোৰ অন্তৰখন চিনি পাওঁ, তেনে ক্ষেত্ৰত তই কোৱা কথাবোৰ মই কেনেকৈ বিশ্বাস কৰোঁ।

দেৱকীকুট্টী ঃ মই তোমাৰ কাষতে বহি এইবোৰ কথা কৈছোঁ।

মাধৱীমা ঃ এৰা, কৈছ।

দেৱকীকুট্টী ঃ তেনেহলে মোৰ মুখৰ পৰা ভুমি যি শুনিছা, সেইবোৰ গল্প নহয়, ষোল্ল অনাই ঠিক কথা। ভাৰতীৰ সুখ আৰু আনন্দ বিনষ্ট কৰিবলৈ, মই পাৰ্যমানে চেষ্টা চলাই আহিছোঁ। বিয়াৰ পাচত তাইৰ জীৱনলৈ যিমান দুখ আৰু সংকট আহিছে, সেই সকলোবোৰ ময়ে তাইৰ ওপৰত জাপি দিছোঁ। তাইৰ কষ্ট আৰু যন্ত্ৰনা দেখিলে মোৰ হৃদয় শাঁত পৰে, মই তৃপ্তিৰ নিশ্বাস পেলাওঁ।

মাধৱীমা ঃ তই যে কৈছিলি; তোৰ চেষ্টাতে ভাৰতী আৰু চেল্লপ্পন পিল্লে ইয়াৰ পৰা গুছি গ'ল, আৰু ৰাজন গৈ চেল্লপ্পন পিল্লেৰ লগত কাজিয়া কৰিলে? মূৰ্খৰ দৰে কথা নকবি দেৱকীকুট্টী, তই ভাৱিছনেকি তোৰ কথা মই বিশ্বাস কৰিম?

দেৱকীকুট্টী ঃ মোৰ মা বেছ বুদ্ধিমতী। মই যি কথা ক'ব খুজিছোঁ ঠিক অনুমান কৰিছে।

মাধৱীমা ঃ তই যিটো কথা ক'ব খুজিছ, সেই কথা মই অনুমান কৰিছোঁ? তই কি ক'ব খুজিছ দেৱকীকুট্টী?

দেৱকীকুট্টী ঃ মই চেল্লপ্পন পিল্লেক কিবা এটা চাকৰি যোগাৰ কৰি দিব পাৰিলোহেঁতেন, সঁচা কথা। কিন্তু মই ভাবি চিন্তিয়েই নকৰিলোঁ। ভাৰতীয়ে হিয়া ভৰা মিনতিৰে তাইৰ গিৰীয়েকৰ বাবে চাকৰি এটাৰ কথা মোক কৈছিল, মই মনে মনে হাঁহিছিলোঁ মাত্ৰ।

মাধৱীমা ঃ এতিয়া বুজিছোঁ, তই নিজৰ অসমৰ্থতা প্ৰকাশ কৰিবৰ বাবে আমাক ফাঁকি দিছিলি।

দেৱকীকুট্টী ঃ কিন্তু, সিমানতো মই সন্তুষ্ট হোৱা নাছিলোঁ। চেল্লপ্পন পিল্লেই যেতিয়া

কোনো উপায় নেদেখি ইয়াৰ পৰা গুছি গ'ল তেতিয়া মই ভাবিছিলোঁ ভাৰতী হয়তো ভাগৰি গৈছে, তাই নিঃশেষ হৈ পৰিছে। কিন্তু যেতিয়া তাই সকলো সুখ-ভোগ ত্যাগ কৰি স্ব-ইচ্ছাৰে গিৰীয়েকৰ গাৱলৈ গুছি গ'ল, তেতিয়া মই সহ্য কৰিব নোৱাৰা হলোঁ।

মাধৱীমা ঃ সেইটো জানো কাৰোবাৰ সহ্য হৈছিল? অকল তই নহয়, আমি আটায়ে সহ্য কৰিব পৰা নাছিলোঁ।

দেৱকীকুট্টী ঃ কিন্তু, মই সহ্য কৰিব নোৱাৰা আৰু আনে সহ্য কৰিব নোৱাৰা কাৰণৰ অৰ্থ ভিন্ন আছিল। এই ঘৰৰ সুখ সুবিধা সকলো ত্যাগ কৰি ভাৰতীয়ে যেতিয়া গাৱত থকা শহুৰেকৰ ঘৰলৈ গুছি গ'ল তেতিয়া সকলোৰে বুজা উচিত আছিল যে স্বামীৰ লগত থকাটো তাই বেচি সুখৰ, বেছি আনন্দৰ বুলি বিবেচনা কৰিলে। তাত দুখ কৰাৰ কাৰণ নাই। কিন্তু তাই লাভ কৰা স্বামীসঙ্গৰ যি আনন্দ, সেই আনন্দ মোৰ পক্ষে অসহনীয় হৈ পৰিল। মই মৰ্মে উপলব্ধি কৰিলোঁ। ভাৰতী জয়ী হৈছে আৰু মোৰ পৰাজয় আৰম্ভ হৈছে। প্ৰতিহিংসাত মোৰ মন দপ দপকৈ জ্বলিবলৈ ধৰিলে। মই সেই দুঃসাহসী কামত হাত দিলোঁ।

মাধৱীমা ঃ সেই দুঃসাহসী কাম কোনটো আছিল? আমি গম পোৱা নাছিলো কিয়? এইবোৰ কি ধেমালি কৰিছ? তোৰ উদ্দেশ্য কি?

দেৱকী কুট্টী ঃ যি কোনো প্ৰকাৰে ভাৰতীক ইয়ালৈ লৈ অহা, আৰু স্বামীৰ পৰা তাইক আঁতৰ কৰোৱা। এই কামৰ বাবে মই ৰাজনৰ সহায় ললোঁ......-

মাধৱীমা ঃ অ', তেন্তে ৰাজনে তোৰ কথামতে তালৈ গৈছিল, নহয়? মোৰ আদৰৰ ল'ৰাক জেললৈ পঠোৱাৰ গুৰিতে তেনেহলে, তয়ে আছিলি? আৰু তয়েই, বেচেৰা চেল্লপ্পন পিল্লেক হত্যা কৰালি?

দেৱকী কুট্টী ঃ মই নহয়।

মাধৱীমা ঃ কিয়, তই আগতে কোৱাৰ দৰে, এতিয়াও কবি বিয়াখনৰ বাবেই এই মৰ্মান্তিক ঘটনা ঘটিবলৈ পালে, তইতো আগৰ অকণমান ছোৱালীজনী নহয়, যি মন যায় তাকে কবি।

দেৱকী কুট্টী ঃ মই তেনেকৈ কোৱা নাই।

মাধৱীমা ঃ কিয় কোৱা নাই? তোৰ বাহিৰে কোনে কৈছে? কোনে এইবোৰ বিপদ মাতি আনিছে?

দেৱকীকুট্টী ঃ (*দৃঢ়তাৰে*) ইয়াৰ বাবে দায়ী হৈছে মোৰ এই বুঢ়া মা-দেউতা।

মাধৱীমা ঃ (*উত্তেজিত হৈ*) কোন? আমি? তোৰ বুঢ়া মাৰ-বাপেৰ? দেৱকীকুট্টী, তই পাগলী হোৱা নাইতো? তোক লিখা-পঢ়া শিকাই ইমান ডাঙৰ দীঘল কৰিলোঁ, এতিয়া

তয়ে আমাক শান্তিৰে জীয়াই থকাটো অসম্ভৱ কৰি তুলিছ।

দেৱকীকুট্টী ঃ মই পাগলী হোৱা নাই। তোমালোকৰ মাত্র পাগলামি বেছি হৈছে। এই পাগলামিৰ পৰিনাম তোমালোকে ভোগ কৰিছা।

মাধৱীমা ঃ তই ক'লৈই আমি পাগল হৈ যামনে?

দেৱকীকুট্টী ঃ তোমালোকৰ পাগলামিয়ে মোকো এক প্রকাৰে পাগল কৰিলে। আজি মোৰ পাগলামি শেষ হৈ আহিছে কিন্তু তোমালোকৰ সমূলি কমা নাই।

মাধৱীমা ঃ তই কাক এনে ধৰণৰ পগলা বুলি কৈছ? এৰা আমিতো বহুত পাগলামিৰ কাম কৰিছোঁ। কষ্ট কৰি তোক পঢ়ালোঁ, কষ্ট কৰি তোৰ বাবে এটা চাকৰি যোগাৰ কৰিলোঁ, সুখেৰে জীৱন ভোগ কৰিবলৈ ধন সম্পত্তিৰ ব্যৱস্থা কৰিলো, এইবোৰ জানো আমাৰ পাগলামি নাছিল?

দেৱকীকুট্টী ঃ মই ভাল পাইছোঁ, মায়ে মই নোকোৱাকৈয়ে মোৰ মনৰ কথা বুজি পালে।

মাধৱীমা ঃ তেন্তে, এই সকলোবোৰ পাগলৰ কাম বুলিয়েই তই বিশ্বাস কৰিছ?

দেৱকীকুট্টী ঃ ইয়াত সন্দেহ কৰিব লগা কি আছে? তোমালোকে এতিয়ালৈকে নুবুজিলা মা, নাৰীৰ বাবে মান-সন্মান, ধন-সম্পত্তি, মুক্তি প্রতিপত্তি কি? বুজাহেঁতেন, মোৰ আৰু ভাৰতীৰ মাজত এনেকুৱা সম্বন্ধ কেতিয়াও গঢ়ি নুঠিলেহেঁতেন। ভাৰতীয়ে বুজিছিল, মই কিন্তু বুজিব পৰা নাছিলোঁ। মা, এই চিঠিখন অলপ পঢ়ি দিও শুনা। (*চিঠি এখনৰ পাত এটা উলিয়াই পঢ়ে*)

''মোৰ বিশ্বাস, নাৰী জীৱনত মান-সন্মান, ধন-সম্পত্তি সকলো বিয়াৰ পাছত হে লাভ হয়। নাৰীয়ে বিয়াৰ মাজেদি প্রকৃত স্বৰূপ দাঙি ধৰে। এগৰাকী স্ত্রী আৰু মাতৃ হোৱা বাসনাই নাৰীক মহীয়ান কৰি তোলে, জীয়াই থকাৰ অধিকাৰ সফল কৰে। কম সময়ৰ বাবে হলেও মই নাৰী হোৱা গৌৰৱ অর্জন কৰিলোঁ, পূর্ণ জীৱনৰ আনন্দ লব পাৰিলোঁ। দুর্ভাগ্যবশতঃ, অকালতে মোৰ স্বামীয়ে মোক কন্দুৱাই গুচি গ'ল। এতিয়া মোৰ কর্ত্তব্য হৈছে, কষ্ট স্বীকাৰ কৰি হলেও তেওঁৰ পৰিয়ালক যিমান দূৰ পাৰোঁ, সেৱা শুশ্রূষা কৰা। তেওঁৰ পৰিয়ালে দৰিদ্রতাৰ অথাই সাগৰত ডুব গৈ আছে। মই দুখ কষ্টেৰে যথা সম্ভৱ পৰিচর্যা কৰিম, এয়েই হ'ব মোৰ সর্বোৎকৃষ্ট আনন্দ।.... শশী ভালে আছে। আশাকৰোঁ তাত সকলোৰে মঙ্গল। ইতি;

তোমাৰ ভনী, ভাৰতী।''

দেৱকীকুট্টী ঃ (*চিঠিখন দাঙি লৈ*) মা, এই টুকুৰা কাগজতে নাৰীৰ 'জীৱন সিদ্ধান্ত' দাঙি ধৰা হৈছে। এই জীৱন-সিদ্ধান্তৰ ওচৰত মোৰ দৰে হিংসাত উন্মত্ত নাৰী এজনীয়ে পৰাজয় স্বীকাৰ কৰি ক্ষমা বিচাৰিছে।

মাধৱীমা ঃ ক্ষমা বিচাৰ' বা নিবিচাৰ', সেইটো পিচত নির্ণয় হ'ব। তই তাইৰ সর্বনাশ

কৰিলি, নিৰাশ্ৰয়া কৰিলি। মোৰ ল'ৰাকো তয়ে চক্ৰান্ত কৰি জেললৈ পঠিয়ালি।

দেৱকীকুট্টী ঃ সি তাৰেই যোগ্য মা। জেললৈ যোৱা তাৰ প্ৰাপ্য শাস্তি আছিল। কিন্তু মা, চেল্লপ্পনপিল্লে আছিল শুদ্ধ অন্তৰৰ মানুহ, সহজ সৰল ভাৱেই তেওঁ কথাবোৰ গ্ৰহণ কৰিছিল। আনক কষ্ট নিদিয়াকৈ তেওঁ জীয়াই থাকিবলৈ আশা কৰিছিল। হয়তো এইটোৱেই তেওঁৰ আছিল ডাঙৰ অপৰাধ। ইয়াৰ বাবে তেওঁ মৰ্মান্তিক শাস্তি ভোগ কৰিলে। মৃত্যুৱে তেওঁক অকালতে কাঢ়ি লৈ গ'ল। কিন্তু মা, মই যদি অনুতাপ কৰোঁ, তেনেহ'লে, ক্ষমা পামনে? কিমান পাপ চকুৰ লোটকেৰে অনুতাপ কৰি, মানুহে মোহাৰি নেপেলায় জানোঁ? মই কিন্তু অতিৰিক্ত সিদ্ধান্ত এটাও লৈ পেলাইছোঁ, সেইটো ভাৰতীয়ে মোক দি গৈছে। সেই জীৱন সিদ্ধান্তই হ'ব মোৰ ভৱিষ্যত কাৰ্য পন্থা; সেই কাৰ্য পন্থাতে জীয়াই থাকিবলৈ মই আজি প্ৰস্তুত হৈছোঁ।

মাধৱীমা ঃ তই সেই কাৰ্যপন্থাৰে কেনেকৈ জীয়াই থাকিবি, তই জানোঁ ভাৰতীৰ দৰে?

দেৱকীকুট্টী ঃ মই ভাৰতীৰ দৰেই হম মা। যাৰ সুখ আৰু আনন্দ সৰ্বনাশ কৰিছিলোঁ; তেওঁৰ ওচৰত ভিক্ষা বিচাৰি আচল পাতি আলিবাটৰ কাষত ঠিয় দিম মা। সেই কৰ্ত্তব্য যদি তোমালোকে আগতেই ভাবি চিন্তি সম্পূৰ্ণ কৰিলাহেঁতেন?...........'

মাধৱীমা ঃ আমি তোৰ বিয়া পাতি দিয়া নাই। সেই কথাটোকে তই বুজাব খুজিছ। আমি সেই সম্পৰ্কে ভবা নাই, সঁচা দেৱকীকুট্টী।

দেৱকীকুট্টী ঃ (*আন্তৰিক সংঘৰ্ষৰে*) তুমি কিয় ভবা নাছিলা মা। কিয় ভবা নাছিলা? তোমাৰ জীৱনৰ অতীত ঘটনাৰ ফালে এবাৰ কিয় ভাবি নোচোৱা মা। আজি আমাৰ দৃষ্টি কমি আহিছে, মূৰৰ চুলি ক'লা গুচি বগা হৈছে, শৰীৰ ক্ৰমে দুৰ্বল হৈ পৰিছে। তথাপিও মা মই অনুৰোধ কৰিছোঁ তোমাৰ অতীত জীৱন গ্ৰন্থৰ পুৰণি পাতবোৰ লুটিয়াই বগৰাই এবাৰ চোৱা, যেতিয়া তোমাৰ বিয়া হোৱা নাছিল, যেতিয়া তুমি মাত্ৰ এজনী ছোৱালী আছিলা, তোমাৰ শৰীৰৰ ছাল মিহি আছিল, চেহেৰা মাংসলযুক্ত আৰু দেখনিয়াৰ আছিল, তেজত যৌৱনৰ ৰক্ত প্ৰবাহিত হৈছিল তেতিয়া তুমি এজন স্বামীৰ সপোন ৰচি কিমান ৰাতি উজাগৰে আছিলা? জোনালী নিশাৰ কিনকিনিয়া বৰষুণৰ আমেজ উপভোগ কৰি বিছনাত বাগৰি বাগৰি গাৰুত মূৰ গুজি কিমান ৰাতি তুমি উচুপি উচুপি কান্দিছিলা? সপোনত দেখা মানুহজনৰ লগত বিয়া হোৱাৰ আশা আকাঙ্খাৰে তুমি আকাশৰ তৰা গণি কিমান নিশা বিৰহত কটাইছিলা? আৰু তুমি যি সন্তানৰ প্ৰথম মা হৈছিলা, সেই সন্তান মই; তোমাৰ কিমান গৌৰৱৰ বস্তু আছিলো? মোৰ চেহেৰা হাঁহি, শৰীৰৰ গঠন চকুৰ আগত ৰাখি এবছৰৰ আগতে মোৰ ভৱিষ্যতৰ বিষয়ে তুমি চিন্তা কৰিব লাগিছিল। তেনেস্থলত তুমি কৈছা ''আমি সেই কথা ভবাকে নাছিলোঁ।''

(দেৱকীকুট্টীৰ কথা শুনি মাধবীমা নিথৰ, নিৰ্বাক, নিস্তব্ধ হৈ গ'ল।........ অলপ পিচতে নিজক সংযত কৰি ক'লে)

মাধৱীমা ঃ তোৰ কথা আখৰে আখৰে সঁচা। কিন্তু তই ইয়াৰ বাবে আমাক জগৰীয়া কৰিবিনে? তোক লিখা পঢ়া শিকাই মানুহ কৰা আমাৰ প্ৰধান কাম আছিল। এতিয়া তই ডাঙৰ চাকৰি কৰ, সমাৰ্জত তোৰ স্থান বহুত ওপৰত। সকলোৱে তোক মান সম্ভ্ৰম কৰে। তই এতিয়া এগৰাকী আগশাৰীৰ ভদ্ৰমহিলা। এনে স্থলত আমি কেনেকৈ ভাবিব পাৰোঁ যে........ এজন স্বামীৰ, তোৰ অত্যন্ত প্ৰয়োজন।

দেৱকীকুট্টী ঃ মা! এই শিক্ষা, এই চাকৰি, এই সামাজিক প্ৰতিষ্ঠা, এই ধন আৰু সন্মান মানুহৰ বাহ্যিক আড়ম্বৰ মাত্ৰ। সেই বাহ্যিক আড়ম্বৰৰ ভিতৰত যিটো প্ৰাণ সোমাই আছে সেই প্ৰাণটোৱে নাৰীত্ব বা পুৰুষৰ বাবে চিঞৰ বাখৰ কৰে। সেই চিঞৰ বাখৰৰ সমিধান নাপালে সেই প্ৰাণটোৱে বাহ্যিক আড়ম্বৰৰ চাৰিবেৰ ভাঙি-মুচৰি বাহিৰলৈ ওলাই আহে!

মাধৱীমা ঃ তই কি ধৰণৰ কথা কৈছ। মই বুজিব পৰা নাই দেৱকীকুট্টী। তোৰ নিচিনা শিক্ষিতা চৰকাৰী চাকৰি কৰা অনেক ছোৱালীয়ে বিয়া নকৰাটোকে ভাল বুলি বিবেচনা কৰে। নিজৰ বিয়াৰ ক্ষেত্ৰত তেওঁলোকে একেবাৰে উদাসীন। বিয়াৰ বান্ধোনক তেওঁলোকে ঘৃণাৰ চকুৰেহে চায়।

মাধৱীমা ঃ যিবোৰে বিয়া কৰায়, তেওঁলোকো প্ৰায়ে সুখী নহয়। যিহেতু তোৰ সমকক্ষৰ ছোৱালীয়ে এনে ধাৰণা পোষণ কৰে আৰু বিয়া নকৰাকৈ থাকিব খোজে, তেনেস্থলত আমি কেনেকৈ ভাবিব পাৰোঁ যে কেৱল তই হে, বিয়া কৰাবৰ বাবে আশা কৰি আছ?

দেৱকীকুট্টী ঃ তোমালোকে নভবাৰ ফল, আজি এই ঘৰৰ মানুহে ভোগ কৰিছে, মা, তুমি ভাবিছা, অবিবাহিতা সকলো নাৰীৰ মনত সন্তুষ্টি আছে! মই কওঁ, এই ধাৰণা ভুল। তেওঁলোক একো একোজনী জীৱন্ত শৰীৰৰ ছাঁ মাত্ৰ; প্ৰেত মাত্ৰ। সমাজত তেওঁলোক অনুগ্ৰহৰ পাত্ৰী। যি পাব লাগিছিল, তাৰ পৰা তেওঁলোক বঞ্চিতা হ'ল, যি আশা কৰিছিল; সেই আশা নিৰাশাত পৰিণত হ'ল। সদায় অতৃপ্তি আৰু অসন্তুষ্টিৰ জীৱন তেওঁলোকে ভোগ কৰি ব্যৰ্থতাত চকুলো টুকিছে। তেওঁলোক, আঙুৰ ঢুকি নাপাই আঙুৰক টেঙা বুলি বদনাম দিয়া শিয়ালৰ দৰে। বিয়াৰ পিচত জীৱনৰ কল্পনা কৰিব নোৱাৰা সেইবোৰ ছোৱালীক তুমি বুজিব নোৱাৰা মা। পুৰুষক একেলগে ঠিয় কৰাই গুলি কৰি মাৰিবলৈ আদেশ দিয়া এজনী অবিবাহিতা নিৰ্দয়া নাৰীয়েও কোনো এজন পুৰুষৰ সান্নিধ্য কামনা কৰি, খন্তেকৰ বাবে হলেও বিৰহৰ অশান্তি ভোগ কৰে। বিয়াৰ পিচৰ জীৱনৰ সাংসাৰিক পয়মালৰ কথা ভাবি চেলাউৰি কোচখোৱা, ভয়তে হাতভৰি লুকুৱা, অবিবাহিতা নাৰীয়েও কোনো এজন পুৰুষৰ প্ৰেমত পৰি বিবাহিত জীৱনৰ দুখকষ্ট আদৰেৰে সাৱটি লয়। মই হে কেৱল নিজৰ অন্তৰৰ কথা, তোমাক খুলি কৈছোঁ। কিন্তু, মোৰ বন্ধুবোৰে নিজৰ অন্তৰৰ কথা; অভিলাষৰ কথা বাহিৰত

প্ৰকাশ নকৰি নিজক ফাঁকি দিয়ে, সিহঁতে জীয়াই থাকিও তিল তিলকৈ মৃত্যুবৰণ কৰে।

মাধৱীমা ঃ এইবোৰ কথা তই আমাক আগতে ক'ব পাৰিলিহেঁতেন।

দেৱকীকুট্টী ঃ মই আশা কৰিছিলোঁ; তোমালোকে নিজেই এই বিষয়ত চিন্তা কৰিবা, আৰু আৱশ্যক মতে কাম কৰিবা। তাৰোপৰি মা, এইবোৰ কথা জানো কাৰবাক ক'ব পাৰি? শাৰীৰিক আৰু মানসিক কামনা বাসনাক কোনোবা নাৰীয়ে অন্তৰ খুলি প্ৰকাশ কৰিলে সেই নাৰীক ঘৰৰ মানুহে, সমাজে 'ব্যভিচাৰিণী' বুলি নকব নে?

মাধৱীমা ঃ এৰা দেৱকীকুট্টী, এনেবোৰ কথা শুনিলে ঘৰৰ মানুহে আৰু সমাজে নিশ্চয় হাঁহিব, অকল সেয়ে নহয়, পচিছ-ত্ৰিছ বছৰলৈকে সেই ছোৱালীক নিন্দা কৰি থাকিব।........ মই আজি বুজি পাইছোঁ, তই কিয় অসুখত ভোগা মানুহৰ দৰে মন মাৰি থাক, কাৰো লগত কথা পাতিব নোখোজ। কোনো কামতে তোৰ উৎসাহ নাই, আন্তৰিকতা নাই। ইফালে, আমি তোৰ মঙ্গল কামনা কৰি দৰব জাতি কিনিছোঁ, পূজা-পাতল দিছোঁ, টকা-পইচা খৰচ কৰিছোঁ।

দেৱকীকুট্টী ঃ মা; কিয় কৰিছা? কোনো কথাতে মোৰ উৎসাহ নোহোৱা হৈছে। তোমালোক সকলোবোৰ, মোৰ বাবে যেন শত্ৰুহে। মই যেন এই পৰিয়ালৰ কোনো নহয়! এইবোৰ দুঃচিন্তা আঁতৰ কৰিবলৈ মই যে যত্ন কৰা নাই, এনে নহয় মা, মই অনেক উপায়ে চেষ্টা কৰি চাইছোঁ। যিমান সময় অফিচত কাম কৰিব লাগে তাতকৈ অতিৰিক্ত সময় মই অফিচৰ কাম কৰোঁ। কেতিয়াবা; কেতিয়াবা মন্দিৰ আৰু তীৰ্থক্ষেত্ৰলৈ ওলাই যাওঁ। সদায় ভগবানৰ ভজন-কীৰ্ত্তনত সময় কটাবলৈ যত্ন কৰোঁ। কিন্তু মা, শান্তি, মই বিচাৰি পোৱা নাই। মোৰ সকলোবোৰ যেন নিঃশেষ হৈ গৈছে। মই যেন অত্যন্ত নিঃসহায়, আৰু অকলশৰীয়া। সকলোবোৰ ঘটনা নাটকীয় দৃশ্যপটৰ দৰে মাথোন ঘটি গৈছে।

মাধৱীমা ঃ তেনেহলে, আমি এইটোকে বুজিব লাগিব, এই সকলোবোৰ গণ্ডগোলৰ মূল কাৰণ তোৰ বিয়া পাতি নিদিয়াতো। এইটোৱেই যে প্ৰকৃত কাৰণ, তাক আৰু বুজিবৰ বাকী নাই দেৱকীকুট্টী।

দেৱকীকুট্টী ঃ নহয় মা। প্ৰকৃত কাৰণ অকল সেইটো নহয়। মই বিয়া কিয় নকৰালো? মই বিয়া নকৰালো এই বাবেই যে মোৰ মা-দেউতাই ভাবিছিল, মই বিয়া কৰোৱাৰ আৱশ্যক নাই। মা-দেউতাই কিয় এইদৰে ভাবিছিল? ভাবিছিল, মই অনেক ছোৱালীৰ দৰে বাহ্যিক সংযমৰ ঢং ধৰি চলো। কিন্তু, কথা হ'ল, সেই ছোৱালীবোৰে এনে কৃটিমতাৰ আশ্ৰয়লৈ কিয় ফুৰে? সেই বাবে, কৈছো প্ৰকৃত কাৰণৰ লগত এইবোৰো কাৰণ বুলি তুমি ধৰিব পাৰা মা।

মাধৱীমা ঃ তই কিন্তু আচল কাৰণটো এতিয়াও কোৱা নাই। ইমান খিনি যেতিয়া ক'ব

পাৰিলি, সেইটোও কৈ দে, লুকাই কিয় ৰাখিব লাগে?

দেৱকীকুট্টী ঃ কৈছো মা, ক'বলৈ মই আজি, ভয় নকৰোঁ, সংশয় নকৰোঁ। কোৱাটো, মোৰ কৰ্ত্তব্য বুলিয়েই মই ভাবিছোঁ। এই সকলোবোৰৰ কাৰণ হৈছে, বৰ্তমানৰ সমাজ ব্যৱস্থা। এই ব্যৱস্থা আজি ফাটি উৰলি গৈছে। উইয়ে কুটি ফোপোলা কৰিছে। এই সমাজ ব্যৱস্থাক, যাক আমি ইমান দিনে পূজা কৰি আহিছোঁ,......... আজি সেই সমাজ ব্যৱস্থা খহি যাব লাগিছে। এই সমাজত ভাৰতীৰ দৰে, নাইবা জানকীৰ দৰে দুই এজনীয়ে মাত্ৰ স্বামীলাভৰ সৌভাগ্য লাভ কৰিছে।

মাধৱীমা ঃ নহয়, নহয়। তই অবান্তৰ কথা কৈছ। যেতিয়া তই কলেজত পঢ়িছিলি, তেতিয়া কিমান ডেকা ল'ৰাই তোক বিয়া কৰাবলৈ আগ্ৰহ কৰিছিল? তই কোনো ডেকা ল'ৰাক সুযোগ নিদিলি, আমিও তোৰ বিয়া পতাত আগ্ৰহ দেখুৱাব নোৱাৰিলোঁ। সেই বাবে, তোৰ পঢ়াতে আমি বেছি গুৰুত্ব দিলোঁ।

দেৱকীকুট্টী ঃ ঠিকেই কৈছা মা। যিজনী ভাৰতীক সকলোৱে মূৰ্খ বুলি হাঁহিছিল, যি জনী জানকীক আমাৰ ঘৰৰ চাকৰণী বুলি সকলোৱে অৱহেলা কৰিছিল, সিহঁতৰ কিন্তু, বিয়া সহজেই হৈ গ'ল। আৰু মই? যি জনী পঢ়ি শুনি শিক্ষিতা হৈছিলো, ডাঙৰ চৰকাৰী চাকৰি কৰিছিলোঁ, তাইৰ বাবে স্বামী নোলাল। মই নিজেই নিজৰ স্বামী হ'ব লগাত পৰিলোঁ।

মাধৱীমা ঃ সকলোৱে ওপৰত ভগবানৰ ইচ্ছা, আমি কি কৰিব পাৰোঁ?

দেৱকীকুট্টী ঃ ভগবানৰ ইচ্ছা? ভগবানৰ কোনো হাত নাই মা। প্ৰত্যেকটো কথা ভগবানৰ ওপৰত এৰি দিয়া আমাৰ এটা অভ্যাস হৈ পৰিছে। কিন্তু মা, এই সকলোবোৰ কামৰ বাবে জগৰীয়া মানুহ নিজেই। মানুহে সমাজৰ উচ্চ আসনত উঠিব খোজে, ধন-সম্পত্তি ঘটিব খোজে, যশস্যা, প্ৰতিপত্তি লাভ কৰিব খোজে। এইবোৰে কিন্তু সুখ আনি দিব নোৱাৰে। মানুহে বুজি নাপায়, কিহত প্ৰকৃত সুখ পাব পাৰি? কিন্তু পৃথিৱীত এনে মানুহকে সকলোৱে আদৰ কৰে, মান কৰে আৰু মৰম কৰে। এই আদৰ, এই মান আৰু এই প্ৰেমৰ কাৰণে তেওঁ যি সুখ-শান্তি বিসৰ্জন দিলে, সেই বিষয়ে কোনো বিচাৰ আন মানুহে নকৰে, মা।

মাধৱীমা ঃ (*অলপ সহানুভূতিৰে*) ঈশ্বৰৰ শপত, তই এটা কাম কৰ। তই যিবোৰ কথা মোক কলি, সেই বোৰ কথা বাহিৰত নকবি। বাহিৰৰ মানুহে এই কথাবোৰ গম পালে, আমাক সুদায় নেৰে। সিহঁতে আমাৰ অনিষ্ট কৰিবলৈ বেছি সুবিধা পাব, ভৱিষ্যত বংশধৰ সকলৰো অপকাৰ কৰিব। তই অলপ ধৈৰ্য্য ধৰ। তোৰ বিয়াৰ উপযুক্ত ব্যৱস্থা আমি শীঘ্ৰে কৰি পেলাম।

দেৱকীকুট্টী ঃ যদি সেইবোৰ মানুহলৈ ইমানেই ভয় তেওঁলোকক মূৰৰ ওপৰত তুলি পূজা নিদিয়া কিয়? মই মোৰ পথ নিৰ্ণয় কৰি লৈছোঁ। মই পুতলা হৈ জীয়াই থাকিব

নোখোজোঁ। যি পুতলাই সত্যৰ সন্মুখীন হৈয়ো সত্যক ঘোষণা কৰিব নোৱাৰে, সত্য পথেৰে জীয়াই থাকিবলৈ সাহস কৰিব নোৱাৰে, মই তেনেকুৱা প্ৰাণ প্ৰাচুৰ্য্যহীন পুতলা হৈ জীয়াই থাকিব নোখোজোঁ।

দেৱকীকুট্টী ঃ আৰু মা, তোমালোকে যেতিয়া আজিলৈকে মোৰ বাবে স্বামী এজন বিচাৰি উলিয়াবলৈ অসমৰ্থ হৈছা, আগলৈ আৰু এই বিষয়ে ভাবি কষ্ট কৰিব নেলাগে। ইয়াৰ দায়িত্ব মই নিজেই লৈছোঁ, তাৰ বাবে প্ৰয়োজনীয় প্ৰাথমিক কামো মই কৰি পেলাইছোঁ।

মাধৱীমা ঃ কি কৈছ? নিজৰ বিয়া তই নিজে ঠিক কৰি পেলাইছ? ভাৰতীৰ যি দৰে অনিষ্ট কৰিলি, সেইদৰে এতিয়া তই, মোক আৰু বুঢ়া দেউতাৰক ধ্বংস নকৰিবি, দেৱকীকুট্টী?

দেৱকীকুট্টী ঃ মই বিয়া ঠিক কৰি পেলোৱা নাই। কিন্তু বিয়াৰ বাবে প্ৰস্তুত হৈছোঁ। মোৰ বিয়াত প্ৰতিবন্ধক ৰূপে ঠিয় দিব পৰা সকলোকে মই আতৰাই পঠাইছোঁ। মোৰ দেহা সজাবলৈ যিবোৰ সাজপাৰ, অলঙ্কাৰ পাতি আছিল সেইবোৰ মই দলিয়াই পেলাইছোঁ। এতিয়া মই কেৱল এজনী নাৰীৰূপে পৰিচয় দিব খুজিছোঁ।

মাধৱীমা ঃ দেৱকীকুট্টী, তোৰ এনে কথাৰ অভিপ্ৰায় কি?

দেৱকীকুট্টী ঃ মই চাকৰি নকৰোঁ বুলি, লিখি দিছোঁ। নিজৰ উপাধি ওভটাই দিছোঁ।

মাধৱীমা ঃ (*বিবৰ্ণ হৈ পৰে*) কি কলি? আকৌ এবাৰ ক'। তই এজনী ডাইনী, তই সকলোৰে সৰ্বনাশ কৰিলি। হায়! (*বহি পৰে*)

দেৱকীকুট্টী ঃ (*তৃপ্তিৰ হাঁহিৰে*) এতিয়া মই কেৱল দেৱকীকুট্টী হে। এইটোৱেই মোৰ পৰিচয় আৰু মোৰ বাবে এজন পুৰুষৰ এতিয়া আৱশ্যক, যাৰ বলিষ্ঠ বাহু বন্ধনৰ মাজত সোমাই মই সুখ পাম, তৃপ্তি পাম, শান্তি পাম, জীয়াই থকাৰ মধুৰ সাৰ্থকতা উপলব্ধি কৰিব পাৰিম।

মাধৱীমা ঃ সঁচা কথা ক', তোৰ অভিপ্ৰায় কি? নাই নাই কব নেলাগে, সকলো বুজিছোঁ; হে প্ৰভু, এই সকলোবোৰ যদি সঁচা হয় তেতিয়া........? কিমান বছৰৰ পৰিশ্ৰম। কিমান বছৰৰ আশা কল্পনা। ইয়াৰ আগতে যদি তই আমাক হত্যা কৰি পেলালিহেঁতেন কিমান ভাল হ'লহেঁতেন। আমি মৰি যোৱাই উচিত আছিল। উহ! ভগবান!

দেৱকীকুট্টী ঃ মা, মই এজনী স্ত্ৰী হৱ খোজোঁ, মা হব খোজোঁ, আৰু এজনী গৃহিনী হ'ব খোজোঁ। কিমান দিনৰ এই আশা, এই হাবিয়াস, মোৰ হৃদয় মন্দিৰত মই লুকাই ৰাখিছিলোঁ জানানে মা?

মাধৱীমা ঃ কিন্তু, এইবোৰ হোৱাৰ আগতে আমাৰ জীৱন শেষ হৈ যাব লাগিছিল? তই

আমাক হত্যা কৰি লব লাগিছিল, হেৰ ছোৱালী, তই এতিয়া যিমান কষ্ট দিছ, তাৰ তুলনাত ভাৰতীৰ দুখ, ৰাজনৰ কষ্ট নিচেই নগণ্য। কিন্তু, তোৰ সাহসটো কম নহয় ......। বাৰু দেৱকীকুট্টী, তইসঁচা কথা কৈছনে? মোৰ লগত ধেমালী কৰা নাইতো?

দেৱকীকুট্টী ঃ সঁচা কথাকে কৈছোঁ মা।........ বেলুপিল্লেই যিখন কাগজ ইয়াৰ পৰা লৈ গৈছে, সেইখন মোৰ পদত্যাগ পত্ৰ। মই ভালকৈ জানোঁ মা, ভাৰতীৰ দুখ আৰু ৰাজনৰ কষ্টতকৈও মোৰ চাকৰি এৰা পদত্যাগ পত্ৰখনে তোমালোকৰ মনত বেছি আঘাত দিব। ইয়াৰ কাৰণ অতি সুস্পষ্ট, নহয়নে? মোৰ খাটনিৰ সুবিধালৈ সমাজত প্ৰতিষ্ঠা লাভৰ আশাৰে সমাজৰ বৰ বৰ মানুহক ভোজ্ ভাত খুৱাই বিনা পৰিশ্ৰমেৰে! এটোপাল কপালৰ ঘাম মাটিত নেপেলোৱাকৈ যিবোৰে মহা পয়োভৰেৰে দিন কটাইছিল তেওঁলোকৰ বাবে মই চাকৰি এৰাটো পৰম দুৰ্যোগৰ বাতৰি। ইয়াতকৈ ডাঙৰ সংকট তেওঁলোকৰ কি থাকিব পাৰে।......... কিন্তু মা, মোৰ কোনো উপায় নাছিল। মই যে জীয়াই থাকিব লাগিব। মৃত্যুৰ ভয়, মোৰ যে নাইকিয়া হ'ল। আজিৰ পৰা মই নতুন জীৱন আৰম্ভ কৰিব খুজিছোঁ, মা।

মাধৱীমা ঃ তেনেহ'লে, এই বুঢ়া কালত আমাক এনেদৰে হত্যা কৰাৰ কি প্ৰয়োজন আছিল?

দেৱকীকুট্টী ঃ ইমান দিন তোমালোক জীয়াই আছিলা, এতিয়া মোক জীয়াই থাকি, জীৱনৰ আনন্দ, উপভোগ কৰিবলৈ, অলপ সুবিধা দিয়া, মা।

মাধৱীমা ঃ আমাৰ প্ৰতি, তোৰ মাৰ বাপেৰৰ প্ৰতি, এইয়াই তোৰ প্ৰতিদান নে?

দেৱকীকুট্টী ঃ হয়, তোমালোকৰ কৰ্মফল এইয়াই।

[*মাধৱীমাই যেন সংজ্ঞা হেৰুৱাই পেলাইছে...... স্থিৰেৰে থাকিব পৰা নাই। দেৱকীকুট্টীয়ে গহীন ভাৱ ভঙ্গীমাৰে দূৰলৈ চাই একেথৰে ঠিয় হৈ থাকে.......। সঙ্গীতৰ সুৰ ভাঁহি আহে।*]

—পট পৰিৱৰ্তন—

চতুৰ্থ অঙ্ক

দ্বিতীয় বা শেষ দৃশ্য

স্থান ঃ [*দেৱকীকুট্টীৰ কক্ষ। জানকী আৰু দেৱকীকুট্টীয়ে ঠিয় হৈ কথা পাতি থাকে। দেৱকীকুট্টীৰ মন অনিৰ্বচনীয় আনন্দেৰে ভৰপূৰ। কিন্তু জানকীৰ মুখত আচৰিতভাৱে 'বিষাদৰ ছা' পৰিলক্ষিত। দেৱকীকুট্টীৰ পৰিধানত শুভ্ৰ পোচাক।*]

সময় ঃ মাজ নিশা।

দেৱকীকুট্টী ঃ মই মহা আনন্দ আৰু উৎসাহেৰে যাবলৈ ওলাইছোঁ বুলি, তোৰ চাগে

বিশ্বাস হোৱা নাই?

জানকী ঃ আপুনি যেতিয়া কৈছে, মই বিশ্বাস নকৰি উপায় নাই। আপোনাক বিশ্বাস কৰোঁ কাৰণেই, মই সেই পুৰণি কাহিনীটো আপোনাক আজি কৈ পেলালোঁ..........।

দেৱকীকুট্টী ঃ সেই কাহিনীটো শুনাৰ পিচৰে পৰা মোৰ আনন্দ দুগুণে বাঢ়ি গৈছে, ধৈৰ্য্য এশ গুণে বৃদ্ধি পাইছে। সেই কাহিনীয়ে মোক সকলোবোৰ কাম সহজভাৱে কৰি যাবলৈ উদগনি দিছে।

জানকী ঃ ইয়ালৈ অহা মোৰ আজি দহ বছৰ পাৰ হ'ল। এই সুদীৰ্ঘ বছৰৰ কাল চোৱাত এই পুৰণি কাহিনীৰ বিষয়ে ঘূনাক্ষৰেও মই কাকো একো জানিবলৈ দিয়া নাই। মোৰ আইৰ পৰা সকলো কথা মই গম পাইছিলোঁ আৰু তাকে আজি আপোনাক কৈছোঁ। ভাবিলোঁ, যদি মই এতিয়াই কথাটো কৈ নিদিওঁ, তেন্তে, কম কেতিয়া? সেইবাবে, মই আপোনাক কৈ পেলালোঁ।

দেৱকীকুট্টী ঃ জানকী, তোৰ এই উপকাৰ মই কেতিয়াওঁ নাপাহৰোঁ। তোক ইয়ালৈ এনেদৰে মাতি আনি, মোৰ অভিপ্ৰায়ৰ কথা নোকোৱাহেঁতেন, এই বিৰাট ৰহস্যৰ সন্ধান জানো পালোহেঁতেন?

জানকী ঃ বাইদেউ, মইনো আপোনাৰ কি ইমান ডাঙৰ উপকাৰ কৰিলোঁ? আপুনি মোক যি ৰাস্তা দেখুৱাইছিল, তাৰ তুলনাত মোৰ এই উপকাৰ একেবাৰে নগণ্য। বৰং আপোনাৰ উপকাৰহে মই কেতিয়াও পাহৰিব নোৱাৰিম।

দেৱকীকুট্টী ঃ জানু! মই তোৰ যি উপকাৰ এদিন কৰিছিলোঁ; সেইটো একো ডাঙৰ কাম নাছিল। কিন্তু, তই আজি মোৰ বাবে যি কাম কৰিলি, তাক মই নাপাহৰোঁ।

জানকী ঃ আপুনি জানে নে বাইদেউ, যোৱা দহ বছৰে এই কথা আপোনাক ক'বলৈ মই কেইবাবাৰো চেষ্টা কৰিছিলোঁ........?

দেৱকীকুট্টী ঃ আৰু জানকী, মা-দেউতাই যোৱা পয়ত্ৰিছবছৰে এনে এটা ঘটনা নিজৰ মনতে গোপনে ৰাখি থবলৈ কিমান কষ্ট স্বীকাৰ কৰিব লগা হৈছিল? কিন্তু কিয়?

জানকী ঃ গাৱঁৰ অনেকে কথাটো জানে। কিন্তু জানিলেও এই ঘৰৰ কাকো কেতিয়াও এই বিষয়ে একো গম দিয়া নাছিল।

দেৱকীকুট্টী ঃ মই গৰ্ব কৰি কৈছিলোঁ, মোৰ মা বৰ নিৰ্ভীক, স্পষ্টবাদী। কিন্তু আজি তেওঁ, ইয়াৰ সম্পূৰ্ণ বিপৰীত। আজিকালি মায়ে মানুহবোৰক খুব ভয় কৰে, তেওঁলোকক সন্তুষ্ট কৰিবলৈ, যেন মায়ে সকলো কৰিব।

জানকী ঃ কি কৰিব বাইদেউ, উপায় নাই। যেতিয়া ল'ৰা-ছোৱালী জন্ম হয়, মান সম্ভ্ৰমেৰে জীয়াই থকাৰ প্ৰয়োজন আহি পৰে। তেতিয়া হয়তো কাৰবাক ভয় কৰিব; কাৰোবাক সন্তুষ্ট কৰিব। প্ৰত্যেক কথাতে আনৰ সহায় নহলে আই-দেউতাৰ নচলে।

দেৱকীকুট্টী ঃ সৌভাগ্য বশতঃ মানুহৰ সহায় পালেতো ভালেই কথা। মানুহৰ সহায় সহানুভূতি পাবৰ কাৰণে আমি কিমান ছদ্মবেশ ধাৰণ কৰিব লাগে। বাৰু জানু, সেইবোৰ কথা বাদ দে। মই যোৱাৰ পাচত এই খবৰ তেনেহলে তই সকলোকে দিবি? নহলে হুলস্থুল লাগি যাব..........

জানকী ঃ মই আপোনাৰ গাত ধৰি শপত খাইছোঁ, সেই বিষয়ে আপুনি নিশ্চিন্ত থাকক, বাইদেউ।

দেৱকীকুট্টী ঃ জানু, আৰু এটা কথা। এদিন তোক খং কৰি মই ঘৰৰ পৰা উলিয়াই দিছিলোঁ, সেই কথা তই ধৰি নাথাকিবি। মোৰ ভুল হৈছিল। ভুলৰ বাবে এতিয়া তোৰ ওচৰত মই ক্ষমা বিচাৰিছোঁ........। তই এই ঘৰৰ পৰা নাযাবি। ইয়াতে থাকি মা-দেউতাক শুশ্ৰূষা কৰিবি।

জানকী ঃ হায় ভগৱান, মই কি শুনিছোঁ? আই-দেউতাৰ দুয়োজনী ছোৱালী ঘৰৰ বাহিৰত থাকিব আৰু এই চাকৰণী জানকীয়ে ঘৰৰ ভিতৰত থাকি বুঢ়া মাক-বাপেকক শুশ্ৰূষা কৰিব পৰিচৰ্যা কৰিব? কিমান দুখৰ কথা; বাইদেউ, ভাবিলে বুকু খুন্দা মাৰি ধৰে।

দেৱকীকুট্টী ঃ সেই বিষয়ে তই বেছি নাভাবিবি। মই যি সিদ্ধান্ত লৈছোঁ, তাৰ পৰা তই মোক বিচলিত কৰিব পাৰিবি জানো?

জানকী ঃ সিমান সাহস মোৰ নাই। যদি সাহস থাকিলেহেঁতেন——।

দেৱকীকুট্টী ঃ যদি তোৰ সাহসেই নাই, তই তেনে কথা ক'বলৈ চেষ্টা নকৰিবি....... "যদি থাকিলহেঁতেন........"

জানকী ঃ বাইদেউ, আপোনাৰ লগত পুনৰ মোৰ কেতিয়া দেখা হ'ব? (*চকু পানী মোছে*)

দেৱকীকুট্টী ঃ অনেক বছৰৰ পাছত সেই সুবিধা হয়তো আহিব পাৰে, আৰু সুবিধা যেনিবা নাহিলেই, তাৰ বাবে আক্ষেপ কিয় কৰিবি জানকী। আমাৰ মাজত গঢ়ি উঠা মৰম চেনেহৰ সম্পৰ্কটো জানো সদায় নাথাকিব?

জানকী ঃ তথাপিও বাইদেউ, আমি আটায়ে মানুহ হে। গছ বা শিল নহয়? এনে দুখ কেনেকৈ সহ্য কৰিম?

দেৱকীকুট্টী ঃ আমি সহ্য কৰিব লাগিব। সহ্য কৰিব নোৱাৰিলে কেনেকৈ চলিব? বাৰু জানু, বেলুপিল্লেক ইয়ালৈ মাতি আন। মনে মনে মাতি আনিবি। কোনেও যাতে সাৰ নাপায়।

[*জানকী ওলায় যায়। জানকী আৰু বেলুপিল্লে অলপ পাচতে সোমাই আহে। দেৱকীকুট্টীয়ে আলমাৰী খুলি ধুতি; চাদৰ আদি উলিয়াই টেবুলৰ ওপৰত ৰাখে*]

দেৱকীকুট্টী ঃ এইয়া পিন্ধি লোৱা। (*বেলুপিল্লেই আচৰিত হৈ মাত্ৰ চাই থাকে*) আচৰিত হবৰ কি হৈছে? পিন্ধি লোৱা।

বেলুপিল্লে ঃ কিয় পিন্ধিব লাগে, বাইদেউ?

দেৱকীকুট্টী ঃ এতিয়াৰ পৰা মোক বাইদেউ, নকবা (*বেলুপিল্লে বিমোৰত পৰে*) কালিৰ পৰা মই তোমাৰ অফিচৰ মালিক নহয়। গৰাকী নহয়, বুজিছা?

বেলুপিল্লে ঃ ওপৰৱালা মহিলা অফিচাৰক 'বাইদেউ' কোৱা যি অভ্যাস জিভাত লাগি আছে, তাক কেনেকৈ আঁতৰাম, বাইদেউ?

দেৱকীকুট্টী ঃ আকৌ সেই সম্বোধন? বাৰু, এতিয়া এই কাপোৰ সাজ পিন্ধি লোৱা।

বেলুপিল্লে ঃ এই মাজনিশা কাপোৰ সলাই কলৈ যাব লাগে, কওঁক?

দেৱকীকুট্টী ঃ কম সকলো কম। আগতে মোৰ কথামতে কাম কৰা।

(*বেলুপিল্লেই কম্পিত শৰীৰেৰে টেবুলৰ পৰা কাপোৰ সাজ লৈ বাহিৰলৈ যায় অলপ পিচতে কাপোৰ সাজ পিন্ধি আকৌ সোমাই আহে*)

দেৱকীকুট্টী ঃ (*বেলুপিল্লেক নতুন পোচাকত এবাৰ লক্ষ্য কৰি*) আগে আগে যাব লাগিব।

বেলুপিল্লে ঃ (*কম্পিত স্বৰে*) কলৈ?

দেৱকীকুট্টী ঃ আমি এটা ভ্ৰমণ কৰিবলৈ ওলাইছোঁ।

বেলুপিল্লে ঃ কোন ফালে?

দেৱকীকুট্টী ঃ এই ঘৰৰ বাহিৰত।

বেলুপিল্লে ঃ আপুনি কি কৈছে? (*একেথৰে ঠিয় হৈ থকা জানকীৰ প্ৰতি*) জানকী, মই একো বুজিব পৰা নাই? এই মাজৰাতি, এনেকৈ এই অৱস্থাত? কলৈ যাব লাগিব?

দেৱকীকুট্টী ঃ বাৰু মই বুজাই দিম। বেচেৰী জানকীয়ে নাজানে, বেলুপিল্লে........ (*অলপ ৰৈ*) আমি সুখ আৰু শান্তি বিচাৰি কৰবাত থাকিবলৈ ওলাইছোঁ। অন্য ঠাইলৈ গুচি যাব খুজিছোঁ।......

বেলুপিল্লে ঃ (*বিস্মিত হৈ*) কি? অন্য ঠাইলৈ? সুখ আৰু শান্তিৰ বাবে অন্য ঠাইলৈ যাব লাগিব? কিয়? আমিতো ইয়াতেই সুখ শান্তিৰে আছোঁ?

দেৱকীকুট্টী ঃ নহয়, ইয়াতকৈ বেছি সুখ শান্তি য'ত আছে, তালৈ। ব'লা, আগবাঢ়া। (*বেলুপিল্লে জঠৰ হৈ যায়, কি কৰিব, কি নকৰিব, এনে ভাব*)

দেৱকীকুট্টী ঃ যাবলৈ কৈছোঁ নহয়? মই পিচে পিচে গৈ আছো (*চুটকেচটো দাঙি লয়*)

বেলুপিল্লে ঃ মই হে পিচে পিচে যাম। কিন্তু, মই জনা উচিত, আমি কিয় ইয়াৰ পৰা ওলাই গৈছোঁ। তেতিয়াহে মই আগবাঢ়িম, বাইদেউ।

দেৱকীকুট্টী ঃ (*অসহ্য হৈ*) আকৌ সেই সম্বোধন? আগলৈ যদি সেই সম্বোধন শুনো, মই আত্মঘাতী হম। মইতো তোমাক কৈছোৱেই, আমি কিয় যাবলৈ ওলাইছোঁ। আকৌ কওঁ শুনা (*বেলুপিল্লেই মনোযোগেৰে শুনে*)

দেৱকীকুট্টী ঃ এজন পুৰুষ আৰু এজনী নাৰীয়ে স্বামী স্ত্ৰী ৰূপে থাকিবলৈ ওলাইছে।

বেলুপিল্লে ঃ (*উচপ খাই*) হে, কি কৈছে?

দেৱকীকুট্টী ঃ ডাঙৰ কৈ নিচিঞৰিবা। ভয়-নাখাবা। এইয়া মই বিচাৰিছোঁ। এইয়া মোৰ আদেশ।

বেলুপিল্লে ঃ হায়, এইয়া কেনে ধৰণৰ স্বপ্ন? (*কম্পিত অৱস্থা*)

দেৱকীকুট্টী ঃ এইয়া স্বপ্ন নহয়, প্ৰকৃত বাস্তৱ। দেৱকীকুট্টী নামৰ এজনী নাৰী, বেলুপিল্লে নামৰ এক পুৰুষৰ মাজত যি সত্য, তাৰে ই বাস্তৱ ৰূপান্তৰ।

বেলুপিল্লে ঃ মই কোন? এই কথা কোৱা তেওঁ কোন? (*চাৰিওফালে আচৰিত হৈ এবাৰ চায়*)

দেৱকীকুট্টী ঃ মোৰ আৰু তোমাৰ মাজত এতিয়া কোনো পাৰ্থক্য নোহোৱা হৈছে। এতিয়া ব'লা, বেগাই ব'লা, সময় পাৰ হৈ গৈছে। (*বেলুপিল্লেই পুনৰ দোধোৰ মোধোৰ অৱস্থাত যেন পৰিছে*)

দেৱকীকুট্টী ঃ (আদেশৰ সুৰত) মই যাবলৈ কৈছো নহয়? ইয়াৰ পৰা বাহিৰলৈ ওলাই গলেই, মই সকলো কথা বুজাই দিম। তেতিয়া তোমাৰ এই ব্যাকুলতা নোহোৱা হ'ব।

[*বেলুপিল্লে সপোন দেখা মানুহৰ দৰে এখোজ দুখোজ কৈ আগবাঢ়ে। দেৱকীকুট্টীয়ে তৃপ্তিৰে পাচে পাচে বেলুপিল্লেক অনুসৰণ কৰে। জানকীৰ ওচৰত ক্ষন্তেক ৰৈ এক মৰমৰ দৃষ্টি নিক্ষেপ কৰে।*]

দেৱকীকুট্টী ঃ বিদায় দে জানকী......... বিদায় দে ....

[*জানকীয়ে ইমান পৰলৈকে দেৱকীকুট্টী আৰু বেলুপিল্লেৰ কথা বতৰা শুনি ....জঠৰ লাগি ৰৈ আছিল। দেৱকীকুট্টীৰ বিদায় সম্বোধনত যেন তাই চক্ খাই উঠিল। বেজাৰত তাইৰ অন্তৰখনে কান্দি পেলালে, ... ওচৰৰে পৰা দুটা কলা ছায়ামূৰ্ত্তি .... আগুৱাই গৈ আছে। সেই ছায়ামূৰ্ত্তি দুটাৰ লগত খোজত খোজ মিলাই পিচে পিচে বেলুপিল্লে আৰু দেৱকীকুট্টী আগবাঢ়িছে জানকীয়ে সেই দৃশ্য চাই থাকে......... আৰু সেই দৃশ্য আঁতৰ হোৱাৰ পাচত জানকীয়ে নিজকে সংযত কৰি কয় ....*]

জানকী ঃ এইয়া আকৌ কেনেধৰণৰ যাদু। পয়ত্ৰিশ বছৰৰ পূৰ্বে যি ঘটনা ঘটিছিল, সেই ঘটনা আজিও ঘটিল। সেই দিনা 'মাক' আছিল আজি সেই মাকৰে 'জীয়েক'।

[*জানকীয়ে নাকত আঙুলি দি দেৱকীকুট্টী যোৱাৰ ফালে আকৌ এবাৰ চায়। এনেতে বিপৰীত ফালৰ পৰা কৃষ্ণপনিক্কৰ সোমায় আহে*]

কৃষ্ণপনিক্কৰ ঃ জানকী, জানকী। তেওঁলোক দুজন কোন? এই মাত্ৰ যে, ইয়াৰ পৰা ওলাই গ'ল??

জানকী ঃ বেলুপিল্লে, আৰু ডাঙৰ বাইদেউ দেৱকীকুট্টী।

কৃষ্ণপনিক্কৰ ঃ আৰু, আগে আগে যোৱা ছায়ামূৰ্ত্তি দুটা কাৰ আছিল?

জানকী ঃ এই ঘৰৰ মালিক......... দেউতা আৰু আই! কৃষ্ণপনিক্কৰ আৰু মাধৱীমা!

কৃষ্ণপনিক্কৰ ঃ সেই মাক বাপেকৰ পৰা জন্ম হোৱা ছোৱালী, দেৱকীকুট্টী, নহয় জানো?

জানকী ঃ হয় দেউতা, কিয় নহয়!

[*মঞ্চত লাহে লাহে পোহৰ কমি আহে, সঙ্গীত বাজি উঠে......... লগে লগে নাটকৰ যবনিকা পৰে।*]

□

তেওঁ আকৌ আহিছে

চি.জে টমাছ

পাত্ৰ পৰিচয়

মাথুকুট্টী ঃ অন্ধ হৈ উভতি অহা এজন ডেকা সৈনিক।

সাৰাম্মা ঃ মাথুকুট্টীৰ স্ত্ৰী ।

কুঞ্জৰৰ্কী ঃ মাথুকুট্টীৰ পুৰণি বন্ধু।

মা ঃ মাথুকুট্টীৰ মাক।

পাদ্ৰী ঃ খৃষ্টীয় ধৰ্মোপদেশক।

ৰাঘৱন ঃ কাৰখানাৰ কৰ্ম্মী।

ধাইমা ঃ ধাই কাম কৰা বয়সীয়াল বুঢ়ী মানুহ, বাই।

প্ৰথম দৃশ্য

স্থান ঃ এটা সৰু কক্ষ। পিচফালে আৰু সোফালে একোখনকৈ দুৱাৰ। বাওঁফালে পাৰি থোৱা অৱস্থাত এখন সাধাৰণ বিচনা। বিচনাৰ তলত এটা পিকদানী ৰখা হৈছে। বিচনাখনৰ পিচফালে মন কৰিলে, ডাঙৰ সৰু অনেক প্ৰকাৰৰ মাটিৰ কলহ-টেকেলি ভালকৈ সজাই থোৱা অৱস্থাত দেখিবলৈ পোৱা যাব। কাষতে এটা কাঠৰ বাকচ আৰু তাৰ ওপৰত এটা লণ্ঠন (*লেম্প*) ৰখা হৈছে। সোঁফালে চুকত এখন পুৰণি চকী আৰু এখন টুল পৰা আছে। পিচফালৰ দুৱাৰৰ ওপৰত যীশুখৃষ্ট আৰু সৈনিক বেশধাৰী এজন ডেকাৰ ফটো আঁৰি থোৱা আছে। চাৰ্চিল, ষ্টেলিন, ৰুছভেল্ট আদিৰ ছবি ৰাষ্ট্ৰীয় আন্দোলনৰ বিষয়ে ওলোৱা প্ৰকাশন এখন পুৰণি পঞ্জিকাও ওপৰত ৰখা হৈছে।

সময় ঃ ৰাতিপুৱা, ন বজাত। প্ৰায় পঞ্চাশ বছৰ বয়সৰ এগৰাকী মহিলাই কিবা বিচাৰি কক্ষটোত ইফালে-সিফালে অহা যোৱা কৰিছে। বিচাৰি নোপোৱাৰ ভাৱত ককালত হাত দি কিছু সময় ঠিয় দিয়ে। এওঁ মাথুকুট্টীৰ মাক, মাৰিয়াম্মা।

মহিলা ঃ দেখিলাই নহয়। মই আৰু কি ক'ম। কোনো বস্তু এঠাইৰ পৰা নিলে, আকৌ যে পুনৰ তাতে থৈ দিব লাগে তাৰ প্ৰতি লক্ষ্য নাই। (*ভিতৰলৈ চাই*) সাৰাম্মা; হেৰ' সাৰাম্মা?........ এতিয়া তাই মোৰ মাত নুশুনাই হ'ল; বিহ থকা টোপ খাই মাছে পানীত দৌৰি ফুৰাদি তায়ো চাগে ভিতৰত ইফালে সিফালে ঘূৰি ফুৰিছে! আজি কালি বোৱাৰীবোৰৰ কথা আৰু নকবা, গাত কথা নালাগেই দেখিছোঁ! (*এনেদৰে অকলে অকলে কথা কৈ মাৰিয়াম্মাই ইফালে সিফালে চকু ফুৰাই তৰকাৰী কটা ছুৰী এখন এচুকত পৰি থকা পাই হাতত বুটলি লয়*) এইখন, এইখন ছুৰীকে মই বিচাৰি চলাথ কৰিছোঁ। ক'ত ভৰাই থৈছে, দেখিছানে বাৰু! (*খৰাহিৰ পৰা চাৰি পাঁচটা বেঙেনা লৈ মাটিত বহি তৰকাৰি কটাত ব্যস্ত হৈ পৰে, এনেতে দূৰৰ পৰা কোনোবাই কোৱা কাণত পৰে*)

শব্দ। দূৰৈৰ পৰা

তেওঁ আকৌ আহিছে! হে মানৱ সন্তানসকল, তোমালোকে কাণপাতি শুনা। তেওঁ আকৌ আহিছে!!

মহিলা ঃ পাদ্রীজনৰ আন কাম নাই যেন পাইছোঁ। পগলা হৈছে যেন লাগিছে। একেবোৰ কথাকে নিতৌ এইফালে চিঞৰি ফুৰিবহি! হেৰ' সাৰাম্মা?

সাৰাম্মা ঃ (*ভিতৰৰ পৰা*) কি হ'ল মা।

মহিলা ঃ ডাঙৰ ডেক্‌চিটোত পানী ভৰাই লবি। বোলো, শুনিছনে নাই? (*মাত অলপ সৰু কৈ*) আজি চাৰি দিন ধৰি গাত ভালকৈ এটোপা পানী ঢালিবলৈকো সময় পোৱা নাই। কিয়? নুশুধিবা, কানি কাপোৰ ধোওতেই সময় যায়। আজৰি ক'ত?

পাদ্রী ঃ (*ভিতৰলৈ সোমাই আহি*) তেওঁ আকৌ আহিছে। তোমাৰ চাকিত তেল শলিতাৰে বন্তি জ্বলাই দিয়া, যীশুক অভিবাদন জনোৱা! কি মৰিয়াম্মা বাইদেউ, কুশলে আছানে?

মহিলা ঃ (*ঠিয় হৈ উদাসীনভাৱে কয়*) কোন? অ' পাদ্রী চাহাব, এইফালে অহা বাট পাহৰিলে বুলিয়েই ভাবিছিলোঁ! বহুত দিন দেখোন দেখাই নাই। (*চকীখন আগলৈ আনি বহিবলৈ দিয়ে*) ইয়াতে বহক! ইমান দিন নাছিল নেকি?

পাদ্রী ঃ একেঠাইতে থাকিব পাৰো জানো? মই যীশুৰ এজন সাধাৰণ সেৱক মাথোন। যীশুৱে কৈছে,

"মৰ্ত্তলোকৰ সকলো ঠাইলৈ গৈ মোৰ উপদেশ বাণী শুনোৱা।" (*চকীত বহে*) মাৰিয়াম্মা বাইদেউৱে বোধকৰোঁ আজিৰ যুগৰ পৰিৱৰ্তনলৈ লক্ষ্য কৰা নাই। পৰম পৱিত্র গ্রন্থ, বাইবেলৰ উপদেশবোৰ অনুসৰণ কৰা সময় আহিছে (*ঠিয় হৈ*) লোকাৱসান ওচৰ পাইছেহি। শুভ মুহূৰ্ত উদয় হৈছে। মুক্তিৰ দিন আজি উপস্থিত।

মহিলা ঃ আপুনি একো খোৱা নাই হ'বলা? (*পাদ্রী চাহাবৰ প্রতি*) অলপ কফি খাই যাওঁক— সাৰাম্মা! হেৰ সাৰাম্মা!

সাৰাম্মা ঃ (*ভিতৰৰ পৰা*) কি হ'ল?

মহিলা ঃ এই ফালে আহ। তইনো ক'ত সোমাই থাক? মাতি থাকিলেও নুশুনা হৈছে। (*পাদ্রীৰ প্রতি*)....... এই যুদ্ধ কেতিয়া শেষ হ'ব পাদ্রী চাহাব?

পাদ্রী ঃ যেতিয়া শেষ্ হোৱাৰ সময় উপস্থিত হয়, তেতিয়া। যীশুৰ ইচ্ছাৰ ওপৰত পৰীক্ষা নচলাবা। অন্য জাতি আৰু আমাৰ ধৰ্ম্মৰ প্রতি অবিশ্বাসী মানুহবোৰৰ দৰে জ্যোতিষৰ ওপৰত নিৰ্ভৰ নকৰিবা।

মহিলা ঃ হেৰ' ছোৱালীজনী? সাৰাম্মা, বোলো শুনিছনে?

সাৰাম্মা ঃ (*প্রবেশ কৰি*) পানী গৰম হৈছে।

মহিলা ঃ দেখা নাই হ'বলা, ঠিয় হৈ থাকিলি দেখোন? এইয়া পাদ্ৰী চাহাব আহিছে, একাপ কফিকে লৈ আহ। (*সাৰাম্মাই লৰচৰ নকৰাকৈ ৰৈ থাকে*)

মহিলা ঃ তই দেখোন গছৰ মুঢ়াৰ দৰে ৰৈ গলি? কি হ'ল?

সাৰাম্মা ঃ চেনী নাই।

পাদ্ৰী ঃ যাওঁক কোনো কথা নাই। মোক কফি নালাগে।

মহিলা ঃ গুৰ আছে নহয়? (*সাৰাম্মাই মূৰ দুপিয়ায়*)। হ'ব, হ'ব, তাৰেই হ'ব। সোনকালে যা। (*সাৰাম্মা ভিতৰলৈ যায়*) শুনিছে, পাদ্ৰী চাহাব শুনিছে, এই আপদীয়া যুদ্ধখনৰ বাবে একো পাবলৈ নোহোৱা হ'ল। পালেও জুই চাই দাম। কন্ট্ৰোল নোহোৱাহেঁতেনতো শুকাই মৰিলোহেঁতেন। কেনেকুৱা দিন আছিল, এতিয়া কেনে হ'ল?

পাদ্ৰী ঃ ইয়াত আচৰিত হ'ব লগা একো নাই, মাৰিয়াম্মা বাইদেউ। এনে নোহোৱাৰ কাৰণো নাই। যীশুৰ ইচ্ছামতেই সকলো হৈছে। এতিয়া দাৰিদ্ৰৰ সময়। পবিত্ৰ লুকোচে দশম অধ্যায়ৰ তেইশ আৰু চৌৱিশ শাৰী উপদেশত কি কৈছে জানানে? কৈছে, "যি চকুৰে তোমালোকে দেখিছা, সেই চকু ভাগ্যবান বুলি ভাবিবা। কাৰণ, তোমালোকে নিজ চকুৰে দেখা পোৱা অনেক বস্তু, বহুতো ধৰ্মপ্ৰচাৰক, ৰজা মহাৰজাই আশা কৰিলেও চকুৰে দেখিবলৈ নাপায়। তোমালোকে কাণেৰে যি শুনা, তেওঁলোকে সেই কথা শুনিবলৈ ইচ্ছা কৰিলেও শুনিব নোৱাৰে।" যীশুক অভিবাদন জনোৱা, তেওঁৰ পবিত্ৰ নাম স্মৰণ কৰা।

মহিলা ঃ এই দাৰিদ্ৰৰ মাজত মোৰ মাথুকুট্টী নোহোৱাহেঁতেন........ (*মূৰদাঙি দুৱাৰৰ ওপৰত আঁৰি থোৱা সৈনিক বেশধাৰী ফটোখনলৈ দৃষ্টি পেলায়*) সি ঘৰ এৰি যোৱা কথাটো মনত পৰিলে মোৰ অন্তৰ কান্দি উঠে। যুদ্ধৰ বাবে সি, ঘৰ এৰিব লগা নহ'ল নে? তাত কি হৈছে, কি ঘটিছে কোনে ক'ব? হে মোৰ উপৰিপুৰুষ সকল। মই তোমালোকৰ নামত নৈবেদ্য আগবঢ়াম, মোৰ পুত্ৰক কুশলে ৰাখা। মই মৰাৰ আগতে যেন তাক এবাৰ দেখা পাওঁ।

পাদ্ৰী ঃ মানৱ পুত্ৰৰ বাবে নাকান্দিবা, মাৰিয়াম্মা বাইদেউ। এই সংসাৰ অসাৰ। (*এখোজ দুখোজ কৈ আগবাঢ়ে*) শেষ সময় উপস্থিত হৈছে। মানুহে ঈশ্বৰৰ কামত প্ৰশ্ন কৰিছে। (*মাত অলপ ডাঙৰ কৈ*) স্ৰষ্টাই প্ৰত্যেক সৃষ্টিৰে হিচাপ-নিকাচ লোৱাৰ সময় আহিছে। (*সাৰাম্মাই এনেতে হাতত কফি লৈ পিচফালৰ দুৱাৰত ঠিয় দিয়ে*) আৰু সেইদিনা; দুজনী তিৰোতাই জাতত একেলগে হয়তো আটা পিহি থাকিব, এজনী তিৰোতাক তেওঁ সাদৰি ল'ব আৰু আন জনীক তেওঁ নমৰা পোক পৰুৱা আৰু নুনুমুৱা জুইৰে পৰিপূৰ্ণ শাস্তিত নৰককুণ্ডলৈ ঠেলি পঠাব। (*হাত ওপৰলৈ তুলি আবেগযুক্ত ভাষাৰে*)

পূবফালে শুকুলা মেঘৰ ওপৰত মই অগ্নিৰহা দেখিবলৈ পাইছোঁ। জাগ্রত নববিবাহিতা যুৱতীহঁত, তোমালোকে নিজ নিজ বন্তি গছ জ্বলাই দিয়া। তেওঁ আকৌ আহিছে!!

(সাৰাম্মাৰ চেহেৰা শেতা পৰি যায়। হাতৰপৰা কফিৰ পিয়লা মাটিত পৰি ভাঙি যায়। পাদ্রী আৰু মাৰিয়াম্মাই মূৰ তুলি লক্ষ্য কৰে।)

মহিলা ঃ কি হ'ল, চকু মুদি খোজ কাঢ়িছ হবলা? কফি কাপটো ইয়ালৈ আনোতেই ভাঙিব লাগেনে? কেৱল ভাঙিবি আৰু ভাঙিবি, ভাঙি ভাঙি শেষ কৰি দিবি। আৰু ভাঙিবলৈ একো নাইনে? এনেকুৱা এলাইবাদু বোৱাৰী কৰবাত দেখিছানে? অলপ সাৱধান হ'লে এনেকৈ হাতৰ পৰা কফি কাপ পৰি ভাঙেনে? মোৰ মাথুকুট্টীয়ে কিনো দেখি এইজনীক......... নহয়, নহয়, মোৰে দুৰ্ভাগ্য, আৰু নো কি হ'ব।

(সাৰাম্মাই কথাৰ মাজতে ভিতৰলৈ সোমায় যায় আৰু আন একাপ কফি হাতত লৈ প্ৰবেশ কৰে)

পাদ্রী ঃ (*সাৰাম্মাৰ পৰা কফি কাপ নিজ হাতলৈ নি*) অলপ সাৱধানে চলিবা আইজনী। মাক দেউতাকৰ আৰ্শীৰ্ব্বাদ নাপালে দীৰ্ঘায়ু হ'ব নোৱাৰি, সেই কথা ধৰ্মীয় পুথিত লিখা আছে। (*কফি খাই পিয়লা ওভতাই দিয়ে*) যীশুক প্ৰনাম।

মহিলা ঃ ৰৈ থাকিলি দেখোন? কাৰো যেন গিৰিয়েক যুদ্ধলৈ যোৱাই নাই; হো ল, এই নাৰিকলটো ফাল।

(সাৰাম্মাই যন্ত্ৰবদৰে অনুসৰণ কৰে। সোঁফালৰ দুৱাৰেদি কুঞ্জৱৰ্কীয়ে সোমাই আহে। বয়স ৩০ বছৰ)

পাদ্রী ঃ মাৰিয়াম্মা বাইদেউ, তেনেহলে মই উঠো, অলপ সোনকালে যাব লাগে। সাৰাম্মাৰ ওপৰত বেছিকৈ খং নকৰিবা। তোমাৰ ক্ৰোধত যাতে সূৰ্য্য অস্ত নাযায়, চাবা। যীশুক প্ৰনাম। (*যাব খোজে*) তেওঁ আকৌ আহিছে। হে মানৱ সন্তানসকল শুনা। মন পৰিৱৰ্ত্তিত কৰা। এইয়া শুভ সময় আহিছে। (*দূৰৈৰ পৰা কৈ যায়*) নিজক ৰক্ষা কৰা দিন এতিয়া উপস্থিত হৈছে।

(পাদ্রী যোৱাৰ ফালে সকলোৱে চাই ঠিয় হৈ থাকে)

মহিলা ঃ এতিয়া কি চাই ঠিয় দি আছ? সোনকালে নাৰিকলটো ফালি দুটা জলকীয়া তাৰ লগত দি পিহি পেলাগৈ। কুঞ্জৱৰ্কী, তুমি অলপ বহা। মই গাটোত অলপ পানী ঢালি আহোঁগৈ। (*যাব খোজোতেই ভঙা টুকুৰাবোৰ চকুত পৰে*) দেখিলা নহয় তাইৰ কাণ্ড। কাপ ভাঙি টুকুৰাবোৰ ইয়াতে পেলাই থৈছে। তাইৰতো একো লোকচান হোৱা নাই। এতিয়া মইহে এইবোৰ বুটলিব লাগিব, নহলেনো কোনে পেলাব।

(তললৈ কুঁজা হৈ যেন বহু কষ্টেৰে মাৰিয়াম্মাই ভঙা কাপৰ টুকুৰাবোৰ বুটলিবলৈ যত্ন কৰিছে। সাৰাম্মাই আগবাঢ়ি উঠায় পেলোৱাত সহায় কৰেগৈ।)

কুঞ্জৰকী ঃ বৰমা, ইমান খং কৰিবৰ কিনো হৈছে? মই বুজিবই পৰা নাই। ভঙা টুকুৰাবোৰ আপুনি উঠাবলৈ কিয় গৈছে? সাৰাম্মাক দিয়ক।

মহিলা ঃ কি কথানো, ময়ে যেনিবা উঠালো, একো কথা নহয়। আকাশলৈ চাই খোজ কাঢ়িলে এনেকুৱা নহৈ পাৰে নে?

কুঞ্জৰকী ঃ কথাটোনো কি? এনেকুৱা নহৈ পাৰেনে, মানে।

মহিলা ঃ তুমি জানো চকুৰে দেখা নাই, কুঞ্জৰকী? (*পৰি থকা টুকুৰাবোৰ আঙুলিৰে দেখুৱাই*) এইবোৰ তুমি দেখা নাই হ'বলা? সেই দৰে বাচন বৰ্ত্তন, ঠাল, পিয়লা চম্ভালি ৰাখিব লাগে নহয়?

কুঞ্জৰকী ঃ সাৰাম্মাই কাপ ভাঙিলে যেন পাইছোঁ?

মহিলা ঃ তোমাক দেখোন ইমান পৰে তাকে কলোঁ।

কুঞ্জৰকী ঃ এটা কাপহে মাত্র! ভাঙিবলৈ দিয়ক। দোষতো সকলোৱে কৰিব পাৰে।

মহিলা ঃ তাইৰ দোষ থাকিলেও তুমি কিবা এটা উলিয়াই দোষ আঁতৰাবলৈ চেষ্টা কৰিবা।

কুঞ্জৰকী ঃ নহয় বৰমাঁ, মই মাত্র কৈছিলোঁ, সেইটো বৰ দামী বস্তু নাছিল।

মহিলা ঃ দামৰ কথা ভবা নাই। বাচন-বৰ্তন ভঙাটো বেয়া লক্ষন। অসাৱধানতাৰ ফলত কাপটো ভঙা নাই জানোঁ?

এতিয়াটো আমাৰ কষ্টৰ সময়।

কুঞ্জৰকী ঃ কষ্টৰ সময় বুলি নকব বৰমা। ভাল সময় বুলি কওঁক। এইয়া চাওঁক (*জেপৰ পৰা এখন টেলিগ্ৰাম উলিয়াই মাৰিয়াম্মাৰ হাতত দিয়ে*)

মহিলা ঃ এইখন কিহৰ টেলিগ্ৰাম কুঞ্জৰকী? তাত কি লিখা আছে, অলপ পঢ়ি দিয়া। (*টেলিগ্ৰামখন খুলি ইফাল সিফাল চাই কুঞ্জৰকীক দিয়ে*)

কুঞ্জৰকী ঃ পঢ়িবলৈ একো নাই, এইখন টেলিগ্ৰাম মাথুকুট্টীয়ে দিছে। তেওঁ আজি ৰাতিৰ ট্ৰেইনত পাবহি।

মহিলা ঃ হেঁ, সঁচানে? আজিয়েই পাবহি ? সঁচাকৈ লিখিছেনে ? (*আনন্দত*) আকৌ এবাৰ পঢ়ি শুনোৱা। পঢ়া কুঞ্চৰকী। আজি ? আজিয়েই এবাৰ পঢ়ি শুনোৱা। পঢ়া কুঞ্জৰকী। আজি? আজিয়েই পাবহিনে? ৰাতিৰ ৰেলত আহিব, নহয় নে?

কুঞ্জৰকী ঃ হয় বৰমা, আজি ৰাতি আঠ বজাৰ ৰেলত পাবহি।

(*সাৰাম্মাই উঠি টেলিগ্ৰাম খনৰ ফালে চাই ঠিয় দি ৰয়। তেওঁৰ মনত যেন আনন্দ, নোহোৱা হৈছে, ভয় হে বেছি হৈছে*)

মহিলা ঃ (*ওপৰলৈ মূৰ তুলি দুয়োহাত একেলগ কৰি প্ৰাৰ্থনা কৰে*) যীশুৱে মোৰ প্ৰাৰ্থনা শুনিলে। মই ভাবিছিলোঁ, তাক আৰু মই দেখা নাপাম। মোৰ ল'ৰা ভাগৰে জোগৰে ঘৰলৈ আহিব। (*সাৰাম্মাই বিবৰ্ণ হৈ পৰে আৰু শাহুয়েকৰ গাত ধৰি চিধা হ'বলৈ

যত্ন কৰে, শাহুয়েকেও তেওঁক অলপ ধৰি মৰম কৰে) তই ভাগ্যৱতী সাৰাম্মা। তই একো নকৰ কিয়? তোৰ আকৌ কি হ'ল? এনেখন কিয় কৰিছ? মুখখন দেখোন শেঁতা পৰি গৈছে? *(লাহেকৈ এখন চকীত বহুৱাই দিয়ে।)* কুঞ্জৱৰ্কী অলপ পানী আনাছোন।

(কুঞ্জৱৰ্কীয়ে বেগেৰে গৈ পানী আনে আৰু সাৰাম্মাৰ চকু মুখত চতিয়াই দিয়ে)

সাৰাম্মা ঃ *(লাহে লাহে চকু মেলি)* আহ......... মোৰ..........

মহিলা ঃ সাৰাম্মা, তোৰ কি হৈছে, ক?

সাৰাম্মা ঃ নাই, একো হোৱা নাই......... একো হোৱা নাই মা *(সাৰাম্মাই উঠিবলৈ যত্ন কৰে)*

মহিলা ঃ নহয়, তই নুঠিবি। ভিতৰলৈ নি এইক শুৱাবগৈ লাগিব। বোধকৰোঁ গিৰিয়েক অহা খবৰটো পাই তাই আনন্দত উত্‌ৰাৱল হৈ পৰিছিল; *(সাৰাম্মাক ভালকৈ ধৰি মেলি ভিতৰৰ দুৱাৰেদি লৈ যায়।)* লাহে লাহে খুব লাহে লাহে....... ও এনেকৈ বল সাৰাম্মা, এনেকৈ..........। কুঞ্জৱৰ্কীয়ে হাতত টেলিগ্ৰামখনলৈ বাহিৰলৈ চাই থাকে।

—পট পৰিৱৰ্তন—

দ্বিতীয় দৃশ্য

স্থান ঃ [*প্ৰথম দৃশ্যৰ কক্ষতে। শাক-পাচলি অধিক পৰিমাণৰ ৰখা হৈছে। বিচনাখনৰ কাষত থকা টুলত বহি সাৰাম্মাই লাহেকৈ বিচনাখনত ঢলি পৰে। ইফালে সিফালে অহা যোৱা কৰি থকা কুঞ্জৱৰ্কীয়ে সাৰাম্মাৰ তেনে অৱস্থা দেখি আচৰিত হৈ থমকি যায়।*]

সময় ঃ সন্ধিয়া।

কুঞ্জৱৰ্কী ঃ সাৰাম্মা।

সাৰাম্মা ঃ এই ফালে এবাৰ চোৱাছোন। *(ওচৰলৈ গৈ গাত ধৰি কয়)* কি হ'ল, দৰৰ জাতিয়ে কাম নকৰে নহয়? ইমান বেছি হ'ল নে? কিমান হৈছে?

সাৰাম্মা ঃ *(মূৰ ডাঙি কুঞ্জৱৰ্কীলৈ খঙেৰে চায়)* সেইটো জনাৰ কি প্ৰয়োজন?

কুঞ্জৱৰ্কী ঃ তথাপিও জানো ক'ব নোৱাৰা? কিমান দিন হ'ল?

সাৰাম্মা ঃ (অন্য ফালে দৃষ্টি ৰাখি) চাৰি মাহ...........

কুঞ্জৱৰ্কী ঃ হু। ইমান দিন হোৱাৰ পাচতো মোক কিয় কোৱা নাছিলা?

সাৰাম্মা ঃ এতিয়া সমাধান বিচাৰি আহিছা?

কুঞ্জৱৰ্কী ঃ সাৰাম্মা, খং কিয় কৰিছা? এতিয়া খং কৰি কি লাভ; ময়ো তোমাৰ দৰে

ভুক্তভোগী। কিন্তু ....

সাৰাম্মা ঃ তোমাৰ আক’ কি? এতিয়া ফল মই হে ভুগিব লাগিব।

কুঞ্জৰকী ঃ সম্পূৰ্ণ দোষ মোৰ, সাৰাম্মা। তুমি যে মোক ঘৃণা কৰা নাই সেয়ে যথেষ্ট। কোৱা, মই কি কৰিব লাগে? (*সাৰাম্মাই পুনৰ মুখ গুজি উচুপি কান্দে*) এতিয়া, ইয়াৰ পৰা মুক্তি কেনেকৈ পাব পাৰি, সেইটোহে ভাবিব লাগে। ইজনে সিজনক দোষ দি থাকিলে, সমস্যা সমাধান নহয়। সময় আহি উপস্থিত হৈছে। এনেকৈ কান্দি বহি থাকিলে, মই একো উপায় নোপোৱাত পৰিম সাৰাম্মা।

সাৰাম্মা ঃ মই মৰি যোৱাই ভাল। (*মনত কিবা ভাবি উচুপি কান্দে*) .... হায়! .... নাই, নাই, মই মৰিব নোখোজোঁ, ... ভাবিলেই মোৰ সৰ্বশৰীৰ কঁপি উঠে। মই তেনেকৈ মৰিব নোখোজোঁ।

কুঞ্জৰকী ঃ তোমাক জানো কোনোবাই মৰিবলৈ কৈছে? তুমি অযথা এইবোৰ কথা ভাবিছা।

সাৰাম্মা ঃ (*ডাঙৰকৈ*) তুমি অলপ মনে মনে থাকা।

কুঞ্জৰকী ঃ ইমান চিঞৰিছা কিয়, বৰমাঁ আহিব পাৰে ......

সাৰাম্মা ঃ (*মাত ডাঙৰ কৈ*) ..... মা আহিব পাৰে? হুহ্, ... কথা কবলৈ আহিছে?

কুঞ্জৰকী ঃ যি হ’ব লগা আছিল হ’ল। খং কৰিলে এতিয়া কি লাভ!

সাৰাম্মা ঃ খং কৰিলে কি লাভ? এতিয়া এইবোৰ উপদেশ দিবলৈ কোনে মাতিছে?

কুঞ্জৰকী ঃ সাৰাম্মা, মোৰে শপত, তুমি হুলস্থূলখন নকৰিবা, বৰমাঁ আহেহে লাগে।

সাৰাম্মা ঃ আহিলে কি হ’ল? মা, মা, মা, ... মা আহিলে কি হ’ব? (*কিবা ভাবি পুনৰ উচুপি কান্দে ..... অলপ গদ্ গদ্ স্বৰেৰে*) তুমি অনুগ্ৰহ কৰি মোক বিৰক্ত নকৰিবা, ইয়াৰ পৰা গুচি যোৱা ......।

কুঞ্জৰকী ঃ সাৰাম্মা, সাৰাম্মা।

সাৰাম্মা ঃ মই সহ্য কৰিব নোৱাৰোঁ, কেনেকৈ সম্ভৱ ....? মই মৰি যোৱাই ভাল।

কুঞ্জৰকী ঃ নিৰাশ নহবা সাৰাম্মা, নিৰাশ হলে লাভ কি?

সাৰাম্মা ঃ তুমি মনে মনে থাকা। হায়, কি বুলি কম। হে প্ৰভু .... কিমান আশাৰে তেওঁ উভতি আহিব? ইয়ালৈ আহি কি দেখিবহি? .... চাৰি বছৰ কষ্টেৰে কাম কৰি, পইচা পাতি পঠাই, ভৰন-পোষণ দিলে, ...ইয়াৰ বাবেই নে? হায়, হায়, হে প্ৰভু, মোক মাৰি নিয়া। মোক আৰু জীয়াই নথবা।

কুঞ্জৰকী ঃ সাৰাম্মা, চিঞৰ বাখৰ খন নকৰিবা বুলিছোঁ নহয়? বৰমাই সকলো শুনিব। চুলিকোছা ভালকৈ বান্ধি পেলোৱা, চকুৰ পানী মুচি পেলোৱা, বৰমাই এনে অৱস্থাত দেখিলে সন্দেহ কৰিব।

সাৰাম্মা ঃ (*হঠাৎ ঠিয় হৈ পৰে, আৰু কুঞ্জৰকীৰ ফালে কটু দৃষ্টি ৰাখি কয়*) মায়ে আৰু কি সন্দিহ্ কৰিব, মনত যি ভাব আহিব, তাকে বুজিব। চাৰি বছৰ, সুদীৰ্ঘ চাৰিবছৰ, অসহায় নিঠৰুৱা এজনী বিবাহিতা স্ত্ৰী, কাৰো পৰা মৰম কি বস্তু বুজি নাপালো, এজনী কাম কৰা বান্দীৰ দৰে গোলামী খাটিলো। বিয়া কৰায়েই মোক ইয়াত এনেকৈ পেলাই গুচি গ'ল, টকা ঘটিবলৈ ..... হুহ্!

কুঞ্জৰকী ঃ সাৰাম্মা, মুখ বন্ধ কৰা। যিয়েই নহওক লাগিলে, আমিওটো এটা ডাঙৰ ভুল কৰি পেলাইছো, এতিয়া ভুলৰ বাবে আমি কাৰবাক জগৰীয়া কৰা উচিত নে? ন্যায় অন্যায়ৰ কথা নকবা। তাতে, মাথুকুট্টীয়ে টকা ঘটাৰ লোভত তালৈ যোৱা নাছিল। অন্য একো চাকৰি উলিয়াব নোৱাৰিহে, তেওঁ যুদ্ধৰ সৈনিকৰূপে ভৰ্ত্তি হৈছিল।

সাৰাম্মা ঃ (*কাণত হাত দি*) এই বেদান্ত বাখ্যা অলপ বন্ধ কৰিবানে?

কুঞ্জৰকী ঃ মই কি কৰো; সাৰাম্মা?

সাৰাম্মা ঃ মোক ইয়াৰ পৰা লৈ যোৱা। পাৰিবা?

কুঞ্জৰকী ঃ ক'লৈ?

সাৰাম্মা ঃ যি কোনো ঠাইলৈ, এতিয়াই। ইয়াৰ পৰা যাব পাৰিলেই মই ৰক্ষা পাম।

কুঞ্জৰকী ঃ এইটো সম্ভৱ নহয়।

সাৰাম্মা ঃ (*খং ভাবেৰে*) সম্ভৱ নহয়— সম্ভৱ নহয় কবলৈ আহিছা, তোমাৰ লাজ লগা নাই এনে কথা কবলৈ! মই সকলো নীৰৱে সহ্য কৰিব লাগিব। এইটোকে তুমি বিচাৰিছা, নিলৰ্জ কৰবাৰ।

কুঞ্জৰকী ঃ (*গম্ভীৰ স্বৰেৰে*) কিবা কলেই এনেধৰণৰ খং কৰিলে কি লাভ সাৰাম্মা! কাজিয়া কৰিলে একো ফল নধৰে। তুমি অলপ ভাবি চিন্তি কথা কব লাগে। ইয়াৰ পৰা গুচি যোৱাৰ কথা তুমি কৈছা। কিন্তু কেনেকৈ যাওঁ? মোৰ হাতত টকা-পইচা নাই। কৰবালৈ যাব পাৰিলেও, হাতত পইচা পাতি নাথাকিলে কেনেকৈ জীয়াই থাকিম? লাহে লাহে তুমি মোক ঘৃণা কৰিবলৈ ধৰিবা, মোক দেখিব নোৱৰা হ'বা। তোমাৰ ভৰণ পোষণৰ বাবে মই বেলেগ ৰাস্তা ল'ব লাগিব। তোমাকটো জীয়াই ৰাখিব লাগিব, নহয় নে? জীয়াই থাকিবলৈ কেতিয়াবা মানুহে বহুত তললৈ যাব লগাত পৰে; নকৰিব লগা কাম কৰে। মই যদি কওঁ জীয়াই থাকিবৰ বাবে তুমি ইজ্জত পৰ্য্যন্ত বিক্ৰী কৰিব লগা হ'ব পাৰে। কোৱা সাৰাম্মা, তাৰ বাবে তুমি প্ৰস্তুত নে?

সাৰাম্মা ঃ তুমি অন্য ৰাস্তা কিয় ল'ব লাগে? আমিতো কাম কৰি, মজদুৰি কৰি জীৱিকা নিৰ্বাহ কৰিব পাৰিম?

কুঞ্জৰকী ঃ সেইবোৰ সম্ভৱ নহয় সাৰাম্মা। প্ৰেম কৰি পলাই যোৱা এহাল ডেকা গাভৰুৱে

হয়তো তেনেকুৱা কাম কৰাৰ প্ৰস্তাৱ কৰিব পাৰে। আমাৰ কথা বেলেগ। আমি অপমান সহ্য কৰিবলৈ অসমৰ্থ হৈহে পলৰিয়াৰ ভূমিকা ল'ব খুজিছোঁ। এই কথা এবাৰ ভাবি চাবা। আৰু এটা কথা নহয়। দেখিবলৈ ধুনীয়া, মৰমলগা তিৰোতা এজনীৰ পক্ষে কেৱল মজুৰী কৰি জীয়াই থকা কঠিন কাম।

সাৰাম্মা ঃ (*নিৰাশাৰে*) মুঠ কথা হ'ল, মই যাব নোৱাৰোঁ। যোৱাটো সম্ভৱ নহয়, তাকে তুমি ক'ব খুজিছা।

কুঞ্জৰকী ঃ অকল সেয়ে নহয়, বৰমা আৰু মাথুকুট্টীৰ অপমান হ'ব। তাতে, আজি মাথুকুট্টী আহি পোৱাৰ কথা।

সাৰাম্মা ঃ (মূৰ তললৈ কৰি চকুপানী টোকে) উহ প্ৰভু, মই কি কৰোঁ।

কুঞ্জৰকী ঃ (*ওচৰলৈ গৈ, মৰমেৰে*) নাকান্দিবা, নাকান্দিবা সাৰাম্মা।

সাৰাম্মা ঃ নাকান্দি কি উপায় আছে? মৃত্যু মই ভাল নাপাওঁ, আৰু মই নমৰোও। পলাই যাব খুজিলেও উপায় নাই। কলৈ যাম, কাৰ লগত যাম? ইয়াত বা কেনেকৈ থাকোঁ? ..... আহিব লগাজন আহি পাবহি, আহিয়েই মোক বিচাৰিবহি, মই চেহেৰা দেখুৱাম কেনেকৈ? মোৰ.......

কুঞ্জৰকী ঃ ইচ্ ইচ্ ইচ্ মুখ বন্ধ কৰা। বৰমাঁ সৌৱা এইফালে আহিছে। কিবা কাম কৰাৰ ভাও জোৰা। বেগেতে...... (*সাৰাম্মাই মাটিত বহি নাৰিকল ৰুকিবলৈ ধৰে। সোঁফালৰ দুৱাৰেদি বাহিৰ ফালৰ পৰা মাথুকুট্টীৰ মাকৰ প্ৰবেশ। হাতত এটা ডাঙৰ মূৰ্গী ওলোমাই লৈ অহা অৱস্থাত*)

মা ঃ দেখিলা কুঞ্জৰকী, যুদ্ধখন হোৱাৰ বাবে মানুহবোৰৰ সাহসো বাঢ়ি গ'ল। (মূৰ্গীটো দাঙি দেখুৱাই) বাৰু তুমিয়েই কোৱাচোন, এই মূৰ্গীটোৰ কিমান দাম হ'ব?

কুঞ্জৰকী ঃ জানো, ঠিক ক'ব নোৱাৰিম।......

মা ঃ তথাপিও এটা দাম নিশ্চয় হ'ব?...........

কুঞ্জৰকী ঃ এটকা?

মা ঃ সেইটোহে ক'লা? তিনিখন নতুন নোট গণি গণি হাতত দিয়াৰ পাচতহে মূৰ্গীটো পাইছোঁ। বেপাৰীটোৰ এইটো আছিল একেবাৰে শেষৰ মূৰ্গী। একো কথা আৰু নাভাৰিলোঁ। মোৰ ল'ৰাৰে আৰ্জনৰ পইচা। তাৰ বাবেই যদি খৰচ নকৰোঁ, কাৰ বাবেনো কৰিম? তিনি টকা নগদ দি কিনি পেলালো। (*কথা বতৰাৰ মাজতে একাষত মূৰ্গীটো থৈ দিয়ে*) বোৱাৰী, চাৰি টুকুৰা ভাজিবি বাকী খিনিৰে এখন আঞ্জা ৰান্ধিবি। (*সাৰাম্মাক বহি থকাৰ পৰা নুঠা দেখি*) এইৰ আকৌ কি হ'ল? কিবা ভূতে পালে নে কি?

কুঞ্জৰকী ঃ দুৰ্বল হৈছে। মাথুকুট্টী আহি পালেই সকলো ঠিক হৈ যাব, বাৰু বৰমা, মূৰ্গীৰ

কথা যে কৈছিল? মূৰ্গী ক'ত পালে?

মা ঃ তাইৰ মুখখনলৈ মন কৰিছানে? যেন কিবা হৈছে? চাৰি বছৰৰ পিছত গিৰিয়েক ঘৰলৈ আহিছে নহয়, সেই বাবেই হবলা এনেখন কৰিছে। অ' কুঞ্জৰৰ্কী তুমি কি সুধিছিলা? ক'ৰ পৰা মূৰ্গী আনিছো? নহয়নে? কুঞ্জৰৰ্কী, মূৰ্গীটো মাৰি যাবা। হেৰ' বোৱাৰী, তই ভাত কেইটা হ'লনে নাই এবাৰ গৈ চাচোন। (*সাৰাম্মা ঠিয় হয় আৰু যাওঁ নেযাওঁ কৈ ভিতৰ সোমায়।*) কুঞ্জৰৰ্কী, তাইৰ কি হ'ল?

কুঞ্জৰৰ্কী ঃ কি হৈছে, মই কেনেকৈ কওঁ?

মা ঃ ইমানপৰ ইয়াত থাকি তুমি এই বিষয়ে একো সোধা নাইনে?

কুঞ্জৰৰ্কী ঃ নাই। ..... আৰু কিবা কিনিবলৈ থাকিল নেকি, বৰমা?

মা ঃ সকলো আনিছোঁ। মাছহে নাপালোঁ। কল ঘৰতে পকিছে। কিন্তু বোৱাৰী জনীয়ে এইদৰে অ'ত বহি ত'ত বহি মন মাৰি থাকিলে ল'ৰাই আহি কি ভাবিব? বোৱাৰীৰ লগত মই কাজিয়া কৰিছো বুলি সি সন্দেহ নকৰিবনে? সাৰাম্মা, অ', আইজনী! (*ডাঙৰকৈ মাতে*)

সাৰাম্মা ঃ (*পৰ্দাৰ আঁৰৰ পৰা*) কি, মা? (*প্ৰবেশ কৰে*)

মা ঃ এই সৰিয়হ ডলাৰ পৰা শিলগুটিবোৰ বাচি পেলা। (*সাৰাম্মাই ডলাখন লব খোজে*) বাৰু নালাগে থ'। পিৰালিত পানীৰ ড্ৰামটোত পানী আছে নে নাই চাই আহ। পানী নাই যদি অলপ ভৰাই থবি। (*সাৰাম্মা যায়*) কুঞ্জৰৰ্কী, তুমি তাক আনিবলৈ ৰেলষ্টেচনলৈ অলপ যাব পাৰিবানে?

কুঞ্জৰৰ্কী ঃ যাব লাগে যদি যাওঁ। নহয়, যাম বাৰু; যোৱাটো ভাল হ'ব।

মা ঃ নালাগে দিয়া। সি ৰাস্তা পাহৰা নাই কিজানি। সাৰাম্মা? (*সাৰাম্মা ওলাই আহে*)

সাৰাম্মা ঃ পানী ভৰ্ত্তি আছে।

মা ঃ ইমান লেহেম কিহৰ? অলপ স্ফূৰ্ত্তিৰে কামবোৰ কৰছোন। হো, ধৰ। এই সৰিয়হখিনি ভাজগৈ। বাৰু নালাগে, ময়ে পাৰিম। তই ইয়াতে বহি দৈ খিনি মথি পেলা। (*সৰিয়হখিনি লৈ শাহুয়েক সোমাই যায়। সাৰাম্মাই বহি দৈ মথে। কুঞ্জৰৰ্কীয়ে নীৰৱে চাই থাকে*)

সাৰাম্মা ঃ ইয়াৰ বাহিৰে আৰু কি কৰিবলৈ আছে?

কুঞ্জৰৰ্কী ঃ হুহ?

সাৰাম্মা ঃ মই সুধিছোঁ, এতিয়া কি কৰিম?

কুঞ্জৰৰ্কী ঃ সেই বিষয়ে নহয়। মই অন্য কথা এটাহে ভাবিছিলোঁ

সাৰাম্মা ঃ কি?

কুঞ্জৰৰ্কী ঃ মই এটা কথা বৰমাঁক ক'বলৈ নহ'ল। টেলিগ্ৰামত মোক ষ্টেচনলৈ যাবলৈ

লিখা আছিল। লিখাখিনি জনোৱা নাছিলোঁ। এতিয়া দেখিছো উপায় নাই, মই ষ্টেচনলৈ যাব লাগিব।

মা ঃ (*ভিতৰৰ পৰা চিঞৰি কয়*) দুটা শুকান জলকীয়া এটা পিয়াজ বটি দৈৰ লগত দিবি। বোলো শুনিছনে বোৱাৰী?

সাৰাম্মা ঃ বাৰু? (*লাহেকৈ*) এতিয়া কেইটা বাজিছে?

কুঞ্জবৰ্কী ঃ প্ৰায় আঠ বাজে।

সাৰাম্মা ঃ ৰেল আহিবৰ হ'ল হ'ব পায়।

কুঞ্জবৰ্কী ঃ ও' .... এৰা।

(*দূৰৈৰ পৰা ৰেলৰ উকি কাণত পৰে। সাৰাম্মাই ভয়ত ঠিয় হয়।*)

শব্দ।

তেওঁ আকৌ আহিছে।

কুঞ্জবৰ্কী ঃ সেইয়া দুষ্ট প্ৰবঞ্চক পাদ্ৰী চাহাবৰ কণ্ঠস্বৰ!!

সাৰাম্মা ঃ ৰেলখন আহিছে .... (*চঞ্চল ভাব ভঙ্গী*)

কুঞ্জবৰ্কী ঃ সেইটো এটা পগলা মানুহ।

সাৰাম্মা ঃ এতিয়াই পাবহি ....

কুঞ্জবৰ্কী ঃ ও। (*যন্ত্ৰৰ দৰে সোমাই যায়।*)

সাৰাম্মা ঃ এৰা ....

—পট পৰিৱৰ্তন—

তৃতীয় দৃশ্য

স্থান ঃ প্ৰথম দৃশ্যৰ দৰেই দৃশ্যপট। শাক-পাচলি আৰু মূৰ্গী নাথাকে। টুলখনৰ ওপৰত এটা লণ্ঠন জ্বলি আছে। সাৰাম্মাই ভাৱ সাগৰত ডুবগৈ অমনোযোগেৰে দৈ মথি থাকে। এটা শোতা (*ঝাক*) হাততলৈ শাহুৱেক সোমাই আহে।

মা ঃ আজিকালি সৰিয়হবোৰো ইমান বেয়া হ'ল। ভাজিলে এটাও নুফুটে। এইয়া আকৌ কেনে যুদ্ধ, সকলো ওলট পালট হৈ গৈছে। সৰিয়হ ভাজিলে নুফুটে, কেৰাচিন তেল জ্বলালে নজ্বলে। আগতে এনেকুৱা নাছিল। (*অলপ চিন্তা কৰি*) কি হ'ল, বহুত সময় হ'ল দেখোন্। ৰেলখনতো পালেহি। সি কিয় পলম কৰিছে? কুঞ্জবৰ্কীও অহা নাই। তেওঁ ৰেলষ্টেচনতে ৰৈ থাকিব পায়।

সাৰাম্মা ঃ (*সন্দেহ কৰি*) নাহিল হ'ব পায়।

মা ঃ সি খবৰ দিছে যেতিয়া নহাঁকৈ নাথাকে। তই চুলি কোচা বান্ধি, ফনিয়াই ল'। ভাল শাৰী এখন পিন্ধ। দেখাত অলপ ধুনীয়াজনী হৈ থাকিব লাগে। (*দূৰৈত ৰেলৰ উকি শুনা যায় সাৰাম্মাই উচপ খাই উঠে*) হেৰ বোৱাৰী, তই দেখোন উচপ খাই উঠিলি? ৰেলখন যাব খুজিছে। সি এতিয়াই পাবহি।

শব্দ।

দূৰৈৰ পৰা

তেওঁ আকৌ আহিছে। তেওঁ আকৌ আহিছে।

সাৰাম্মা ঃ (*জঠৰ হৈ ৰৈ থাকে। অলপ পাচতে হুমুনিয়াহ এটা কাঢ়ি কয়*) উহ প্ৰভু, মোৰ গাটো বৰ বেয়া লাগিছে মোৰ (*পাগলীৰ দৰে উঠি ইফালে সিফালে দৌৰা দৌৰি কৰে, ভৰিৰ গচকত লাগি দৈৰ পাত্ৰটো উপৰি পৰে। সাৰাম্মাও মাটিত পৰি যায়। উভতি যোৱা ৰেলগাড়ীৰ শব্দ কাণত পৰে। শাহুৱেকে দৌৰ মাৰি সাৰাম্মাক উঠাই দিয়ে।*)

মা ঃ কি হ'ল? এই জনীৰ আক' কি হ'ল? কেনেখন কৰিবলৈ আৰম্ভ কৰিছে। সাৰাম্মা, হেৰ আই, সাৰাম্মা। অলপ চকু দুটা মেলচোন। (*সাৰাম্মাক ধৰি বিচনাত শুৱাই দিয়ে। সাৰাম্মাই একো লৰচৰ নকৰাকৈ পৰি থাকে। এনেতে এজোৰ কলা চচ্মা পিন্ধি কুঞ্জৰকীৰ কান্ধত হাত থৈ মাথুকুট্টী আগফালেদি সোমাই আহে। শাহুৱেকে অলপপানী হাততলৈ সাৰাম্মাৰ চকুত চতিয়াই দিয়ে। তথাপিও লৰচৰ নকৰা দেখি উশাহ নিশাহ ভালকৈ চলাচল কৰিবৰ বাবে তেওঁ সাৰাম্মাৰ ব্লাউজ, ককালৰ পেটিকোটৰ ফিটা খুলি দিয়ে। লণ্ঠনটো হাততলৈ মূৰৰ পৰা ভৰিলৈকে সাৰাম্মাৰ শৰীৰটো লক্ষ্য কৰে। শৰীৰৰ কিবা এটা অবৰ্ণনীয় পৰিবৰ্তন লক্ষ্য কৰি স্তম্ভিত হৈ পৰে, আকৌ লণ্ঠনটোলৈ ভালকৈ কাষৰ পৰা নিৰীক্ষণ কৰে। কিবা এটা অজান আশঙ্কাত তেওঁ চিঞৰি উঠে .... বুকুত ধকিয়াই দুৰ্ভাগ্যৰ কথা ব্যক্ত কৰে*)

মা ঃ কি কৰিলি, কি কৰিলি সাৰাম্মা, তই সৰ্বনাশ কৰিলি, ইষ্টকুটুম্বৰ মান সম্ভ্ৰমত তই কুঠাৰাঘাত মাৰিলি। হে ভগবান, মোৰ কপালত ইয়াকেহে লিখিলানে? মই কি দেখিছোঁ, মোৰ ল'ৰা আহি পাই আজি কি দেখিবহি! মোৰ মাথুকুট্টী; তই আহি পালেহি মই কি সতেৰে এই কথা তোক কম?

(*কপালত হাত দি মাটিত বহি পৰে*) হে ভগৱান। (*মাথুকুট্টীয়ে দুৱাৰ মুখত ৰৈ মাকৰ সকলো কথা শুনি থাকে। মাকৰ কথাবোৰ শুনি; বুজি মাথুকুট্টীৰ হঠাৎ মন অস্থিৰ হৈ পৰিল। খণ্ডে চুলিৰ আগ পালেগৈ, শৰীৰ কপিবলৈ ধৰিলে, আঙুলিবোৰ জঠৰ হৈ পৰিল। কুঞ্জৰকীৰ চেহেৰাটো এটা অপৰাধী, অপৰাধী ভাৱ ফুটি উঠিল। ভয়ত বিহ্বল হৈ তেওঁ মাথুকুট্টীৰ অন্ধ চকু দুটালৈ ঘনাই চাবলৈ ধৰিলে। মাথুকুট্টীৰ পৰা*

আঁতৰ হোৱা প্ৰবল ইচ্ছা হোৱা সত্ত্বেও তেওঁ মাথুকুট্টীৰ অসহায় অৱস্থাৰ কথা ভাবি আঁতৰ হ'ব নোৱাৰিলে। য'তে আছিল, ত'ত ঠিয় হৈ ৰৈ থাকিল।)

মাথুকুট্টী ঃ (*থোকা থুকি মাতেৰে*) সাৰাম্মা?

(পুতেকৰ মাত শুনি মাকে চক্ খাই উঠি ঘূৰি চালে। অলপ জ্ঞান পাই লাহে লাহে সাৰাম্মা বিচনাৰ পৰা উঠিল, কাপোৰ ঠিক কৰি লৈ শাহুৱেকৰ কাষত ঠিয় হ'ল। বিমৰ্ষ আৰু অসহায় ভাৱ পৰিলক্ষিত। কুঞ্জৰকীয়ে এবাৰ সাৰাম্মালৈ দৃষ্টি পেলাই তলমূৰ কৈ ৰৈ থাকে।)

মা ঃ বোপাই, তোক চাবলৈ .... তই অলপ ....

মাথুকুট্টী ঃ আহ্। কথা বন্ধ কৰা, তোমাৰ কোনো কথাকে মই এতিয়া শুনিব নোখোজো। সাৰাম্মা, সাৰাম্মা। তাই ইয়াত নাই নেকি?

মা ঃ আছে। (*অস্পষ্ট ভাবেৰে*)

মাথুকুট্টী ঃ ক'ত আছে? তাই কথা নকয় কিয় মা?

মা ঃ তোৰ চকুৰ দৃষ্টি কি হ'ল, সোণ?

মাথুকুট্টী ঃ মোৰ চকুৰ কথা, ভৰিৰ কথা সোধা নাই। সাৰাম্মাই কি কৰিছে, মই সুধিছো, তাই কেনেকৈ আমাৰ ইষ্টকুটুম্বৰ মান সম্ভ্ৰম নোহোৱা কৰিলে? কোৱা মা? মোক তুমি কবই লাগিব।

মা ঃ তাই, তাই অলপ .... বাগৰি পৰিছিল। মুখত অলপ পানী চতিয়াই ....

মাথুকুট্টী ঃ (*ক্ৰোধ দমন কৰিব নোৱাৰি কুঞ্জৰকীৰ হাতখন একৰাই দুখোজ আগবাঢ়ি আহে।*) মোৰ চকু অন্ধ হৈ গৈছে, মই দেখা নাই, সেই সুবিধাতে মিছা কথা কৈ মোক বুৰ্বক পাতিছা মা? কিন্তু সেইটো সম্ভৱ নহয়। মই অন্ধ হলেও কাণেৰে সকলো শুনিছোঁ। তথাপিও মই এবাৰ সাৰাম্মাৰ পৰা শুনিব খুজিছোঁ ....

মা ঃ বোপাই

মাথুকুট্টী ঃ তোমাক মনে মনে থাকিবলৈ কৈছো নহয়? তোমাৰ স্নেহৰ পৰিচয় পাবলৈ আৰু বাকী নাই মা। চকু অন্ধ কৰি, যুদ্ধ কৰি বহু কষ্টেৰে উপাৰ্জন কৰা টকা-পইচাৰে তোমালোকক ভৰণ-পোষণ দিছিলোঁ, তাৰ প্ৰতিদান এইয়া এতিয়া মোক দিছা। তোমালোকৰ আকৌ মৰম? (*ঘৃণাৰে*) তুমি একো ক'ব নালাগে। সাৰাম্মাৰ কথা, সাৰাম্মাৰ মুখৰ পৰাই শুনিব লাগিব (ডাঙৰকৈ) সাৰাম্মা?

সাৰাম্মা ঃ (*সৰুকৈ উত্তৰ দিয়ে*) কি?

মাথুকুট্টী ঃ মোৰ মাত তেনেহলে সাৰাম্মাই শুনিছে? ওচৰলৈ আহা, সাৰাম্মা। (*সাৰাম্মা লাহে লাহে কাষত ঠিয় হয়; নিজৰ হাত দুখন মাথুকুট্টীৰ হাতত তুলি দিয়ে।)*

মাথুকুট্টী ঃ কি, সাৰাম্মা, মায়ে যি কথা কৈছে সঁচা নে?

মা ঃ (*বেগাই মাথুকুট্টীৰ ওচৰলৈ গৈ গাত ধৰি*) মাথুকুট্টী, তাইক নামাৰিবি। তাইৰ.......

মাথুকুট্টী ঃ আমাৰ কথাৰ মাজত সোমাবলৈ তোমাক কোনে কৈছে ? সাৰাম্মা, কোৱা, কোনে তোমাক এনে অৱস্থা কৰিলে?

সাৰাম্মা ঃ (*তললৈ দৃষ্টি ৰাখি*) মই! মই ক'ব নোৱাৰোঁ।

মাথুকুট্টী ঃ মই যি প্ৰশ্ন কৰিছোঁ, তাৰ উত্তৰ মোক দিব লাগিব। (*সাৰাম্মা বিৱৰ্ণ হৈ দূৰত ৰৈ থকা কুঞ্জৰকীৰ ফালে কটাক্ষ দৃষ্টিৰে চালে। কুঞ্জৰকীয়ে সেই দৃষ্টি সহিব নোৱাৰি কোঠাৰ পৰা অলপ আঁতৰত ঠিয় হয়গৈ। সাৰাম্মাই উচুপি উচুপি কান্দি কয়।*)

সাৰাম্মা ঃ সেইটো মোক নুসুধিবা। মোক মাৰা, যিমান মন যায় মাৰা, ঘৰৰ পৰা উলিয়াই দিয়া। মাত্ৰ, সেই কথা মোক নুসুধিবা। মই কব নোৱাৰোঁ। (*কান্দি কান্দি মাথুকুট্টীৰ ভৰিত পৰে। মাথুকুট্টীয়ে গাত ধৰি উঠাই দিয়ে।*)

মাথুকুট্টী ঃ পোন হৈ ঠিয় হোৱা। তুমি নোকোৱা, তেনেহলে? উত্তৰ, মই উলিয়াবই লাগিব। (*গোৰ মাৰিবলৈ উদ্যত হৈয়ো ৰৈ যায়। গোৰ নামাৰি চুলি কোচাত ধৰে*) মোৰ প্ৰশ্নৰ উত্তৰ দিবলৈ কৈছোঁ নহয়?

সাৰাম্মা ঃ (*নিঃশব্দে ঠিয় হৈ থাকে। মাথুকুট্টীয়ে চুলিত ধৰি জোকাৰে*) নকওঁ, মই ক'ব নোৱাৰোঁ।

মাথুকুট্টী ঃ (*খঙৰ মাত্ৰা বেছি হয়*) নকৰ? বেশ্যা কৰবাৰ? চালি ! কবিনে নকৰ, মই জানিব খুজিছোঁ। (*ডিঙিত ধৰে। কুঞ্জৰকী বেগেৰে আহি বাধা দিয়ে*)

কুঞ্জৰকী ঃ নহয়, মাথুকুট্টী নহয়। সাৰাম্মাক নামাৰিবা। সাৰাম্মাৰ গাত দোষ নাই। সকলো দোষ মোৰ। তেওঁ সম্পূৰ্ণ নিৰ্দোষী। মোৰ বাবেই তেওঁৰ এনে অৱস্থা হ'বলৈ পালে। তেওঁক কু-পথলৈ ময়ে নিছিলোঁ। তোমালোক সকলোকে মই ফাঁকি দিছিলোঁ। তোমালোকৰ উদাৰতাক মই প্ৰতাৰণা কৰিছিলোঁ। মোৰ অসৎ অভিপ্ৰায় চৰিতাৰ্থ কৰাৰ সুযোগ লৈছিলোঁ। এতিয়া, ক্ষমা বিচাৰিবলৈ মোৰ কোনো ৰাস্তা নাই, অধিকাৰ নাই। কিন্তু, বেচেৰি সাৰাম্মাৰ গাত কোনো দোষ নাই। তেওঁক নামাৰিবা, মাথুকুট্টী!

(*ক্ষন্তেকৰ বাবে সকলো স্তব্ধ হৈ যায়। মাথুকুট্টীৰ মাকে ক্ৰোধাগ্নি হৈ কুঞ্জৰকীৰ ফালে উভতি চায়*)

মা ঃ তেন্তে, সকলো অনিষ্টৰ মূল তয়েই। ঘৰৰ ভিতৰত সোমোৱাৰ অযোগ্য, লম্পট, চৰিত্ৰহীন, ওলাই যা ইয়াৰ পৰা। বিশ্বাস কৰি ঘৰৰ ভিতৰলৈ সোমাবলৈ দি, খুৱাই বুৱাই মৰম কৰাৰ প্ৰতিফল, ইয়াকে দিলি? চুকতে থাকি বুকুতে কামোৰ মাৰিলি। অকৃতজ্ঞ কুকুৰ। এতিয়াই বাহিৰ হ'।

কুঞ্জৰকী ঃ বৰমাঁ, খং নকৰিব। মই এতিয়াই ওলাই যাম। মই আপোনালোক সকলোকে ফাঁকি দিছিলোঁ। মাথুকুট্টী, মোৰ অপৰাধৰ কথা আৰু কোৱাৰ প্ৰয়োজন। মই মৰ্মে

মৰ্মে এই দুৰ্ভাগ্যৰ কথা অনুভৱ কৰিছো, তিলে তিলে বিবেক দংশনত ভুগিছোঁ। কিন্তু কি কৰিম, যি হ'ব লগা আছিল হৈ গ'ল। সাৰাম্মায়ো তেওঁৰ ভুলৰ বাবে অশেষ কষ্ট পাইছে, অনুশোচনা কৰিছে। এনে অৱস্থাত, তেওঁৰ ওপৰত অত্যাচাৰ কৰাটো অতি দুখৰ কথা হ'ব। দোষী মইহে বৰমা,........ মই এতিয়া আহিলো। আপুনি মোৰ বাবে কি কৰিছিল তাৰ প্ৰতিদান মই দিব নোৱাৰিলো, কৃতজ্ঞতাও জনাব নোৱাৰিলো!........ মাথুকুট্টী, মোক ক্ষমা কৰা!

(কুঞ্জৰকী ওলাই যায়। সাৰাম্মাই মূৰ তুলি চায়। কিন্তু, আকৌ মূৰ ঘূৰাই নি আগৰ দৰে তল মূৰ কৰে। এটা দীৰ্ঘ নিশ্বাস পেলাই কুঞ্জৰকী গুচি যায়।)

মা ঃ *(কুঞ্জৰকীলৈ চাই)* গাখীৰ খুৱাই সাপ পুহিছিলো। এতিয়া, এই সাপে ব্ৰহ্ম তালুত খোট মাৰিলে। নৰকতো ইয়াৰ স্থান নহ'ব।

মাথুকুট্টী ঃ আমাৰ কথাৰ মাজত সোমাবলৈ তোমাক কোনে কৈছে? সাৰাম্মা, কোৱা,

মাথুকুট্টী ঃ তাৰ কথা কিয় কৈছা মা? সিয়েই জানো অকলে দায়ী! সি নহলেও আন এটা হ'লহেঁতেন!

মা ঃ *(সাৰাম্মাৰ প্ৰতি)* তয়ো তাৰ লগতে ওলাই নগলি কিয়? থিয় হৈ কি চাই আছ? তোৰ বাবে সৌ তাতে ঠাই আছে (আঙুলি নিৰ্দ্দেশেৰে ৰাজপথলৈ দেখুৱায়) সৌ তাঁত, আলিবাটত।

মাথুকুট্টী ঃ *(সাৰাম্মাক উদ্দেশ্য কৰি)* এই কাৰবাৰত কেতিয়াৰ পৰা নামিছ, শুনো?

সাৰাম্মা ঃ *(মাথুকুট্টীৰ অন্ধ চকুৰ আগত হাতযোৰ কৰি)* নাই, নাই, এনেকৈ নকবা। মই ভুল কৰিলো, স্বীকাৰ কৰিছোঁ। এই ভুলৰ বাবে, ইচ্ছানুযায়ী মোক শাস্তি দিয়া। এটা ভুলৰ বাবে ....সচাঁকৈয়ে মাত্ৰ এবাৰ......... *(কান্দি পেলায়)*

মাথুকুট্টী ঃ *(পৰিহাসৰ সুৰত)* হিচাপ দেখিছোঁ, ৰাখিবলৈ পাহৰা নাই। এতিয়া মোক হিচাব দিবলৈ আহিছে। শুনা মা, তোমাৰ বোৱাৰীয়ে হিচাব দিছে, লগতে বেদান্তৰ বাণীও শুনাইছে।

মা ঃ এই পাপিনী তিৰোতাজনী অহাৰ পৰা এই ঘৰৰ কেৱল অনিষ্ট হৈছে, সুখ শান্তি নোহোৱা হৈছে। *(কপালত হাত দি দুৰ্ভাগ্যৰ কথা স্মৰণ কৰে)*

(মাথুকুট্টীয়ে হাঁহি থাকে। হাঁহিত ব্যঙ্গ ভাৱ পৰিলক্ষিত। সাৰাম্মাই অতি নিৰাশা আৰু ক্ৰোধেৰে মাথুকুট্টীলৈ চাই, দৃঢ়তাৰে কয়)

সাৰাম্মা ঃ *(খং ভাৱ)* হৈছে, বহুত হৈছে। এতিয়া মোক কৈ দিয়া, মই কি কৰিম? মৰিব লাগে? ইমান হাঁহিবলৈ কি আছে? মই ভুল কৰিলো, তাৰ ফল মই ভুগিম। এতিয়া মোক তিৰস্কাৰ কৰি থাকিলে কি হ'ব। মোক বাহিৰ কৰি দিয়া। ইয়াত ৰাখি মোক কিয় মাৰিছা? মই এজনী মাইকী মানুহ। ময়ো জীয়াই থাকিব লাগে। চাৰি বছৰ মৰম

চেনেহৰ পৰা বঞ্চিতা হৈ ইয়াত মই জীয়াতু ভুগিছো, কাৰো সহায় নাই, দয়া-মায়া নাই, চাকৰণীৰ দৰে কেৱল কাম কৰিছো। বিয়া কৰিয়েই মোক এনেদৰে পেলাই গুচি গ'লা। বিবাহিতা স্ত্ৰীৰ প্ৰতি তোমাৰ কোনো মৰম নাই, আকৰ্ষণ নাই, দায়িত্ব নাই। এতিয়া আহিছা বিচাৰ ল'বলৈ। (*কান্দে, কান্দি যেন বিদ্ৰোহ কৰিছে! সাৰাম্মাৰ অপ্ৰত্যাশিত ক্ৰোধ আৰু কান্দোন শুনি মাথুকুট্টী আচৰিত হৈ পৰে। তেওঁৰ সৰ্ব্বশৰীৰ কঁপে। খেপিয়াই খেপিয়াই চকীখনত ধৰিবলৈ যায়। সাৰাম্মাই ধৰি মেলি বহুৱাই দিয়ে। খন্তেকলৈ পৰিবেশ নীৰৱ, নিস্তব্ধ।*)

মা ঃ (*মাথুকুট্টীৰ কাষলৈ গৈ*) মোৰ সোণ, এতিয়া মোক কছোন, তোৰ চকু কেনেকৈ অন্ধ হ'ল? তোৰ মাৰক এই দুৰ্ভাগ্যৰ কথাওঁ শুনিবলৈ দে। (*মাথুকুট্টীৰ গাত ধৰি অলপ মৰম কৰে, কিন্তু মাথুকুট্টী নিৰ্বাক্ নিস্পন্দ।........ অলপ পিছতে তেওঁ সাৰাম্মাৰ ফালে ঘূৰি নিৰাশ হৈ কয়*) ডাইনীজনীক মোৰ ল'ৰালৈ বিয়াপাতি সকলো বিপদ চপাই ললোঁ। তাইৰ পাপতে সি চকুৰ দৃষ্টি হেৰুৱালে, কণা হ'ল! এতিয়া কি চাই আছ? পাপিনী?

শব্দ।

দূৰৈৰ পৰা আহিছে।

''তেওঁ আকৌ আহিছে! সত্যত বিশ্বাসী, হে,

মানৱ, সাজু হোৱা!!''

[*নেপথ্যত প্ৰতিধ্বনিত হোৱা এই ঘোষণা কাণ ঠিয় কৰি সাৰাম্মাই শুনে আৰু খণ্ডত বিৰক্ত হয়।*]

সাৰাম্মা ঃ তেওঁ যেতিয়া আহিব, তেতিয়া জাগ্ৰত কন্যা সকলক অভিনন্দন জনাব। হুহ।

[*মাথুকুট্টীয়েও মন দি ঘোষণা শুনে আৰু কয়*]

মাথুকুট্টী ঃ আনবোৰক তেওঁ মৃত্যুহীন পোক পৰুৱা আৰু জ্বলি থকা জুই শিখাৰে আবৃত নৰকলৈ ঠেলি পঠাব। তেওঁলোকক— এৰা, ভাবিলে খুব কষ্ট লাগে।

মা ঃ তেওঁ এজন ধৰ্ম্ম যাজক। যীশুৰ পবিত্ৰ বাণী প্ৰচাৰ কৰি ফুৰাই তেওঁৰ কাম, বোপাই। (*মাথুকুট্টীয়ে মাকৰ কথাষাৰ যেন শুনা নাপালে। তেওঁৰ পিয়াহ লাগিছে, ডিঙি শুকাই গৈছে। সাৰাম্মাই কথাটো ধৰিব পাৰি বেগাই পানী এগিলাচ আনি দিলেহি।*)

সাৰাম্মা ঃ পানী। (*মাথুকুট্টীয়ে পানী গিলাচ খালে। ইফালে সিফালে খেপিয়াই আগবাঢ়িল। সাৰাম্মাই আগত থকা টুলখন আঁতৰাই দিলে*)

মাথুকুট্টী ঃ (*আগলৈ আহি খন্তেক ৰৈ, গদ্ গদ্ কণ্ঠেৰে*) হে ভগৱান, এই সকলোবোৰ কষ্ট কিয় দিছা। কেনেকুৱা, কেনেকুৱা ভয়ঙ্কৰ দৃশ্য দেখি আহিছো; কিমান কিমান নাৰকীয় যন্ত্ৰনা সহ্য কৰিছোঁ। মুণ্ডহীন মানুহৰ শৰীৰৰ পৰা বোৱা তেজৰ সোঁত

দেখিছোঁ! সেই ভয়ঙ্কৰী যুদ্ধৰ ফলত, বোমা পৰিছে,..... বোমাৰ আঘাতত মানুহৰ হাত ভৰি, মূৰ-চকু শৰীৰৰ পৰা চিন্ন-ভিন্ন হৈ চাৰিওফালে চিটিকি পৰিছে। প্ৰাণ বায়ু বাহিৰ নৌহওতেই জীৱন্ত মানুহৰ মাংস খোৱা-কামোৰা কৰি শিয়ালৰ দলে টানি আজুৰি নিছে। এইবোৰ মৰ্ম্মান্তিক ঘটনা মই দেখি আহিছো। কিন্তু হায়! সেইবোৰে মোক সিমান দুখ দিয়া নাছিল .... (*অলপ কোমল স্বৰেৰে*) কেতিয়াবা মাঁ কো সপোনত মৰা দেখিছিলো। মোৰ চকু অন্ধ হৈ যোৱাৰ পাছত, ডাক্তৰে কৈছিল, মই কিজানি নাবাচিম। কিন্তু নমৰিলোঁ! অন্ধ হৈয়ো মই ঘৰ পালোহি, ভাবিলো......... (*অসহ্য বেদনাৰে দীৰ্ঘ নিঃশ্বাস পেলাই*) .... কিন্তু, কিন্তু কি হ'ল........ সাৰাম্মা? তোমাৰ এই ....

সাৰাম্মা ঃ (*কাষ চাপি*) এনেকৈ নকবা, মই সহ্য কৰিব নোৱাৰো। .... মই ভুল কৰিলো, যি ভুল এতিয়া শুধৰাবৰ কোনো উপায় নাই। ইয়াৰ শাস্তি মই ভোগ কৰিম। মই একো সুখ নিবিচাৰোঁ....... তথাপিও এজনী চাকৰণীৰ দৰে .... (*সাৰাম্মাই আৰু ক'ব নোৱাৰিলে। মাথুকুট্টীৰ ভৰিত মূৰ থৈ বহি পৰিল।*)

মাথুকুট্টী ঃ (*সাৰাম্মাৰ মূৰত মৰমেৰে হাত ফুৰাই ...... থোকা থুকি মাতেৰে কয়*) নাকান্দিবা, সাৰাম্মা, নাকান্দিবা। (*অলপ বৈ*) মাঁ, মোৰ ভোক লাগিছে।

—পট পৰিবৰ্তন—

দ্বিতীয় অঙ্ক

প্ৰথম দৃশ্য

স্থান ঃ মাথুকুট্টীৰ ঘৰৰ এটা কক্ষ। পিচফালে আৰু সোঁফালে দুৱাৰ আছে। সাৰাম্মাই এটা কোণত বহি তৰকাৰি কুটি থাকে। মাথুকুট্টীয়ে চকুত কলা চচ্‌মা পিন্ধি লাহে লাহে ইফাল সিফাল কৰে।

মাথুকুট্টী ঃ (*পিচফাললৈ ঘূৰি*) মাঁ, মাঁ,?

সাৰাম্মা ঃ এনেদৰে সকলো সময়তে মাক কিয় চিঞৰি থাকা?

মাথুকুট্টী ঃ মোক একাপ কফি লাগে।

সাৰাম্মা ঃ (*ঠিয় হৈ*) মোক ক'লেই হয়। মই জানো দিব নোৱাৰো?

মাথুকুট্টী ঃ মাঁ ....

মা ঃ (*পিচ দুৱাৰৰ পৰ্দাৰ ফাঁকেদি*) কি হ'ল?

মাথুকুট্টী ঃ (*জোৰেৰে*) মোক অলপ কফি দিয়া, মাঁ।

সাৰাম্মা ঃ মোৰ প্ৰশ্নৰ উত্তৰ কিয় নিদিয়া?

মাথুকুট্টী ঃ উত্তৰ দিবলৈ বিশেষ কথা নাই। মানুহে ডাঙৰ বিপদত পৰিলে মাকৰ ওচৰলৈ দৌৰ মাৰে।

সাৰাম্মা ঃ সদায় যায় নে?

মাথুকুট্টী ঃ সদায় যায়।

সাৰাম্মা ঃ স্ত্রী থকা সত্ত্বেও?

মাথুকুট্টী ঃ এৰা, স্ত্রী থকা সত্ত্বেও। স্ত্রী, ল'ৰা-ছোৱালী থাকিলেও মাঁকৰ দৰে তেওঁলোকে স্নেহ নকৰে, সহ্যও নকৰে। কৰিব নোৱাৰে।

(মাকে এনেতে কফি একাপ লৈ ভিতৰৰ পৰা ওলাই আহে, এটা সৰুকৈ কাহ মাৰি দৃষ্টি আকর্ষণ কৰে। মাথুকুট্টীৰ হাতত কফি কাপ দিয়ে)

মা ঃ কি অ' বোৱাৰী, তই ল'ৰাটোক কফি একাপো কৰি দিব নোৱাৰনে? তাৰ বাবে এই বুঢ়া বয়সত মই হে দৌৰিব লাগে নে? কাহি কাহি ইফালে মোৰ আধ্যা নোহোৱা হৈছে। *(কাহে)*

(সাৰাম্মাই একো উত্তৰ নিদি মাথুকুট্টীৰ চেহেৰাৰ ফালে অসহায় দৃষ্টিৰে চালে। এই মূক প্রার্থনা অন্ধ মাথুকুট্টীৰ ওচৰত নিৰর্থক, ইয়াকে ভাবি আকৌ নিৰাশাৰে সাৰাম্মাই তল মূৰ কৰি বহি তৰকাৰি কুটাত লাগিল।)

মাথুকুট্টী ঃ *(কফি খাই থকাৰ মাজতে)* মা, সেইটো তেওঁৰ দোষ নহয়। মায়ে দিব লাগে বুলি ময়ে কৈছিলোঁ।

মা ঃ এৰা, তইতো মোক কবিয়েই, মই বেয়া নাপাওঁ *(মূৰ জোকাৰে)* তাইক আৰু ভাল কৰিব নোৱাৰি। মইতো কাহি কাহিয়েই মৰিছোঁ....... এই কেইদিন বৰষুণত তিতিলো বাবেই, এই পানী লগা কাহে পালেহি। গাটো জ্বৰ জ্বৰ লাগিছে, অলপ বিচনাত পৰোঁগে। *(খোৱা কফিৰ কাপ প্লেট লৈ ভিতৰলৈ যায়। মাথুকুট্টীয়ে জেপৰ পৰা চিগাৰেট উলিয়াই জ্বলায়। আকৌ ইফাল সিফাল কৰে।)*

মাথুকুট্টী ঃ সাৰাম্মা!

সাৰাম্মা ঃ কি?

মাথুকুট্টী ঃ তুমি কথা নোকোৱা কিয়, সাৰাম্মা?

সাৰাম্মা ঃ মই কি ক'ম, কাক ক'ম?

মাথুকুট্টী ঃ মোলৈ মাৰ মৰম বেছি বাবেহে মায়ে তেনেকৈ কৈছে। তাতে তুমি কিয় বেজাৰ পাইছা? তুমিও এদিন .... *(হঠাৎ বৈ যায়)*

সাৰাম্মা ঃ *(চেহেৰা বিমর্ষ হৈ যায়। তৎক্ষণাৎ উঠি মাথুকুট্টীৰ ওচৰত ঠিয় হয়)* **এৰা, এনেকুৱা হয়েই। নিজৰ পত্নীক যোগ্য স্থানৰ উপযুক্ত বুলি যি স্বামীয়ে গণ্য নকৰে, তেওঁ মাকৰ ওচৰলৈ নগলে নচলে। ......মোক ক্ষমা কৰিবা। মই সত্য কথা কৈছোঁ,**

তোমাৰ জীৱনত মই এটা বোজা হৈ আছোঁ, তুমি মোক ৰক্ষা কৰিলা, নহলে আলিবাটত ঠিয় দিব লাগিলহেতেঁন। মই তোমাক ফাঁকি দিলো, তোমাৰ বিশ্বাস হেৰুৱালোঁ। তোমাৰ স্নেহ পাবলৈ মোৰ কোনো অধিকাৰ নাই। মই গুচি যাম। কোনো ক্ষোভ বা অসন্তোষত মই যাব খোজা নাই। মোক যাবলৈ দিয়া, দয়া কৰি অনুমতি দিয়া।

মাথুকুট্টী ঃ সাৰাম্মা, তোমাৰ স্পষ্ট কথাত মই ভাল পাইছোঁ। ময়ো মোৰ বক্তব্য স্পষ্টকৈ তোমাক কম। তোমাৰ সুখৰ বাবে মই চিন্তা কৰিছো। কিন্তু, এজনী স্ত্ৰীৰূপত তোমাক চেনেহ কৰিবলৈ মই অসমৰ্থ। তুমি বেজাৰ নকৰিবা। যোৱা তিনিমাহে মই তোমাক চেনেহ কৰিবলৈ চেষ্টা কৰিছোঁ। তোমাৰে মোৰে সম্পৰ্ক গীৰ্জাত অনুষ্ঠিত হোৱা এটা সাধাৰণ ধৰ্মীয় কামৰ বাহিৰে একো নাছিল বিয়াৰ ঠিক পাচতে মই গলো যুদ্ধলৈ। মই উভতি অহাৰ পাচত গীৰ্জাত হোৱা আমাৰ আগৰ দুৰ্বল সম্বন্ধ চিন্ন-ভিন্ন হৈ গ'ল। তোমাক দ্বিতীয় বাৰ স্বীকাৰ কৰি লোৱা কাৰণ মাত্ৰ কৰুনা নাছিল, তাত স্বাৰ্থও আছিল। মোৰ নিজৰ অসমৰ্থতাৰ কথাও মই মৰ্ম্মে মৰ্ম্মে উপলব্ধি কৰিছিলো। তুমি বেয়া পথত আগ বাঢ়িছিলা। মই অন্ধ হৈ ঘৰলৈ উভতিছিলোঁ। এইবোৰ কথা চিন্তা কৰি, চিন্ন-ভিন্ন হৈ যোৱা দুটা জীৱনক পুনৰ সংযোগ কৰিবলৈ মই আশা কৰিছিলোঁ। কিন্তু সাৰাম্মা, প্ৰকৃত মৰম স্নেহ এনেকৈ প্ৰতিষ্ঠা কৰিব নোৱাৰি। কেৱল ব্যৱহাৰিক জীৱনৰ সা-সুবিধাৰ বাবে বিবাহৰ প্ৰয়োজন বুলি কলে ভুল কোৱা হ'ব। (*মাকে ভিতৰত কাহে*) আমাৰ ভিতৰত আকৌ পতি-পত্নীৰ সম্পৰ্ক গঢ়ি নুঠে। বিশেষকৈ বতমান অৱস্থাত ....

সাৰাম্মা ঃ (*সৰু কণ্ঠস্বৰেৰে*) বৰ্তমান অৱস্থাত? মানে?

মাথুকুট্টী ঃ মই অন্ধ হৈ দৃষ্টি শক্তি হেৰুৱালো, আৰু ইফালে তোমাৰ শৰীৰৰ হ'ব লগা পৰিৱৰ্তন ....

সাৰাম্মা ঃ (*কাণত হাত দি, যেন শুনিবলৈ প্ৰস্তুত নহয়*) আহ, বন্ধ কৰা। এনেকৈ নকবা, মই সহ্য কৰিব নোৱাৰো। মোক ঘৰৰ পৰা বাহিৰ কৰি দিয়া। এনেকৈ জীয়াই জীয়াই নুপুৰিবা।

মাথুকুট্টী ঃ সাৰাম্মা, তোমাৰ মনত কষ্ট দিবলৈ মই কোৱা নাই। তোমাৰ প্ৰতি মোৰ এটা কৰ্ত্তব্য আছে। তোমাক ইয়াৰ পৰা পঠাই দিলে কোনে তোমাক সহায় কৰিব?

সাৰাম্মা ঃ যদি তোমাৰ মানসিক শান্তিৰ বাবে প্ৰয়োজন বুলি ভাবিছা, তেন্তে তুমি মোক ইয়াৰ পৰা পঠাই দিয়া। মই কৰবালৈ গৈ আশ্ৰয় লম। অপৰাধিনী হলেও মোৰ এখন অন্তৰ আছে।

মাথুকুট্টী ঃ সাৰাম্মা, তুমি অনৰ্থক ভুল বুজি নিজকে কষ্ট দিছা। নিজৰ মনটো অস্থিৰ কৰি

নুতুলিবা। এই জীৱনত কাৰো প্ৰতি মই খং নকৰোঁ, নিৰ্দয়তা নেদেখুৱাও। যুদ্ধলৈ গৈ মই বুজিব পাৰিছো, নিৰ্দয়তাৰ কি ভীষণ পৰিণাম। তুমি ইয়াৰ পৰা গুচি যোৱাৰ কথা কৈছা। কোনোবাই জানো তোমাক যাবলৈ কৈছে? তুমি গৈ কি কৰিবা?

শব্দ

পৰ্দাৰ আঁৰত। (*নেপথ্যত*)

তেওঁ আকৌ আহিছে!!

(*সাৰাম্মা আৰু মাথুকুট্টীয়ে উপচ খাই উঠে*)

মাথুকুট্টী ঃ (*হঠাৎ সোধে*) সাৰাম্মা! কুঞ্জৰৰ্কী ক'ত আছে? (*সাৰাম্মাই মনে মনে থাকে*)

মাথুকুট্টী ঃ মই কি শুধিছো, শুনিছানে?

সাৰাম্মা ঃ (*তললৈ মূৰ কৰি*) ইয়াতে ক'ৰবাত আছে।

মাথুকুট্টী ঃ সি কি কৰি আছে?

সাৰাম্মা ঃ মই নাজানো। বোধকৰো ইফালে সিফালে ঘূৰাঘূৰি কৰিছে।

মাথুকুট্টী ঃ ইয়ালৈ আহিছিল?

সাৰাম্মা ঃ নাই অহা।

শব্দ।

পৰ্দাৰ আঁৰত (*নেপথ্যত*)

তেওঁ আকৌ আহিছে। নৱবিবাহিতা সকল, অপেক্ষা কৰা!!

মাথুকুট্টী ঃ তথাপিও .... এদিন সি আছিল মোৰ অন্তৰঙ্গ বন্ধু .... কিন্তু আজি? পৃথিৱীখন কিমান ৰহস্যময়; হে ভগৱান, মানুহ পিশাঁচ হৈ পৰিছে। মানুহ, মানুহ হৈ থকা নাই।

সাৰাম্মা ঃ (*উচুপি*) নহয় নহয়, তেনেকৈ নকবা। মোৰ ভুলৰ বাবে আন এজনক কিয় দোষাৰোপ কৰিছা? বৰং মোক শাস্তি দিয়া।

মাথুকুট্টী ঃ এতিয়াও তুমি তাৰহে ওকালতি কৰিছা?

সাৰাম্মা ঃ তুমি খং নকৰিবা। এটা এটাকৈ তুমি মোৰ সকলো কথাই গম পাইছা। তেওঁ ভুল কৰিলে। তেওঁৰ কথাকৈ মোক আৰু কষ্ট নিদিবা। মই সহ্য কৰিব নোৱাৰো ....।

মাথুকুট্টী ঃ ঠিক কথা, মইতো এটা অন্ধ মানুহ। মোক এতিয়াও তুমি সহজে ফাঁকি দিব পাৰা। নহয় জানোঁ?

সাৰাম্মা ঃ বিশ্বাস কৰা, তুমি অহাৰ পাচত তেওঁৰ লগত মোৰ আৰু দেখা হোৱা নাই। মই লগ পাবও নোখোজোঁ। তোমাক কাবৌ কৰি মাতিছো, আমাক তুমি ক্ষমা কৰা।

মাথুকুট্টী ঃ মই তাক মৰম কৰিছিলোঁ, সি মোৰ প্ৰতি দ্ৰোহ আচৰণ কৰিলে। মই অহা

তিনিমাহ হ'ল, সি এদিনো মোৰ ওচৰলৈ নাহিল। মই আৰু তাক ক্ষমা কৰিব লাগে, কিহৰ বাবে ক্ষমা কৰিব লাগে কোৱা সাৰাম্মা?

সাৰাম্মা ঃ তোমাৰ পুৰণি বন্ধুৱে আজিও তোমাক ভাল পায়। তোমাৰ ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিবলৈ কামনা কৰে। কিন্তু ওচৰলৈ আহিবলৈ সাহস কৰা নাই, কথা ইমানেই।

মাথুকুট্টী ঃ কি? ক্ষমা প্ৰাৰ্থনা বিচাৰিবলৈ?

সাৰাম্মা ঃ তুমি আহিবৰ দিনা, তেওঁ অনেকবাৰ চেষ্টা কৰিছিল। কিন্তু তোমাৰ খং উঠি আছিল।

মাথুকুট্টী ঃ তুমি কেনেকৈ জানিলা?

সাৰাম্মা ঃ মই জানো এজনী তিৰোতা নহয়?

মাথুকুট্টী ঃ মানে, তোমাৰ অন্তৰে এতিয়াও কুঞ্জৰৰ্কীৰ বাবে কান্দিব লাগিছে।

সাৰাম্মা ঃ বাৰে বাৰে তুমি একে কথাকে কৈ মোক কিয় বেজাৰ দিছা?

মাথুকুট্টী ঃ (*নিৰাশাৰে মূৰ ওপৰলৈ তুলি*) সাৰাম্মা, মই এতিয়া বুজিছো তোমাক এইবোৰ কথা সোধা মোৰ ভুল হৈছিল। মই তোমাৰ প্ৰতি যি অসৎ আচৰণ কৰিছোঁ তাৰ বাবে তুমি মোক ক্ষমা কৰিবা। মই আৰু এতিয়া তোমাৰ জীৱনত প্ৰতিবন্ধক হৈ থাকিব নোখোজো। ময়ো গুচি যাম। বহুত দূৰলৈ আঁতৰি যাম।

সাৰাম্মা ঃ (*দৌৰ মাৰি মাথুকুট্টীৰ হাতত ধৰি*) মোৰে শপত, এনেকৈ নকবা। মই হে তোমাক ফাঁকি দিছোঁ, দ্ৰোহ আচৰিছোঁ। মোৰ বাবে এতিয়া তুমি গুচি যাব খুজিছা? মই তোমাক কথা দিছোঁ, তেওঁ ইয়ালৈ কেতিয়াও নাহে।

মাথুকুট্টী ঃ সাৰাম্মা, তুমি মোক এতিয়াও ভুল বুজিছা। কুঞ্জৰৰ্কী ইয়ালৈ অহাত মোৰ কোনো আপত্তি নাই। তোমাক ঘৃণা কৰিও মই ইয়াৰ পৰা যাব খোজা নাই। তোমাৰ প্ৰতিবন্ধক হৈ আছো বাবেহে মই যাব খুজিছোঁ।

সাৰাম্মা ঃ তুমি গুচি গলে মায়ে কি কৰিব?

মাথুকুট্টী ঃ (*ক্ষন্তেক ৰৈ*) মাৰ কথা কৈছা? এৰা, মায়ে কি কৰিব? কিন্তু মই গুচি যোৱাটো যে নিতান্ত দৰকাৰ। মাক ইয়াত এনেকৈ পেলাই মই কেনেকৈ যাম? তাতে মই আজি অন্ধ? মা'ৰ বাবে, মোৰ নিজৰ বাবে, মই ইয়াতে বহুত দিন জীয়াই থাকিব লাগিব। মই হয়তো সকলোবোৰ দুখ-যান্ত্ৰনা সহ্য কৰিব লাগিব, সাৰাম্মা! মোৰ কপালত হয়তো ভগবানে দুখকে লিখিছে।

মা ঃ (*ভিতৰৰ পৰা*) মাথুকুট্টী, মাথুকুট্টী! (*কাহে*)

সাৰাম্মা ঃ মায়ে মাতিছে।

মা ঃ (*ভিতৰৰ পৰা*) মাথুকুট্টী।

মাথুকুট্টী ঃ কি মা? (*হাত আগবঢ়াই আগলৈ যাবৰ বাবে খেপিয়াই ফুৰা দেখি*

সাৰাম্মাই মাথুকুট্টীৰ হাতত ধৰি ভিতৰলৈ লৈ যায়।)

—পট পৰিৱৰ্তন—

দ্বিতীয় দৃশ্য

স্থান ঃ [*মাথুকুট্টীৰ কক্ষ, ৰঙ্গমঞ্চৰ সোফালে আগলৈ আহি মাথুকুট্টীয়ে এজন অপৰিচিত ব্যক্তিৰ লগত কথা পাতি আছে।*]

অপৰিচিত ঃ সেইটো কোনো কথা নহয়।

মাথুকুট্টী ঃ তথাপিও, মই এজন অন্ধ মানুহ, মোৰ দ্বাৰা কি কাম হ'ব পাৰে?

অপৰিচিত ঃ তাত খাৰ বাৰুদ আৰু আন আন বিস্ফোৰক পদাৰ্থৰ বস্তু গোপনে ৰখা হৈছে। সেইবোৰৰ পৰা কেনেকৈ বোমা তৈয়াৰ কৰিব পাৰি, আৰু নিৰ্দিষ্ট স্থানত কেনেকৈ নিক্ষেপ কৰিব পাৰি, সেইটো কলেই আমাৰ বাবে যথেষ্ট হ'ব। তুমি নিশ্চয় পাৰিবা।

মাথুকুট্টী ঃ সেইটো অৱশ্যে কব পাৰিম, কিন্তু ৰাঘৱ এটা কথা........

অপৰিচিত ঃ কি হ'ল? কিবা আপত্তি আছে?

মাথুকুট্টী ঃ নাই, এনে কোনো কাৰণ নাই।

অপৰিচিত ঃ তোমাৰ মনত সন্দেহ থাকিলে, মই মিছাতে জোৰ নকৰো। তাতে কামটো বৰ বিপদজনক। তুমিটো সকলো জানা। মই কি কম?

মাথুকুট্টী ঃ যুদ্ধত সৈনিক ৰূপে যোগ দি মই কাপুৰুষতা কি নজনা হৈছোঁ। বিগত যুদ্ধখনে মোক বহুতো সাহস দিলে। তোমাৰ লগত যাবলৈ মোৰ কোনো আপত্তি নাই। ইটালী আৰু ইজিপ্তত যুদ্ধ কৰিবলৈ আমি অনুপ্ৰেৰণা পাইছিলোঁ। শত্ৰুপক্ষৰ জঘন্য বৰ্ব্বৰতাৰ বিৰুদ্ধে যুঁজিবলৈ মোৰ তেজ উতলা হৈ পৰিছিল। ইয়াতো যুদ্ধ কৰিবলৈ মই সাজু আছোঁ। বিজয়ৰ চিন্তা মই নকৰোঁ। মাত্ৰ এটা কথাই মোক বৰকৈ কষ্ট দিছে। মই গুচি গলে, মাৰ আৰু কোনো আশ্ৰয় নাথাকিব।

অপৰিচিত ঃ মাথুকুট্টী, সামগ্ৰিক কল্যাণৰ হকে নিজৰ ব্যক্তিগত স্বাৰ্থ, দায়বদ্ধতা হেলাৰঙে ত্যাগ কৰিব লাগিব, তুমি নিশ্চয় এইকথা স্বীকাৰ কৰিবা। মই মোৰ মাক লগ পাইছিলোঁ দুবছৰৰ আগতে।

মাথুকুট্টী ঃ মোৰ অসুবিধাৰ কথা প্ৰতিপন্ন কৰিবলৈ মই এনেদৰে কোৱা নাই। তথাপিও তোমাৰ অনুৰোধৰ বিষয়ে মই খাটাং কিবা এটা কোৱাৰ আগতে ....

(*কথা শেষ নৌহওতেই পাদ্ৰীচাহাব সোমাই আহে*)

পাদ্ৰী ঃ যীশুক অভিবাদন জনাইছোঁ। মাথুকুট্টী, বোপা, কুশলে আছা নে?

অপৰিচিত ঃ তেন্তে, মাথুকুট্টী মই যাওঁ। (*বেগেৰে প্ৰস্থান*)

পাদ্ৰী ঃ (*সন্দেহৰ চকুৰে ৰাঘৱন যোৱা চাই থাকে*) এওঁ কোন মাথুকুট্টী?

মাথুকুট্টী ঃ (*উদাস ভাৱে*) এটা কাৰখানাত কাম কৰা মানুহ।.......

পাদ্ৰী ঃ তেওঁ কিয় আহিছিল?

মাথুকুট্টী ঃ এনেয়ে আহিছিল। আগতে আমি দুয়ো, কাৰখানাত একেলগে কাম কৰিছিলোঁ।

পাদ্ৰী ঃ মাৰিয়াম্মা বাইদেউৰ এতিয়া কেনে? (*সাৰাম্মা সোমাই আহে*)

মাথুকুট্টী ঃ সিমান বেয়া নহয়। আগতকৈ ভাল পাইছে।

পাদ্ৰী ঃ সেইয়া আক' কোন, সাৰাম্মা আইতী যেন পাইছোঁ?

সাৰাম্মা ঃ (*মাথুকুট্টীক কয়*) মা'য়ে ইয়ালৈ আহি বহিব খুজিছে। (*মাথুকুট্টীক হাতত ধৰি মাকৰ ওচৰলৈ লৈ যায়।*)

পাদ্ৰী ঃ (*হাত ওপৰলৈ দাঙি সৰগলৈ চাই কয়*) যীশুৰ পৱিত্ৰ আদেশ সত্যত পৰিণত হোৱা সময় উপস্থিত। এইয়া বিপদৰ আগ জাননী। মানুহৰ অৱসানৰ আগমুহূৰ্তত পূৰ্বদিশৰ পৰা মানৱ পুত্ৰৰ আগমন মই দেখিবলৈ পাইছোঁ। শাস্তি-বিধানৰ দিন চমু চাপি আহিছে। যীশুক প্ৰনাম জনাইছোঁ!

(*সাৰাম্মা আৰু মাথুকুট্টীয়ে ধৰি মাকক ভিতৰৰ পৰা আনে আৰু চকী এখনত বহুৱাই দিয়ে।*)

পাদ্ৰী ঃ (*কাষত ঠিয় হৈ*) মাৰিয়াম্মা বাইদেউ, কাহ অলপ কমিছেনে? বহুত দিনৰ পৰা এই ফালে আহো আহো কৰি আছিলো..........

মা ঃ পাদ্ৰী চাহাব, মোৰ গা সমূলি ভাল নহয়। ডাক্তৰ আহিছিল, দৰৱ লিখি গৈছে। কিন্তু আনিবলৈ মানুহ নাই। মাথুকুট্টীয়েতো চকুৰে নেদেখে। (*কাহে*) তাক দৰৱ আনিবলৈ কেনেকৈ পঠাও? অদৃশ্যৰ অভিশাপ মূৰত তুলি আন মানুহৰ মুখলৈ চাওঁ কেনেকৈ?

(*সাৰাম্মাই কথাৰ অৰ্থ বুজি বিষাদ মনেৰে ভিতৰলৈ সোমাই যায়।*)

মাথুকুট্টী ঃ মা, সাৰাম্মাক সকলো সময়তে কিয় শাও দি থাকা? যি ভাগ্যত আছিল, ঘটিল। এতিয়া তেওঁক গালিপাৰি থাকিলে কি লাভ?

মা ঃ কি লাভ ? লাভ লোকচানৰ কথা নকবি। একো হোৱা নাই বুলি ভাবিছ হবলা ? সৰ্বনাশ হ'বলৈ জানো বাকী আছে ? সকলো আশা ভৰসা মাটিত ধূলিসাৎ হৈ গ'ল। (*খং ভাবেৰে*) গোটেই পৰিয়ালটো ধ্বংস হৈ গ'ল। (*কাহে*) এই পাপিনীজনীৰ শাওপাততে মোক এই বেমাৰে পালে। তাইৰতো একো হোৱা নাই... মৰিছো মই হে, আৰু তই।

পাদ্ৰী ঃ তোমাৰ ক্ৰোধত যাতে সূৰ্য্য অস্ত নাযায়; মৰিয়াম্মা বাইদেউ, চাবা। আমাৰ পাপৰ বাবে প্ৰভু যীশুৱে এদিন ক্ৰুছ্বিদ্ধ হ'ব লগাত পৰিছিল। ডাঙৰ ধাৰ

পৰিশোধ কৰাৰ দৰে আমিও ধৈয্য সহকাৰে ডাঙৰ দোষ ভুল ক্ষমা কৰিব লাগে।

মা ঃ পাদ্ৰী চাহাব, আপুনি কি ক্ষমা কৰাৰ কথা কৈছে ?

মাথুকুট্টী ঃ মা, খং নকৰিবা। শৰীৰ লৰচৰ কৰিলে কাহ বেছি হ'ব। সাৰাম্মা ?

সাৰাম্মা ঃ (*ভিতৰৰ পৰা*) কি হ'ল ?

মাথুকুট্টী ঃ মা'ৰ খাবৰ সময় হৈছে, ভিতৰলৈ নিয়া।

মা ঃ (*কাহি কাহি*) নালাগে।

মাথুকুট্টী ঃ নাখালে কেনেকৈ ভাল হ'ব ?

মা ঃ নাখাও বুলিছো নহয় ? জোৰ কিয় কৰিছ ?

মাথুকুট্টী ঃ ইয়াত তোমাৰ ঠাণ্ডা লাগিব। ঠাণ্ডা লাগিলে কাহ আৰু বেছি হ'ব। মা, তুমি ভিতৰলৈ ব'লা, অলপ বিচনাত পৰাগৈ। (*মাথুকুট্টীয়ে মাকক ধৰি ভিতৰলৈ লৈ যায়*)

পাদ্ৰী ঃ (*মূৰ দুপিয়াই*) পাপৰ ফল ভয়ঙ্কৰ!!

(*সাৰাম্মাৰ প্ৰবেশ*)

সাৰাম্মা ঃ পাদ্ৰী চাহাব?

পাদ্ৰী ঃ নাৰী, তোমাৰে মোৰে পাৰ্থক্য কি?

সাৰাম্মা ঃ মই কি কৰো পাদ্ৰী চাহাব? মই ডাঙৰ পাপ কৰিলো, ইয়াৰ বাবে মই অনুতপ্ত। কিন্তু, মায়ে মোক ক্ষমা নকৰে, মোৰ স্বামীয়ে মোক স্নেহ নকৰে।

পাদ্ৰী ঃ যীশুৰ শৰণাপন্ন হোৱা।

সাৰাম্মা ঃ কেনেকৈ? মই কি কৰিব লাগিব?

(*মাথুকুট্টীৰ প্ৰৱেশ*)

মাথুকুট্টী ঃ পাদ্ৰী চাহাব, মা'ৰ শৰীৰ খুব বেয়া। দৰৱ কিনিবলৈ কাক পঠাও, কিবা উপায় আছেনে?

পাদ্ৰী ঃ কাৰবাক পঠাই দিয়া।

মাথুকুট্টী ঃ পঠাবলৈ ইয়াত কোনো মানুহ নাই।

পাদ্ৰী ঃ মই বাৰু যত্ন কৰো। কিন্তু, যোৱাৰ আগতে মই মাথুকুট্টীক প্ৰভু যীশুৰ এটা বিশেষ বাৰ্তা শুনাব খোজো।

মাথুকুট্টী ঃ কি বাৰ্তা, পাদ্ৰী চাহাব? কওঁক।

পাদ্ৰী ঃ যি সকলে ক্ষমা কৰে, তেওঁলোক যথাৰ্থতে ভাগ্যবান।

মাথুকুট্টী ঃ ঠিকেই কৈছে।

পাদ্ৰী ঃ তেনেহলে, মাথুকুট্টী, সাৰাম্মাক কিয় ক্ষমা নকৰা?

মাথুকুট্টী ঃ মই ক্ষমা কৰা নাই বুলি আপোনাক কোনে ক'লে?

পাদ্ৰী ঃ অকল ক্ষমা কৰিলেই নহয়। স্নেহো কৰিব লাগে।

মাথুকুট্টী ঃ সেইটো সম্ভৱ নহয়।

পাদ্ৰী ঃ মাথুকুট্টী, ভগৱানক সাক্ষী কৰি তোমালোক দুয়ো বিবাহ-পাশত আৱদ্ধ হৈছিলা। ডাঙৰ ভুল কৰিলেও আমাৰ ধৰ্মীয় বিশ্বাসে তোমালোক বেলেগ হোৱাটো অনুমতি নিদিয়ে। ভগৱানৰ দ্বাৰা মিলিত হোৱা স্ত্ৰীপুৰুষক মানুহে বেলেগ কৰিব নোৱাৰে।

মাথুকুট্টী ঃ ভগৱানৰ দ্বাৰা মিলিত হোৱা মানুহক .... (*চিন্তামগ্ন হৈ ঘূৰে*)

পাদ্ৰী ঃ কি ভাবিছা মাথুকুট্টী?

মাথুকুট্টী ঃ এটা সন্দেহৰ কথা ভাবিছোঁ।

পাদ্ৰী ঃ সেইটো কেনে সন্দেহ?

মাথুকুট্টী ঃ ভগৱানে কাক মিলাই দিছিল? এই যুদ্ধ কিহৰ বাবে? সৈনিক ৰূপে যুদ্ধলৈ গৈয়ো মই কিয় আজিও দৰিদ্ৰ হৈয়ে থাকিলোঁ? সাৰাম্মা আৰু কুঞ্জৱৰ্কীৰ এই মিলন কোনে কৰিলে? এজন আছিল মোৰ অন্তৰঙ্গ বন্ধু আৰু আন গৰাকী মোৰ ধৰ্ম্মপত্নী। কিন্তু দুয়োজনে মোক প্ৰতাৰণা কৰিলে। এইবোৰ কেনেকৈ ঘটিল? ইয়াৰ বাবে দায়ী কোন? কওঁক পাদ্ৰী চাহাব, কওঁক। ভগৱানৰ বিচাৰ কিয় এনে হয়?

পাদ্ৰী ঃ এইবোৰ চিন্তা নকৰিবা, মাথুকুট্টী; সহিষ্ণুতা হৈছে কৃতকাৰ্য্যতাৰ গোপন চাবি-কাঠি। ঘাঁহবোৰলৈ মন নকৰা কিয়? যেতিয়া ধুমুহা আহে, তেতিয়া ঘাঁহবোৰ তললৈ হালি পৰে, কিন্তু ভাঙি চিঙি চূৰমাৰ হৈ নাযায়। বতৰ ফৰকাল হলে আকৌ জীৱ লয়, পোন হৈ পৰে। যীশুৰ ওপৰত নিৰ্ভৰ কৰা। যীশুক অভিবাদন জনোৱা।

মাথুকুট্টী ঃ আপুনি যিহকে নকওক লাগিলে, পৰাজয় মই স্বীকাৰ কৰিব নোৱাৰো। যুদ্ধক্ষেত্ৰৰ পৰা উভতি অহা মই এজন সৈনিক। এই কথা পাহৰিলে নচলিব।

পাদ্ৰী ঃ তথাপিও কওঁ মাথুকুট্টী, ভাবিচিন্তি কাম কৰিবা। উত্ৰাৱল হৈ একো কাম কৰি নেপেলাবা। (বৈ) আৰু পলম নকৰো। পলম কৰিলে, ইফালে দৰৱ নাপাম। মই আহিলো। (*প্ৰস্থান*)

মাথুকুট্টী ঃ সাৰাম্মা।

সাৰাম্মা ঃ কি হ'ল?

মাথুকুট্টী ঃ তুমি মোক বেয়া নাপাবা। শুনা, তোমাৰ পৰা বিদায় লোৱাৰ বাহিৰে মোৰ আন উপায় নাই। মই ইয়াত থাকিলে তোমাৰ আৰু মোৰ উভয়ৰে অমঙ্গল হ'ব।

সাৰাম্মা ঃ মা'ৰ কথা অলপ ভাবা। বেমাৰ বেছি হৈ আহিছে।

মাথুকুট্টী ঃ মা'ৰ কথা?— (*চিন্তামগ্ন হৈ মূৰত হাত দি চকীত বহি পৰে*)

মাথুকুট্টী ঃ দৰৱ কিনাৰ কি উপায় হ'ব? পাদ্ৰী চাহাবে নিজৰ কাম এৰি দৰৱ কিনি পঠিওৱাৰ ব্যৱস্থা কৰিব জানোঁ? (*সন্মুখৰ পৰা লাহে লাহে কুঞ্জৱৰ্কী সোমাই আহে। সাৰাম্মাই ভয়ৰ দৃষ্টিৰে মাথুকুট্টীলৈ চায়*)

মাথুকুট্টী ঃ সাৰাম্মা, কোনোবা অহা যেন পাইছোঁ? সেইয়া কোন আহিছে?

কুঞ্জৰকী ঃ মই .... মই, কুঞ্জৰকী।

মাথুকুট্টী ঃ (*চকীৰ পৰা উচপ খাই উঠে*) কুঞ্জৰকী?

কুঞ্জৰকী ঃ হয়। মই কুঞ্জৰকী।

মাথুকুট্টী ঃ সাৰাম্মা, সি কিয় আহিছে?

কুঞ্জৰকী ঃ পাদ্ৰী চাহাবে পঠাই দিছে। কিবা বোলে দৰব কিনিব লাগে?

মাথুকুট্টী ঃ (*ক্ষন্তেক নীৰৱে থকাৰ পাচত*) সাৰাম্মা! দৰবৰ কাগজখন আৰু পইচা তাক দিয়া। দৰৱ লৈ আহক।

(*ভিতৰৰ পৰা মাকৰ কাহৰ শব্দ কাণত পৰে। সাৰাম্মাই দৰবৰ কাগজখন আৰু পইচা আনি দিওঁ নিদিওঁকৈ মাথুকুট্টীৰ হাতত দিয়ে।*)

মাথুকুট্টী ঃ এইয়া ল' কুঞ্জৰকী।

(*কুঞ্জৰকীয়ে দৰবৰ কাগজখন আৰু পইচা মাথুকুট্টীৰ হাতৰ পৰা লৈ নীৰৱে ওলাই যায়।*)

মাথুকুট্টী ঃ (*দীঘল হুমুনিয়াহ এটা কাঢ়ি*) মাক ইয়েই চাব পাৰিব।

সাৰাম্মা ঃ নহয়, নহয়, এনেকৈ নকবা। এইটো হ'ব নোৱাৰে। (*উচুপি উচুপি কান্দি মাথুকুট্টী বহা চকীখনৰ পিচত ঠিয় দিয়ে।*)

—পট পৰিবৰ্তন—

তৃতীয় দৃশ্য

স্থান ঃ [*মাথুকুট্টীৰ কক্ষ। কক্ষৰ বাওঁফালে এখন বিচনা। বিচনাৰ গাৰুত ওখকৈ মূৰ পেলাই মাক পৰি আছে। মাজে মাজে কাহিছে, আৰু পিকদানিত খেকাৰ-থু পেলাইছে। মাথুকুট্টী আৰু সাৰাম্মাই কাষত ঠিয় হৈ সেৱা শুশ্ৰূষা কৰি আছে।*]

মা ঃ মাথুকুট্টী?

মাথুকুট্টী ঃ কি হ'ল মাঁ?

মা ঃ পানী এটোপা দেচোন বোপাই।

(*সাৰাম্মাই পানী আনি মাথুকুট্টীৰ হাতত দিয়ে। মাথুকুট্টীয়ে মাকক দিয়ে। মাকে অলপ খায়, আকৌ গিলাচটো ওভটাই দিয়ে।*)

মা ঃ চোতালখন চাগে লেতেৰা হৈ আছে। সাৰিব মেলিব পৰা নাই। ময়ো একো কাম কৰিব নোৱাৰা হ'লো। তাইৰ বাবেই এইবোৰ হৈছে, (*কাহে*) কোনো কামৰ লায়েক নহল। (*কাহে*) ঘৰখন ভাঙি গ'ল।

মাথুকুট্টী ঃ মাঁ, বৰকৈ কথা নকবাচোন। কথা বেছিকৈ কৈ থাকিলে কাহঁহো বেচি হ'ব। তুমি কষ্ট পাবা।

মা ঃ বেছি হ'বলৈ দে। (*কাহে*) কাহি কাহি মৰি গলেই ৰক্ষা পাওঁ। তেতিয়াতো তাইৰ ভালেই হ'ব, সুবিধাই পাব। দৰব কি হ'ল? আনিবলৈ কাকো নাপালি হ'বলা? পাদ্ৰী চাহাবৰো দেখা সাক্ষাৎ নাই। (*জোৰকৈ কাহে*)

মাথুকুট্টী ঃ দৰব আনিবলৈ পাদ্ৰী চাহাব যোৱা নাই, কুঞ্জৰৰ্কী গৈছে, মাঁ।

মা ঃ কুঞ্জৰৰ্কী গৈছে? সেই বিশ্বাস ঘাটকক কোনে পঠালে? [*কাহে । কাহ বেছি হোৱাত সাৰাম্মা আৰু মাথুকুট্টীয়ে কাষত বহি মাকৰ পিঠিখন মোহাৰি দিয়ে।*] (*এনেতে হাতত দৰব লৈ কুঞ্জৰৰ্কী সোমাই আহে, মনে মনে ঠিয় দিয়েহি।*)

কুঞ্জৰৰ্কী ঃ (*ক্ষন্তেক ৰৈ*) দৰব।

মাথুকুট্টী ঃ কোন? কুঞ্জৰৰ্কী আহিল হ'বলা। .... সাৰাম্মা দৰবখিনি লোৱা (*সাৰাম্মাই লাহে লাহে উঠি দৰবখিনি ললে*) এটা কাপত ঢালি লৈ আহা। মাক খুৱাব লাগিব। (*সাৰাম্মাই কাপত ঢালি শাহুৰেকক দিব খোজে*)

মা ঃ মোক দৰব নালাগে, লৈ যা।

মাথুকুট্টী ঃ দৰব খোৱা, মাঁ। ভাল দৰব ডাক্তৰে দিছে।

মা ঃ নাখাওঁ বুলিছো নহয়? (কাহে)

(*সাৰাম্মাই দৰবৰ কাপটো মাথুকুট্টীৰ হাতত দিয়ে।*)

মাথুকুট্টী ঃ মই কেনেকৈ খুৱাম মই যে অন্ধ। পৰি যাব । কুঞ্জৰৰ্কী

(*কুঞ্জৰৰ্কীয়ে মাথুকুট্টীৰ হাতৰ পৰা দৰবৰ কাপটো আনে, মাথুকুট্টীৰ মাকৰ ওচৰলৈ গৈ মুখত দৰব ঢালি খুৱাই দিয়ে। মাকে একো আপত্তি নকৰি খাই পেলায়। কুঞ্জৰৰ্কী আৰু সাৰাম্মাই ইজনৰ চকুলৈ সিজনে দৃষ্টি নিক্ষেপ কৰে। সাৰাম্মাই তলমূৰ কৰে।*)

মা ঃ কুঞ্জৰৰ্কী, ইমান দিন ক'ত আছিলা?

কুঞ্জৰৰ্কী ঃ ইয়াতে আছো।

[*মাথুকুট্টীয়ে মঞ্চৰ আগলৈ উঠি আহে, সাৰাম্মাই শাহুৰেকক বিছনিৰে বিছি থাকে।*]

কুঞ্জৰৰ্কী ঃ (*মাথুকুট্টীৰ ওচৰলৈ আহি*) মাথুকুট্টী।

মাথুকুট্টী ঃ হো।

কুঞ্জৰৰ্কী ঃ মোক নামাত কিয়?

মাথুকুট্টী ঃ কবলৈ কি আছে?

কুঞ্জৰৰ্কী ঃ লৰালি কালৰ বন্ধুত্বৰ কথা মনত পেলাই মোক ক্ষমা কৰ মাথুকুট্টী! মানুহ মাত্ৰেই ভুল কৰে, মই আৰু কি ক'ম। মোক তই ক্ষমা কৰ!

মাথুকুট্টী ঃ নাই, মই ক্ষমা কৰিব নোৱাৰোঁ। মিছা কথা কব নোখোজোঁ।

কুঞ্জৰকী ঃ বৰমাঁহি মোক ক্ষমা কৰিলে। গম পালি নহয়?

মাথুকুট্টী ঃ কিন্তু, মাঁয়ে এতিয়ালৈকে সাৰাম্মাক ক্ষমা কৰা নাই। সাৰাম্মাৰ হাতেৰে দৰৱ পৰ্য্যন্ত খোৱা নাই।

কুঞ্জৰকী ঃ মাথুকুট্টীয়ে কিন্তু সাৰাম্মাক ক্ষমা কৰিছে। কিন্তু, মোক তেওঁ কিয় ক্ষমা নকৰে?

মাথুকুট্টী ঃ তইঁত দুটাৰ সম্বন্ধই মোৰে সাৰাম্মাৰে সম্পৰ্ক এতিয়া বহুত বিচিন্ন কৰি পেলালে। বেছি নুসুধিবি, কুঞ্জৰকী, মই কব নোৱাৰিম।........ মই অলপ দিনৰ ভিতৰতে ইয়াৰ পৰা আকৌ গুচি যাম বুলি ভাবিছোঁ।

কুঞ্জৰকী ঃ ক'লৈ?

মাথুকুট্টী ঃ এটা বিপদজনক কামলৈ। এখন ৰণক্ষেত্ৰলৈ যাবৰ বাবে মই মন স্থিৰ কৰি পেলাইছোঁ। তাত দৰমহা পাতি নাই, টকা পইচা নাই, কিছুমান মানুহৰ লগত সঙ্ঘবদ্ধ হৈ দেশৰ বাবে, দেশৰ মানুহৰ বাবে, জীৱন আহুতি দিবলৈ মই ওলাই যাম।

কুঞ্জৰকী ঃ বৰমাঁৰ কি হ'ব? তেখেতক কোনে চাব?

মাথুকুট্টী ঃ সাৰাম্মাক ক্ষমা নকৰিলেও মাঁয়ে তোক ক্ষমা কৰিছে, স্বীকাৰ কৰি লৈছে। তই সেইবাবে, এইখন ঘৰত থাকিব পাৰিবি। মই এটা অন্ধ মানুহ, মোৰ পৰা কাৰো লাভ নহয়। মই ওলাই গুচি যাম, কাৰো একো ক্ষতি নহয়।

কুঞ্জৰকী ঃ মাথুকুট্টী, এনে কৰা অনুচিত, তোৰ সিদ্ধান্ত ঠিক নহয়।

(*পাদ্ৰী চাহাব সোমাই আহে*)

পাদ্ৰী ঃ জেৰুজালেমৰ কন্যা, তোমালোকৰ প্ৰতি প্ৰভু যীশুৰ করুণা হৈছে। .... মাথুকুট্টী, মাৰিয়াম্মা বাইদেউৰ কুশল নে? দৰৱ খালে নে?

মাথুকুট্টী ঃ খালে।

পাদ্ৰী ঃ (*বিচনাৰ কাষলৈ গৈ ডাঙৰকৈ কয়*) মাৰিয়াম্মা বাইদেউ, চিন্তা নকৰিবা। প্ৰভু যীশুৱে নতুন কইনাক স্বীকাৰ কৰি ল'ব। প্ৰভু যীশুৰ বাণী মৰ্ত্তত প্ৰচাৰ কৰা মই এজন সামান্য দূত মাথোন। এতিয়া মই আহিলোঁ।

মা ঃ পাদ্ৰী চাহাব গ'লনে কি অ'?

পাদ্ৰী ঃ (*ডাঙৰ কৈ*) ও, যাওঁ, মাৰিয়াম্মা বাইদেউ। যীশুৰ আত্মাই মোক বাট দেখুৱাই লৈ গৈছে। যীশুৰ য'তে আহ্বান শুনো, তালৈকে মই যাওঁ। পুনৰ আহ্বানৰ সময় আহিছে, মই আহিলো মাৰিয়া বাইদেউ, মই আহিলোঁ। (*প্ৰস্থান*)

মা ঃ কুঞ্জৰকী, দৰৱ কেইবাৰ খাবলৈ কৈছিল?

কুঞ্জৰকী ঃ পাঁচ বা ছয়বাৰ খালেই হ'ব।

মা ঃ ডাক্তৰক এবাৰ মাতিব পাৰিবানে?

কুঞ্জৰৰ্কী ঃ বাৰু মাতিম, বৰমাঁ।

(মাথুকুট্টীয়ে ইফালে সিফালে অহা যোৱা কৰি থাকে। এনেতে সন্তৰ্পনে ৰাঘৱন সোমাই আহে, আৰু মাথুকুট্টীক ৰঙ্গমঞ্চৰ সন্মুখৰ এটা কোনলৈ মাতি নি কিবা ৰহস্যপূৰ্ণ কথা কানে কানে কয়। সাৰাম্মা ভিতৰলৈ যায়। অলপ পাচতে শ্বাঁকে জোৰেৰে কাহে। কাহ শুনি সকলো বেগেৰে আহি তেওঁৰ ওচৰত ঠিয় দিয়েহি। সাৰাম্মা আহি মূৰটো বিচি দিয়ে। কুঞ্জৰৰ্কীয়ে গাৰু ঠিক কৰি ভালকৈ শুৱাই দিয়ে। মাকে কষ্টত কেকায়।)

মা ঃ উহুঁ, মোৰ শৰীৰ বৰ বেয়া। ডিঙিটো শুকাই গৈছে, বৰ কষ্ট পাইছোঁ। হে প্ৰভু, কি কৰিলা!

(কুঞ্জৰৰ্কীয়ে লৰালৰিকৈ দৰৱ এপালি ঢালি খাবলৈ দিয়ে) দৰৱ নালাগে। পানী......... পানী! মাথুকুট্টী মোৰ বোপাই, প্ৰভু যীশু। *(কুঞ্জৰৰ্কীয়ে পানী আনি মাথুকুট্টীৰ হাতত দি মাকৰ মুখত ঢালি দিয়ে।)* অলপ বিচি দে। মাথুকুট্টী, মই আৰু নাবাচোঁ।

(কুঞ্জৰৰ্কীয়ে জোৰেৰে বিচি থাকে)

কুঞ্জৰৰ্কী ঃ সাৰাম্মা আৰু অলপ পানী লৈ আহাচোন।

(সাৰাম্মা ভিতৰ সোমাই যায়)

মা ঃ পানী, হে প্ৰভু যীশু ....

(মাকে মৃত্যুৰ লক্ষণ দেখুৱায়। সাৰাম্মাই ভিতৰৰ পৰা পানী লৈ প্ৰৱেশ কৰে)

মা ঃ কুঞ্জৰৰ্কী, মোৰ ল'ৰাটো .... অন্ধ ....হে প্ৰভু যীশু, তাক চাবা .... *(ঢলি পৰি যায়। এটা চিঞৰ বাখৰ লাগে। মাকৰ মৃত্যু ঘটে। সকলোৱে ওচৰলৈ আহি ঠিয় হয়। মাথুকুট্টীয়ে মাকৰ মৃতদেহৰ ওপৰত পৰি কান্দে। সাৰাম্মাই ভৰিৰ কাষত নিৰ্বাক হৈ ঠিয় দিয়ে। অলপ পিচতে ধৈৰ্য্য ধৰি চকু মোহাৰি মোহাৰি মাথুকুট্টী এখোজ দুখোজকৈ উঠি আহে, আৰু ৰাঘৱনক মাতে)*

মাথুকুট্টী ঃ ৰাঘৱন!

(ৰাঘৱন আগবাঢ়ি মাথুকুট্টীৰ ওচৰত ঠিয় দিয়ে, মাথুকুট্টীয়ে জোৰেৰে ৰাঘৱনৰ হাত দুখন ধৰি কয়।)

মাথুকুট্টী ঃ সাৰাম্মা, কুঞ্জৰৰ্কী, এতিয়া তেনেহলে, মই যাব পাৰোঁ? ....

(সাৰাম্মাই দৌৰি গৈ মাথুকুট্টীৰ হাতত ধৰে)

সাৰাম্মা ঃ আহ্। তুমি এনে সময়ত পাগলামীখন কিয় কৰিছা?

মাথুকুট্টী ঃ *(এটা বিষাদপূৰ্ণ হাঁহি মাৰি)* এই মুহূৰ্ত্তে যোৱাৰ কথা কোৱা নাই সাৰাম্মা। মাত্ৰ কৈছিলোঁ, এই খন ঘৰৰ লগত থকা মোৰ একমাত্ৰ বন্ধন আজিৰ পৰা নোহোৱা হ'ল; মই মুক্ত হলোঁ। মই যোৱাত এতিয়া একো বাধা নাই।

সাৰাম্মা ঃ উহ্ মা। (*মৃত শাহুৱেকৰ পৰি থকা দেহাটোলৈ চায়*)

কুঞ্জৱৰ্কী ঃ মাথুকুট্টী, তই এইবোৰ কি কৈছ? বৰমা!

(*মৃতদেহটোলৈ লক্ষ্য কৰি*)

মাথুকুট্টী ঃ যি মৰি গ'ল, তেওঁ নিজৰ কবৰ নিজেই ঠিক কৰি ল'ব। **সাৰাম্মা,** মই কি কৰিব পাৰোঁ!

[*সাৰাম্মা আৰু কুঞ্জৱৰ্কীয়ে থৰ লাগি ইজনে সিজনলৈ চায়। সাৰাম্মাই মেল খাই থকা শাহুৱেকৰ চকু দুটা জপাই দিয়ে। এখন বগা কাপোৰ আনি কুঞ্জৱৰ্কীৰ সৈতে ধৰি মৃত দেহটোৰ ওপৰত ঢাকি দিয়ে। বিচনাখনৰ কাষত কেইবাডালো মমবাতি দুয়ো জ্বলাই দিয়ে। মঞ্চৰ পোহৰ কমি যায়। সাৰাম্মা আৰু কুঞ্জৱৰ্কী দুয়ো একেলগে আঁঠুকাঢ়ি প্ৰাৰ্থনা কৰে। দূৰৈত নিৰ্বাক, নিথৰ নিস্পন্দ হৈ মাথুকুট্টী ঠিয় দি থাকে। কাষত ৰাঘৱন। কৰুণ সঙ্গীত বাজি উঠে।*]

—পট পৰিৱৰ্তন—

তৃতীয় অঙ্ক

মানুহৰ দ্বাৰা মিলিত হোৱাজনক ঈশ্বৰে যেন পৃথক নকৰে।

স্থান ঃ [*মাথুকুট্টীৰ ঘৰ। খাট, চকী, টুল আদি ইফালে সিফালে সিচঁৰিত হৈ পৰি আছে। এটা চুকত লণ্ঠন এটা দেখা গৈছে। চাৰিওফালে বিশৃঙ্খল এক পৰিস্থিতি। সন্তান সম্ভৱা সাৰাম্মাই এখন চকীত বহি আছে। কাষত ঠিয় হৈ কুঞ্জৱৰ্কীয়ে সাৰাম্মাৰ লগত কথাপাতি থাকে।*]

সময় ঃ দিনৰ দহ বাজিছে।

সাৰাম্মা ঃ ল'ৰা হ'ব নে, ছোৱালী হ'ব?

কুঞ্জৱৰ্কী ঃ ছোৱালী।

সাৰাম্মা ঃ কি কৈছা, ছোৱালী? ওহো নহয়, ল'ৰা।

কুঞ্জৱৰ্কী ঃ কেনেকৈ?

সাৰাম্মা ঃ ছোৱালীনো কেনেকৈ? মই কৈছোঁ ল'ৰা হে হ'ব, বুজিছা?

কুঞ্জৱৰ্কী ঃ এটা দুৰ্য্যোগৰ মাজেদি সেই সন্তান আমাৰ মাজলৈ আহিছে। সেইবাবে, আমি বহুত কিবা কিবি ভাবিছোঁ। কি কোৱা?

(*পাদ্ৰী সোমাই আহে। সাৰাম্মাই চকীত ভৰ দি ঠিয় দিয়ে*)

পাদ্ৰী ঃ ভগবানক অভিবাদন জনাইছোঁ। সাৰাম্মা আইটি, তুমি বহি থাকা, উঠিছা কেলৈ? এতিয়া সাৱধানে থকাৰ সময়। কষ্ট কৰিব নালাগে।

(*সাৰাম্মাই চকীত ভৰ দি ঠিয় দি থাকে*)

সাৰাম্মা ঃ নাই, একো নহয়, মই ঠিয় হৈ থাকি বেয়া পোৱা নাই।

পাদ্ৰী ঃ কুঞ্জৰৰ্কী, মই তোমাক লগ পাবলৈ আহিছোঁ।

কুঞ্জৰৰ্কী ঃ মোক?

পাদ্ৰী ঃ (*সাৰাম্মাৰ প্ৰতি*) আইটি, তুমি অলপ ভিতৰলৈ যোৱা। আমি দুয়ো অলপ কথা পাঁতো।

সাৰাম্মা ঃ নহয় পাদ্ৰী চাহাব। ঘূৰাই পকাই কিয় কথা ক'ব লাগে? আমি দুয়ো একেলগে আপোনাৰ কথা শুনিম। আপুনি বোধকৰো স্বামী স্ত্ৰীৰ কি সম্পৰ্ক, বুজিব পৰা নাই? (*বিৰক্তভাবে চকীখনত বহে*)

পাদ্ৰী ঃ পতি আৰু পত্নী? স্বামী-স্ত্ৰী? (*ঠিয় হৈ এফালে চাই ভাবে*)

সাৰাম্মা ঃ ওঁ, ঠিকেই কৈছোঁ। আপুনি ভাবিবলৈ কি আছে?

পাদ্ৰী ঃ ভাবিছো, কোনটো গীৰ্জাত তোমালোকৰ বিবাহ সম্পন্ন হৈছিল?

সাৰাম্মা ঃ ইয়াতে। এই গীৰ্জঘৰতে (*থকা ঘৰটো দেখুৱায়*)

কুঞ্জৰৰ্কী ঃ গীৰ্জাঘৰৰ প্ৰয়োজন জানো ইয়াৰ বাবে জৰুৰী, পাদ্ৰী চাহাব?

পাদ্ৰী ঃ এজন ধৰ্ম্মযাজকটো উপস্থিত থাকিব লাগে?

কুঞ্জৰৰ্কী ঃ নাপালে, কি কৰিম পাদ্ৰী চাহাব? পাবলৈ ৰাস্তাও খোলা নাছিল। গীৰ্জা, ধৰ্মযাজক নোহোৱাকৈয়ে আমাৰ বিবাহ সম্পন্ন হ'ল।

পাদ্ৰী ঃ মই স্পষ্ট কথা কওঁ, কুঞ্জৰৰ্কী, তুমি বেয়া নাপাবা। ভগৱানৰ কামত পক্ষপাতিতা কেতিয়াও সম্ভৱ নহয়, ই ধৰ্ম্ম বিৰুদ্ধ কথা। ...... মাথুকুট্টীয়ে এই ঘৰৰ পৰা ওলাই যোৱা আজি দুমাহেই হ'ল। তোমালোক দুজনে এনেকৈ তেওঁৰ অনুপস্থিতিত একেলগে থকাটো ভগৱান আৰু মনুষ্যৰ বাবে অৰুচিপূৰ্ণ আচৰণ। সম্পূৰ্ণ নীতি বিৰুদ্ধ কাৰ্য্য।

কুঞ্জৰৰ্কী ঃ বৰ্তমান মই ভগৱান আৰু মানুহৰ ৰুচি অৰুচিৰ বিষয়ে বিশেষ ভবা নাই, সাৰাম্মাৰ কথা হে চিন্তা কৰিছোঁ।

পাদ্ৰী ঃ সাৰাম্মাক ভগৱানে সহায় কৰিব।

কুঞ্জৰৰ্কী ঃ ভোকত মৰিবলৈ আপোনাৰ ভগৱানে আমাক ৰাস্তালৈ ঠেলি পঠিয়াইছে পাদ্ৰী চাহাব।

পাদ্ৰী ঃ ভগৱানৰ ইচ্ছামতেহে সকলো কাম হ'ব কুঞ্জৰৰ্কী। ভগৱানৰ ইচ্ছা যদি লঘোণে ৰখা; তাৰ পৰা মানুহেও অভিজ্ঞতা লাভ কৰা উচিত।

কুঞ্জৰৰ্কী ঃ (*সাৰাম্মাক লক্ষ্য কৰি*) সাৰাম্মাৰ এনেকুৱা অৱস্থাত?

পাদ্ৰী ঃ নিশ্চয়। তেওঁৰ দায়িত্ব ভগৱানৰ ওচৰত সমৰ্পণ কৰা।

কুঞ্জৰৰ্কী ঃ ভগৱানৰ লগত কোনো ধাইৰ পৰিচয় নাই। ডাক্তৰক মাতিবলৈ, দৰৱখিনি

আনিবলৈ ভগৱানৰ অকণো সময়ো নাই। অথচ বৰ্তমান অৱস্থাত সাৰাম্মাৰ বাবে এইবোৰৰ প্ৰয়োজন আটাইতকৈ বেছি।

পাদ্ৰী ঃ (*কাণত হাত দি*) ভগৱানৰ নিন্দা সহ্য নহয়। এনে কথা মুখত নানিবা কুঞ্জৱৰ্কী, মহাপাপ।

কুঞ্জৱৰ্কী ঃ কেৱল পৰমাৰ্থৰ বাণী। হুহ্।

পাদ্ৰী ঃ কুঞ্জৱৰ্কী, তুমি কেৱল নিজৰ স্বাৰ্থৰ কথাকে ভাৱিছা। নিজৰ সুখৰ বাবে জানি শুনিও পাপ আচৰিছা।

কুঞ্জৱৰ্কী ঃ (*ক্ৰোধভাবেৰে*) কাৰ স্বাৰ্থৰ সুখ? মোৰ? নিন্দা-অপবাদেৰে জৰ্জৰিত তুঁহ জুইৰ দৰে উমি উমি জ্বলি থকা মোৰ এই অশান্ত শৰীৰটোৰ স্বাৰ্থৰ বাবে, সুখৰ বাবে এই কথা কৈছোঁ বুলি মোক তিৰস্কাৰ কৰিছে? পাদ্ৰী চাহাব, মানুহে কি বিচাৰে আপুনি জানে নে?

পাদ্ৰী ঃ সেই কথাটোকে মই শুধিব খুজিছোঁ, এৰা মানুহে কি বিচাৰে?

কুঞ্জৱৰ্কী ঃ আঘাত পোৱা জনেহে আঘাতৰ যন্ত্ৰণা কেনে ভয়ঙ্কৰ, বুজি পায়। মানুহৰ কথা শুনি শুনি মোৰ কাণ ঘোলা হৈ গৈছে। তেওঁলোকে কি বিচাৰে, মোৰ জনা আছে। নিৰাশ্ৰয়া সাৰাম্মাক খেলৰ পুতলা কৰি তেওঁলোকে নিজ নিজ কামনা লালসা চৰিতাৰ্থ কৰিব খোজে। অকল এয়ে নহয়; ভাত পানী ৰন্ধা এজনী আজ্ঞাবাহী দাসী ৰূপে সাৰাম্মাক তেওঁলোকে উৎপীড়ন কৰিব খোজে। নাই, হ'ব নোৱাৰে। মই এনে কাম সহ্য নকৰোঁ। আমি দুয়ো এটা ভুল কৰিছিলোঁ, সঁচা কথা। তাৰ বাবে আমি দুয়ো অনুতপ্ত। কিন্তু, সেই ভুল সংশোধন কৰিবলৈ সাৰাম্মাক এৰি গুচি যাবলৈ মই প্ৰস্তুত নহয়।

পাদ্ৰী ঃ ইহলোকৰ সুখৰ বাবে তুমি নিজৰ আত্মাক ধ্বংস কৰিছা।

কুঞ্জৱৰ্কী ঃ আত্মাক মই দেখা নাই। কিন্তু আশ্ৰয় বিচৰা, সন্তানসম্ভৱা সাৰাম্মাক মই চকুৰ আগতে দেখিবলৈ পাইছোঁ। মাথুকুট্টীৰ মাক মৰিল; মাথুকুট্টীয়ে ঘৰ ত্যাগ কৰি গুচি গ'ল। তেওঁ ক'ত আছে, মই নাজানোঁ। এনে এটা অৱস্থাত, সাৰাম্মাক চাবলৈ কোন আছে? সকলোতকৈ অধিক দায়িত্বপূৰ্ণ মানুহে তেওঁক ৰক্ষা কৰিবলৈ এই সময়ত আগবাঢ়ি আহিব লাগিব। মই এই দায়িত্ব পালন কৰিবলৈ সাজু হৈছোঁ। আপোনাৰ বাইবেলত কৰুণা বুলি কোনো শব্দ নাইনে কি, পাদ্ৰী চাহাব?

পাদ্ৰী ঃ আছে। কিন্তু, সাৰাম্মা অনাথ নহয়। তেওঁ আজিও মাথুকুট্টীৰ স্ত্ৰী।

সাৰাম্মা ঃ কি? (*মুখ শেতাপৰি যায়। চকীৰ পৰা ঠিয় হৈ কিবা ভাবে আৰু ডিঙিত পিন্ধি থকা মঙ্গল সূত্ৰ ছিঙি দলিয়াই পেলায়।*) নহয়; মিছা কথা!

(*সকলো স্তম্ভিত হৈ যায়*)

পাদ্ৰী ঃ (*আকাশলৈ চায়*) ঈশ্বৰৰ দ্বাৰা মিলিত হোৱা স্বামী-স্ত্ৰীক মানুহে যেন পৃথক নকৰে।

কুঞ্জবৰ্কী ঃ ঈশ্বৰে জানোঁ এই কাম সমাধা কৰিছে? ঈশ্বৰে জানো তেওঁলোকৰ মিলন ঘটাইছে?

পাদ্ৰী ঃ পুৰোহিত ঈশ্বৰৰ প্ৰতিনিধি।

কুঞ্জবৰ্কী ঃ ঈশ্বৰৰ দোহাই নিদিব। মানুহে সৃষ্টি কৰা দুখ যন্ত্ৰনাৰে মানুহ নিজেই ভাৰাক্ৰান্ত হৈ পৰিছে।

পাদ্ৰী ঃ এজন পুৰুষ আৰু এজনী নাৰীৰ মিলন কাৰ্য্যত পুৰোহিতে সমাজৰ সাক্ষীৰূপে কাম সমাধা কৰে।

কুঞ্জবৰ্কী ঃ সাক্ষী?

পাদ্ৰী ঃ ও, সাক্ষী। মানুহ সামাজিক প্ৰাণী। সেয়েহে মানুহৰ সকলো কৰ্ম আৰু প্ৰবৃত্তিত সাক্ষী অপৰিহাৰ্য্য।

কুঞ্জবৰ্কী ঃ সাক্ষী যদি নোলায়, সাক্ষী বিচাৰি পোৱাৰ উপায় যদি নাথাকে?

পাদ্ৰী ঃ সকলো কথাতে তৰ্ক-বিতৰ্ক নকৰিবা, কুঞ্জৰৰ্কী।

কুঞ্জবৰ্কী ঃ সঁচা কথা ক'লে জানো তৰ্ক-বিতৰ্ক কৰা হয়?

পাদ্ৰী ঃ বাৰু, ঠিক আছে, ময়েই পৰাজিত হৈছোঁ। (*ওলাই যাব খোজে আৰু বাহিৰলৈ উদ্দেশ্য কৰি কয়*) অ' জেৰুজালেম, তোমাৰ দুৰ্ভাগ্য; কিমান বাৰ তোমাক ৰক্ষা কৰিবলৈ মই চেষ্টা কৰিছিলোঁ, কিন্তু তুমি সমূলি কাণসাৰ নকৰিলা। মূৰ্গীচৰায়ে নিজৰ পাখিৰ তলত মূৰ্গী পোৱালিবোৰ ৰক্ষা কৰাৰ দৰে মই তোমাক ৰক্ষা কৰিবলৈ চেষ্টা কৰিছিলোঁ কিন্তু তুমি কথা নুশুনিলা। মৃত্যুহীন পোক পৰুৱা আৰু নুনুমুৱা জুইৰে বেড়ি থকা নিত্য নৰককুণ্ড আৰু

সাৰাম্মা ঃ আৰু ক'ব নালাগে পাদ্ৰী চাহাব, হৈছে, হৈছে।

কুঞ্জবৰ্কী ঃ অভিশাপ নিদিব পাদ্ৰী চাহাব। মোৰ পৰীক্ষা নলব। এজন দুৰ্বল আৰু পাপী মানুহক অন্ততঃ এটা ভাল কাম কৰিবলৈ দিয়ক।

পাদ্ৰী ঃ মই আহিলো। কুঞ্জৰৰ্কী, মোৰ উপদেশ পাহৰি নাযাবা।

(*প্ৰস্থান*)

সাৰাম্মা ঃ এই পাদ্ৰীটো এটা ডাঙৰ বেমাৰ হৈ পৰিছে!

(*কুঞ্জৰৰ্কীয়ে মনে মনে থাকে আৰু বিষণ্ণ মনে চকী এখনত বহেগৈ*)

সাৰাম্মা ঃ তুমি একো নোকোৱা কিয়?

কুঞ্জবৰ্কী ঃ মই ভাবিছো

সাৰাম্মা ঃ কি ভাবিছা?

কূঞ্জৱৰ্কী ঃ সাক্ষীৰ কথা। পাদ্ৰী চাহাবৰ কথাত এটা তথ্য নোহোৱা নহয়। মই আজিয়েই তোমাক এৰি গুচি যাব পাৰো। সমাজে আমাৰ সম্পৰ্ক কেতিয়াও ভাল চকুৰে নাচায়। সেই বাবে ভাবিছো, সাক্ষী এজনৰ প্ৰয়োজন হৈছে।

(ইজনে সিজনৰ চকুলৈ চায়।)

সাৰাম্মা ঃ তেৱেঁই দেখোন আমাৰ মিলনৰ সাক্ষী, পুৰোহিত, সকলো।

কূঞ্জৱৰ্কী ঃ তুমি ভবা কথা সঁচা নহবও পাৰে; সাৰাম্মা। মাথুকুট্টীৰ ইয়াত কোনো অধিকাৰ নাই।

সাৰাম্মা ঃ তেওঁ যোৱাৰ পাছত আজিলৈকে একো খবৰ নাপালোঁ, কলৈ গ'ল, কি—বা কৰিছে?

কূঞ্জৱৰ্কী ঃ মই খবৰ লৈছিলোঁ। কৰবাত লুকাই আছে। ৰাঘৱনকো দেখা নোপোৱা হৈছে।

সাৰাম্মা ঃ কিবা অঘটন ঘটিছে যদি? হে ভগৱান, সেই মানুহজনক মঙ্গলে ৰাখা। অন্ধ মানুহ; বেচেৰা!

কূঞ্জৱৰ্কী ঃ সাৰাম্মা, তুমি এতিয়াওঁ মাথুকুট্টীক ভাল পোৱা, নহয় জানোঁ?

সাৰাম্মা ঃ ঈৰ্ষা হৈছে?

কূঞ্জৱৰ্কী ঃ নাই হোৱা।

সাৰাম্মা ঃ কিবা সন্দেহ আছে?

কূঞ্জৱৰ্কী ঃ নাই। ঈৰ্ষাও নাই, সন্দেহো নাই। মাত্ৰ মনৰ এটা খু-দুৱনি। এতিয়া ভাবিছোঁ, এজন সাক্ষীৰ সঁচাকৈয়ে প্ৰয়োজন হৈ পৰিছে।

সাৰাম্মা ঃ তেওঁক কেনেকৈ পাহৰো কোৱা?

কূঞ্জৱৰ্কী ঃ সকলো কথা পাহৰি পেলোৱাটো আমাৰ দুয়োৰে বাবে মঙ্গলজনক।

সাৰাম্মা ঃ অকল সেয়ে নহয়।

কূঞ্জৱৰ্কী ঃ তেন্তে ?

সাৰাম্মা ঃ আমি, এতিয়া স্বামী স্ত্ৰীৰূপে জীৱন আৰম্ভ কৰিব খুজিছোঁ। কিন্তু কোনো কোনো সময়ত মোৰ কি ভাৱ হয় জানা ?

কূঞ্জৱৰ্কী ঃ সাৰাম্মা; সেই কথা মোক মনত পেলাই নিদিবা। মনত ৰাখিবা; পুৰুষৰো ঈৰ্ষা হয়, কোনো কোনো সময়ত .... এৰা, তেনে সময়ৰ কথা আমি মনত নেপেলোৱাই ভাল।

সাৰাম্মা ঃ তেনেহলে, তুমি এইবোৰ কথা কৈ মোৰ মনত কিয় কষ্ট দিছা?

কূঞ্জৱৰ্কী ঃ সাৰাম্মা, তুমি মোক ক্ষমা কৰা। তোমাৰ অন্তৰত মই দুখ দিছো। মই নভবা নিচিন্তাকৈয়ে কথাবোৰ কৈ পেলালো। বৈবাহিক জীৱনত এনেকুৱা কথা বহুতো আছে, যিবোৰ আমি ক্ষমা কৰিব লাগিব, পাহৰি পেলাব লাগিব।

শব্দ

পাপৰ প্ৰতিফল মৃত্যু।।

(সাৰাম্মা আৰু কুঞ্জৱৰ্কী ওচৰ চাপি ভয়ত কম্পিত হৈ অদৃশ্য মানৱৰ ঘোষণা শুনি ৰৈ যায়......)

সাৰাম্মা ঃ এই আক্ৰমনৰ পৰা আমি কেতিয়া ৰক্ষা পাম, প্ৰভু!

—পট পৰিৱৰ্তন—

দ্বিতীয় দৃশ্য

স্থান ঃ [*প্ৰথম দৃশ্যৰ সৈতে একে। এজনী দাঁত নোহোৱা বুঢ়ী মাইকী মানুহে সাৰাম্মাৰ লগত কথা পাতি থাকে। সময় সন্ধিয়া। বুঢ়ী মাইকী মানুহ জনীয়ে ধাই কাম কৰে।*]

বুঢ়ী ঃ সেইবোৰ ভাবি নাথাকিবা আই।

সাৰাম্মা ঃ কিন্তু কেনেকৈ জীয়াই থাকো ধাই মা, মানুহৰ মুখলৈ নাচালে যে নহয়!

বুঢ়ী ঃ তুমি ছোৱালী মানুহ, মাক হ'বলৈ ওলাইছা। তোমাৰ মনলৈ এনেবোৰ কথা অহাটো স্বাভাৱিক। এনেকুৱা ঘটনা সংসাৰত কিমান দেখিছোঁ। এই বুঢ়া বয়সলৈকে কিমান মানুহৰ চকুপানী দেখিছোঁ। .... এতিয়া সেইবোৰ মানুহে সুখেৰে সংসাৰ চলাইছে।

সাৰাম্মা ঃ তেন্তে ধাইমা, এনে ঘটনা অকল মোৰ ক্ষেত্ৰতে হোৱা নাই। অনেকৰে মোৰ দৰে দশা হৈছে?

বুঢ়ী ঃ এৰা, মই ঠিক কথাকে কৈছোঁ। তুমিটো ভালেই আছা। লগত কোনো নথকাত কিমান ছোৱালীয়ে তোমাৰ দৰে অৱস্থাত পৰি আশ্ৰয়হীনা হৈ জীয়াতু ভুগিছে। সেই কথা কোনে খবৰ ৰাখিছে। তুমি চিন্তা নকৰিবা আই, মই সকলো ব্যৱস্থা কৰিম।

সাৰাম্মা ঃ ধাইমা, তুমি মোক ঘৃণা নকৰাতো?

বুঢ়ী ঃ ঘৃণা? এনে কথা মুখলৈ নানিবা আই। ঘৃণা কিয় কৰিম? নিজৰ কাম কৰি যোৱাটোৱেই মোৰ ধৰ্ম নহয় জানোঁ? মাক আৰু সন্তানৰ মঙ্গলৰ বাবেই মই সেৱা শুশ্ৰূষা কৰিম; শিশুটি, কাৰ, কেনেকৈ হ'ল, সেইবোৰৰ বাচ বিচাৰ মই নলওঁ। যি দুখীয়া, তেওঁৰ বাবে মান-সন্মান অপমানৰ কি কথা থাকিব পাৰে? আমি কিয় এইবোৰ ভাবি মূৰ ঘোলা কৰিম?

সাৰাম্মা ঃ (*চেহেৰা অলপ বিবৰ্ণ হৈ যায়।*) দুখীয়াৰ বাবে; আমাৰ বাবে ....

[*কুঞ্জৱৰ্কী সোমাই আহে*]

কুঞ্জৱৰ্কী ঃ ধাইমা দেখোন! কেতিয়া আহিলা? তোমালৈকে আমি বাট চাই আছিলোঁ।

বুঢ়ী ঃ অলপ সময় হৈছে। সাৰাম্মা আইটিৰ শৰীৰৰ খবৰ বাতৰি লৈছোঁ।

কুঞ্জৱৰ্কী ঃ এওঁৰ সময় ওচৰ পালেহি যেন লাগিছে, কি কোৱা ধাইমা?

সাৰাম্মা ঃ যি কামৰ বাবে ওলাই গৈছিলা; সেই কাম কি হ'ল আগতে কোৱা।

কুঞ্জৱৰ্কী ঃ মাথুকুট্টীৰ কোনো খবৰ নাপালোঁ। ৰাঘৱনকো লগ ধৰিব নোৱাৰিলোঁ, চাৰিওফালে গণ্ডগোল আৰম্ভ হৈছে।

সাৰাম্মা ঃ কেনে ধৰণৰ গণ্ডগোল?

কুঞ্জৱৰ্কী ঃ কাৰখানাত হৰতাল হৈছে, গুলীয়া গুলীও চলিছে। বহুত মানুহ মৰিছে, দুজন পুলিচো মৰিছে, এইবোৰ শুনি আহিছোঁ।

সাৰাম্মা ঃ হৰতাল কিয় কৰিছে?

বুঢ়ী ঃ সেইটো নাজানা হবলা? দৰমহা, দৰমহা বঢ়াব লাগে। মোৰ ল'ৰাও হৰতালত নামিছে। তাৰ একো অমঙ্গল নহলেই হয়। হে ভগৱান!

সাৰাম্মা ঃ দৰমহা .... তেওঁ ....(*বৈ যায়*)

কুঞ্জৱৰ্কী ঃ কি কথা ক'ব খুজিছিলা?

সাৰাম্মা ঃ একো নহয়। ধাইমা, তুমি যদি ঘৰলৈ যাব খুজিছা যোৱা, পলম নকৰিবা। কিন্তু বেগাই আকৌ আহিবা। মই সুধিছো, গৈ নো কি কৰিবা?

বুঢ়ী ঃ নহয় আই, মই যাবই লাগিব। গৈয়েই লাগিলে আকৌ উভতি আহিম। ল'ৰাটো আহিল নে নাই গম লৈ আহো। খু-দুৰনি লাগি আছে।

সাৰাম্মা ঃ ৰাতি বেছি হোৱাৰ আগতে জৰুল আহিবা কিন্তু। শুনাচোন

(*সাৰাম্মাই বুঢ়ীৰ কাণে কাণে ফুচফুচাই কিবা ইঙ্গিত দিয়ে। বুঢ়ীয়ে শলাগি মূৰ দুপিয়াই দুপিয়াই ওলাই যায়।*)

কুঞ্জৱৰ্কী ঃ তুমি কিবা এটা যে ক'ব খুজিছিলা?

সাৰাম্মা ঃ বিশেষ একো নহয়। দৰমহাৰ কথা কৈছিলোঁ। এনেকৈ কিমান দিন কটাবা? কিবা এটা ৰোজগাৰটো থাকিব লাগিব। মই কেইদিনমানৰ পৰা তাকে ভাবিছোঁ। আমি চলিম কেনেকৈ?

কুঞ্জৱৰ্কী ঃ ময়ো ভাবিছোঁ। কিন্তু সাৰাম্মা, ভাবি কোনো উপায় উলিয়াব পৰা নাই। হিচাপ ৰখা কেৰেণীৰ চাকৰি এটাও নোপোৱা হ'লো। মধ্যবিত্ত মানুহৰ অৱস্থা এনেকুৱাই হয়। সমাজৰ লগত কাজিয়া পাতি এতিয়া নাখাই মৰিব লগা হৈছে।

সাৰাম্মা ঃ আমি মধ্যবিত্ত মানুহ বুলি কোনে কৈছে? বুঢ়ী ধাই জনীয়েও তাকেই মোক কৈছে। পিচে মই ভাবো, আমি তাতোকৈয়ো তললৈ নামি গৈছো।

কুঞ্জৱৰ্কী ঃ এৰা, সাৰাম্মা, তুমি সঁচা কথাকে কৈছা। আমি অতি নিম্ন খাপলৈ নামি গৈছোঁ। আজিও এই বৈষম্য ঘটাবলৈ সমাজৰ শক্তি প্ৰচুৰ আছে।

সাৰাম্মা ঃ অকল সেয়ে নহয়। উপাৰ্জনৰ ক্ষেত্ৰতো সমাজৰ শক্তি প্ৰয়োগ হৈছে। এতিয়া

দিন মজুৰী কৰাৰ বাহিৰে আমাৰ আন উপায় কি আছে?

কুঞ্জৰকী ঃ ময়ো তাকে ভাবিছো, দিন মজুৰ হোৱাৰ বাহিৰে মোৰ গত্যন্তৰ নাই। তুমি কিবা ভাবা বুলিয়েই ইমান দিন মই মনে মনে আছিলোঁ।

সাৰাম্মা ঃ মানুহটো জীয়াই থাকিব লাগিব। মই জানো ব্যতিক্ৰম? মই জানো জীয়াই থাকিব নালাগে?

কুঞ্জৰকী ঃ (*অলপ চিন্তা কৰি*) অকল সেয়ে নহয় সাৰাম্মা। নিম্ন শ্ৰেণী মানুহৰ বাবে সন্মানৰো তাৰাতম্য আছে, বেলেগ নিয়ম আছে। আমাৰ বাবে যিটো অপৰাধ; আনৰ বাবে সেইটো হৈছে ক্ষমা। এই নিয়ম আমি স্বীকাৰ কৰি ল'ব লাগিব, আজিৰ সমাজে ইয়াকে বিচাৰে সাৰাম্মা।

সাৰাম্মা ঃ ধাইমাৰ কথাবোৰ শুনি মোৰো একেই ভাব হৈছে। তেওঁলোকৰ নিয়মবোৰ জীয়াই থাকিবৰ বাবে।

কুঞ্জৰকী ঃ হৰতাল শেষ হ'বলৈ দিয়া। সেই কাৰখানাতে মই ভৰ্ত্তি হ'ম গৈ।

সাৰাম্মা ঃ শুনি ভাল পালোঁ, যা হওক, সন্তানটো ভোকত আৰু মৰিব নালাগিব।......

কুঞ্জৰকী ঃ সন্তান! (*ভাবি তন্ময় হৈ পৰে*)

সাৰাম্মা ঃ ও, তাতে কি হ'ল?

কুঞ্জৰকী ঃ সাৰাম্মা! (*ডাঙৰ মাতেৰে*)

সাৰাম্মা ঃ কিয় চিঞৰিছা? মই দেখোন তোমাৰ কাষতে আছোঁ?

কুঞ্জৰকী ঃ নহয়....... নহয় সাৰাম্মা, নহয়।

সাৰাম্মা ঃ কিয় নহয়?

কুঞ্জৰকী ঃ নহয়। মানে, মই ভাবিছিলোঁ, সেই আগন্তুক সন্তানক আমি মাৰি পেলাবলৈ ঠিক কৰিছিলোঁ, নহয় নে? ভাবিলে কিমান কষ্ট হয়?

সাৰাম্মা ঃ (*বিবৰ্ণ হৈ*) সেই কথা মনত পেলাই নিদিবা। সেই কথা ভাবি কি লাভ? যি হ'ব লগা আছিল, হ'ল।

কুঞ্জৰকী ঃ এৰা, যি হ'ব লগা আছিল হ'ল। আমি আমাৰ ভুলৰ পৰা নিজকে ৰক্ষা কৰিছোঁ। কিন্তু, সন্তানটো জন্মতে মাৰি মহাপাপ কৰাহেঁতেন, তেতিয়া

সাৰাম্মা ঃ আজি আমি সজ পথেৰে আগুৱাই গৈছোঁ। আমাৰ মান মৰ্য্যাদা আছে। সমাজে আমাক বান্ধি ৰাখিব পৰা নাই।

কুঞ্জৰকী ঃ যি হৈ গ'ল, সেইয়া আমাৰ ভালৰ বাবেই হৈ গ'ল। আমি দিনে নিশাই কান্দিছিলোঁ, দুঃচিন্তাত ব্যাকুল হৈছিলোঁ। কিন্তু তেনে এটা অৱস্থাটো যে আমি ভ্ৰূণ হত্যা কৰি মহাপাপ নকৰিলো........ সঁচাকৈয়ে ভালেই কৰিলোঁ।

সাৰাম্মা ঃ তথাপি মোৰ এটা আশা আছে।

কুঞ্জৰকী ঃ কি আশা?

সাৰাম্মা ঃ পুত্ৰ সন্তানৰ বাবে.........

কুঞ্জৰকী ঃ পুত্ৰ সন্তান জন্ম হ'ব বুলি তুমি কেনেকৈ জানিলা?

সাৰাম্মা ঃ জন্ম হ'ব বুলি ভাবিহে কৈছোঁ।

কুঞ্জৰকী ঃ বাৰু ঠিক আছে, পুত্ৰ সন্তান হ'লে কি কৰিব লাগিব?

সাৰাম্মা ঃ সেই পুত্ৰ সন্তানৰ নাম ৰাখিব লাগিব, মাথুকুট্টী! (*কুঞ্জৰকীৰ চেহেৰা ৰঙা চঙা পৰি যায়। সাৰাম্মায়ো অলপ বিবুদ্ধিত পৰে।*)

কুঞ্জৰকী ঃ সাৰাম্মা?

সাৰাম্মা ঃ কি, কোৱা?

কুঞ্জৰকী ঃ তোমাক এটা কথা শুধিব খোজো।

সাৰাম্মা ঃ তাৰ বাবে জানো বিশেষ অনুমতি লাগে?

কুঞ্জৰকী ঃ তুমি যেতিয়া শুনিব খুজিছা আৰু মোক ক'বলৈকো অনুমতি দিছা, তেতিয়া হলে মই কওঁ, তোমাৰ কথাত মোৰ আপত্তি আছে।

সাৰাম্মা ঃ তোমাক মই জোৰ নকৰো, তুমি যি ভাল পোৱা তাকে কৰা।

কুঞ্জৰকী ঃ সঁচা কথা, ক'বলৈ গ'লে, তোমাৰ প্ৰস্তাৱটো মুঠেই পচন্দ হোৱা নাই।

সাৰাম্মা ঃ নাম ৰখা প্ৰস্তাৱটো, নহয়নে? পচন্দ নকৰা যদি বাদ দিয়া। ...... তেওঁৰ কৰুণাৰ কথা ভাবি হে মই নামটো ৰখাৰ কথা কৈছিলোঁ।

কুঞ্জৰকী ঃ সাৰাম্মা, মোৰ কথা শুনা। মাথুকুট্টীৰ কথা পুনৰ নকবা।

সাৰাম্মা ঃ তেওঁ তোমাৰ প্ৰতি কৰুণা দান কৰি গৈছে। প্ৰতিশোধ লোৱা নাই।

কুঞ্জৰকী ঃ সেই বাবেইতো মোৰ দুঃভাৱনাৰ সীমা নাই। (*চাৰিওফালে চকুৰ দৃষ্টি। হঠাৎ, বেৰত আঁৰি থোৱা মাথুকুট্টীৰ ছবিখন দেখে*) সাৰাম্মা, সৌ, আঁৰি থোৱা ফটোখনো মই চাব পৰা নাই, সহ্য কৰিব পৰা নাই। (*এখন টুল আনি তাৰ ওপৰত ঠিয় হৈ বেৰত আঁৰি থোৱা মাথুকুট্টীৰ ফটোখন নমাই পেলায়।*) মই এই ফটোখন দলিয়াই পেলাম। মাথুকুট্টীৰ প্ৰতি অকৃতজ্ঞ বুলি নহয়; তুমি তেওঁক এতিয়াও ভাল পোৱা বাবেহে।

সাৰাম্মা ঃ সেই বাবেই তুমি মাথুকুট্টীৰ ফটোখন দলিয়াই পেলাবানে?

(*এনেতে ৰাঘৱনে ফোপাই ফোপাই দৌৰি সোমাই আহে। গাত তেজ লাগি ৰঙা হৈ পৰিছে।*)

কুঞ্জৰকী ঃ (*লাগি থকা তেজ দেখি*) এইয়া, এইয়া কি হৈছে ৰাঘৱন?

ৰাঘৱন ঃ কাৰখানাত গুলী চলিছে। আমি বোমা মাৰিছিলোঁ। কিছুমান মানুহ জখম হৈছে, মৰিছে।

কুঞ্জৰৰ্কী ঃ মাথুকুট্টী ক'ত আছে ?

ৰাঘৱন ঃ (*মাটিলৈ চকু নিক্ষেপ কৰি*) মই নাজানো, সম্ভৱ গুলী................

সাৰাম্মা ঃ হায় ভগবান!

(*সাৰাম্মাই কুঞ্জৰৰ্কীক ধৰি ঠিয় হয়*)

কুঞ্জৰৰ্কী ঃ হায় ভগবান!

(*সাৰাম্মাই কুঞ্জৰৰ্কীক ধৰি ঠিয় হয়*)

কুঞ্জৰৰ্কী ঃ কি হৈছে, সঁচা কথা কোৱা ৰাঘৱন? মাথুকুট্টীৰ কি হৈছে?

ৰাঘৱন ঃ (*মূৰ তুলি*) মাথুকুট্টীয়ে আমাৰ বাবে শ্বহীদ হৈ গ'ল। ইয়াকে ক'বলৈ মই দৌৰি আহিছিলোঁ। এতিয়া যাওঁ।

কুঞ্জৰৰ্কী ঃ ৰবা, ময়ো যাম।

ৰাঘৱন ঃ প্ৰয়োজন নাই। মৰা মানুহৰ শ'বোৰত কেৰাচিন তেল ঢালি সিহঁতে জ্বলাই দিছে। (*যাব খোজে .... দুখোজ আগবাঢ়ে*)

সাৰাম্মা ঃ নাযাবা ৰাঘৱন, তুমি নাযাবা। ইয়াতে কৰবাত লুকাই থাকা ....

ৰাঘৱন ঃ নহয় আমাৰ দৰে মানুহে সংগ্ৰাম এৰি পলাই নাযায়। সংগ্ৰাম চলাবলৈহে লুকাব খোজে। যিয়েই নহওক লাগিলে, এতিয়া আমি বেছিকৈ মজুৰী পাম, দৰমহা বাঢ়িব। এইটো নিশ্চয় হৈ গৈছে। (*প্ৰস্থান*)

কুঞ্জৰৰ্কী ঃ ঠিকেই। ময়ো মজুৰী পাবৰ বাবে মাথুকুট্টীৰ দৰে চেষ্টা কৰিব লাগিব।........... হে বন্ধু। আনৰ বাবে তুমি প্ৰাণ উচৰ্গা দিলা। শ্বহীদ হ'লা।

(*সাৰাম্মাই মাথুকুট্টীৰ ফটোখন ল'বলৈ হাত আগবঢ়ায়*)

কুঞ্জৰৰ্কী ঃ নহয় সাৰাম্মা, তোমাৰ হাতৰ পৰা ফটোখন হয়তো পৰি যাব।

(*কুঞ্জৰৰ্কীয়ে ফটোখন কপালত লগাই সেৱা কৰে আৰু টুলখনত উঠি আথে বেথে আগৰ ঠাইতে আঁৰি দিয়ে। তললৈ নামি ফটোখন দূৰৰ পৰা শ্ৰদ্ধাৰে চাই অভিবাদন জনায়।*)

শব্দ।

পৰ্দাৰ আঁৰৰ।

ধ্বংসৰ সময় উপস্থিত। মানুহে মানুহৰ সৈতে, ৰাষ্ট্ৰই ৰাষ্ট্ৰৰ সৈতে যুদ্ধত উন্নত হোৱাৰ সময় উপস্থিত হৈছে।।

[*লাহে লাহে ৰঙ্গমঞ্চ অন্ধকাৰ হৈ আহে। সাৰাম্মাই চুকত থকা লণ্ঠনটো তুলি লয় আৰু টুলৰ ওপৰত ৰাখে।*]

—পট পৰিৱৰ্তন—

তৃতীয় দৃশ্য

স্থান ঃ [*আগৰ দৃশ্যৰ দৰে। লণ্ঠনটো টুলৰ ওপৰত জ্বলি থকা অৱস্থাত। কুঞ্জৰৰ্কীয়ে চিন্তাগ্ৰস্ত হৈ ইফালে সিফালে কোঠাটোত অহা যোৱা কৰিছে। বিড়ি-চিগাৰেটৰ টুকুৰা, জুই শলা কাঠি চাৰিওফালে সিঁচৰতি হৈ পৰি আছে। লণ্ঠন এটা হাতত লৈ ৰাঘৱন সোমাই আহে।*]

সময় ঃ ৰাতি।

ৰাঘৱন ঃ ৰাতি শেষ হৈ আহিছে।

কুঞ্জৰৰ্কী ঃ পুৱাৰ সূৰুজ ওলাল নে?

ৰাঘৱন ঃ নাই ওলোৱা। ভোটা তৰাটো মাত্ৰ আকাশত ওলাইছে। (*বুঢ়ী ধাইজনীয়ে পিচফালৰ দুৱাৰেদি সোমাই আহে।*)

কুঞ্জৰৰ্কী ঃ ধাই মা, খবৰ কেনে?

বুঢ়ী ঃ বিশেষ খবৰ নাই। ভয় কৰিব নালাগে। সাৰাম্মা আইদেৱে তোমালোকক শুবলৈ কৈছে।

কুঞ্জৰৰ্কী ঃ মোৰ টোপনি অহা নাই। তুমি ভিতৰলৈ যোৱা। সাৰাম্মা অকলে আছে।

বুঢ়ী ঃ অকলে নহয়। দুজনী মাইকী মানুহ কাষতে আছে। তথাপিও মই থকা প্ৰয়োজন। (*ভিতৰলৈ সোমাই যায়।*)

কুঞ্জৰৰ্কী ঃ (*ৰাঘৱনক উদ্দেশ্য কৰি*) ৰাঘৱন, ইমান পুৱাই কিয় আহিলা?

ৰাঘৱন ঃ ছয় বজাত কামলৈ যাব লাগে। যোৱাৰ আগতে ইয়াত সোমাই খবৰটো লৈ যাওঁ বুলি ভাবিলোঁ।

কুঞ্জৰৰ্কী ঃ খবৰ বিশেষ নাই। গোটেই ৰাতি চিএঞৰ বাখৰ কৰিয়েই পাৰ হৈ গ'ল।

ৰাঘৱন ঃ যোৱা ৰাতি শিৱৰাত্ৰি আছিল, নহয় নে?

কুঞ্জৰৰ্কী ঃ ও, তেনেকুৱা কিবা এটা হ'ব।

ৰাঘৱন ঃ (*পেণ্টৰ জেপৰ পৰা বিড়ি আৰু দিয়াচলাই উলিয়াই আগবঢ়ায়*) বুঞ্জৰৰ্কী ভায়া, হো, লোৱা।

কুঞ্জৰৰ্কী ঃ নালাগে, বহুত খালোঁ।

ৰাঘৱন ঃ (*মাটিত সিঁচৰতি হৈ থকা বিড়ি চিগাৰেটৰ আধাখোৱা টুকুৰাবোৰ দেখি*).......... ইমান খাইছানে? গোটেই ৰাজ্যখন দেখোন, বিড়ি চিগাৰেট, জুইশলা কাঠিৰে ভৰ্ত্তি। পাদ্ৰীজনে কোৱা কথা এষাৰলৈ মনত পৰিছে।

কুঞ্জৰৰ্কী ঃ পাদ্ৰীজনে কি কৈছিল?

ৰাঘৱন ঃ কৈছিল বোলে, পাঁচগৰাকী নৱ-বিবাহিতা কন্যাই গোটেই ৰাতি উজাগৰে থাকি কাৰোবাৰ বাবে অপেক্ষা কৰি আছে। (*বিড়ি জ্বলাই হোপে*)

কুঞ্জৱৰ্কী ঃ তেওঁলোকে চাগে' বহুত বিড়ি চিগাৰেটৰ শ্ৰাদ্ধ কৰিলে?

ৰাঘৱন ঃ নহয়। তেওঁলোক অপেক্ষাৰত নৱবিবাহিতা কন্যা। আনৰ অপেক্ষাত ৰৈ থকা যে কিমান বিৰক্তিকৰ, তাকেহে ক'ব খুজিছোঁ।

কুঞ্জৱৰ্কী ঃ ইয়াত পিচে নৱবিবাহিতা কন্যা কোনো নাই। প্ৰসৱ বেদনাহে আৰম্ভ হৈছে। (*দুয়ো হাঁহে। ভিতৰত প্ৰসৱ-বেদনাৰ শব্দ," উহুঁ আহ্ মৰিলোঁ" আদি যন্ত্ৰণাৰ চিঞৰ কাণত পৰিছে। দুয়ো ভিতৰৰ ফালে লক্ষ্য কৰে। শব্দ আকৌ বেছি হয়। কুঞ্জৱৰ্কী আৰু ৰাঘৱন আগবাঢ়ি পিচ দুৱাৰৰ ওচৰত ঠিয় হয়।*)

কুঞ্জৱৰ্কী ঃ ধাই মা কি হৈছে?

বুঢ়ী ঃ বোপা একো ভয় নকৰিবা। অলপ সময় মাত্ৰ অপেক্ষা কৰা। তুমি অলপ বাগৰ মৰাগৈ, যোৱা।

(*বুঢ়ী সোমাই যায়।*)

শব্দ

পৰ্দাৰ আঁৰত।

তেওঁ আকৌ আহিছে!

কুঞ্জৱৰ্কী ঃ সেইটো এটা পাগল। ৰাতি পুৱাবৰ হোৱাই নাই, তাৰ আগতে ভাষণ আৰম্ভ হৈ গ'ল।

ৰাঘৱন ঃ পাদ্ৰী চাহাবৰ দিন ৰাতিৰ একো বিচাৰ নাই। কেতিয়াবা মাজৰাতিও এনেকৈ চিঞৰি ফুৰে। .... বাৰু কুঞ্জৱৰ্কী, মই যাওঁ। মোৰ সময় হ'ল।

(*কুঞ্জৱৰ্কীয়ে আকৌ ইফালে সিফালে অহা যোৱা কৰিবলৈ ধৰিলে। মাথুকুট্টীৰ ফটো খনলৈ কিবা ভাবি খন্তেক ৰ' লাগি চালে। বিড়ি এটা জ্বলালে*)

কুঞ্জৱৰ্কী ঃ সন্ধিয়া বাৰু লগ পাম?

ৰাঘৱন ঃ (*যাব খোজে*) ঠিক আছে। (*ভৰিৰ শব্দ শুনি*) এওঁ আক' কোন আহিল? পাদ্ৰী চাহাব যেন পাইছোঁ! (*পাদ্ৰী চাহাবৰ প্ৰবেশ। ৰাঘৱনৰ প্ৰস্থান*)

পাদ্ৰী ঃ কুঞ্জৱৰ্কী, খবৰ কেনে, কুশল নে?

কুঞ্জৱৰ্কী ঃ বিশেষ একো খবৰ নাই। পাদ্ৰী চাহাবে সেইদিনা খং কৰি গুচি গৈছে বুলিহে মোৰ ভয় হৈছিল।

পাদ্ৰী ঃ মই কাৰো ওপৰত খং নকৰোঁ। পাপক মই ঘৃণা কৰোঁ। পাপীক মই স্নেহ কৰোঁ।

কুঞ্জৱৰ্কী ঃ পাদ্ৰী চাহাবৰ স্নেহ এনেকুৱাই নে কি?

পাদ্ৰী ঃ মানে? তুমি কি ক'ব খুজিছা? মই বুজিব পৰা নাই।

কুঞ্জৰকী ঃ আপোনাৰ স্নেহ আকাশত থাকে হ'বলা?

পাদ্ৰী ঃ এতিয়াও মই বুজিব পৰা নাই?

কুঞ্জৰকী ঃ পাপীক পাপৰ পৰা বেলেগ কৰি, আপুনি কেনেকৈ স্নেহ কৰে পাদ্ৰী চাহাব? মানুহক ভাল গুণেৰে বিচাৰ নকৰি আপুনি কেনেকৈ স্নেহ কৰে? মই তাকে শুধিছোঁ।

পাদ্ৰী ঃ মই তোমাৰ কথা একোকে বুজা নাই। বুজি পালেও উত্তৰ দিব নোৱাৰিম।

কুঞ্জৰকী ঃ পাদ্ৰী চাহাব বেয়া নাপাব। মই মনলৈ অহা কথা এষাৰ মাত্ৰ ব্যক্ত কৰিছোঁ।

পাদ্ৰী ঃ কুঞ্জৰকী মই হৃদয়হীন নহয়। মই পাগলো নহয়। মই তোমাৰ মঙ্গলৰ বাবেই যি ক'ব লগা আছে, কৈছোঁ। তুমি যদি ভাল নোপোৱা, মই তোমাক আহুকাল দিবলৈ নাহোঁ। (*যাব খোজে*) যি শুনিব খোজে, যাৰ কাণ আছে, তেওঁলোকে নিশ্চয় মোৰ উপদেশ শুনিব।

কুঞ্জৰকী ঃ পাদ্ৰী চাহাব! (*পাদ্ৰী থমকি ৰৈ যায়।*) মাথুকুট্টীৰ মৃত্যু হৈছে।

পাদ্ৰী ঃ মই গম পাইছোঁ। যি হ'ব লগা আছিল, হ'ল? সেই বুলিতো তোমালোক দুয়োৰে পতি পত্নীৰূপে স্বীকৃতি নোপোৱা। ঈশ্বৰক অভিবাদন জনাইছোঁ! (*পাদ্ৰী ওলাই যায়।*) প্ৰভু যীশুৱে বিচাৰ কৰক।

[*কুঞ্জৰকীৰে এটা বিড়ি জ্বলাবলৈ ধৰে। ভিতৰত শব্দ শুনি সেই ফালে চায়। ভিতৰত কেচুৱাৰ কান্দোন শুনা যায়। বিড়ি আৰু জুই শলা তলত থৈ পিচৰ দুৱাৰৰ ফালে আগবাঢ়ে।*]

বুঢ়ী ঃ (*ওলাই আহে আৰু কয়*) প্ৰসৱ হৈ গ'ল। সকলো ভাল।

(*কোঠাত পোহৰ উজ্বল হৈ পৰে*)

শব্দ

পৰ্দাৰ আঁৰত।

পোহৰ সৃষ্টি কৰোতা ঈশ্বৰক প্ৰণাম কৰোঁ।

কুঞ্জৰকী ঃ (*কৌতুহলেৰে*) কি হ'ল?

বুঢ়ী ঃ (*সোতোৰা সোতৰি মুখখনত হাঁহি এটা মাৰি*) ল'ৰা। মোটা বক্‌ছিছ্ দিব লাগিব।

[*কুঞ্জৰকীয়ে চকুমুদি খন্তেক মনে মনে ঠিয় দি থাকে। সোলা মুখত হাঁহি এমোকোৰালৈ বুঢ়ী ভিতৰলৈ সোমাই যায়।*]

কুঞ্জৰকী ঃ আহা, মোৰ পুত্ৰ! (*লণ্ঠনটো নুমাই দিয়ে।*)

শব্দ

পৰ্দাৰ আঁৰত

তেওঁ শান্তিৰ দূত।

কুঞ্জৰকী ঃ শান্তিৰ দূত? বন্ধন, সাক্ষী বা পুৰোহিত যিহকে হওঁক আপত্তি নাই। (*মাথুকুট্টীৰ*

ফটোখনৰ গুৰিলৈ গৈ চাই ঠিয় দিয়ে।)

কুঞ্জৰকী ঃ সাৰাম্মা, তোমাৰ বাসনা পূৰ্ণ হওঁক। (*ভিতৰৰ পৰা কেচুৱাৰ কান্দোন বাৰে বাৰে কাণত পৰে*)

মোৰ সৰু মাথুকুট্টী!!

শব্দ

পৰ্দাৰ আঁৰত

তেওঁ আকৌ আহিছে!

[*আনন্দেৰে উপচিপৰা মুখ এখনৰ সৈতে কুঞ্জৰকীক বৰ প্ৰফুল্ল দেখা গৈছে। বিড়ি আৰু জুইশলা মাটিৰ পৰা তুলি চকী এখন টানি আৰাম কৰি বহে। আউজি, এটা বিড়ি জ্বলাই মুখেৰে ধোৱা ওপৰলৈ উৰাই দিয়ে।*]

এইখনেই পৃথিবী

কে. টি. মোহাম্মদ

পাত্ৰ-পৰিচয়

মালিক ঃ এজন অৱস্থাপন্ন মানুহ। সমস্যা কম, কিন্তু ক্ষমতা সম্পূৰ্ণ নিজৰ হাতত ৰাখিবলৈ সদা যত্নপৰ। ল'ৰা-ছোৱালীক ক্ৰোধ মিশ্ৰিত বাৎসল্যভাৱেৰে লালন-পালন কৰে। এজন পূৰাপুৰি খঙাল মানুহ......... (*মূৰ খুৰোৱা দীঘল দাড়ি, গোল ডিঙিৰ বণিয়ন পৰিধান কৰা ককালত আটি পেটি বন্ধা, পৃথিৱীখন যেন তেওঁৰ ভৰিৰ তলত, এনে এটা ভাব-ভঙ্গীৰে চলা এজন বয়সস্থ মানুহ*)।

ওক্কৰ কঁয়া ঃ মালিকৰ বৰ পুতেক। বাপেকৰ সকলো গুণ এওঁৰ গাত বৰ্তমান। দিনৌ নমাজ পঢ়া, ৰোজা ৰখা, দোকান খোলা, ব্যৱসায় চলোৱা.... এইবোৰৰ বাহিৰে এওঁৰ যেন একো কাম নাই। (*পিন্ধনত টুপি আৰু কামিজ। সদায় তললৈ চাই ঠিয় দিয়ে আৰু খোজ কাঢ়ে। মনত এটা অসন্তোষৰ ভাব লক্ষ্য কৰিব পাৰি*)।

হাচান ঃ মালিকৰ সৰু পুতেক। বাপেকৰ সকলো উপদেশ, আদেশ পালন কৰা ধৈৰ্য্য এওঁৰ নাই। বাপেকৰ মাৰলৈ কিন্তু ভয় কৰে। যি উচিত কথা, তাক নোকোৱাকৈ বা নকৰাকৈ থাকিব নোৱাৰে। (*বাপেকৰ কঠোৰ শাসনত ভুগি তেওঁ চুলি কাটিছে! (বাপেক আগত থাকিলে মূৰত টুপি লগায়। আন সময়ত টুপিটো হাতত ৰাখে। লুঙিখন প্ৰায়ে তললৈ পেলায় পিন্ধে যিটো অভ্যাস বাপেকে ভাল নাপায়*)।

কদীশা ঃ হাচানৰ সৰু ভনীয়েক। স্বভাৱৰ তুলনাত হাচানৰ ভনীয়েক হোৱাৰ যোগ্যতা আছে। ৰক্ষণশীল পৰিবেশ ভাল নাপায়। কদীশা কৌতুহলপ্ৰিয়। সন্দেহ উপজিলে যি কোনো কথা শুধিবলৈ শঙ্কাবোধ নকৰে। দেখিবলৈ চেহেৰাপাতি সাধাৰণ, সহজ আৰু সৰল যেন লাগে। কিন্তু.... (*ফুলবছা মেখেলা, ব্লাউজ আৰু দুপত্তা (চাদৰ)। ডিঙি আৰু কাণত অলংকাৰ পিন্ধিছে, হাতত খাৰু*)

উচমান ঃ মালিকৰ সৰু ভায়েক। অৱশ্যে, স্বভাৱ বেলেগ। মালিকৰ দৰে গোড়া মুছলমান নহয়। হাই-হুৰুমি, চিঞৰ-বাখৰ, কাজিয়া-পেচাল ভাল নাপায়। শান্তিৰ পৃথিৱীত থাকিবলৈ কামনা কৰা মানুহ। পৰিস্থিতি দেখিলেই তেওঁৰ স্বভাৱ বুজিব পাৰি। যি কোনো পৰিবেশতে মিলিব পাৰে ভাল বেয়া বিচাৰ কৰিব পাৰে। আনৰ কামত হকা-বধা নকৰে। (*দাড়ি ৰাখিছে। বগা টুপি পিন্ধিছে। দীঘল কামিজ, লুঙি আৰু কান্ধত এখন গামোছা পৰিধান কৰিছে*)

আমীনা ঃ উচমানৰ পত্নী। জীৱনত যে হাঁহিবও পাৰি এই কথা তেওঁৰ মনৰ আগোচৰ। তেওঁৰ বাবে জীৱনটো যেন অসাৰ এই ভাৱ সদা চকুত পৰে। কথা-বতৰাত অসন্তোষৰ ভাৱ, তৰ্ক কৰিব খোজে। (*পৰিধানত মূৰৰ পৰা মুখ ঢকা পাতল দুপত্তা, বন কৰা ব্লাউজ আৰু মেখেলা।*)

খালিদ ঃ উচ্‌মানৰ পুতেক। নিজ বিশ্বাসত যিটো সত্য বুলি বিবেচিত হয় তাক সিদ্ধ কৰিবলৈকে যেন জীৱন-ধাৰণ কৰিছে। বিৰোধী ভাৱধাৰাক প্ৰতিবাদ কৰাৰ সাহস থকা ডেকা ল'ৰা। (*চুলি চুটিকৈ কাটিছে, গাত কামিজ আৰু পায়জামা। হাতত ঘড়ী পিন্ধিছে আৰু প্ৰায়ে কিতাপ এখন থাকে।*)

পাত্তেই ঃ এজনী প্ৰায় যোল্ল বছৰীয়া ছোৱালী, সাধাৰণ স্বভাৱৰ, সহজ, সৰল। খালিদৰ ৰক্ষণাবেক্ষণত থকা অজ্ঞাত ঘৰৰ কেও কোনো নোহোৱা দয়াৰ যোগ্যা গাভৰু ছোৱালী। (*প্ৰথম দৃশ্যত ফটা চিটা, লেতেৰা কাপোৰ পিন্ধি দৰ্শকৰ আগত ওলাব। গাত দুপাত্তা, ব্লাউজ, মেখেলা। আন দৃশ্য সমূহত পৰিস্কাৰ কাপোৰ পৰিধান। শেষ দৃশ্যত ৰঙীণ শাৰী পিন্ধিব।*)

[*নাটকৰ ঘটনা ঘটিছে মধ্য মালাবাৰ অঞ্চলত; ঘটনাৰ সময় এবছৰৰ ভিতৰত।*]

প্ৰথম দৃশ্য

স্থান ঃ উচমানৰ ঘৰ। নিশা হৈছে। এখন টেবুলৰ ওপ্ৰত এটা লেম্প জ্বলি আছে। আমীনাই এখন চকীত বহি টোপনিয়াই আছে। মূৰৰ চাদৰখন কান্ধত ওলমি পৰিছে। হাত আৰু মুখ বাহিৰৰ‍ৈ নুলিওৱাকৈ বোৰ্‌খা পৰিধান কৰা এটা ছায়া মূৰ্তি ভিতৰৰ পৰা ওলাই আহে। ছায়ামূৰ্তিটো আমীনাৰ কাষলৈ যায় আৰু কাণত কিবা ফুচফুচায়। আমীনাই একো গম নাপায়। ছায়ামূৰ্তিটোৱে আমীনাৰ চাৰিওফালে দুই-তিনিবাৰ প্ৰদক্ষিণ কৰে আৰু সন্মুখলৈ আহি জপিয়াই অংগী-ভংগী কৰি নাচে। শব্দ শুনি আমীনাই সাৰ পায় আৰু মূৰ্তিটো দেখি উঠি আঁতৰ হৈ ভয়ত কঁপিবলৈ ধৰে।

আমীনা ঃ (*চকীখনৰ পৰা জাপমাৰি আঁতৰ হৈ*) হে খোদা, ৰক্ষা কৰা, ৰক্ষা কৰা......(*আমীনালৈ ভয় প্ৰদৰ্শন কৰি ছায়া মূৰ্তিটো বাহিৰলৈ অন্তৰ্ধ্যান হয়। ভয়ত বিহ্বলা হৈ আমীনাই ঘনাই উশাহ লয় আৰু ঘৰটোৰ চাৰিওফালে উৎকণ্ঠতাৰে চকু ফুৰায়। কাকো নেদেখি মূৰ্তিটো যি ফালে গৈছিল সেইফালে অলপ আগুৱাই ভয়ে ভয়ে বেঙামেলি চায়। এনেতে উচমান সোমাই আহে। ঘটনাৰ একো উৱাদিহ নাপাই আমীনাই উচমানৰ ফালে তধা লাগি চাই থাকে।*)

উচমান ঃ কি হৈছে, কি হৈছে আমীনা?....... তোমাৰ কি হৈছে?

আমীনা ঃ (*ভয়ে ভয়ে*) হে খোদা, (*পিছলৈ চায়*)...... হ'বলৈ আৰু কি বাকী আছে? (খঙেৰে) বাপেৰ-পুতেৰ অলপ সোনকালে আহিব নোৱাৰানে? হে আল্লা! সোধপোচ কৰিবলৈ ইয়াত মোৰ দৰে এজনী বান্দী আছে নহয়? নানা ধৰণৰ চয়তান আৰু ভূত-প্ৰেত আহি ঘৰত সোমাই উপদ্ৰপ কৰিছেহি। (*ভিতৰলৈ ভূমুকি মাৰি*) তুমি অলপ ভিতৰলৈ গৈ চোৱাচোন........ যোৱা বুলিছো নহয়।

উচমান ঃ আগতে কোৱা, তুমি কি দেখিলা?

আমীনা ঃ মই যি দেখিলোঁ, সেয়া তোমাকো দেখুৱাব খুজিছোঁ। নিজে গৈ চাই আহা।

উচমান ঃ তুমি কি দেখিলা, কোৱাচোন?

আমীনা ঃ (*সেপ ঢুকি ঢুকি*) মুখ, হাত আৰু ভৰি নোহোৱা এটা ক'লা মূৰ্তিয়ে মোৰ আগত নাচি আছিল। মই চিঞৰ-বাখৰ কৰি ঘৰখনত হুলস্থূল লগোৱা নাছিলোঁ......।

উচমান ঃ (*আমীনাৰ কথাত গুৰুত্ব নিদি*) তুমি তেনেহলে নিশ্চয় পৱিত্ৰ হজৰতসকলৰ এশ নাম স্মৰণ কৰিছা? বাৰু, বাৰু, তাৰ পাছত কি হ'ল?

আমীনা ঃ অলপ পাছতে সি নোহোৱা হ'ল, হে আল্লা!

উচমান ঃ ফাংফুং কথা! তুমি সপোন দেখিছিলা আমীনা........

আমীনা ঃ হে মোৰ পৱিত্ৰ হজৰতসকল! এই মানুহজনে মোৰ কথা শুনিব নোখোজে!

উচমান ঃ তুমি মৃতসকলক কিয় মাতিছা? পোনে পোনে আল্লাকে নামাতা কেলৈ?

আমীনা ঃ হায় মোৰ পোৰা কপাল! এই ওহাবীজনে মই কোৱা কথা সদায় উৰাই দিব খোজে। বোলো হেৰা মানুহজন, তুমি নিজে গৈ ভিতৰত কি আছে চাই আহিব নোৱাৰা? মই নিজ চকুৰে দেখিছোঁ....... এটা ক'লা, ভয়ঙ্কৰ চয়তান........

উচমান ঃ বাৰু বাৰু হ'ব। তুমি এতিয়া তোমাৰ কাম কৰাগৈ।

আমীনা ঃ (*নৰম সুৰেৰে*) অলপ ভিতৰখন চাই আহানা!

উচমান ঃ নাই, মই নাযাওঁ (*চকীত বহি পৰে*)

আমীনা ঃ (*ভিতৰৰ ফালে ভয়ে ভয়ে চাই*) ক'লেও দেখিছোঁ মানুহজনে মোৰ কথা বিশ্বাস নকৰে। ময়ো ইয়াতে বহি থাকিম, ভিতৰলৈ নাযাওঁ।

উচমান ঃ তোমাৰ নিচিনা তিৰোতা যিখন ঘৰত আছে, তাত এটা চয়তান থকাটো নিতান্ত দৰকাৰ। তাক ভিতৰতে থাকিবলৈ দিয়া।

আমীনা ঃ হে খোদা, মই এতিয়া কি কৰোঁ?

উচমান ঃ একো কৰিব নালাগে। তুমি এতিয়া ভিতৰলৈ যোৱা আৰু মোলৈ এগিলাচ ঠাণ্ডা পানী লৈ আহা। মই দাদাৰ তাত পেট ভৰাই খানা খাই আহিছোঁ। দাদা এই বছৰতে হজলৈ যাব।

আমীনা ঃ তোমাৰ কি চিন্তা? আৰামেৰে ইয়াতে বহি থাকা এতিয়া? মই আক' ইফালে বোন্দাপৰ দি ৰৈ আছোঁ! বাৰু এবাৰ অনুগ্ৰহ কৰি ভিতৰত পাক এটা মাৰি আহা। মই কিন্তু ইয়াৰ পৰা লৰচৰ নকৰোঁ। (*চকী এখনত বহে*)

উচমান ঃ (*কেৰাহিকৈ চাই হাঁহি এটা মাৰি*) ঠিক আছে, তুমি য'তে আছা, তাতে ৰৈ থাকা মই শুবলৈ যাওঁ। মই কিন্তু চয়তানক খেদিব নোৱাৰোঁ। যি জানে তেনে মানুহক মাতি আনা। (*চকীৰ পৰা উঠে*)

আমীনা ঃ শুনাছোন, শুনা, ঠাট্টা মস্কৰাখন নকৰিবা। এই সময়ত এইবোৰ ভাল নালাগে। মই বাহিৰলৈ ওলাই যাম..........

উচমান ঃ তেনেহ'লে তুমিয়েই যোৱা, মই ইয়াতে বহি চয়তানক ৰখি থাকিম। .... বোলো, আমীনা বিবি, তোমাৰ ল'ৰা-ধেমালি চাওঁ মানে তুমি ভিতৰলৈ গৈ মোলৈ পানী এগিলাচ আনাগৈ। চয়তানক কি কৰিব পাৰি মই চিন্তা কৰোঁ।

আমীনা ঃ মোৰ দ্বাৰা নহব। মইতো তোমাক কৈছোৱেই। লাগে যদি নিজে গৈ ভিতৰত পানী গিলাচ খাই আহা। তোমাৰ সকলো দেখিছোঁ, ঠিকেই আছে। (*উচমানে হাঁহি এটা মাৰি ভিতৰলৈ যাবলৈ সাজু হয় আৰু উভটি চাই আমীনাক কয়)*

উচমান ঃ শুনা, মই যদি উভটি নাহো, তেতিয়া বুজিবা, চয়তানে মোক ধৰিছে।

আমীনা ঃ (*উৎকণ্ঠাৰে*) তোমাৰ লগত ময়ো যাওঁনে?

উচমান ঃ নালাগে। তুমি বৰং ইয়াতে থাকা। পয়মাল হ'ব পাৰে (*ভিতৰলৈ প্ৰস্থান*)

আমীনা ঃ (*বুকুত হাত থৈ*) হায় মোৰ হজৰতৰ পৱিত্ৰ সদস্যসকল! (*ভিতৰলৈ ভয়ে ভয়ে দৃষ্টি নিক্ষেপ কৰে। এনেতে ভিতৰৰ পৰা থাল-বাতি মাটিত পৰা শব্দ কাণত পৰে। আমীনাই উচপ্ খাই উঠে। অলপ পাছতে উচমান ভিতৰৰ পৰা ওলাই আহে আৰু চকীখনত বহে। যেন একোৱেই হোৱা নাই। আমীনাই কাষ চাপি বিস্ময় মনে সোধে.....)*

আমীনা ঃ হেৰা, কি দেখিলা?

উচমান ঃ কিবা থাকিলেহে দেখিম।

আমীনা ঃ তেনেহলে সেইয়া কিহৰ শব্দ?

উচমান ঃ পানী বাকোতে জগটো আৰু সাফৰখন একেলগে পৰি গৈছিল......। এনেকৈ নিজে বাকি পানী খোৱা অভ্যাস জানো মোৰ আছে?....... আমীনা, তুমি সঁচাকৈয়ে বৰ ভয়াতুৰ! (হাঁহে)

আমীনা ঃ (*ওফোন্দ পাতি*) এনেকুৱা বুলি জানিছিলা যদি বিয়া কিয় কৰাইছিলা?

উচমান ঃ কি কৰিম, তোমাৰে দুৰ্কপাল বুলি ভাবি লোৱা।

আমীনা ঃ এনে কথা মোক নক'বা।

উচমান ঃ বাৰু, সেইবোৰ চুপতি এৰা। খালিদ কলৈ গ'ল? সি তোমাক কিবা কৈ গৈছে?

আমীনা ঃ নাই, একো কৈ যোৱা নাই। এইখন ঘৰত জানোঁ সন্ধিয়া মানুহ থাকে? ঘৰৰ ভিতৰত কফিন্ ৰখি কোন বহি থাকিব? মতা মানুহৰনো কি ধাণ্ডা আছে? সকলো কৰিবলৈ ঘৰত ঘৈণী আছে, কি চিন্তা কৰিব লাগে (*ভিতৰত শব্দ এটা শুনি দুৱাৰৰ ফালে* চায়।)

উচমান ঃ (*আমীনালৈ লক্ষ্য কৰি*) তোমাৰ দেখিছোঁ ভয় আঁতৰ হোৱা নাই। তুমি টোপনি যাওতে নিশ্চয় কিবা ভয়লগা সপোন দেখিছিলা। নহলেনো তুমি বৰ্ণনা কৰাৰ দৰে চয়তান এটা ইয়ালৈ ক'ৰ পৰা আহিব?

আমীনা ঃ (*তেওঁ বাৰম্বাৰ কোৱা সত্তেও স্বামীয়ে তেওঁৰ কথা সমূলি গ্ৰাহ্য নকৰাত বিৰক্ত হৈ*) মই যদি সপোন দেখিছোঁ বুলি ভাবিছা, ভাবা, সেইদৰেই ভাবি, মোৰ কথা উৰাই দিয়া। মই আৰু একো নকওঁ। ইমানেই যথেষ্ট হৈছে।

উচমান ঃ বাৰু, বাৰু হ'ব। এতিয়া মোৰ কথা শুনাচোন। মই তোমাক এটা কামদি যাওঁ। খালিদ আহিলে ক'বা, সি অনৰ্থক হাচান আৰু কদীশাক পঢ়াব নালাগে। সি যদি নিজে কিবা পঢ়াশুনা কৰিছে, কৰক, নিজৰ মূৰ ঘোলা কৰক। দাদাৰ ল'ৰা-ছোৱালীহালৰ মগজ গৰম কৰিব নালাগে। দাদা যিহে মেজাজী মানুহ।

আমীনা ঃ (*ভয়ভাৱ আঁতৰ কৰাত অসমৰ্থ হৈ*) অকল তাকেই কিয় জগৰীয়া কৰিছা? হাচানকয়াই সুবিধা পালেই খালিদৰ ওচৰলৈ আহে। খালিদে যি পঢ়ে, তাকে লৈ গৈ সি পঢ়ে। কদীশাই কিবা নাজানিলে খালিদক সোধে, নজনা কথা জানিব খোজে, ইমানেই।

উচমান ঃ যিয়েই নহওক, দাদাই সেইবোৰ বুজি নাপায়। তেওঁ মোক বহুত কথা শুনাইছে। তেওঁ কৈছে যে ল'ৰা-ছোৱালীক কেনেকৈ শিক্ষা দিব লাগে তেওঁ জানে। খালিদে চিন্তা কৰিব নালাগে। সি নিজেই নিজৰ পঢ়াত মন দিয়ক।

আমীনা ঃ এই ৰাতিখন এইবোৰ কথা মুঠেই ভাল নালাগে। মই আৰু নুশুনো। .... কিবা খাবানে?

উচমান ঃ নাখাওঁ।

আমীনা ঃ তেন্তে মই শোওঁগে। অলপ পাছতে খানা তৈয়াৰ কৰিবলৈ উঠিব লাগিব। মই দুৱাৰখন বন্ধ কৰিছোঁ। আল্লাই হে জানে, মোৰ ল'ৰা কেতিয়া ঘৰ সোমাব!

উচমান ঃ মোৰ বিবিজান, তুমি শুই থাকাগৈ যোৱা। সি আহিলে বাৰু ময়ে দুৱাৰ খুলি দিম, খানাও বাঢ়ি দিম, হ'বতো?

আমীনা ঃ বাপেকে দেখোন এনেকুৱা কাম কৰিলে দুনীয়া বদলি যাব! (*ভিতৰলৈ যাবৰ বাবে আগ বাঢ়ে। খন্তেক গৈয়ে থমকি ৰৈ যায়, ভয়ত পিচ হুহকি আহে*)

উচমান ঃ আহ, কিহৰ ইমান ভয়? ভিতৰত একো নাই বুলি কৈছো নহয়? সেইফালে যোৱা বুলিছোঁ? নোযোৱা কিয়? (*উচমান গৈ আমীনৰ কাষ পাইগৈ*) নগলে, মই তোমাক ঠেলা মাৰি ভিতৰ পোৱাই দিম... (*আমীনাই ধৈৰ্য্য দেখুৱাই ভিতৰলৈ যায়। উচমান আগলৈ আহি বহেহি। এনেতে ভিতৰৰ পৰা দৌৰি আমীনা ওলাই আহে আৰু চিঞৰি, চিঞৰি কয়,*)

আমীনা ঃ হে খোদা, ৰক্ষা কৰা, ৰক্ষা কৰা! (*কথা কৈ আমীনাই জোৰেৰে ফোপাই মাটিত বহি পৰে, হাত-ভৰি যেন অৱশ হৈ পৰিছে। উচ্‌মানে চকীৰ পৰা উঠি আলেখলেখ চায়।*) উহ্ কলেও নুবুজে। মই নোৱাৰো বুলিছো, নহয়? হে আল্লা, তুমি ৰহম, কৰা,

মানুহক মাৰিবলৈ চয়তান সাজু হৈ আছে।

উচমান ঃ (*গম্ভীৰ ভাৱে*) আকৌ কি ওলাল, আমীনা?

আমীনা ঃ (*ভয়ৰ লগতে খং উঠিছে*) কি চাই আছা? ভিতৰলৈ সোমাই নিজে চাই আহা। কোনো চয়তান নাই বুলিছিলা নহয়? মজা ওলাব। খালিদৰ কোঠালিত ভৰি দিবলৈহে পালোঁ, আহি মোক খেদা মাৰিলে..... (*উচমানে খন্তেক ভাবিলে আৰু পোন চাটেই ভিতৰ পালেগৈ। আমীনাই তধা লাগি চাই থাকে। উচ্মানে বোৰখাধাৰী কলা ভূতটোক ধৰি বাহিৰলৈ টানি আনে। আমীনাই এখোজ পিচুৱাই ডাঙৰকৈ চকু মেলি চায়*)

উচমান ঃ এইয়া তোমাৰ চয়তান!

আমীনা ঃ এইয়া কি দেখুৱাইছা, হে মোৰ পৱিত্ৰ হজৰত্!

উচমান ঃ ইচলামী মানুহে যাক জিন বুলি কয়। সেইটোৱেই এইটো।

আমীনা ঃ (*আমীনাই আকৃতিটোৰ মূৰৰ পৰা ভৰি লৈকে চকু পেলায়। কৌতুহল আৰু বিস্ময়। উচ্মানে লাহেকৈ বোৰ্খাটো ধৰি তলৰ পৰা ওপৰলৈ দাঙি ধৰে। মনুস্যাকৃত্ৰিতৰ শৰীৰটো ওলাই পৰিলত আমীনাৰ ভুল ভাগে আৰু মানুহটো চিনি পায়*) হেৰ' ডগাবাজ্ (*আমীনাই মাৰিবলৈ হাত দাঙে*) তোক মই মজা দেখুৱাম ৰ'। (*এনেতে বোৰখা পিন্ধা হাচানে বোৰ্খাটো খুলি দলিয়াই পেলাই দৌৰ মাৰে। উচ্মানে ঢেক্ ঢেক্কৈ হাঁহে, আমীনায়ো হাঁহে।*) এতিয়া পলাবলৈ আহিছে, তোক মই এশিকনি দিহে এৰিম (*উঠি খেদি যায়, বোৰখাটোত চকু পৰে আৰু বুটলি লয়*) হায়, খোদা, এইটো দেখোন মোৰে বোৰ্খা। পাষণ্ডটোৱে কি কৰিলে চোৱাছোন! উহ্ মোৰ চাৰিবছৰ আয়ুস কমিল!!

উচমান ঃ যি হৈছে, ভালেই হৈছে। চাৰি বছৰ লাভ হৈছে।

আমীনা ঃ কাৰ? তোমাৰ নে মোৰ?

উচমান ঃ মোৰে ধৰাছোন.........

আমীনা ঃ তুমি আৰু কি ভাবিবা? মই মৰিলেই তুমি ৰক্ষা পাবা...... (*বোৰ্খাটো টেবুলৰ ওপৰত থৈ দুৱাৰ জপাবলৈ যায়। হাচানে মেলি থৈ দৌৰ মাৰিছিল*)

উচমান ঃ খালিদ আহিলে দুৱাৰখন বাৰু ময়ে বন্ধ কৰিম।

আমীনা ঃ (*আমীনাই উচমানৰ কথালৈ কাণ নিদি দুৱাৰখন বন্ধ কৰে আৰু বোৰখাটোলৈ ভিতৰলৈ সোমায়। উচমান বহি থাকে। এনেতে দুৱাৰত কোনোবাই টুকুৰিয়ায়, শব্দ শুনি উচমান ঠিয় হয় আৰু কোন আহিছে, উমান লয়।*)

খালিদ ঃ (*বাহিৰৰ পৰা*) মা, মা,

উচমান ঃ (*ভিতৰলৈ চাই, ডাঙৰকৈ কয়*) আমীনা, এইয়া তোমাৰ পুত্ৰ পালেহি।

আমীনা ঃ (*খং আৰু বিৰক্তিৰে ওলাই আহে*) তোৰ অহাৰ সময় হ'ল হবলা? সি নিজেও নোশোৱে আৰু ম'হৰ দৰে উৎপাত কৰি আনকো শুবলৈ নিদিয়ে।

খালিদ ঃ (*বাহিৰৰ পৰা*) দুৱাৰখন বেগেতে খোলা মা!

উচমান ঃ চুপচাপ খুলি দিয়া আমীনা। (*আমীনাই দুৱাৰ খুলি দিয়ে। খালিদ সোমাই আহে। উচ্‌মানে খোলা দুৱাৰখনলৈ চাই থাকে।*)

খালিদ ঃ (*বিনম্র ভাৱে*) মা, এওঁক ভিতৰলৈ লৈ যাওঁ?

উচমান ঃ (*গহীন কৈ*) সেইয়া কোন?

খালিদ ঃ এজনী ছোৱালী, বাবা।

উচমান ঃ ছোৱালী, ভিতৰলৈ আহ্।

আমীনা ঃ (*খঙেৰে আগত ঠিয় হৈ*) এয়া কি হাৰামজাদা?

খালিদ ঃ এজনী ছোৱালী মা।

আমীনা ঃ গাভৰু ছোৱালীৰ মতলব কি শুনো। এই সময়ত মই তাইক এখোজো ভিতৰ সোমাবলৈ নিদিওঁ।

উচমান ঃ (*আমীনাৰ প্রতি*) তাৰ আগতে মই তাইক এক্ থাপ্পৰ মাৰি লওঁ ৰ'বা। (*দাত কৰচি মাৰিবৰ বাবে অগ্রসৰ হয়। বাহিৰলৈ মূৰ উলিয়াই ডাঙৰ কৈ মাতে*) বেটি, ভিতৰলৈ আহ্।

খালিদ ঃ (*ভৰসা পাই*) এইজনী বৰ দূৰ্ভগীয়া ছোৱালী, বাবা! (*মাকৰ প্রতি*) মা কিবা আছে যদি ছোৱালীজনীক আগতে খাবলৈ দিয়া। বৰ ভোকত আহিছে। মৃত্যুৰ মুখৰ পৰা তাইক মই তুলি আনিছোঁ।

আমীনা ঃ এই নিশাখন, এজনী জোৱান ছোৱালী, এনে অৱস্থাত, নাই, নাই, হ'ব নোৱাৰে। ঘৰ নুসুমাবি.........

উচমান ঃ আমীনা, মোৰ কথা শুনা, আগতে তাইক এমুঠি খাবলৈ দিয়া, পাছত বিচাৰ কৰিবা। যোৱা। (*আমীনা বিৰক্ত হৈ সোমাই যায়*)

খালিদ ঃ (*দুৱাৰমুখৰ পৰা মাতে*) ভিতৰলৈ আহা। (*ফটা, ছিন্নভিন্ন কাপোৰ পিন্ধি এজনী শিথিল বদনা, সুনয়না ছোৱালী সোমাই আহে।*)

উচমান ঃ ভয় নকৰিবি। ভিতৰলৈ আহ্। (*ভয়ে ভয়ে ছোৱালীজনী এখোজ দুখোজ কৰি ভিতৰ সোমায়।*) তই ক'ৰবাত কামবন কৰি জীৱিকা উলিয়াব নোৱাৰ জানো?

ছোৱালী ঃ (*দুখ আৰু ভাগৰত*) কৰিছিলোঁ.......... (*খালিদ ভিতৰলৈ যাব খুজি কথা শুনি ৰৈ যায়*)

উচমান ঃ পাছে কি হ'ল ?

ছোৱালী ঃ মই গুছি আহিলোঁ।

খালিদ ঃ (*আগলৈ আহি*) কিয় গুছি আহিলা ?

ছোৱালী ঃ তেওঁলোকে মোক গুছি যাবলৈ ক'লে। মই জমিদাৰ কদ্দৰকুট্টীৰ ঘৰত কাম কৰিছিলোঁ।

খালিদ ঃ তেওঁলোকে তোমাক কিয় পঠাই দিলে ?

ছোৱালী ঃ মই ক'ব নোৱাৰোঁ......

খালিদ ঃ বিনা কাৰণত কেতিয়াও খেদা নাই ?

উচমান ঃ কাৰণ জৰুল আছে। বাৰু, তাইক এতিয়া এসাজ পেট ভৰাই খাবলৈ দি বিদায় দে।

খালিদ ঃ (*ছোৱালীজনীৰ প্ৰতি*) তুমি চাগে ভালকৈ নাথাকা....

ছোৱালী ঃ থাকোঁ।

খালিদ ঃ হয়তো গৃহস্থৰ কিবা লোকচান কৰিছিলা, বাচন-বৰ্তন বা আন কিবা দামী বস্তু ভাঙিছিলা?

ছোৱালী ঃ মই তেনে কামো কৰা নাছিলোঁ.........

খালিদ ঃ তেন্তে তোমাক গৃহস্থই বয়স হোৱাৰ বাবে বিদায় দিছে। কোনো কোনো গৃহস্থই গাভৰু ছোৱালীক ঘৰত ৰাখিবলৈ মন নকৰে। নহয় বাবা?

উচমান ঃ তই আক' এইবোৰ কি প্ৰশ্ন কৰিছ?

(*আমীনাই এথাল ভাত-আঞ্জা আনি ছোৱালীজনীৰ সন্মুখত দিয়েহি আৰু অপেক্ষা কৰে।*)

খালিদ ঃ কি কাৰণ থাকিব পাৰে, আমি জনা দৰকাৰ।

ছোৱালী ঃ জমিদাৰৰ ঘৰৰ মহিলাসকলে প্ৰতিবেশীক কোৱা শুনিছিলো বোলে, মোৰ নিচিনা কামবন জনা পাকৈত ছোৱালী তেওঁলোকে আগতে পোৱা নাছিল।

খালিদ ঃ তেন্তে, ভালমতে কাম-বন কৰা ছোৱালী তেওঁলোকে নিবিছাৰে?

আমীনা ঃ নজনা-নুশুনা ছোৱালী এজনী আনি ঘৰ সুমুৱাইছহি, লাগ-বান্ধ নোহোৱা কথাবোৰ পেঘেনিয়াই পেঘেনিয়াই সুধি আছ, তোৰ কি হৈছে হো, লাজ-চৰম নাইকীয়া হল নেকি?

উচমান ঃ (*গহীন ভাৱে*) তাইক খাবলৈ দি বিদায় দে।

খালিদ ঃ কিন্তু বাবা, কাৰণটো আমি জনা উচিত?

উচমান ঃ (*সৰু কৈ*) কাৰণ জৰুল আছে, নহলে...... (*এনেতে ছোৱালীজনীয়ে কান্দিবলৈ ধৰে*) আ-ৰে, তই আক' কান্দিছ কিয়?

খালিদ ঃ কান্দিছা কিয়? কান্দিবলৈ কি হৈছে? বাৰু, মই আৰু একো নোসোধো। ভাতসাজ খাই তুমি যাব পাৰা।

উচমান ঃ ভাত দি থৈছে, খা বেটি খা।

ছোৱালী ঃ (*বৰ দুখেৰে*) দেউতা, মই কোনো বেয়া কাম কৰা নাছিলোঁ। মোক ভুল নুবুজিব। (*খন্তেক ৰৈ, সংকোচ কৰি*) জমিদাৰৰ ল'ৰা কলেজ বন্ধ হোৱাত মাদ্ৰাজৰ পৰা ঘৰলৈ আহিছে।........ তেতিয়া মালিকণীয়ে কলে, 'তই আৰু ইয়াত থকা ঠিক নহয়। মোক পঠাই দিলে। (*চাদৰৰ আঁচলেৰে মুখ ঢাকি উচুপি কান্দে*)

উচমান ঃ তই আক' কান্দিছ' কেলৈ? আগতে ভাতখিনি খাই ল'।

ছোৱালী ঃ (*দুখ সহ্য কৰিব নোৱাৰি জোৰেৰে কান্দে*) এইবোৰ কথা মই একোকে নাজানোঁ? বিশ্বাস কৰক, খোদাৰ কছম্ —

আমীনা ঃ (*অলপ সদয় হৈ*) ছোৱালীজনীৰ কোনো নাইনেকি?

উচমান ঃ তই এতিয়া চলিবি কেনেকৈ? (*অসহ্য, দুখ, চিন্তা আৰু দুৰ্বলতাত ছোৱালীজনীৰ মুৰ আচন্দ্ৰাই কৰে হাত-ভৰি কঁপি তাই ঢলি পৰে।*)

উচমান ঃ (*ব্যগ্ৰ হৈ*) ছোৱালীজনী দেখোন ঢলি পৰিল! আমীনা, কি চাই আছা, ধৰা.......

খালিদ ঃ (*আগবাঢ়ি আহি*) মা!

(*আমীনাই আগবাঢ়ি আহি ছোৱালীজনী ধৰে, এনেতে পট পৰে*)

—পট পৰিৱৰ্তন—

দ্বিতীয় দৃশ্য

স্থান ঃ [*মালিকৰ ঘৰ। ৰাতি প্ৰায় দুটা বাজিছে। ৰোজাৰ সময়। মালিকে ভৰপেট আহাৰ খাই এখন চকীত বিশ্ৰাম কৰিছে। ওচৰতে এখন টেবুল সজাই থোৱা আছে। টেবুলত এটা লেম্প জ্বলি আছে। পিচফালে কদ্বীশা ঠিয় দি আছে, টোপনি ক্ষতি হোৱাৰ বাবে ক্লান্ত*]

মালিক ঃ (*টেবুলত থকা বিচনীখন লৈ বতাহ লয়*) বেটি কদীশা।

কদীশা ঃ কি হ'ল বাবাজান?

মালিক ঃ তই আগলৈ আহ, তোক এবাৰ মই চাওঁ।...... (*কদীশা আগলৈ আহে*) তোক এটা কথা কম কম বুলি কিমান বাৰ ভাবিছোঁ...... বাৰু, এটা কথা সোধো আগতে। তই আজিলৈকে কিমান ৰোজা ৰাখিছ?

কদীশা ঃ মই সকলো ৰোজা ৰাখিছোঁ, বাবা জান।

মালিক ঃ বঢ়িয়া কাম কৰিছ। তই বেছ বুদ্ধিমতী ছোৱালী। ছোৱালী হ'লে তোৰ দৰেই হ'ব লাগে। খেল খেলিলে ভালকৈ খেলিব লাগে। কিন্তু ৰোজা আৰু নমাজক বাদ দি খেল নেখেলিবি। মৰাৰ পাছতো ৰোজা আৰু নমাজৰ ফল পাব পাৰি। এই দুনীয়াত একো স্থায়ী নহয় 'য়্যাৰাবুল্ আল্ আমীন্ এই দুনীয়াৰ জাক্জমক্ সকলো

মৰীচিকা। সেইবোৰত ভোল নাযাবি। শুন কদীশা, চয়তানে আমাক চাৰিওফালে আগুৰি আছে।

কদীশা ঃ বাবাজান, এটা কথা সোধো। চয়তানে বাৰু আমাক কষ্ট দিবলৈ কিয় আমাৰ চাৰিওফালে ঘূৰিব লাগে?

মালিক ঃ সেইবোৰ ডাঙৰ কথা, তই এতিয়া বুজি নাপাৱ। আল্লা আৰু নবীয়ে যি উপদেশ দিছে, সেই মতেই চলি যা, তোৰ মংগল হ'ব। অ' মই পাহৰিছোৱেই। (*ডাঙৰকৈ মাতে*) ওক্কৰ ওক্কৰ...... (*মাত নুশুনাৰ বাবে কদীশাক সোধে*) ওক্কৰ শুলেনেকি?

কদীশা ঃ (*ভিতৰৰ ফালে চাই*) নাই শোৱা হ'বলা

মালিক ঃ (*আকৌ মাতে*) ওক্কৰ ওক্কৰ........

ওককৰ ঃ (*ভিতৰৰপৰা*) কি হ'ল?

মালিক ঃ এইফালে নাহ কিয়?...... (*ওক্কৰ ওলাই আহে*) তই আহোতে কদীশাৰ বাবে অনা পেকেটটো লৈ নানিলি কিয়? পেকেটটো লৈ আহ্। (*ওক্কৰ সোমাই যায়। মালিকে কষ্টেৰে ভৰ দি চকীৰ পৰা উঠে আৰু ইফাল সিফাল কৰে।*) চা, কদীশা, তই মোৰ আদৰৰ ছোৱালী।

মালিক ঃ তোৰ ভৱিষ্যত যাতে ভাল হয় মই সদায় চিন্তা কৰোঁ। তই এতিয়া ডাঙৰ হৈছ, কথা বুজিব পৰা হৈছ। আগৰদৰে খেল-ধেমালি কৰি ফুৰা, তোৰ বাবে ঠিক হোৱা নাই। তোৰ বাবে মই দামী আৰু বঢ়িয়া দুপত্তা আনিছোঁ। ডাঙৰ দোকানৰ পৰা বাছি কিনি আনিছোঁ।........ জোৱান ছোৱালীক পৰপুৰুষে চোৱা ঠিক নহয়।

কদীশা ঃ (*বিষণ্ণমনে*) দেখিলে কি হ'ব, বাবা?

মালিক ঃ (*বাৎসল্য পূৰ্ণ শাসনেৰে*) মই যি কওঁ, তাকে শুনি যা; পৰপুৰুষে তোৰ দৰে জোৱান ছোৱালী এজনীক চকু দিয়া বেয়া কথা বুলিছোঁ নহয়? বাপেৰৰ কথা শুনিবি, মূৰত উঠিবলৈ যত্ন নকৰিবি, বুজিছ। (*এনেতে ওক্কৰ সোমাই আহে। হাতত এটা পেকেট*) মোক দে (*ওককৰে পেকেটতো বাপেকৰ হাতত দিয়ে। বাপেকে পেকেটৰ পৰা দুপত্তাখন উলিয়াই কদীশাৰ আগত মেলি দেখুৱায়। ওক্কৰে পেকেটৰ পৰা দুপত্তাখন উলিয়াই কদীশাৰ আগত মেলি দেখুৱায়। ওক্কৰে অলপ আঁতৰত ৰৈ থাকে।*) হাঃ হাঃ হাঃ এইখন চা, কিমান ধুনীয়া, মিহি, চালে চকু ৰোৱা। দামও কম নহয়। নগদ পঁচিশ টকা! তোৰ বাবেই ইমান দামী দুপত্তা মই কিনি আনিছোঁ। (*ওক্কৰৰ প্ৰতি*) ওক্কৰ, হাচান উঠিলনে নাই, খবৰ কৰ। সি ৰোজা ৰখা নাই যেন লাগিছে।

ওক্কৰ ঃ (*ভিতৰলৈ আঙুলি নিৰ্দেশৰে*) সৌৱা চাওক, সি মুৰে গায়ে ঢাকি ফষ্টি মাৰি

শুই আছে। মাতি, মাতি উঠাব পৰা নাই।

মালিক ঃ তাক কৈ দে, সি ভালে ভালে উঠি মোৰ আগত ঠিয় হ'বহি লাগে। মই যাতে ইয়াৰ পৰা উঠি যাব নালাগে। যা মাতি আন।

ওক্কৰ ঃ (*সেমেনা সেমেনি কৰি*) ক'ত উঠিব হ'বলা। মহা আৰামেৰে টোপনি মাৰিছে। (*প্ৰস্থান*)

মালিক ঃ (*কদীশাৰ প্ৰতি*) তই কিয় চুপহৈ গলি? এই দুপত্তাখন এবাৰ মুৰতলৈ নাচাৱ কেলৈ? (*কদীশাই ল'ৰচৰ নকৰা দেখি*) তোৰ পচন্দ হোৱা নাই হ'বলা। বাৰু, এইফালে আহ, এইখিনিত ঠিয় দে। (*কদীশাই আদেশ পালন কৰে*) এইখন এতিয়া গাত ল'.......। (*কদীশাৰ আগ্ৰহ নেদেখি বাপেকে দুপত্তাখন সম্পূৰ্ণ নুখুলি ভাজেৰে জীয়েকৰ মুৰত মেলি দিয়ে*) বাহ্, এতিয়াহে তোক ভাল দেখিছে! (*অলপ সময় কদীশাৰ মুখলৈ চাই মৰমতে এটা থাপৰ মাৰি কয়*) হেৰৌ ছোৱালী, মোৰ কথা শুন। মই তোৰ বিয়াখন পাতিব খুজিছোঁ। এটা ভাল ল'ৰা পাইছোঁ। সম্ভ্ৰান্ত ঘৰৰ, ধন-সম্পত্তিৰ অভাৱ নাই। মহীশুৰত ডাঙৰ দোকান আছে। (*অলপ ৰৈ*) এতিয়া দুপত্তাখন গুছাই থ'। (*মালিকে নিজেই কদীশাৰ গাৰ পৰা আনি আকৌ আগৰ দৰে ভাজ কৰে*) এইখন বিয়াত বহোতে বা নিমন্ত্ৰণ খাওতে ললেই হ'ব। দামী বস্তুটো! (*কদীশাক লক্ষ্য কৰি*)

মালিক ঃ তই দেখিছোঁ, কথা নোকোৱাই হ'লি? কিবা ক'ব লগা থাকিলে চাফ্ চাফ্ কৈ দে। অ' পাহৰিছোৱেই। এই খনেই ক'ত হ'ব? বিয়াখন পাতিলে কিমানবোৰ বস্তু যে লাগিব, লেখ আছে জানোঁ? এই ধৰ অকল তোৰ বাবেই সেউজীয়া বুটা কৰা ব্লাউজ, নানা ফুল তোলা চাদৰ, মেখেলা, কাম কৰা চেণ্ডেল, আঁতৰ, গোলাপজল কত ধৰণৰ বস্তু! আল্লাৰ অনুগ্ৰহত মোৰ টকা পইচাৰ অভাৱ নাই। তোক উলিয়াই দিওতে মই অকণো কাৰ্পণ্য নকৰোঁ। দুই হাতে খৰচ কৰিম। তই সুখী হোৱাটোকে মই কামনা কৰোঁ। (*এনেতে ওক্কৰ সোমাই আহে।*) কি হল অ' তাক জগাই দিলিনে নাই?

ওক্কৰ ঃ নাই নাই নহব। মোৰ দ্বাৰা নহব। ইচ্ছা কৰিলে আপুনিয়ে তাক মাতক গৈ! উহ্ কটা, কি মৰ টোপনি অ', লৰচৰকে নকৰে, মাতিবহে পাৰো! মাতোতে মাতোতে মোৰ মাতকে ভাঙি গৈছে (*ডিঙি পৰিস্কাৰ কৰে, কাহে*)।

মালিক ঃ (*খং উঠিছে যেন ভাব*) সি ক'ত আছে? মই জীয়াই থাকোতে এই মগ্ৰামি, নচলিব। (*খন্তেক ভাবি*) এতিয়া কিমান বাজিছে?

ওক্কৰ ঃ (*ঘড়ী চাই*) দুই বাজি গৈছে। (*মালিক খঙেৰে ভিতৰলৈ যায়*)

ওক্কৰ ঃ (*দুপত্তাখন ভাজেৰে পেকেটত ভৰাই*) তোৰ কি হৈছে কদীশা? বাবাই কিবা

টান কথা কলেনেকি?

কদীশা ঃ মোৰ একো হোৱা নাই, দাদা। (*ভিতৰলৈ প্ৰস্থান*)

মালিক ঃ (*ভিতৰৰ পৰা*) উঠ, উঠ বুলিছো নহয়! নিজৰ মতলব এৰ। (*হাচানক ধৰি বাহিৰলৈ টানি আনে*) নমাজ এৰি চয়তান হ'ব খুজিছ? (*হাচানৰ টোপনি যেন ভঙাই নাই। চকু মোহাৰে, বাপেকৰ ভয়ত কন্দাৰ ভাও জোৰে। মালিকে মুৰটো জোকাৰি দিয়ে, চুলিত ধৰি টানে। মালিকৰ হাতত তেল লগাত*) চালা হাৰামজাদাই চুলিত তেলকে ঢালিছে, বিনা পইচাই পাইছেতো। ইফালে বজাৰত তেল পাবলৈ নাই। (*টেবুল ক্লথখনতে হাতখন মচি তেল গুছায়।*) ওক্কৰ তই ভিতৰলৈ যা, হাচানৰ বাবে খানা লগাবলৈ ক, বেগেতে। অ', এই পেকেটতো লৈ ভিতৰত ভালকৈ থৈ দেগৈ। (*ওক্কৰৰ প্ৰস্থান*) কদীশা কলৈ গ'ল? (*ডাঙৰ কৈ মাতে*) কদীশা! (*কদীশা ভিতৰৰ পৰা ওলাই আহে, ইফালে লাহেকৈ উঠি হাচান সোমাই যায়।*)

কদীশা ঃ কি হ'ল বাবাজান? কিয় আক' মাতিছিল?

মালিক ঃ তই খানা খালিনে মা?

কদীশা ঃ খাইছোঁ।

মালিক ঃ পেট ভৰাই খাইছতো? কাইলৈ সন্ধিয়ালৈকে কিন্তু খালি পেটে থাকিব লাগিব। ভোকত লেবেজান হৈ পৰিলে নচলিব। সেইবাবে এতিয়াই বঢ়িয়াকৈ খাই ল'। (*ওক্কৰ সোমাই আহে*)

ওক্কৰ ঃ সেই বদমাচ খালিদটোৱে কদীশা আৰু হাচানক নষ্ট কৰিছে। কিনো কম, বহুত কথা। আজি কিছু দিনৰ পৰা সিহঁতৰ মতি গতি কেনে হৈছে, আপুনি লক্ষ্য কৰিছেনে?

মালিক ঃ কদীশা, তোক কিমান বাৰ কৈছো, সেই ফালে নাযাবি। সেইখন ঘৰলৈ গলে মানুহ পাগল হৈ যাব। তয়ো কফিনত সোমাবি। সেই হাৰামজাদা চোৰটোৰ কাণ্ড কাৰখানা দেখি মোৰ মেজাজ খাৰাপ হৈ গৈছে। তাৰ মাক বাপেক নো আৰু কি? এটা হৈছে চুন্নী, আনটো ৰহাবী। দুয়ো বেলেগ বেলেগ ৰাস্তাত খোজ দিছে। এতিয়া আৰু একে লগ হোৱাৰ ভৰসা নাই। সিহঁতৰ ঘৰত দুচমনে বাহ লৈছে। তোক বেটি মই সাৱধান কৰি দিছোঁ। তই সিহঁতৰ তালৈ নাযাবি। তই যদি মনে মনে যাব, আৰু মই যদি গম পাও, তেতিয়া কিন্তু তোৰ নিস্তাৰ নাই।

কদীশা ঃ (*বাপেকৰ ভয়তে কয়*) মই বাৰু নাযাওঁ........

মালিক ঃ সেইটো ভাল কথা। বৰ জৰুৰী কথা থাকিলে তালৈ তোৰ মাৰ যাব। মোৰ আপোন ভাই হল কি হ'ল? তাৰ মতলব ভাল নহয়। তই এতিয়া যা, অলপ আৰাম কৰগৈ। অ' শুন, মোৰ কোঠাত এজগ ঠাণ্ডা পানী থবলৈ মাৰক কৈ যাবি। (*কদীশাৰ প্ৰস্থান*)

মালিক ঃ (*ওক্কৰ প্ৰতি*) বোলো, বৰ'পো', তোৰ দোকানৰ হিচাব নিকাচ ঠিক কৰা হলনে নাই? টেক্স অফিচত হিচাপ দাখিল কৰিব লাগিব। চাবি, যাতে গৰ্বৰ্ নহয়। মোৰ বদনাম নানিবি। টেক্স দিওতে দোকানী বেপাৰী হায়ৰাণ হ'ব লাগে। তই কেৰাণীক ঠিকমতে বুজাই দিছতো?

ওক্কৰ ঃ (*তলমুৰ কৰি*) দিছোঁ।

মালিক ঃ হিচাপৰ বহী বদল কৰোঁতে, নতুনকৈ ভৰাওতে খুব সাৱধান হবি। কেৰেণীয়ে এইবোৰ ভাবিচিন্তি নভৰায়। তাতে, টেক্স অফিচৰ বাবুবোৰৰ চকু বেজীৰ দৰে জোঙা। ক'ত ফুটা কৰে ঠিকনা নাই। আৰ্মানকুট্টী হাজীয়ে যোৱা কালি হিচাপ দাখিল কৰিলে। কিন্তু দুটকামানৰ হিচাপ গৰবৰ হোৱাত তেওঁ বৰ হায়ৰাণি হ'ব লগাত পৰিল। আৰ্মানভায়া ঘামি জামি ভাগৰি পৰিছিল। (*এনেতে খানা খাই হাচানে হাত-মুখ মচি প্ৰবেশ কৰে আৰু বাপেকৰ চকুৰে চকুৰে পৰে*) হেৰ, আগলৈ আহ। ইমান বেগেতে খানা খোৱা হলনে? খালি, নে গিলিলি?

হাচান ঃ খালোঁ।

মালিক ঃ ইমান খৰধৰ কিয়? ক'ৰবাত কোনোবা ঢুকুৱাৰ খৱৰ পালিনেকি?

হাচান ঃ খানা খায়েই আহিছোঁ।

মালিক ঃ কিনো খালি? মাহেকটোত দেখোন একবস্তা চাউল অকলে তোকেই লাগে?

হাচান ঃ (*অলপ বিতুষ্ট হৈ*) ও লাগে চাগৈ........। আজি কিন্তু মোৰ পেট সিমান ভাল নহয়।

মালিক ঃ তোৰ যে পেট বেয়া, মই ধৰিব পাৰিছোঁ। (*ওক্কৰৰ প্ৰতি*) ওক্কৰ, আজি বজাৰৰ পৰা কিবা পচা মাল আনিছিলি হবলা.......

ওক্কৰ ঃ নাই, নাই, মই নিজে চাই তাজাবস্তু কিনি পঠাইছোঁ.......

মালিক ঃ তেনেহলে, হাচানৰ পেট গৰবৰ হোৱাৰ বেলেগ কাৰণ আছে........

ওক্কৰ ঃ ইয়াত তাৰ খানা কি ভাল লাগিব? ৰাতিপুৱাৰ লগে লগে গোপালন নায়াৰৰ হোটেলত তাৰ বাবে চাহ-ভাত মজুত থাকে।

মালিক ঃ (*খং উঠে*) সঁচা কথা ক'হাচান। এই ৰমজান মাহত তই গোপালন নায়াৰৰ হোটেললৈ যাব? (*হাচানক মাৰিব খোজে, হাচানে মাৰ পৰিবৰ ভয়ত মুৰত হাত দিয়ে।*)

হাচান ঃ মই নাযাওঁ, বাবা

মালিক ঃ যদি নাযাৱ, ওক্কৰে তেনেহলে মিছা কথা কৈছে?

হাচান ঃ মই নাজানোঁ। গোপালন নায়াৰে মোক বিনা পইচাত চাহ-ভাত খুৱাবনে?

মালিক ঃ তোক জানিবলৈ মোৰ বাকী নাই। তোৰ ফাকি ফুকা মই সকলো ধৰিব পাৰোঁ।

মই তোক চিধাৰাস্তালৈ আনিব লাগিব....... (*মাৰিব খোজে*) যা, এতিয়া ভাগ্ ...... (*হাচান দৌৰ মাৰে*)

ওক্‌কৰ ঃ (*হাচান যোৱা লক্ষ্য কৰি*) বাবা, আপুনি তাৰ চলন-পিন্ধন মন কৰিছেনে? সি ৰাতিয়ে দিনে খালিদৰ লগতে থাকে। খালিদৰ সকলো কাম ইচলাম বিৰোধী। আপুনি চাচাক কব লাগে।

মালিক ঃ (*চিন্তিতভাৱে চকীত বহি*) ও' কব লাগিব। মই অৱশ্যে কৈছোৱেই। তথাপি আকৌ কম। আল্লাৰ মেহেৰবানীত খালিদক ঠাণ্ডা কৰা মোৰ বাবে মস্কিল নহ্ব। মৌলবীৰ ধাৰ্মিক ভাষণ তই জৰুল শুনিছ। বিধৰ্মীৰ কামবোৰ চলনাৰ বাহিৰে একো নহয়। (*ওক্‌কৰে কথাৰ অৰ্থ নুবুজি বাপেকলৈ ভেবা লাগি চাই থাকে*) ধুতি টানকৈ পিন্ধি, পোন্ধ আঁটি, চাকি জ্বলাই ''ৰাম ৰাম'' আৰু কিবা কিবি কয়, নহয় জানোঁ?

ওক্‌কৰ ঃ নাটক!!

মালিক ঃ নাটক। ও, নাটকেই। সেয়া ইচলামৰ বাবে ঠিক নহয়। নিজৰ ৰূপ বদলাব খোজা জানো ভাল কাম? মৌলবীয়ে কৈছিল যে নিজ ধৰ্ম বিৰোধী কাম কৰিলে নিজ সন্তানকো মাফ্ কৰিব নোৱাৰি। তেনে সন্তানক মাৰি পেলালেও পাপ নালাগে বুলি তেওঁ কপাঁ কপাঁ মাতেৰে কৈছিল। তেনে সন্তানৰ পৰা খানদানৰ কোনো লাভ নহয়।

ওককৰ ঃ আপুনি কিয় এইবোৰ আঁতৰ কৰিবলৈ সাহস পোৱা নাই, মই ভাবি পোৱা নাই। খালিদ আপোনাৰ সৰু ভায়েকৰ ল'ৰা। আজি সি এয়া কৰিছে। কাইলৈ সি কি ঘটনা কৰে, আল্লাই হে জানে!...... আৰু এটা কথা আপোনাক কবলৈ পাহৰিছোৱেই.......

মালিক ঃ (*বিষন্ন মনে*) কি কথা?

ওক্‌কৰ ঃ মই দোকান বন্ধ কৰি ঘৰলৈ অহাৰ সময়ত তেতেলি গছ জোপাৰ তলত বহুত লোক জমা হৈ থকা দেখিছিলোঁ। ওচৰ চাপি দেখিলো, এজনী গাভৰু ছোৱালী পৰি আছে।

মালিক ঃ মুছলমান ছোৱালী?

ওক্‌কৰ ঃ বোধকৰো মুছলমান ছোৱালীয়েই হ'ব। কিন্তু তাত গোট খোৱা মানুহবোৰৰ মুখত নানা কথা কোৱা শুনিছিলো।...... ছোৱালীজনীয়ে বোলে কদ্‌দৰ কুট্টীৰ ঘৰত কাম কৰিছিল। আপুনি বোধকৰো গম পাইছে যে তেওঁৰ ডাঙৰ ল'ৰাটো মাদ্ৰাজত পঢ়ে। সি এতিয়া ঘৰলৈ আহিছে। ল'ৰাটো দেখাই শুনাই ভাল হৃষ্ট পুষ্ট। কামকৰা ছোৱালীজনীয়ে তাৰ লগত প্ৰেম কৰিবলৈ ধৰিছিল। এই কথা গম পাই কদ্‌দৰকুট্টীৰ পৰিবাৰে তাইক ঘৰৰ পৰা বাহিৰ কৰি দিলে। খানদানৰ বদনাম হ্লে বৰ বেয়া কথা হ'ব। মই শুনিছো, কিছুদিন ছোৱালীজনীয়ে আলিবাটত ভিক্ষা কৰি ফুৰিছিল।

মালিক ঃ তাৰ পাছত তাৰ পাছত কি হ'ল?

ওক্কৰ ঃ এদিন খালিদৰ লগত তাইৰ দেখা হ'ল। খালিদে তাইক লৈ গ'ল...... নিজৰ ঘৰলৈ।

মালিক ঃ তই এইবোৰ কি কৈছ ওক্কৰ?

ওক্কৰ ঃ আপুনিহে গম পোৱা নাই! মানুহৰ মুখে মুখে এইবোৰ কথা। কদ্দৰ কুট্টীৰ ঘৰৰ কেলেংকাৰী গাঁৱৰ লোকগীতত পৰিণত হৈছে। বদনামৰ বাবে ছোৱালীজনীক কোনেও নাৰাখিলে। এতিয়া তাই খালিদৰ গাত লম্ভিছে।

মালিক ঃ কথাটো মোৰ বিশ্বাস হোৱা নাই। নিজে এবাৰ ভালকৈ জনা দৰকাৰ। তই এবাৰ মালিকহঁতৰ ঘৰলৈ যা। ছোৱালীজনী এতিয়াও তাতে আছেনে গ'ল। পলম নকৰি তুৰন্তে মোক বিতং কবিহি। (*ককালৰ পৰা চাবিকোছা উলিয়াই ওক্ক্ৰক দি কয়*) ছাবিকোছালৈ মোৰ আলমাৰীটো খুলি তাৰ পৰা টৰ্চটো লৈ যাবি। উচমানক কবি যাতে এইবোৰ কামত সি খালিদক প্ৰশ্ৰয় নিদিয়ে। আমাৰ খানদানৰ ইজ্জত যাতে মৰা নপৰে। (*ওক্কৰে ছাবি লৈ ভিতৰ সোমায়*) কিবা এটা ব্যৱস্থা নকৰিলে দেখিছোঁ, নহ'ব। বদনামী জোৱান মাইকী এজনী আলিবাটৰ পৰা মাতি আনি ঘৰ সুমুৱাবহি, হ'ব নোৱাৰে। বহুত বাঢ়ি গৈছে....... (*খঙৰ কোবত ভালকৈ স্থিৰেৰে থাকিব পৰা নাই*) আমাৰ পৰিয়ালত নোহোৱা নোপজা কথা এটা মই সহ্য নকৰোঁ। (*ওক্কৰে হাতত টৰ্চটো লৈ সোমাই আহে*) তই সোনকালে আহিবি। চাওঁ, ছাবিকোছা দি যা (*ওক্কৰে দিবলৈ পাহৰিছিল, বাপেকৰ কথাত ছাবিকোছালৈ মনত পৰিল আৰু পকেটৰ পৰা উলিয়াই আগবঢ়াই দিলে*)

ওক্কৰ ঃ অ' পাহৰিছোৱেই। এই কোছা ধৰক।

মালিক ঃ তই ছাবিকোছা লৈ দিবলৈ পাহৰ দেখিছোঁ। অ' এটা কথা ভাবিছোঁ। তই হুলস্থূল খন কৰিবগৈ নালাগে। উচমানক মই মাতিছোঁ বুলি ক'গৈ। যি কব লাগে ময়ে কম। (*ওক্কৰে মুৰ দুপিয়াই যায়। মালিকে চিন্তাগ্ৰস্থ হৈ ইফাল সিফাল কৰে। এনেতে কদীশাই ভিতৰত "বাবা" "বাবা" বুলি চিঞৰা কাণত পৰে।*)

মালিক ঃ (*চক্ খাই উঠে*) কদীশা, কদীশা, বেটি মোৰ! কি হৈছে? (*মালিক বেগাই ভিতৰ সোমাই যায়*) কি হৈছে, নকৱ কেলৈ? (*ভিতৰত কান্দি থকা জীয়েকক মৰমেৰে ধৰি মেলি বাহিৰলৈ লৈ আহে আৰু চকী এখনত বহুৱাই বিচনীৰে বিচি দিয়ে*) কি হৈছে, ক' কদীশা?

কদীশা ঃ (*ভয়ৰ ভাৱ*) কিবা এটা, কিবা এটা সেই ফালে (*হাতেৰে ভিতৰৰ ফালে দেখুৱাই*) যোৱা দেখিছিলোঁ......

মালিক ঃ হে খোদা, মোৰ ধুনীয়া ছোৱালীজনী ভয়ত বিবৰ্ণ হৈছে. ঘামি জাগৰি পৰিছে।

(*বিচনীৰে জোৰকৈ বতাহ মাৰে*), বেটি, তইনো কি দেখিলি? মইতো একোকে দেখা নাপালোঁ।

কদীশা ঃ মোৰ বৰ ভয় লাগিছে বাবা (*বাপেকক সাৱটি ধৰে*)

মালিক ঃ মই আছোঁ নহয়, ভয় নকৰিবি...... (*এনেতে ভিতৰৰ পৰা হাচান বেগেৰে আহে*)

হাচান ঃ কি হ'ল কদীশা? বাবা, তাইৰ কি হ'ল?

মালিক ঃ তাই কিবা এটা দেখি খুউব ভয় খাইছে।

হাচান ঃ (*কদীশাৰ কাষত বৈ*) কি দেখিলি নকৰ কেলৈ?

মালিক ঃ তই এবাৰ ভিতৰখন ভালকৈ চাই আহ।

হাচান ঃ ভিতৰত দেখোন মই আছিলোৱেই। তাত আক' কিনো থাকিব?

মালিক ঃ কিবা এটা জৰুল আছে। তই গৈ চাই নাহ কিয়? (*হাচানৰ প্ৰস্থান*) বেটি, কচোন, কি দেখিলি? কেনে আকৃতিৰ? মানুহ নে বান্দৰ? (*জীয়েকক মৰম কৰে*)

কদীশা ঃ মই নাজানোঁ, বাবা! নাজানো।

(*এনেতে ভিতৰৰ পৰা হাচান ওলাই আহে*)

হাচান ঃ ভিতৰত একোৱেই নাই।

মালিক ঃ (*খং ভাৱেৰে*) তেনেহলে তাই এনেয়ে ভয় খালে নহয়নে? কথা কবলৈ আহিছ?

হাচান ঃ মই কিন্তু একো দেখা নাই। আপোনাৰ পুৰণি ছাটিটো আন্ধাৰত কেৱল মেল খাই ওলমি আছে......

মালিক ঃ (*ঢেক্ ঢেক্ কৈ হাঁহি*) মই জানো কোৱা নাছিলো, কদীশাৰ এইটো মনৰ ভয় বুলি? বাপেৰৰ পুৰণি ছাটিটো শুকাবলৈ তাত অৰা আছে। বতাহত হয়তো লৰিছে। তাকে ভূত বুলি তই চিঞৰ-বাখৰ খন কৰিলি। তোৰ চাগে টোপনি আহিছিল। নানা কথা ভাবি তই টোপনি গৈছিলি!........ তাতে, এইটো ৰমজানৰ মাহ! এই পৱিত্ৰ মাহত সকলো জিন আৰু চয়তানক বান্ধি পেলোৱা নিয়ম। তোক কিজানি নতুন চয়তানে ভয় খুৱাবলৈ আহিছে! ৰবি, মই মন্ত্ৰ মাৰি তোক জাৰি দিও। (*এখন হাত কদীশাৰ মুৰৰ ওপৰত থৈ অলপ সময় গুণ গুণাই মন্ত্ৰ পঢ়ে আৰু মুৰৰ পৰা ভৰিলৈকে জাৰে। দূৰৈত হাচান বৈ থাকে। মুখত হাঁহি। এনেতে পট পৰিৱৰ্তন*)

তৃতীয় দৃশ্য

স্থান ঃ [*উচমানৰ ঘৰ। সকলোবোৰ দৃশ্যপট প্ৰথম দৃশ্যৰ দৰে। মাত্ৰ টেবুলত লেম্পটো নাই। খালিদে মাকৰ হাতত ধৰি ওলাই আহে।*]

খালিদ ঃ তুমি আপত্তি নকৰিবা, মা। মই কৈছো, তুমি তাইক ইয়াতে ৰাখা। তোমাৰ সহায় হ'ব। অকলে তুমি সকলো কাম চম্ভালিবলৈ কষ্ট হৈছে। তাতে, তুমি সদায়েই মানুহৰ কথা কৈয়ে আছিলা?

আমীনা ঃ কৈছিলো, কিন্তু মানুহ এজনী লাগে বুলি কোৱা নাছিলোঁ। সৰু কাম কৰা ল'ৰা এটা বিচাৰিবলৈহে কৈছিলোঁ। (*খালিদৰ হাতৰ পৰা নিজৰ হাতখন এৰুৱাই*)......... তই ছোৱালীজনী ৰখাৰ কথা কৈছ। তই জানো তাইৰ কথাবোৰ শুনা নাই? তাইৰ স্বভাৱ-চৰিত্ৰ ভাল নহয়। ভাল হোৱাহেঁতেন ইয়াত ৰখা কথা বেলেগ আছিল........

খালিদ ঃ ভাল ছোৱালীৰ কথা কি কৈছা মা? ছোৱালীজনী বেয়া স্বভাৱৰ বুলি কিয় ধৰি লৈছা? কদ্দৰ কুট্ৰীৰ মালিকৰ ল'ৰাক তাই চলনা কৰিছিল নহয়? মোৰ কিন্তু কথা বেলেগ যেনহে লাগিছে। হয়তো, মালিকৰ ল'ৰাই তাইৰ ওপৰত বেয়া মতলব ৰাখিছিল। সেইবোৰ যিয়েই নহওক লাগিলে তাইক আমি আশ্ৰয় দি ভাল পথলৈ আনিব লাগে, লোকৰ কথা শুনি খেদি পঠিয়াব নালাগে!

আমীনা ঃ তাইক তই ভাল পথলৈ আনিব পাৰিবি বুলি ভাবিছ? মই বিশ্বাস নকৰোঁ। তাই তোকো অনিষ্ট কৰিব, আমাকো লোকৰ আগত মুখ উলিওৱাব নোৱাৰা কৰিব। তোক সেইবাবেই কৈছোঁ, তাইক এই ঘৰত ৰাখিবলৈ মোক জোৰ নকৰিবি।

খালিদ ঃ মা, মা তোমাক এযাৰ কথা শপত খাই কব পাৰোঁ। তোমাৰ ল'ৰা কেতিয়াও অসৎ পথলৈ নাযায়। তুমি ভয় নকৰিবা, মা!

আমীনা ঃ তোৰ কথা মোক নালাগে। তোৰ বৰ মাৰে কি কৈছে তই বোধকৰোঁ শুনা নাই?

খালিদ ঃ বৰ মা, বৰদেউতাহঁতৰ কথা বাদ দিয়া। তেওঁলোকে মুখেৰে বৰ ধাৰ্মিক যেন দেখুৱায়। কিন্তু ভিতৰি ওলোটা কৰে। মই শুনিছো, দুখী দৰিদ্ৰক এক পইচা দিয়ো সহায় নকৰে। ভোকত আঁতুৰ হৈ কোনোবাই কিবা বিচাৰিলে, তেওঁলোকে খেদি পঠিয়ায়। এই ছোৱালীজনীয়ে যেতিয়া ভোকত আঁতুৰ হৈ মোক কলে, ''মোক যি লাগে তাকে কৰা, ভোকত মোৰ প্ৰাণ যায়। মই ঠিয় হৈ থাকিব নোৱাৰোঁ। মোক ৰক্ষা কৰা, মোক বচোৱা....... ''তাইৰ দুচকুৰেদি লোতক বৈছিল, মাত দুৰ্বল হৈ গৈছিল শৰীৰ ভাগি পৰিছিল। এনে এটা অৱস্থাতে তাইক মই আলিবাটৰ পৰা বুটলি ইয়ালৈ আনিছোঁ। মানুহৰ দুখ দেখিলে মই ৰব নোৱাৰোঁ, মা।

আমীনা ঃ এনেদৰে তাই হয়তো আলিবাটৰ সকলো মানুহকে কৈ দয়া আদায় কৰিব খুজিছিল, ভোকাতুৰ বুলি ভাও ধৰিছিল। তই তাইৰ কথাতে বিশ্বাস কৰিলি?

খালিদ ঃ নহয়, মা, মোৰ বিবেক আছে, জ্ঞানবুদ্ধি আছে, বিচাৰ-বিবেচনা আছে। যি কাম কৰোঁ, মই ভাবিচিন্তিয়েই কৰোঁ। কিন্তু মা, তুমিতো জানা ভোকৰ জ্বালা কিমান ভয়ানক। তুমি 'ৰোজা' ৰাখা নহয়? ভোকৰ কষ্ট কি, তুমি নজনা নহয়। পিচদিনা

সন্ধিয়া পৰলৈকে লঘোণে থকাৰ ভয়ত আমি পেটভৰাই খানা খাই নলওঁ জানোঁ? তুমি দেখোন ইমান পেট ভৰাই খোৱাৰ পাছতো আকৌ দুটাকৈ কল খোৱা...... (*হাঁহে*)

(*কথাবোৰ শুনি শুনি বাহিৰৰ পৰা উচমান সোমাই আহে*)

উচমান ঃ বোলো আমীনা, খালিদে কিহৰ বক্তৃতা দিছে ?

খালিদ ঃ মই মাক কৈছিলো, গোটেই দিন লঘোনে থাকিলেই ৰোজাৰ কাম হৈ নাযায়।

উচমান ঃ (*হাঁহি এটা মাৰি*) তই ঠিকেই কৈছ বেটা, ঠিকেই কৈছ। ভালকৈ ৰোজা ৰখা, মানুহ আজিকালি নোহোৱা হৈছে। ৰোজাৰ মূল আদৰ্শ মানি চলা মানুহ কমি আহিছে!

আমীনা ঃ (*অস্বস্তিৰে*) বাপেক পুতেক দুয়ো দেখিছোঁ, মহা ধাৰ্মিক! নহলেনো........

উচমান ঃ লগতে তুমিও আক'!

আমীনা ঃ সকলোতে দেখিছো, ধেমালি! কথা কবৰ বাবেইতো "বহাৰী" হৈছে, নহয়নে? (*খালিদে ডাঙৰকৈ হাঁহি দিয়ে।*)

উচমান ঃ তুমি জানো গম পোৱা নাই? মানুহে কোৱাকুই কৰিছে বোলে আমি বাসত্তৰ দলত ভাগ ভাগ হৈ যাম। ইমানবোৰ দলৰ ভিতৰত কেৱল মাত্ৰ এটা দলহে স্বৰ্গলৈ যাব........।

আমীনা ঃ এৰা, সেইদলটো নিশ্চয় 'বহাৰী' হ'ব!

উচমান ঃ (*হাঁহি*) নহয়। সেই দলৰ মানুহ বোৰ চুন্নী হ'ব।

খালিদ ঃ (*হাঁহি*) এখন ঘৰতে দেখিছোঁ ভাগ ভাগ মানুহ আছে। তেনেস্থলত বাহিৰৰ দশা কি হব পাৰে বাবা?

আমীনা ঃ মই তহঁতৰ মাজত সোমাব নোৱাৰোঁ। বাপেৰ পুতেৰ মিলি যিমান পাৰ সিমান তৰ্ক-বিতৰ্ক কৰি থাক। মই যাওঁ মোৰ কাম আছে। (*প্ৰস্থান*)

উচমান ঃ বুজিছ বেটা, তোৰ মাৰৰ লগত কাজিয়া লাগি মজা লাগে। তেওঁৰ খংটো একে কোবে মুৰ পাইগৈ! (*হাঁহি, খালিদেও হাঁহে*) বাৰু সেইবোৰ এৰ। নামাজৰ সময় হৈছে, মই যাওঁ। (*উচমান বাহিৰৰ ফালে, খালিদ ভিতৰৰ ফালে যাবলৈ খোজ দিয়ে। এনেতে উচ্‌মানে মতাত খালিদ উভতি আহে।*) তোক এটা কথা কওঁ বুলি আহিছিলো, কথাৰ মাজত সোমাই পাহৰিয়েই গৈছিলোঁ........

খালিদ ঃ কি কথা, কওক বাবা?

উচমানঃ তই বাৰু ছোৱালীজনীৰ কথা কি চিন্তা কৰিছ? তাইক এইখন ঘৰত ৰখাটো তোৰ বৰ দেউতা বৰমাইতে মূঠেই ভাল পোৱা নাই। গাঁৱতো ওলাব নোৱাৰা হ'ল। তই মোৰ কথা শুন। তাইক ইয়াত নাৰাখিবি, পঠাই দে।

খালিদ ঃ কলৈ যাব বাবা? মায়ে দেখোন সদায় কামবন কৰি সহায় কৰিবলৈ মানুহ

এজনী লাগে বুলি কৈয়ে আছিল। মই ভাবোঁ, এই ছোৱালীজনী থাকিলে মাৰ সহায় হ'ব, মায়ে বহুতো সকাহ পাব। তাইক ইয়াতে ৰাখক......

উচমান ঃ ঘৰত কামবন চম্ভালিবৰ বাবে আমি অন্য মানুহ বিচাৰিম। এইক এইখন ঘৰত ৰাখিলে ভাল নহ'ব, অশান্তিৰ বাহ হ'ব। সেইবাবেই মই কৈছোঁ, তাইক পঠাই দে।

খালিদ ঃ সেই বাবে আমি এটা ভুল কাম কৰা ঠিক হ'ব জানোঁ? তাই এজনী নিৰাশ্ৰয়া ছোৱালী, আমাৰ ঘৰত আশ্ৰয় লৈছে। তাইক খেদি পঠিয়ালে আমি আল্লাৰ ওচৰত কৈফিয়ৎ দিব নালাগিবনে? মানুহৰ কথালৈ কিয় কাণ দিব লাগে?

উচমান ঃ মই এতিয়া একো নকওঁ। তই বুদ্ধিমান ল'ৰা। তয়ো কথাটো ভালকৈ ভাবি চা। *(প্ৰস্থান)*

(ভিতৰত ছোৱালীৰ হাঁহি শুনিবলৈ পায়, খালিদে ভাবিবলৈ এৰি ভিতৰৰ ফালে কৌতুহলেৰে ভুমুকি মাৰে আৰু অলপ আগবাঢ়ি কয়,)

খালিদ ঃ সেইয়া কোন? ইমান হাঁহিবৰ কিহে পাইছে? *(ভিতৰত ছোৱালীহঁতক দেখি)* অ' তোমালোক? আহা, আহা, ওলাই আহা, কিহৰ ৰগৰ ইমান? হাঁহিত দেখোন ৰবকে পৰা নাই?

(কদীশা আৰু পাত্তেইৰ প্ৰবেশ)

খালিদ ঃ বোলো, হাঁহিবৰ কি হ'ল?

কদীশা ঃ *(হাঁহি, হাঁহি)* একো হোৱা নাই, দাদা।

খালিদ ঃ একো হোৱা নাই যদি ইমান খিলখিলাই হাঁহিছা কিয়?

কদীশা ঃ কিয় জানো? *(আকৌ হাঁহে)*

খালিদ ঃ তোমালোক দুয়োৰে ইমান হলিগলি কেতিয়াৰ পৰা হ'ল? এইটো অৱশ্যে ভালৰে কথা। কদীশাইতো ঘৰৰ চাৰিবেৰৰ বাহিৰ ওলোৱাই নাই। পাত্তেইৰ কথা বেলেগ। তেওঁ বাহিৰৰ পৃথিৱীখনতে বিচৰণ কৰা ছোৱালী!

(কদীশাই পাত্তেইৰ চকুলৈ চাই আকৌ হাঁহিবলৈ ধৰে........)

তোমালোকৰ হহাঁৰ কাৰণটো মোক কোৱা, ময়ো কিজানি তোমালোকৰ লগতে হাঁহিত যোগ দিব পাৰোঁ........

কদীশা ঃ আমি এনেয়ে হাঁহিছোঁ, দাদা।

খালিদ ঃ ওহো, কেতিয়াও নহয়। কাৰণ জৰুল আছে।

পাত্তেই ঃ *(নম্ৰভাৱে)* মই কৈ দিওনে? *(কদীশালৈ চাই)*

খালিদ ঃ কোৱা, পাত্তেই কোৱা, কিহৰ বাবে ইমান হাঁহিব লগা হৈছে?

কদীশা ঃ *(পাত্তেইৰ প্ৰতি)* নক'বা........

পাত্তেই ঃ কৈ দিলেনো কি হ'ব, খালিদ দাদাই শুনক!

খালিদ ঃ এৰা, মই শুনিলে ভালেই হ'ব, কোৱা, কৈ পেলোৱা........

কদীশা ঃ কৈদিলে তুমি বেয়া নোপোৱাটো ?

খালিদ ঃ (*দুয়োকে উদ্দেশ্য কৰি*) তেন্তে থাকক দিয়া, কব নালাগে। (*গহীন হৈ পৰে*) মই কিজানি কব পাৰিম। মানে, তোমালোকে কদীশাৰ বিয়াৰ কথা পাতিছিলা, নহয় জানো? (*হাঁহে*) সেইদিনা কি হ'ব জানানে? সেইদিনা বাজনা বাজিব, দৰা আহিব, পৰিধানত কাৰচিপি কৰা চৌখিন ঢিলা পোছাক, মূৰত কাম কৰা ধুনীয়া টুপি..... গাত সুগন্ধি আঁতৰ আৰু কত কি! লণ্ঠনৰ পোহৰত দৰা পাৰ্টিৰ জাক্‌জমক্ চকুত লাগিব..... (*কদীশাই তলমূৰ কৰে, পাত্তেই আহি কদীশাৰ গাত মৰমেৰে ধৰি কেৰাহিকৈ চাই হাঁহে*)

খালিদ ঃ কদীশাৰ দৰা আহি ঘৰ সোমাব। ঘৰত সজাই ৰখা খাটত বহিব। গাঁৱৰ সকলো মুখিয়াল গোট খাব..... এনেকৈ কদীশাক কোঠাটোত বন্ধ কৰিবৰ সময় আহিব। কদীশাই ডিঙিত, কাণত, মূৰত আৰু হাতত চকুত লগা অলংকাৰ পিন্ধিব। কম হলে কাৰোবাৰ পৰা আনি হলেও অলংকাৰ পিন্ধাই কদীশাৰ গাৰ ওজন ভাৰী কৰিব আৰু ভৰত লৰচৰ নকৰি কদীশাই কোঠাটোতে তল মূৰ কৰি বহি থাকিব। এনেতে বুঢ়ী মাইকী মানুহ কেইগৰাকীমান সোমাই আহি কদীশাক প্ৰশ্ন কৰিবহি........

কদীশা ঃ (*খং ভাব দেখুৱাই*) হ'ব হ'ব আৰু, বেছি কব নালাগে। মই এতিয়াই সকলো কথা খুৰীদেউক কৈ দিমগৈ (*ভিতৰলৈ বেগেৰে সোমাই যায় আৰু ক্ষন্তেকতে আমীনাক হাতত ধৰি টানি উলিয়াই আনে। খালিদ আৰু পাত্তেয়ে হাঁহে।*)

পাত্তেই ঃ তাৰ পাছত কি হ'ল.........?

খালিদ ঃ তাৰ পাছত বুঢ়ীমানুহ কেইজনীয়ে কদীশাক প্ৰশ্ন কৰিব। ''মেলে পৰম্, কোয়া মোয়াদ্দিনক নিকাহ্ কৰিবৰ তোমাৰ ইচ্ছা আছেনে?'' (*কদীশাই লাজতে ৰঙা চঙা পৰে*)। বুঢ়ী কেইজনীয়ে কদীশাৰ পৰা উত্তৰ নাপাই আকৌ সোধে ''কদীশা, ক', তোৰ পছন্দ আছেনে? পছন্দ আছেনে? তথাপিও একো উত্তৰ নাপাই বুঢ়ীকেইজনী হতাশ হ'ব। এনেতে এজনী বান্ধবীয়ে কদীশাক এটা চিকুট্ মাৰি দিব। তেতিয়াই কদীশাই দুখ পাই ''আহ্'' বুলি সৰুকৈ চিঞৰ এটা মাৰিব। সেয়াই যথেষ্ট। সকলোৱে একেস্বৰে কব, ''মান্তি হৈছে, মান্তি হৈছে!'' বছ! এইদৰেই কদীশাৰ সন্মতি আদায় কৰি ধূমধামেৰে খানাপিনা পেটভৰাই খাই বাজনা বজাই বিয়াৰ কাম সমাধা হ'ব।

আমীনা ঃ (*আগবাঢ়ি আহি খালিদক ঠেলা এটা মাৰি*) কোৱা মানুহক ক'বলৈ দে। দস্তুৰমতে কৰা মানুহে কাম কৰিব। তই কিয় নিজৰ বাজনাখন বজাই শুনাইছ' হো? নিজেই একো নকৰিলিয়েই। লোকৰ কথা ভাবি.....

খালিদ ঃ মা, এটা কথা কোৱা। তেনেধৰণেৰে কিয় বাৰু সন্মতি আদায় কৰে?

আমীনা ঃ হেৰৌ অঁকৰাটো! সন্মতি নহ'লে কেনেকৈ চলিব? ছোৱালীৰ মতামত নাজানিলে বিয়া কেনেকৈ পাতিব?

খালিদ ঃ চামিয়ানা তৰি, খানা-পিনা তৈয়াৰ কৰি, বৰযাত্ৰী আহি পোৱাৰ পাছত সন্মতি বিচৰাৰ অৰ্থ কি মা?

আমীনা ঃ এইটো আমাৰ সমাজৰ চলি অহা এটা ৰীতি। বিশেষ মই নাজানোঁ। এনে প্ৰশ্ন কাহানিও মোৰ মনত খেলোৱা নাই। আমি দস্তুৰ মানি অহা মানুহ। তই কাৰণ জানিব খুজিলে জনাবুজা মানুহক সুধি লবি।

খালিদ ঃ এৰা মা, মই সুধিবলৈ যাব লাগিব......

আমীনা ঃ সন্মতি কিয় লব লাগে, সেই কথা সুধিবলৈ দূৰলৈ কিয় যাব লাগে? আমাৰ ঘৰৰ মানুহবোৰ কিবা মৰিলনে?

খালিদ ঃ এৰা, তেনেকুৱাই যেন পাইছোঁ। তোমালোকৰ সকলোৰে মূৰত এলান্ধুৱে বাহ লৈছে। চকু থাকিও তোমালোক অন্ধ!

আমীনা ঃ বাৰু, বাৰু হৈছে, তোৰ লগত এইবোৰ কথা পাতি লাভ নাই। মই যাওঁ, মোৰ কাম আছে। (*প্ৰস্থান*)

খালিদ ঃ পাত্তেই (*অলপ ভাবি কদীশাই চাই*) পাত্তেই নহয়, ফাতিমাহে ঠিক নাম হ'ব। এতিয়াৰ পৰা এই নামেৰেই মই মাতিম!

কদীশা ঃ মোৰ দ্বাৰা নহব। ফাতিমা বুলি মই হলে মাতিব নোৱাৰিম। মই এওঁক পাত্তেই বুলিয়ে মাতিম।

খালিদ ঃ (*পাত্তেইক সম্বোধন কৰি*) তুমি কিন্তু তেনেকৈ মাতিলে নুশুনাৰ ভাও জুৰিবা!

কদীশা ঃ নুশুনাৰ ভাও জুৰিব? কিয়?

খালিদ ঃ মই কৈছো নহয়, সেই নামটো মোৰ বেপছন্দ! (*পাত্তেইক উদ্দেশ্য কৰি*) তুমি সেই নামত মাতিলে নামাতিবা, বুজিছা!

হাচান ঃ (*বাহিৰৰ পৰা মাতে*) কদীশা? হেৰৌ কদীশা, (*ভিতৰ সোমাই আহি*) অ', তই দেখোন ইয়াতে আছ! ইফালে বাবাজানে তোক বিচাৰি চলাথ কৰিছে। তোৰ পিঠিত আজি ঔ' পৰিব, ৰ'!...... বাবা ঘৰলৈ অহাৰ সময়ত তই ইয়ালৈ কিয় আহ?

খালিদ ঃ কিয়? তাই ইয়ালৈ অহাটো অপৰাধ নেকি?

হাচান ঃ এৰা, অপৰাধ। তহঁতে তেনেকুৱা এটা অৱস্থাকে তৈয়াৰ কৰিছ।

কদীশা ঃ (*খালিদৰ প্ৰতি*) দাদা, মই এতিয়া কি কৰোঁ?

হাচান ঃ মই বুদ্ধি দিও, শুন। তই বেগেতে ঘৰৰ পিচফালে থকা বাটটোৰে গুছি যা। বাবা আহিলে কম, 'তই ইয়ালৈ অহাই নাই......। বচ্!

(*কদীশাই বেগেৰে প্ৰস্থান, হাচান অন্যফালে সোমাই যায়*)

আমীনা ঃ (*সোমাই আহি*) সেইটো হাচান নহয়নে? হের' চয়তানহঁত, তহঁতে আমাৰ সৰ্বনাশ কৰিহে এৰিবি। আমাক গাওঁখনৰ মানুহে দেখিব নোৱাৰা হৈছে, কদীশাৰ দেউতাকে সন্দেহৰ চকুৰে চাইছে।......... মই আৰু তহঁতৰ কাণ্ড কাৰখানা সহ্য কৰিব নোৱাৰা হৈছোঁ, হে আল্লা, তুমি এইবোৰ কি দেখুৱাইছা? (*ভিতৰলৈ প্ৰস্থান*)

(*খালিদে পাত্তেইলৈ চায়। পাত্তেইৰ চকুত পানী*)

খালিদ ঃ (*পাত্তেইক শান্তনা দি*) পাত্তেই এইফালে চোৱা। কন্দৰ কুট্টীৰ ল'ৰাৰ লগত তোমাৰ কি হৈছিল, মই নাজানোঁ। তুমি আলিবাটত ভিক্ষা খুজি থাকোতে কি ঘটিছিল, মই জানিব নোখোজোঁ। তোমাৰ যিয়েই নহওক লাগিলে, মই কোনো কথাতে প্ৰশ্ন ক্ৰৰা নাই। আপত্তিও কৰা নাই। কিন্তু, গাৱঁৰ মানুহৰ কথা বেলেগ। তেওঁলোকে সাধাৰণ কথাকে ডাঙৰ বুলি ধৰে, বু-বু-বা-বা কৰে, বদনাম ৰতে। আমাৰ মা'ৰ কাণত যেতিয়া এইবোৰ পৰে, মা অসহ্য হৈ পৰে। বদনামক মাহঁতে বৰ ভয় কৰে! —- তুমি যদি ইয়াত থকাটো নিশ্চয় কৰিছা, তেতিয়াহ'লে এইবোৰ সহ্য কৰিবলৈ সাহস গোটাব লাগিব। আৰু এটা কথা কৈ থওঁ। মোৰ মা এনেকুৱাই। তেৰো আনৰ দৰে এগৰাকী সহজ, সৰল মাতৃ। তেওঁ খং, ক্ষোভ আৰু বিৰক্তিত তোমাক কেতিয়াবা নকবলগা কথা ক'ব। তুমি সেইবোৰ সহ্য কৰিব লাগিব। (*পাত্তেইৰ উচুপনি*)........ নাকান্দিবা পাত্তেই! তুমি বহুতো পৰীক্ষাৰ সন্মূখীন হ'ব লাগিব, তুমি বহুতো কথা শিকিব লাগিব, পঢ়াশুনা কৰিব লাগিব...... (*দুয়ো ভিতৰলৈ সোমাই যায়, সংগীত বাজি উঠে*)

—পট পৰিৱৰ্তন—

চতুৰ্থ দৃশ্য

স্থান ঃ [*মালিকৰ ঘৰ। টেবুলৰ ওপৰত লেম্পটো নাই। বিচনী মাৰি মাৰি মালিক অহাযোৱা কৰি আছে। কদীশাই আৰবী-মালায়ালম ভাষাত ৰচিত গানৰ কিতাপ এখন হাতত লৈ চকী এখনৰ পিচফালে ঠিয় দি আছে*]

মালিক ঃ (*কদীশাৰ প্ৰতি*) এতিয়া তই গীতটো ধৰ। তোৰ বাবেই এই গীতৰ কিতাপ মই কিনি আনিছোঁ।

কদীশা ঃ গীতটোৰ সুৰটো কেনেধৰণৰ হ'ব জানো?

মালিক ঃ কিয়, তই নাজান হবলা? ছোৱালীবোৰে হাত তালি দি কাৱালি গোৱা তই শুনা নাই? কিয়? তোৰ ওককৰ দাদাৰৰ বিয়াতে দেখোন এনে গীত গোৱাইছিলোঁ। মনত নাই?

কদীশা ঃ মোৰ মনত নাই। বাৰু আপুনিয়েই অলপ লগাই দিয়কচোন।

মালিক ঃ বিপদত পেলালি। মই আক' গাও কেনেকৈ, অভ্যাস নাই।

কদীশা ঃ মাত্ৰ এলাইন.........

মালিক ঃ তয়ো দেখিছো, জেদ ধৰিছ। (*কদীশাৰ কাষলৈ গৈ গানৰ কিতাপখন চাই পাত লুটিয়াই, গীতটো গাবলৈ চেষ্টা কৰে*)

বিয়াৰ বাবে ছোৱালী ক'তা?
কুঞ্জালীভিনিহি ছোৱালী ক'তা?

মালিক ঃ সুৰটো এনেকুৱাই হ'ব। তই ভালকৈ গাব পাৰিবি। অন্য এটা গাছোন।

কদীশা ঃ (*গীতটো মনোযোগেৰে পঢ়ি গাবলৈ ধৰে।*)

সাতো ভাগে বান্ধি, চুলি আঁচুৰিবি
ধুনীয়া সেতু বন্ধায়।
মৰণৰ বেলিকা সেতু পাৰে হবি
কপালৰ লেখা ধিয়ায়।।

মালিক ঃ গীতটোৰ অৰ্থ তই বুজি পাইছনে কদীশা? ইয়াত পৰলোকৰ কষ্টৰ কথা কোৱা হৈছে। মুত্তনবীৰ ছোৱালী ফাতিমা অম্মা বিবি ৰছিয়ল্লাহো অন্থা! তেওঁৰ ধুনীয়া চুলিকোছা সাত ভাগত ভাগ কৰি তাৰে একোছাৰে নৰকৰ ওপৰত এখন সেতু তৈয়াৰ কৰা হৈছে। সেতুখনৰ নাম হৈছে, 'সেতু সিৰাত'। ইয়াৰ ওপৰেদি আমি পাৰ হ'ব লাগিব বেটী! আৰু কি আছে গাই শুনা।

কদীশা ঃ

তলত জ্বলিছে সৌৰা নৰকৰ জুই
সত্তৰ হাজাৰ গুণে দেই পুৰি মাৰে।
ভয় লগা সাপবোৰে লহ্ লহ্ জিভা মেলি
অগনিৰ মাজে মাজে নাচি বাগি ফুৰে।।

কদীশা ঃ এই গীতটোৰ অৰ্থ কি, বাবা?

মালিক ঃ ইয়াত এইখন জহন্নাম নৰকৰ কথা কোৱা হৈছে বেটী! সিৰাত সেতুৰ তলত থকা ভয়ংকৰ দৃশ্য ইয়াত বৰ্ণোৱা হৈছে। আমি এই সেতু পাৰ হ'বলৈ সত্য বিশ্বাসী হ'ব লাগিব। তেতিয়াহে আমি স্বৰ্গৰ দুৱাৰ পামগৈ। আনন্দেৰে পৰিপূৰ্ণ স্বৰ্গৰ ৰাজ্য; তালৈ যোৱাই আমাৰ কাম্য। কিন্তু কদীশা, যি বিধৰ্মী, সি এই সিৰাত সেতু পাৰ হ'ব নোৱাৰে। পোকৰ দৰে সি নৰকৰ জুইত সৰি পৰে। নৰকৰ জুইকুৰা বৰ ভয়াবহ। তাৰ অৱশিষ্টহে আমি ইয়াত দেখিবলৈ পাইছো। নৰকৰ জুই কুৰা ইয়াত কৈ সত্তৰ হাজাৰ গুণে উত্তপ্ত। সেই জুইত বিষাক্ত সাপবোৰে লহলহ্ জিভা মেলি খেলি আছে। সিহঁতে দুষ্ট আৰু পাপী মানুহৰ বাবে অপেক্ষা কৰিছে। বাকী অংশ......?

কদীশা ঃ কৈছোঁ

জুয়ে পুৰি ক'লা কৰা জ্বলামুখী ডিঙিটোত
উতলা পানীৰে ঢালি নৰকৰ দূতে
পিয়াহৰ পোৰণি দুগুণে বঢ়াই তুলি
হাঁহি ভৰা মুখবোৰ দেই পুৰি মাৰে।।

মালিক ঃ বেয়া মানুহে এনেদৰেই নৰকৰ জুইত দেই পুৰি মৰে। সেয়েহে খাটিছোঁ, আল্লাই যেন আমাৰ সকলোকে ৰক্ষা কৰে। নৰকৰ জুইত পৰি আমি যেতিয়া দগ্ধ হ'ম, তেতিয়া আমি পানী খাবলৈ বিচাৰিম। নৰকৰ দূতে কলহত উতলা পানী আনি আমাৰ মুখত ঢালি দিব। তেতিয়া আমাৰ ডিঙি পুৰিব, মাত হৰিব, হাঁহি নোহোৱা হ'ব! গীতটোৰ বাকীখিনি গাই শুনা —

কদীশা ঃ ....চুলি মেলি মেলি ঘূৰোতে ফুৰোতে.......

(*কদীশা ৰৈ যায়.....*)

মালিক ঃ ৰৈ গলি কিয়? গাবলৈ টান পাইছ হবলা! জোৰকৈ গা কদীশা........

কদীশা ঃ (*অলপ সংযত হৈ গাবলৈ ধৰে*)

চুলি মেলি মেলি ঘূৰোতে ফুৰোতে
আইদেউহঁতে কাচুতি এৰে........

মালিক ঃ (*মাজতে মাত দি*) শুনিছ, শুনিছ, কি কৈছে? তহঁতৰ দৰে জোৱান ছোৱালীবোৰৰ কথাকে কৈছে।

কদীশা ঃ (*আকৌ গায়*)

চুলি মেলি মেলি ঘূৰোতে ফুৰোতে
আইদেউতহঁতে কাচুতি এৰে।
জুইৰে তৈয়াৰী বুকুৰে দুপত্তা
প্ৰতিটো খোজতে পিচলি পৰে।।

মালিক ঃ বৰ বেয়া কথা! (*অলপ খং দেখুৱাই*) তই আক' কি ভাবিছ। গানটোৰ কথা ভাবিছ হবলা। আমাৰ ৰাংঢালি ছোৱালীহঁতে ইমানলৈকে (*কিলাকুটিলৈকে দেখুৱাই*) চুলি মেলি, গা দেখুৱাই যাৰে তাৰে আগত টিঘিলঘিলাই ফুৰে নহয়? (*ভাব বদলাই*) বেটী, আমাৰ জোৱান ছোৱালীবোৰে লাজ-সম্ভ্ৰম বচাই চলিব লাগে। নিজৰ যৌৱন দেখুৱাই ডেকালৰাৰ মন মতলীয়া কৰিব নালাগে। কৰিলে কি হ'ব জান বেটী? তেতিয়া মনবোৰ চঞ্চল হ'ব, বেয়া কামত আসক্তি জন্মিব। নৰকত গৈ জুই লাগি থকা কাপোৰ পিন্ধি খোজ কাঢ়িব লাগিব। তোক সেইবাবে কৈছো, জ্ঞান ল'। সজ পথত খোজ পেলাবি। উন্মনা নহবি।

(মালিকে কথাখিনি কৈ ভিতৰলৈ যায়। কদীশা চিন্তা মগ্ন হৈ স্থিৰ হৈ ৰৈ থাকে। অলপ পাছতে মালিক আকৌ সোমাই আহে। হাতত এটা পাত্রত পানী)

মালিক ঃ কি হ'ল, থৰ লাগিলি দেখোন? জ্বলি থকা জুই কুৰালৈ একেথৰে নেউলে চাই থকাৰ দৰে তই কি চাই আছ? মোৰ কথাবোৰত ভয় লাগিছে নেকি?

কদীশা ঃ (সন্দেহেৰে) নাই, একো ভয় খোৱা নাই।

মালিক ঃ (*কদীশালৈ ভালকৈ নিৰীক্ষন কৰি*) তেন্তে, এনেখন কিয় কৰিছ'?

কদীশা ঃ (*অন্য মনস্ক হৈ*) জুই কুৰা বেছিকৈ জ্বলিলে চুলিৰে বন্ধোৱা সেতুদাল জ্বলি যাবনেকি, বাবা?

মালিক ঃ (*ধমকি মাৰি*) মনে মনে থাক! মোৰ হাতত এই পানীৰ বাচনটো নথকাহেঁতেন, এনে অৰ্থহীন প্ৰশ্ন সোধাৰ বাবে মজাটো পালিহেঁতেন। এনে প্ৰশ্ন সোধাৰ অধিকাৰ আমাৰ নাই। আল্লাই বান্ধি দিয়া নিয়মৰ কোনো প্ৰশ্ন নাই। এইবোৰ নীতিবচন আমি মানি চলিছোঁ, আগলৈকো চলিব লাগিব। হেৰ্‌ফেৰ্ নাই। তই আকৌ এইবোৰ কথা সহজ ভাৱে নলৈ প্ৰশ্ন কৰিবলৈ আহিছ, হো'? তোৰ কথা শুনি মোৰ সন্দেহ হৈছে, দেখানাইনে, মই মানুহটো ঘামি গৈছেঁ।। তই গীতটোৰ অৰ্থ বুজি কাম কৰ, মোৰ কথা মানি ল'!

(মালিক বাহিৰলৈ যায়। বিপৰীত ফালৰ পৰা হাচান সোমাই আহে। হাচানে ভয়ে ভয়ে ইফালে সিফালে চায়। কদীশাৰ কাষলৈ গৈ হাতত থকা গানৰ কিতাপখন আনি চকুফুৰায়। এটা গীত গাবলৈ চেষ্টা কৰে।)

হাচান ঃ (*গান গোৱা নাই, কিন্তু আবৃত্তি কৰাৰ দৰে কৰিছে*)

চুলি মেলি-মেলি ঘূৰোতে ফুৰোতে
আইদেউইঁতে কাচুতি এৰে।
জুইৰে তৈয়াৰী ডিঙিৰে দুপত্তা
প্ৰতিটো খোজতে পিচলি পৰে।।

হাচান ঃ বৰ মজাৰ কথা দেখোন। চুলি দেখুৱাই ফুৰিলে পাতল আৰু বুকু দেখুৱা দুপত্তা উৰিলে তহঁতৰ দৰে জোৱান ছোৱালীৰ হাল এনে হয় হবলা। (*এই বুলি হাচানে কদীশাৰ মূৰৰ ওপৰৰ পৰা দুপত্তাখন আজোৰ মাৰি লৈ দৌৰ দি অলপ আতঁৰত ৰৈ খিল খিলকৈ হাঁহিলে*)

কদীশা ঃ (চক্‌খাই) মোৰ দুপত্তা। মোৰ দুপত্তাখন দিয়া দাদা, কথা ভাল নহব, কিন্তু।

হাচান ঃ জুইৰে তৈয়াৰী দুপত্তাখন গুছাই চাব খুজিছো, ভনীটি, কিনো হয়, চাব খুজিছো!

(কদীশাই এখন হাতেৰে বুকুখন ঢাকিবলৈ যত্ন কৰে, আনখনেৰে দুপত্তাখন বিচাৰি হাত মেলে। হাচানে হাঁহি হাঁহি ৰং চায় আৰু এখোজ দুখোজ কৈ পিচলৈ গৈ থাকে।)

কদীশা ঃ মই এতিয়াই বাবাক কৈ দিমগৈ। তুমি ইমান পৰ ক'ত আছিলা, মই নাজানো হবলা?

হাচান ঃ কৈ দে' মই ভয় নকৰোঁ।

কদীশা ঃ (বাহিৰলৈ চোৱাৰ ভাও জুৰি) বা-বা — (*অলপ ডাঙৰ কৈ মাতে*)

হাচান ঃ (*কদীশাই সঁচাকৈয়ে কব বুলি ভয় কৰি*) হো ল'বাৰু, মই ধেমালিহে কৰিছিলোঁ। তই মিছাতে হুলস্থুল কৰিছ। (*দুপত্তাখন দি দিয়ে, কদীশাই গা ঢাকি উৰে*) বাৰু, এতিয়া ক'ছোন, মই যে তালৈ গৈছিলো, তই কেনেকৈ গম পালি?

কদীশা ঃ (*নজনাৰ ভাও জুৰি*) কলৈনো গৈছিলা?

হাচান ঃ অ' দুষ্ট ছোৱালী, তই তেনেহলে নজনাকৈয়ে দম দি চাইছিলি, নহয়?

কদীশা ঃ বাবাই কিন্তু সকলো খবৰ ৰাখে। তুমি কলৈ যোৱা, কি কৰা, সকলো।

হাচান ঃ নাই, নাই নাজানে। বাবাই এনেয়ে ভয় দেখুৱাব খোজে।

কদীশা ঃ তুমি চিনেমা চাবলৈ গৈছিলা, নহয়? বাবাক কৈ দিম ৰ'বা।

হাচান ঃ নকবি। বাবাই চিনেমালৈ যোৱা শুনিলে মোৰ মূৰটোকে কাটি পেলাব।

কদীশা ঃ এটা চৰ্তত। তুমি মোক চিনেমাৰ গল্পটো কব লাগিব। তেতিয়া বাৰু বাবাক তোমাৰ কথা নকওঁ (*হাঁহে*)

হাচান ঃ কম্ ভনীটি কম, মজা লগাই কম। কিন্তু এতিয়াই নহয়। বাবা দোকানলৈ যেতিয়া যাব তেতিয়া, নিৰ্ভয়ে, দুয়ো বহি চিনেমাৰ কথা পাতিম। যিমানবাৰ শুনিব খোজ, সিমানবাৰ কম, ঠিক আছেতো — (*কদীশাই হাঁহে হাচানেও হাঁহে*)

কদীশা ঃ দাদা, কোৱাছোন বাৰু, চিনেমাৰ গল্পবোৰ সঁচা নে কি?

হাচান ঃ তই নিজে এবাৰ চিনেমা চাবলৈ যাবি। তোক যাবলৈ নিদিলে অনশন কৰিবি। ভাত নোখোৱা হৰতাল আৰম্ভ কৰিবি, বুজিছ'!

কদীশা ঃ (*হাঁহে*)

হাচান ঃ আমাৰ দৰে তহঁতৰ সুবিধা নাই। আমাৰ কাম বাহিৰত, তহঁতৰ ভিতৰত। মস্কিল তাতেই। কথা হ'ল কি জান? চিনেমা চালে আমাৰ ছোৱালীবোৰ জহন্নামে যাব বুলি বাবাহঁতৰ দৰে মানুহবোৰে ভয় কৰে। তাতে এটা কথা আছে। তোৰ বিয়াৰ কথা চলি আছে। বাবাই যিটো ল'ৰা ঠিক কৰিব খুজিছে, সি মহীশুৰৰ এটা 'মেকানিক্'। মাক বাপেক পুৰণি আমোলৰ মানুহ। এই চিনেমা চাই মজগুল হৈ থকা বুলি শুনিলে তোৰ বিয়া বন্ধ হৈ যাব পাৰে। বাবাৰ ভয় সেইখিনিতে.........।

কদীশা ঃ দাদা, চিনেমা ইমান বেয়া বস্তুনে যে চালেই আমি জহন্নামে যাম?

হাচান ঃ (*ওচৰলৈ গৈ সৰু মাতেৰে*) চিনেমা আচলতে বেয়া নহয়। ইয়াৰ পৰা শিকিব লগা কথাও বহুত আছে। কিন্তু চিনেমা বুলিলে যি বোৰে নাক কোচাঁই, যুক্তিহীন কথা

কয়, সেইবোৰ মানুহ অন্ধ, সিহঁতে পুৰণি দস্তুৰতে খামোছ মাৰি থাকিব খোজে।

কদীশা ঃ এই মানুহবোৰৰ মনবোৰ কেতিয়া মুকলি হব দাদা?

(হাচানে উত্তৰ দিবলৈ নৌপাওঁতেই মালিক আহি উপস্থিত। হাতত পানীৰ খালি বাচনটো। বাপেকক হঠাৎ দেখি কদীশা আৰু হাচান বিবুদ্ধিত পৰে। হাচানে জেপৰ পৰা টুপিটো উলিয়াই মূৰত পিন্ধে, কদীশাই গাৰ দুপত্তাখন ঠিকঠাক কৰি লয় আৰু গানৰ কিতাপখন টেবুলৰ পৰা আনি চোৰাৰ ভাও জোৰে)

মালিক ঃ কোনে ইয়াত প্ৰশ্ন কৰিছে, কোনে উত্তৰ দিছে, মই গম পাইছোঁ। *(হাচানলৈ চাই)* সৰু পুত্ৰ দেখোন ইয়াতে। হো ল এই বাচনটো ভিতৰত থৈ আহ! *(হাচানে বাচনটো বাপেকৰ হাতৰ পৰা লৈ যাব খোজে)* শুন, তই বাচনটো থৈ আকৌ আহিবি, কথা আছে। *(হাচানৰ প্ৰস্থান) (কদীশাৰ ফালে কিছু সময় চাই থাকে আৰু সোধে)*

বাৰু কছোন, তই কি প্ৰশ্ন কৰিছিল? *(কদীশা নিমাত। এনেতে হাচান সোমাই আহে। মালিকে হাচানলৈ চাই পুনৰ সোধে)* মই শুধিছো কদীশাই কোনবোৰ মানুহক সংস্কাৰ কৰাৰ কথা তোক সুধিছিল। *(হাচান আৰু কদীশাই দুয়ো দুয়োলৈকে অসহায় দৃষ্টিৰে চায়)* কাক শুধৰাব লাগে বেটা? কদীশা, তহঁতে কাক শুধৰাব খুজিছ? *(কোনেও উত্তৰ নিদিয়ে। খন্তেক সকলো নিমাত)* তহঁতে দেখোন কথা নোকোৱা হলি? লম্বা লম্বা বক্তৃতাবোৰ ক'ত গ'ল? *(হাচানক বিচনীৰ নালেৰে মাৰিব খোজে)* ক' বুলিছোঁ, নহয়?

হাচান ঃ *(ভয় প্ৰদৰ্শন কৰি)* তাইক শুধৰাবৰ বাবে

মালিক ঃ তাইক মানে, কাক?

হাচান ঃ কদীশাক। খুৰাৰ কথাবোৰ শুনি কৈছিলো........ তাই যাতে সাৱধান হয়।

মালিক ঃ ঠিকেই কৈছ। উচ্‌মানহঁতৰ ঘৰত ভৰি নিদিবি। তোকো সাৱধান কৰি দিছোঁ, খালিদৰ লগত হলিগলি নকৰিবি। সিহঁতৰ মতলব বেয়া। বদনামী ছোৱালী আনি ঘৰত আদ্দা পাতিছে। হাচান, তই ওক্‌কৰক মই এবাৰ মাতিছো বুলি ক'গৈ। *(হাচানৰ প্ৰস্থান)* কদীশা ?

কদীশা ঃ *(অসন্তোষ ভৰা মনেৰে)* কি?

মালিক ঃ মোৰ কাষলৈ আহ! *(মৰমেৰে)* বাৰু ক'ছোন, তই কোৰাণ পাঠ কৰনে? কিমানবাৰ পঢ়িলি?

কদীশা ঃ এবাৰ শেষ কৰি দ্বিতীয়বাৰ আৰম্ভ কৰিছোঁ।

মালিক ঃ মোৰ কিন্তু ধাৰণা হৈছে, তই কোৰাণত মন বহুৱাব পৰা নাই। শুনিছোঁ, তই বাহিৰা কথাতে বেছি মছগুল হৈ থাক। কোৰাণ এবাৰ বা দুবাৰ পঢ়িলেই নহয়।

ৰোজাৰখাৰ সময়ত দিনৌ পঢ়িব লাগে। কোৰাণ পঢ়াৰ বাহিৰে তোৰ নো আন কাম কি আছে? ৰমজানৰ মাহত যিজনে কোৰাণ পঢ়ি থাকে আৰু সৎচিন্তা কৰে, সেইজনে সত্তৰহাজাৰ গুণ ভাল ফল পায়। এইবোৰ আল্লাই ব্যৱস্থা কৰিছে। (*কদীশাক ভালকৈ লক্ষ্য কৰি*) ৰোজা ৰাখি তই দেখোন শুকান খৰিৰ দৰে হৈ পৰিছ। (*ভিতৰৰ পিনে ডিঙি মেলি চাই)* নহয় বেটী, কুকুৰাই ডাক দিবৰ বাবে এতিয়াও প্ৰায় আধা ঘণ্টা বাকী। তই অলপ সহ্য কৰ। *(এনেতে ওক্কৰ তলমূৰ কৰি সোমাই আহে)*

মালিক ঃ (*ওক্কৰৰ প্ৰতি*) বোলো, আমাৰ ডাঙৰ বান্দৰটো, তই কিয় তলমূৰ কৰি খোজ কাঢ়? ওপজাৰে পৰা তই তলমূৰ কৰিয়েই খোজ কাঢ়িলি, মূৰ দঙা নেদেখিলোঁ। (*ব্যঙ্গ কৰি*) নজনাৰ বাবেহে সুধিছোঁ। তলত কিবা পৰি গৈছে যদি আমি বিচাৰি দিব পাৰোঁ। (*অলপ ৰৈ, ভাবি*) দিন চমু চাপি আহিছে। এটা নহয়, দুটা ডাঙৰ কাম কৰিবলৈ আছে। বিয়াখনৰ পাছতে মই যাব লাগিব নহয়?

ওক্কৰ ঃ (*তলমূৰ কৰি*) বিয়াও হৈ যাব। আপুনিও যাব পাৰিব। পিচে, মই কি কৰিম। বাধা দিওতা কোনো নোলাব..........

মালিক ঃ সেই কথা মোৰ জনা আছে। তোৰ কথা শুনি মোৰ মূৰৰ কামোৰণি আৰম্ভ হৈছেই।

ওক্কৰ ঃ তাতোকৈ ডাঙৰ কথা আছে। মানুহৰ আগত মূৰ দাঙি খোজ কঢ়া টান হৈ পৰিছে। খালিদে ছোৱালীজনী ঘৰত ৰাখি লাজ চৰম নোহোৱা কৰিছে। অকল সেইটোৱেই নহয়। (*ওচৰলৈ গৈ কাণৰ কাষত*) শুনিছো, ছোৱালীজনী গৰ্ভৱতীও হৈছে.....

মালিক ঃ (*ভূতে পোৱা মানুহৰ দৰে*) কি কলি, কি কলি? গৰ্ভৱতী হৈছে। ''লাহীলৱালা কুৱও বিল্লা'' (*অস্বস্তিৰে*) সি ক'ত? হাচান, হাচান ক'ত? (*জোৰেৰে মাতে*) হাচান, হাচান, (*পিচফালে ঠিয় দি থকা কদীশাক দেখি*) তই আক' এইবোৰ কথা কিয় শুনিছ। এইবোৰ তই শুনিব লগা কথা নহয়। তই ভিতৰলৈ নাযাৱ কিয়? (*বাওঁ হাতখন, সোঁ হাতত মাৰি*) গৰ্ভৱতী হৈছে, হুহ!

কদীশা ঃ এই কথা মই শুনিব নাপায় নে কি বাবা?

মালিক ঃ নাপায় বুলিছোঁ নহয়।

কদীশা ঃ সেই পাত্তেই বোলা ছোৱালীজনী মোৰ কিন্তু খুউব ভাল লাগে-—

মালিক ঃ (*এককোবেই কদীশাৰ কাষলৈ খেদা মাৰি*) কি কলি, একেটা থাপ্পৰতে তোৰ মূৰৰ ঘিউ উলিয়াই দিম গম পোৱা নাই হ'বলা!

ওক্কৰ ঃ ঐ হাৰামী ছোৱালী, বৰ আসৈ পাইছ, নহয়? (*এনেতে হাচান সোমাই আহে।)*

হাচান ঃ মোক কিয় মাতিছিল?

মালিক ঃ তই বেগেতে গৈ উচমানক মোৰ ইয়ালৈ মাতি আন। মই তাক সুধিব লাগিব। এনে ব্যভিচাৰ সহ্য নহয়। যা, বেগাই দৌৰ মাৰ.....। (*হাচান যায়*) (*কদীশাক লক্ষ্য কৰি*) মই তোক কৈছিলো নহয় তই সেইখন ঘৰত ভৰি নিদিবি বুলি! এতিয়াও কৈছোঁ, সেইফালে মুখ নুঘুৰাবি। বুজিছ'তো?

কদীশা ঃ ওক্কৰ দাদাৰ কথা সঁচা নহবও পাৰে, বিশ্বাস কৰিবলৈ টান পাইছোঁ।

ওক্কৰ ঃ কিয় সঁচা নহব? মই এনেয়ে বাবাক কবলৈ নাযাওঁ বুজিছ। (*মালিকৰ প্ৰতি*) খালিদক সাৱধান কৰি দিয়াই যথেষ্ট হ'ব। বৰ হৈ-চৈ কৰা ঠিক নহ'ব। এই বদনাম অকল উচমান খুৰাৰ নহয়, আমাৰো। আমাৰ বংশৰ ইজ্জত ইয়াত সোমাই আছে। বাহিৰত মানুহৰ মুখে মুখে একেই কথা, আপুনি ওলাই গলেই গম পাব। (*কদীশা লাহেকৈ সোমাই যায়*)

মালিক ঃ মই আক কিয় এইবোৰ শুনিবলৈ যাম। এনেয়ে আটিছে। মই কিবা এটা ব্যৱস্থা কৰিম। এই চিন্তা নকৰিবি। তই এতিয়া দোকানলৈ যা। হাচান আহিলে মই যাম। উচমান আহিলেই কিবা এটা হ'ব।

ওক্কৰ ঃ (*ধৈৰ্য্য আৰু সাহস দেখুৱাই*) আপুনি কৰিব নোৱাৰিলে, মই কৰিম। কওক।

মালিক ঃ (*পৰিহাসেৰে*) তই তোৰ কামলৈ যা বুলিছো, নহয়? মই এতিয়াও মৰা নাই। গাত এতিয়াও মোৰ শক্তি অটুট আছে। তই দোকানখনকে মনপুতি চলা। (*ওক্কৰে লাজ পাই তলমূৰ কৰি ওলাই যায়, মালিকে বাহিৰৰ দুৱাৰখনৰ ফালে চাই*) উচমান নাহিল দেখোন? সি আহিবলৈ ভয় খাইছে, নে কি? (*মালিকে চিন্তাগ্ৰস্তহৈ ইফাল সিফাল কৰি থাকে, এনেতে হাচানৰ প্ৰবেশ*)

মালিক ঃ (*হাচানক দেখি, ব্যগ্ৰ হৈ*) ইমান পলম লগালি, তোক ভোজ খাবলৈ পঠাইছিলো নেকি? উচমান ক'ত?

হাচান ঃ ঘৰত নাপালোঁ। নমাজ পঢ়িবলৈ গৈছে।

মালিক ঃ এতিয়া সি নমাজ নপঢ়ি কি কৰিব! বাকী সকলো কাম পূৰা হলতো। বাৰু, উচমান আহিলে ইয়ালৈ পঠাই দিবলৈ কৈ আহিছ, নহয়।

হাচান ঃ আহিছোঁ।

মালিক ঃ কাক কৈ আহিছ, শুনো?

হাচান ঃ পাত্তেই বোলা ছোৱালীজনীক।

মালিক ঃ সেই চয়তানীজনীক? আন মানুহ নাপালি হ'বলা? তাইক লগ নাপালে তোৰ শৰীৰ জুৰ নপৰে যেন পাইছোঁ। খালিদক জালত ভৰোৱাৰ দৰে তোকো সেই মায়াবিনীয়ে বান্ধি পেলাব, চাবি। তাইৰ লগত কথা পাতোতেই তোৰ পলম হ'ল। তোৰ স্বভাৱ মোৰ জনা আছে। (*হাচান লাহেকৈ যাব খোজে। তাক তললৈ পেলাই*

লুঙি পিন্ধা দেখি বাপেকৰ খং উঠে) এই ফালে আহ। আগত ঠিয় হ'। *(হাচানে আহি ঠিয় দিয়ে)* তোক কিমান বাৰ কৈছোঁ, তই পিশাচবোৰৰ দৰে লুঙি লেটিয়াই নিপিন্ধিবি। ওপৰলৈ উঠা..... *(হাচানে লুঙি খন দাঙি ভৰিৰ গাঠিৰ ওপৰত পিন্ধে)* তই ভাল হ'ব নোৱাৰনে ? তই মোৰ কি হৰ জান?

হাচান ঃ *(বিৰক্তিৰে)* জানোঁ।

মালিক ঃ কি হৰ ক ছোন?

হাচান ঃ মই আপোনাৰ ল'ৰা।

মালিক ঃ ঠিক কৈছ, তই মোৰ ল'ৰা! তই বেয়া হলে কাৰ বদনাম হ'ব?

হাচান ঃ বদনাম মোৰ হ'ব।

মালিক ঃ *(যেন শুনা নাই)* কাৰ হ'ব বুলিলি?

হাচান ঃ মোৰ হ'ব বাবা!

মালিক ঃ *(যেন শুনা নাই)* কাৰ হ'ব বুলিলি?

হাচান ঃ মোৰ হ'ব, বাবা!

মালিক ঃ মই শুধিছো, মোৰ ল'ৰাৰ বদনাম হলে আল্লাৰ ওচৰত কোনে কৈফিয়ৎ দিব লাগিব?

হাচান ঃ কিবা কৈফিয়ৎ দিব লগা হলে ময়ে দিম।

মালিক ঃ *(ক্ৰমাৎ ক্ৰোধ বাঢ়ি গৈ থাকে)* তোক মই বুজাব খুজিছো যে তোৰ বেয়া কৰ্মৰ বাবে তোৰ বাপেৰে আল্লাৰ ওচৰত জগৰীয়া হৈ কৈফিয়ৎ দিব লাগিব। *(হাচানে মাৰ খোৱাৰ ভয়ত অলপ আঁতৰি যায়, মালিকে খন্তেক তলকা মাৰি হাচানক প্ৰশ্ন কৰে)* তোৰ মছজিদলৈ যোৱা কিমান দিন হ'ল?

হাচান ঃ মই সদায় মছজিদলৈ যাওঁ।

মালিক ঃ মিছা কথা। তই নাযাৰ। মইতো তোক কাহানিও মছজিদত দেখা নাই। মছজিদলৈ সদায় যোৱা মানুহক মই লগ পাই থাকোঁ। তোক তাত লগ পোৱা মানুহ মই বিচাৰি পোৱা নাই। তইঁত আটাইবোৰ 'জিন' হলি, নে দেৱদূত হলি?

হাচান ঃ *(পিছলৈ গৈ পলাবৰ উপক্ৰম)* লোকক দেখুৱাই নমাজ পঢ়া কি লাভ বাবা! তেনে ভণ্ডলোক নাশ পাব বুলি আল্লাই দেখোন কৈছে........

মালিক ঃ *(হাচানক প্ৰহাৰ কৰিবলৈ আগবাঢ়ে)* কেৱল বেয়া কথাবোৰ শিকিছ, তোৰ দৰে হাৰামজাদা এটাক ঠাণ্ডা বনাবলৈ কিমান পৰ! মাৰি পেলাও যদি..... *(হাচান দৌৰ মাৰি ভিতৰ সোমায়, মালিকেও পিচে পিচে খেদি যায়।)* কোন আছ' ভিতৰত? দুৱাৰখন বন্ধ কৰি দে'। তাক এনেকৈ যাবলৈ এৰি দিব নোৱাৰোঁ।)

—পট পৰিৱৰ্তন—

পঞ্চম দৃশ্য

স্থান ঃ [*উচমানৰ ঘৰ। পাত্তেয়ীয়ে কিবা লিখি থাকে। মেজৰ ওপৰত চিলত আৰু পুস্তক আছে। কদীশাই গীত এটা গুণগুণাই সোমাই আহে।*]

কদীশা ঃ হেৰা মোৰ, পদুমবনৰ প্ৰজাপতি।

মুহিলা যে মন তুমি বুলবুলী।

পাত্তেয়ী বাইদেউ, তুমি বাৰু এই গীতটো জানানে? গীতটো বৰ ধুনীয়া জানা। (*পাত্তেয়ীয়ে যেন একান্ত মনেৰে লিখাত ব্যস্ত, কদীশাৰ কথা তেওঁৰ কাণলৈ যোৱাই নাই*) তুমি বাৰু ইমান মন দি কি লিখিছা, মোৰ গীতটো শুনাই নাই হ'বলা? এইটো বৰ মজাৰ গীত। কৈচ্চাই ভালকৈ গাব জানে।.......... তুমি কথা নোকোৱা কিয়? তুমি কথা পাতিবলৈ এৰি দিলা হ'ব পায়? মোক নমতা হ'লা দেখোন, কি হ'ল তোমাৰ? (*তথাপিও উত্তৰ নাপাই*)--- তেন্তে মই আহিলোঁ, ইয়াত থাকি কি লাভ? (*এনেতে খালিদৰ প্ৰৱেশ*)

খালিদ ঃ কোন, কদীশা নেকি? (*খালিদক দেখি পাত্তেই ঠিয় হয়*) পাত্তেই, তুমি আকৌ কিয় উঠিলো? বহি তোমাৰ কাম কৰা। (*পাত্তেই বহে*) কদীশা, কি খবৰ?

কদীশা ঃ এটা গীতৰ কথা কৈছিলোঁ

খালিদ ঃ গীত? কেনেকুৱা শুনোঁ!

কদীশা ঃ কৈচ্চাই যিটো গীত সদায় গায়। এই কিতাপখনতে আছে। (*কদীশাই হাতত থকা গানৰ কিতাপখন খালিদক দিয়ে*)

খালিদ ঃ (*কিতাপখন লুটিয়াই গীতটো চকু ফুৰাই*) অলপ গাই শুনোৱাছোন।

কদীশা ঃ (*গীতটো গাব খোজে*)

হেৰা মোৰ, পদুমবনৰ প্ৰজাপতি।

মুহিলা যে মন তুমি বুলবুলী:।

খালিদ ঃ (*হাঁহি মাৰি, কিতাপত থকা গীতটো চাই*) ধেৎ, এনেকৈ গাই বোলে?

কদীশা ঃ এনেকৈয়ে গায় আক', মই জানো।

খালিদ ঃ শুনা, মই গাইছো, (*বেলেগ সুৰ লগাই গায়*)

হেৰা মোৰ পদুমবনৰ প্ৰজাপতি........

(*খালিদৰ গীত গোৱা (বেসুৰীয়া) (দেখি কদীশাই ৰগৰ পায়*

হাঁহিবলৈ ধৰে, পাত্তেইয়ে লিখাত ব্যস্ত হৈ থাকে।.......)

কদীশা ঃ তেনেকৈ নাগাই, দাদা.......

খালিদ ঃ তেন্তে অন্য এটা আৰম্ভ কৰোঁ (*কিতাপখনৰ পৰা এটা গীত বাছি*)

খালিদ ঃ শুনা, (*ডিঙি পৰিস্কাৰ কৰি*)

চন্দ্ৰমাৰ পোহৰত অনুপম আভা।

ফুলে ফুলে ফুলৰাণী, ছটিয়াই মায়া।।

কদীশা ঃ এইবোৰ কিতাপত নাই। তুমি এনেয়ে সাজি গাইছা।

খালিদ ঃ (*হাঁহি*) আছে। কিতাপতে আছে। সেইবাবেই গীতটো মই তোমালোকক শুনাইছোঁ। আৰু আছে,

তোমালৈ বাট চাই, ৰ'লাগি ওৰে দিন

ভৰি মোৰ জঠৰ কৰিলোঁ,

কেতিয়া আহিবা বুলি সেউজী সপোন ৰচি

উলাহতে মতলীয়া হ'লোঁ।

কদীশা ঃ (*ৰগৰ কৰি*) মানে....... 'কটাক্ষ নেত্ৰে চাই তোমাৰ হৃদয় স্পন্দিত কৰিছে', নহয়নে বাৰু....... (*হাঁহে*) কিতাপত যি নাই, সেয়া তুমি গাই মনৰ কথা কৈছা, মই হবলা বুজি পোৱা নাই?

খালিদ ঃ (*গীতৰ কিতাপখন মেজৰ ওপৰত থৈ দিয়ে আৰু কয়*) কিতাপত লিখা নাই বুলিছা? তুমি নিজে চাই লোৱা। দৰকাৰ হলে আৰু অলপ গায় শুনাওঁ......

সেইদিনা চন্দ্ৰ মামা ডাঙৰ মানুহ সাজি

দেহত সুবাস ঘঁহি দেখা দিলে আহি

ৰঙা সূৰুযৰ দৰে ৰঙচুৱা কৰি হিয়া

কটাক্ষ নেত্ৰেৰে চাই স্পন্দিত কৰিলে

তলমল যৌৱনৰ হাঁহি আধাফুটা।।

(*এনেতে বাহিৰত শব্দ শুনি কদীশাই সন্দেহ আৰু ভয়েৰে বাহিৰলৈ চায়।*)

খালিদ ঃ বাবাজান আহিছে বুলি কদীশাই ভয় খাইছে। ইমান ভয় থাকিলে কদীশা আহিব নালাগে.....

কদীশা ঃ (*ঘূৰি খালিদলৈ চায়*) মোৰ ভাল লাগে বাবেই মই ইয়ালৈ আহোঁ।

খালিদ ঃ তেন্তে ভয় কিহৰ? কদীশা, তুমি নহাই ভাল হ'ব।

কদীশা ঃ মই মোৰ খুৰাৰ ঘৰলৈ নাহিম কিয়?

খালিদ ঃ তেন্তে তুমি মোৰ ওচৰলৈকো আহিব লাগিব। তোমাৰ খুৰাৰ পুত্ৰ, মই খালিদ মহম্মদ.......... (*হাঁহে, কদীশায়ো লগতে হাঁহে*)

ৰূপে গুণে বিদ্যমান

নিৰ্ভীক জোৱান।।

(*খালিদে হাঁহি হাঁহি চকী এখনত বহি পৰে। পাত্তেইক লক্ষ্য কৰি লিখি থকা দেখি কদীশাক কয়*)

খালিদ ঃ চোৱা, পাত্তেই লিখা পঢ়াতে মজগূল। পঢ়ি পঢ়ি কিমান দূৰ পাইছেগৈ, খোদাইহে জানে।

কদীশা ঃ পঢ়াত মজগূল হৈ আমাক মাতিবলৈকে এৰিছে।

খালিদ ঃ কি হ'ল আক', পঢ়িলে বুলি মাতিব নাপায়নে?

কদীশা ঃ এৰা, তেনে যেনেই পাইছোঁ। মই ইয়ালৈ অহা কিমান সময় হ'ল, তেওঁ এতিয়ালৈকে মাত বোলেই কৰা নাই।

খালিদ ঃ পঢ়িবলৈ আৰম্ভ কৰাৰ লগে লগে ফুটনি হোৱাটো পিচে ভাল লক্ষণ নহয়। সেয়েহে আমাৰ মা হঁতে কয়, বোলে ছোৱালীয়ে বেছি পঢ়াশুনা কৰিলে অহংকাৰী হয়। ছোৱালীক পঢ়া শুনা কৰিবলৈ দিলে, সিহঁতৰ মান-অভিমান সহ্য কৰিব লাগিব। (*পাত্তেইক গাত ধৰি মাতে*) বোলো হেৰা ছোৱালী, মাত এযাৰ দিয়া! (*খালিদে হাঁহে*)

কদীশা ঃ তুমি হাঁহিছা কেলৈ? পাত্তেয়ে নমতাৰ বাবে খংহে কৰিব লাগে?

খালিদ ঃ 'ফাতিমা' বুলি নমতাৰ কাৰণে মাত বোল কৰা নাই নেকি?

কদীশা ঃ পাত্তেই বুলি মাতিলে নামাতে যদি নালাগে দিয়া মাতিব, আমিও নামাতো (*অভিমান দেখুৱায়*)

(*এনেতে ভিতৰৰ পৰা আমীনাই ''পাত্তেই পাত্তেই'' বুলি ডাঙৰকৈ মাতে আৰু সোমাই আহে। কদীশা আৰু খালিদে হাঁহে। পাত্তেইয়েও হাঁহি ৰাখিব নোৱাৰি হাঁহে*)

আমীনা ঃ তহঁতৰ ইমান হাঁহিবৰ কিহে পালে? পাত্তেয়ীক সুধিব খুজিছো, গাখীৰ গৰম হলনে নাই?

পাত্তেই ঃ গৰম কৰি থৈছো, মা।

আমীনা ঃ চচ্‌পেন কেইটা ধুই থলিনে?

পাত্তেই ঃ থলোঁ।

আমীনা ঃ চোতালখন সাৰি থগৈ যা;

পাত্তেই ঃ মই সকলো কাম কৰিহে ইয়ালৈ আহিছোঁ, মা।

আমীনা ঃ বাৰু ভালেই কৰিছ। পিচে এটা কথা। তই ইহঁতৰ লগত বৰকৈ হাঁহি-তামাচাত মজগূল নহবি। শুনিছনে নাই, মই কি কৈছোঁ। (*খালিদৰ প্ৰতি*) পুত্ৰ, এনেকৈ থাকিলে নচলিব।

খালিদ ঃ ময়ো তাকে চিন্তা কৰিছোঁ, মা—

আমীনা ঃ তই চিন্তা কৰি কৰি বহুতো পয়মাল বঢ়াইছ। খোদাইহে জানে এইবোৰ কেতিয়া আঁতৰ হ'ব।

খালিদ ঃ মা, মই বহুতো সমস্যাৰ মাজতে সোমাই থাকি ভাল পাওঁ। সংঘাত নহ'লে জীৱন কিহৰ ?

আমীনা ঃ সেইবোৰ কথা নকবি। তোৰ মূৰ ঘোলা হৈ গৈছে। আমি তোৰ বাবেই ইমান লটি-ঘটিত পৰিছোঁ, অপমান পাইছোঁ, ঠাট্টা মস্কৰা শুনিছোঁ। তোৰ বিয়াৰ কথা ভাৱিছিলোঁ। পিচে তয়ে নলগা জেওত লাগি বিপদ চপাই লৈছ। বিয়া নকৰাও বুলিছ।

খালিদ ঃ মা, তুমি আচৰিত কথা শুনালা। তুমি দেখিছোঁ, কোনো কথাকে সহ্য কৰিব নোৱাৰা হৈছা। মই বিয়া নকৰাওঁ বুলি কেতিয়া ক'লোঁ ?

আমীনা ঃ ইমানেই পাইছেগৈ.... (*কদীশাই মাক-পুতেকৰ কথাৰ সুৰ বুজি পাত্তেইক লগত লৈ ভিতৰলৈ যায়।*) হাৰামজাদা, গোটেই গাঁৱৰ মানুহে গম পাইছে, পাত্তেই গৰ্ভৱতী হৈছে। তই এই কথা জাননে নাজান ?

খালিদ ঃ (*হাঁহি উৰাই দি*) গাঁৱৰ মানুহে ক'লেই হ'বনে ? মা, তুমি বাৰু কি ভাবিছা ?

আমীনা ঃ তই সুধিবলৈ লাজ পাব লাগে। তই এটা নিলাজ, পশু; উদণ্ড, চঞ্চল ডেকা ল'ৰা। আমি এই ঘৰখনৰ প্ৰাণীকেইটাই একুৰা জুইৰ মাজত জাহ যাব খুজিছোঁ। অঙঠাৰ তাপে আমাৰ শৰীৰ দগ্ধ কৰিছে।

খালিদ ঃ (*গহীন স্বৰে*) কিন্তু মা, সেই জুইৰ তাপে অকল তোমালোককে গৰম কৰা নাই। গাঁৱৰ মানুহকো গৰম কৰিছে। সিহঁত গৰমত উতলা হৈ যিহকে পাই তিহকে ৰতি ফুৰিছে।

আমীনা মই পাত্তেইক ঘৰৰ পৰা বাহিৰ কৰি দিম।

খালিদ ঃ মা ?

আমীনা ঃ নহ'লে, ময়ে ঘৰখনৰ পৰা ওলাই যাম। তই, দেউতাৰাই আৰু তাই মিলি যি মন যায়, কৰিবি।

খালিদ ঃ মা, তুমি অবুজ নহবাছোন। কিয়, যি মন যায় তাকে বলকিছা ?

আমীনা ঃ মোৰ কথা বুজিবলৈ তোৰ ধৈৰ্য্য ক'ত ? তই পগলা হৈছ, ও, পগলা হৈছ !

খালিদ ঃ আমাক এৰি গ'লে তোমাৰ মান অভিমান পূৰণ হ'ব বুলি ভাবিছা ?

আমীনা ঃ মান-অভিমানৰ কথা নহয়, অপমানৰ কথা, ইজ্জতৰ কথা কৈছোঁ। হয়তো অপমানৰ পৰা ৰক্ষা পাম........... (*এনেতে বিষন্নমনেৰে উচমান সোমাইহি আৰু চকী এখন টানি বহেহি*) তইতো নিজকে খুউব বুদ্ধিমান বুলি ভাব। তই নিজে কি কৰিছ, এবাৰ ঠাণ্ডা মগজেৰে ভাবি চা। (*এনেতে উচমানক দেখি*) কি হ'ল আপোনাৰ? চুপচাপ আহি বহি পৰিল দেখোন?

উচমান ঃ (*অলপ চিন্তা কৰি, খালিদৰ প্ৰতি*) বেটা, তই যি কামত হাত দিছ তাক মই বুজি

পাইছোঁ। বুজি পাইছো বাবেই ছোৱালীজনীক এতিয়ালৈকে ঘৃণাৰ চকুৰে চোৱা নাই। এতিয়া পৰিস্থিতিত পৰি মই তোক এটা কথা কবলৈ বাধ্য হৈছোঁ। তাইক তই যতে ৰাখিব খুজিছ ৰাখ, মই আপত্তি নকৰোঁ। কিন্তু তাইক লৈ জুইৰ খেলা নেখেলিবি। এটা কথা স্পষ্টকৈ কওঁ, শুন। তই বেগেতে বিয়াখন কৰি পেলা। যদিহে নোৱাৰ', তেনেহলে তাইক এতিয়াই ইয়াৰ পৰা পঠিয়াই দে।

আমীনা ঃ তই দেউতাৰৰ কথাৰ অৰ্থ বুজি পালিনে? আমি মান সম্ভ্ৰম ৰক্ষা কৰি বাহিৰলৈ ওলাব নোৱাৰা হ'লোঁ। তয়ো এইবোৰ বদনাম জৰুল শুনিবলৈ পাইছ।

খালিদ ঃ মা, মই পাত্তেইক সেই মতলবত এইখন ঘৰলৈ অনা নাছিলোঁ।

উচমান ঃ গাঁৱৰ মানুহে তোৰ মতলব বুজি নাপায় বেটা। সিহঁতে যি বুজে তাকে সঁচা বুলি ধৰে।

খালিদ ঃ গাঁওখনৰ মানুহেই তাইক চলনা কৰিব খুজিছিল। তাইক অসহায় অৱস্থাত পাই সুবিধা লব খুজিছিল। মই তাইক সিহঁতৰ মুখৰ পৰা কাঢ়ি আনিছোঁ, আশ্ৰয় দিছোঁ। সিহঁতে বদনাম ৰটাতো একো অস্বাভাৱিক কথা নহয়।

আমীনা ঃ (*উচমানক*) তাক উপদেশ দি লাভ নাই। সি আমাৰ সজ কথা নুশুনে।

খালিদঃ মোক অলপ ভাবিবলৈ দিয়া, মা। মই কি কৰিম, পাছত জনাম। (*চিন্তিত হৈ তলমূৰ কৰি থাকে*)

আমীনা ঃ ভাবি থাক। কবৰত ভৰি দিয়ো তোৰ ভবা-চিন্তাৰ ওৰ নপৰে। মই যাওঁ, কাম আছে। (*প্ৰস্থান*)

উচমান ঃ (*খালিদৰ প্ৰতি*) আজি তোৰ বৰদেউতাৰে মোক মাতি নিছিল। তেওঁ মোক তোৰ বিষয়ে বহুতো কথা কলে। মই যে কিমান টান কথা শুনিছোঁ, তাক কোৱা লাভ নাই। মানুহে তোক আৰু ছোৱালীজনীক লৈ অনেক কথা উলিয়াইছে, আমাক গালি পাৰিছো— তোৰ কোনো কোনো কাম যে ভাল, তাক মই স্বীকাৰ কৰোঁ। কিন্তু কিছুমান কাম তোৰ বেয়া। একে দিনাই তই সমাজখন সংস্কাৰ কৰিব নোৱাৰ। (*খন্তেক ৰৈ*) বেটা, তই মোৰ কথা শুন। (*এনেতে কদীশা সোমাই আহি খালিদক কয়*)

কদীশা ঃ খালিদ দাদা, পাত্তেই বাইদেউ কান্দি কাটি বাউলী হৈছে। ইয়াৰ পৰা যাবলৈ ওলাইছে........

খালিদ ঃ এহ, তাই আক' কিয় অশান্তি বঢ়াব খুজিছে। মই বাৰু গৈছোঁ

কদীশা ঃ তেওঁ খুৰাখুৰীৰ মনত কষ্ট দিব নোখোজে। ইয়াৰ পৰা যাব খুজিছে। (*খালিদ ভিতৰলৈ যায়। পিচে পিচে কদীশা সোমাই যায়*)

আমীনা ঃ (*সোমাই আহি উচমানক কয়*) এই বিষয়ে ল'ৰাক বেছি লাই নিদিবা।

ছোৱালীজনী পঠাই দিয়া ব্যৱস্থা কৰ। সি বেয়া পালেও পাছত বুজিব। সি আমাৰ ল'ৰা। তাৰ মংগলৰ বাবেই এই ব্যৱস্থা কৰিব লাগিব। অ' এটা কথা। খালিদ নথকা সময়তে ছোৱালীজনী আঁতৰাব লাগিব। বুজিছানে নাই?

উচমান ঃ বুজিছোঁ, কিবা এটা কৰিব লাগিব। দাদাক মই এতিয়া একো নকওঁ। কবলৈ একো নায়ো। কথা হ'ল, আজি মছজিদত গোট খোৱা মানুহবোৰৰ মতি গতি দেখি বেয়া লাগিল। সিহঁতৰ প্ৰশ্নবোৰৰ উত্তৰ দিওতে মই ক্লান্ত হৈ পৰিলোঁ। ভালকৈ নমাজকে পঢ়িব নোৱাৰিলোঁ। মনটো বৰ গধূৰ হৈ আছে, আমীনা। (*বিচনীখনলৈ বিচে*)

আমীনা ঃ (*উচমানৰ হাতৰ পৰা বিচনীখন লৈ উচমানক বিচে আৰু কয়*) আমাৰ কথা খালিদে দলিয়াই পেলাব বুলি মোৰ মনে নধৰে। (*অলপ চিন্তা কৰি*) ছোৱালীজনী পঠিয়াই দিয়াটো সমিচীন হ'ব বুলি মই বিবেচনা কৰোঁ (*এনেতে খালিদ সোমাই আহে। খালিদৰ পিচে পিচে পাত্তেই, কান্দি কান্দি আহে। কদীশাও লগতে সোমায়*)

খালিদ ঃ (*দৃঢ়তাৰে*) মা, পাত্তেই ইয়াৰ পৰা যাবলৈ ওলাইছে। তাই বুজিছে যে তাই থাকিলে তোমালোকে মনত কষ্ট পাবা। তাইৰ বাবেই ঘৰখনত অশান্তি হৈছে, গাৱৰ মানুহৰ চকুত টোপনি নহা হৈছে। (*খন্তেক ৰৈ*) ইয়ালৈ অহাৰ আগতে তাই কি কৰিছিল, সেইটো তোমালোকে নাজানা,ময়ো নাজানো। কিন্তু ইয়ালৈ অহাৰ পাছত তাই যে একো বেয়া কাম কৰা নাই, সেই কথা তোমালোকে জানা। ইয়াত থকা দিনকেইটাত তাই তোমাক পাৰ্যমানে সহায় কৰিছিল, বহুত কামৰ লেঠা মাৰিছিল। এই কথা যদি মিছা হয়, আৰু গাৱঁৰ মানুহৰ মুখত ওলোৱা বদনাম যদি সঁচা হয়, মোৰ ক'বলগীয়া একো নাই। তাই ইয়াৰ পৰা গুছি যোৱাটোকে মই বিচাৰোঁ।...... তাই সেইবাবে যাবলৈ সাজু হৈছে, তোমালোকৰ অনুমতি বিচাৰিছে। তাইক বিদায় দিয়া মা, (*উচমান আৰু আমীনাই মাতবোল নকৰি মনে মনে থাকে।*) তাই ইয়াৰ পৰা ওলাই গৈ ক'ত আশ্ৰয় ল'ব, মই নাজানোঁ। তোমালোকৰ দৰে আন গৃহস্থয়ো বদনামৰ ভয়ত তাইক খেদি পঠিয়াব। ভোকৰ যন্ত্ৰনাত তাই ভিক্ষা কৰিব লাগিব, ৰাজ আলিত ঠিয় দি আবৰ্জনাৰ দম'ৰ মাজত খোৱা বস্তু বিচাৰি চলাথ কৰিব। ভোক পূৰণ কৰিবলৈ অন্য কোনো উপায় নাপালে তাই অসৎ পথত ভৰি দিব। তাইৰ যৌৱন আনৰ ভোগ হব। আৰু, (*খালিদে যেন অন্তৰত আঘাত পাইছে*) ইমানেই নহয় মা, তাই ৰাস্তাৰ ভিকহু হৈ গেলি পচি মৰিব, কোনেও তাইৰ খবৰ ল'বলৈ আগবাঢ়ি নাহিব। তাইৰ জীৱন এনেকৈয়ে শেষ হৈ যাব!........ তেনে এটা জঘন্য জীৱনৰ বাবেই তাই আজি যাবলৈ বাধ্য হৈছে।....... (*সকলো নিথৰ, নিস্তব্ধ*)

বাবা, আপুনি তাইক বিদায় দিয়ক, তাই গলে আৰু আপোনাৰ কোনো দুশ্চিন্তা

নাথাকে। মছজ্জিদত গোট খোৱা মানুহবোৰেও আপোনাক বিৰক্ত নকৰে। ক'তা? আপোনালোক দেখোন মনে মনে ৰ'ল? কি হ'ল? ভাবিবৰ আৰু প্ৰয়োজন নাই। তাইক যাবলৈ ক'লেই সকলো সমস্যা শেষ। (*উচমানে উত্তৰ নিদি লাহেকৈ ভিতৰ সোমায়*) মা, বাবাই একো নকৈ ভিতৰলৈ গুছি গ'ল। তুমিয়েই তাইক বিদায় দিয়া। (*পাত্তেইৰ উচুপনি বেছি হয়, কদীশায়ো কান্দে*)......... যাবলৈ দিয়া মা, পলম নকৰিবা........

আমীনা ঃ (*ক্ৰোধমিশ্ৰিত অনুভূতিৰে*) হাৰামজাদা, তই মোৰ মুখৰ পৰা কথা উলিয়াব নোৱাৰিবি। তহঁত আটায়ে মিলি যি মন যায় কৰ। মই তহঁতৰ মাজত নোসোঁমাও। (*ভিতৰলৈ খোজ দিয়ে। কদীশাই খালিদৰ ফালে চাই হাঁহে আৰু আনন্দত পাত্তেইক গৱা মাৰি ধৰে..........*)

কদীশা ঃ পাত্তেই বাইদেউ........ (*মধুৰ সংগীত বাজি উঠে*)

—পট পৰিৱৰ্তন—

ষষ্ঠ দৃশ্য

[*উচমানৰ ঘৰৰ পিচ ফাল। এদাল ৰচি তৰি তিতা কাপোৰ শুকাবলৈ দিয়া হৈছে। পাত্তেয়ী আহি শুকোৱা কাপোৰ সামৰি আছে। এনেতে কদীশাৰ প্ৰবেশ। পাত্তেয়ীৰ হাতৰ পৰা শুকান কাপোৰ লৈ জাপে আৰু ৰচিদালৰ এমূৰত সজাই থয়*]

কদীশা ঃ পাত্তেই বাইদেউ, আমি যি পৃথিৱীখনত ঠিয় দি আছোঁ, সেই পৃথিৱীখন ঘূৰণীয়া, নহয়জানো? তুমি এনেকৈয়ে মোক বৰ্ণনা কৰি বুজাইছিলা।

পাত্তেই ঃ এৰা ভনীটি, ঘূৰণীয়া বুলিয়েই কৈছিলোঁ। ঠিক সুমুথিৰা টেঙাটোৰ দৰে। সদায় ঘূৰি আছে।

কদীশা ঃ মই বহুত ভাবি চাইছোঁ। আমি ইয়াৰ পৰা পৰি নাযাওঁ কিয়?

পাত্তেই ঃ ধৰি ৰাখিবলৈ পৃথিৱীৰ এটা শক্তি আছে। বিশেষ আৰু জানিব খুজিলে, খালিদ দাদাৰক সুধিবা। (*দূৰৈত হাচানক দেখি*) সৌৱা, তোমাৰ হাচান দাদা এইফালে আহিছে। তেৱোঁ ক'ব পাৰিব।

কদীশা ঃ (*ডাঙৰকৈ ভিতৰৰ ফালে চাই মাতে*) সৰু দাদা, সৰু দাদা?

হাচান ঃ (*প্ৰবেশ কৰি*) কি হ'ল? ইমান চিঞৰিবলৈ কিহে পালে? ঠিয় হ'বলৈ পাইছিলোহে, মাতিলি 'দাদা দাদা' বুলি। (*অলপ ৰৈ*) বাবাক তহঁতে দেখোন ঠগিবি। বাৰীৰ পিচফালে মনে মনে কি কথা পাতিছ? বাবাই দেখিলে মজাটো দিব.........

কদীশাঃ মই কিবা আনৰ তালৈ গৈছোনে? খুৰাৰ ঘৰলৈহে আহিছোঁ।

হাচান ঃ বাবাই তোক ইয়ালৈ অহা মানা কৰিছে দেখোন। পাত্তেয়ীকো আমাৰ ঘৰলৈ

নাযাবলৈ হুকুম দিছে। কাঢ়া হুকুম! তহঁতে সেইবাবে, ইয়াত এনেকৈ লুকাই চুৰ কৰি লগ লাগিছহি হ'বলা। শেষত দেখিছোঁ বাবাই এখন ওখ দেৱাল বান্ধি দুয়োঘৰৰ অহা-যোৱাকে বন্ধ কৰিব। তেতিয়া কি কৰিবি?

কদীশা ঃ তুমি যি কৰা, ময়ো তাকে কৰিম। বাবাই তোমাকো আহিবলৈ মানা কৰিছিল। পিচে তুমিতো নহাকৈ থকা নাই ? বাৰু সেইবোৰ বাদ দিয়া। মোৰ এটা কথাৰ উত্তৰ দিয়াছোন।

হাচান ঃ ক', কি কথা?

কদীশা ঃ আমি যিখন পৃথিৱীত বাস কৰিছোঁ, সেইখন পৃথিৱী ঘূৰণীয়ানে?

হাচান ঃ কোনে ক'লে তোক, পৃথিৱীখন ঘূৰণীয়া বুলি?

কদীশা ঃ পাত্তেয়ী বাইদেৱে।

হাচান ঃ পাত্তেই, এনে অৰ্থহীন কথা এই গাধজনীক নিশিকাবা...... তাই সঁচা বুলি ভাবিব।

পাত্তেই ঃ সঁচা নহয় জানো হাচান দাদা? পৃথিৱীখন সুমথিৰা টেঙাটোৰ দৰে ঘূৰণীয়া নহয় জানোঁ?

হাচান ঃ আ-হা-হা, ঘূৰণীয়া বোলে? চকু আছেনে নাই? এবাৰ ভালকৈ চোৱাছোন। সমতল বহল ভূমি ভাগ চকুত পৰা নাইনে? (*কদীশাৰ প্ৰতি*) কদীশা, তই কিন্তু এনে কথা বাবাজানক কৈ নিদিবি। কাটি দুটুকুৰা কৰিব। মানুহে পৃথিৱীখন ঘূৰণীয়া বুলি ক'লেও বাবাই বিশ্বাস নকৰে। তই চকুৰ আগত যি দেখিবলৈ পাইছ' তাকে সঁচা বুলি ভাবিবি....

পাত্তেই ঃ কিন্তু হাচান দাদা, কদীশাই ভুল কথা এটা কেনেকৈ মানি ল'ব? মই কিতাপত পঢ়িছোঁ। পৃথিৱীখন সুমথিৰা টেঙাটোৰ দৰে ঘূৰণীয়া, দুই মূৰ চাপ খোৱা। পৃথিৱীখনে নিজ মেৰুদণ্ডৰ ওপৰত স্থিতি হৈ সূৰ্যৰ চাৰিওফালে প্ৰদক্ষীন কৰি আছে।

হাচান ঃ (*উৰাই দি*) ভূগোল? ভূগোলৰ কথা পঢ়িছা? বাদ দিয়া ভূগোলৰ কথা। ভূগোলে ক'লে বুলিলেই বিশ্বাস কৰিব লাগেনে? মই কওঁ শুনা ছোৱালীহঁত, পৃথিৱীখন এটা বলধগৰুৰ শিঙৰ ওপৰত ৰৈ আছে। মই যি শুনিছো তাকে কৈছো। বুজিছা? বলধটোৱে কেতিয়াবা ভাগৰি পৰি শিং বদলায়। তেতিয়াই পৃথিৱী লৰে!

কদীশা ঃ দাদা, বলধটো কিমান ডাঙৰ?

হাচান ঃ বৰ ডাঙৰ, ইমানটো, (*হাচানে দুই হাত বহলকৈ ডাঙি দেখুৱায়*)

পাত্তেই ঃ (*ৰগৰ কৰি*) সেইটো বাৰু বুজিলোঁ। এতিয়া বাৰু কোৱাচোন, সেই ডাঙৰ বলধটো ক'ত ঠিয় হৈ থাকে?

হাচান ঃ তাতকৈ ডাঙৰ শিল এচটাত সি ঠিয় দি থাকে।

পাত্তেই ঃ শিলচটা ক'ত থাকে?

হাচান ঃ (*হাঁহি এটা মাৰি*) অ' শিল চটাৰ কথা সুধিছা? কওঁ শুন। সেই শিল চটা ধৰি ৰাখিবলৈ এটা প্ৰকাণ্ড মাছ আছে। মাছটোৰ দাঁতৰ ওপৰতে শিল চটা ৰৈ থাকে। (*পাত্তেয়ীয়ে পুনৰ প্ৰশ্ন কৰাৰ আগতে*) ৰবা, ৰবা, তুমি সুধিব খুজিছা, সেই মাছটোৰ কথা? সেই মাছটো থাকে তাতোকৈয়ো প্ৰকাণ্ড 'বহ্‌ৰত'। বহ্‌ৰ মানে হৈছে, 'সমুদ্ৰ', বুজিলানে কথাটো?

কদীশা ঃ তেনেহলে সেই সমুদ্ৰ??

হাচান ঃ সেই সমুদ্ৰ ওপঙি থাকে, নৰকৰ পৰা অহা ধোঁৱাৰ ওপৰত।

কদীশা ঃ নৰকখনৰ কথাও কৈ দিয়া, দাদা!

হাচান ঃ ৰ'ৰ', ভাবিবলৈ দে। 'নৰকখন ক'ত আছে?' এৰা, তাতেইতো গোলমাল লাগিছে।.......... ও', কথা হ'ল, সেই বিষয়ে মই বিশেষ একো নাজানোঁ। মাত্ৰ জানোঁ, সেই বিষয়ে প্ৰশ্ন কৰা নিষেধ। সেয়া আল্লাৰ সৃষ্টি। সেই ৰহস্যৰ বিষয়ে প্ৰশ্ন কৰা নিষেধ!

কদীশা ঃ কিয় দাদা?

হাচান ঃ সুধিবও নাপায়, কবও নাপায়। মানে, নিষেধ!! (*পাত্তেয়ীয়ে হাঁহি দিয়ে*)

কদীশা ঃ তেনেহ্‌লে মই কাৰ ওপৰত বিশ্বাস ৰাখোঁ? দুয়োটাক একেলগে বিশ্বাস কৰিব নোৱাৰি।

হাচান ঃ নোৱাৰ' যদি তই এটা কাম কৰ। বাবাজানৰ এদাল লাঠি আছে নহয়? সেই দালৰ দৰে পৃথিৱীৰ কাহিনীটো দীঘল বুলি ভাবি ল'! (*সহানুভূতিৰে*) হেৰৌ, আকৰিজনী! তই ইমান সহজ, সৰল আৰু অজলা ছোৱালী!

কদীশা ঃ মোৰ বাবে থকা বুদ্ধিকণেই যথেষ্ট, দাদা।

হাচান ঃ এতিয়া বাৰু থকাখিনিৰেই চলিব। পিচে, এটা কথা নহয়? তোৰ বিয়াৰ দিন ওচৰ চাপিছে, গম পাইছনে নাই?...... তোক লগা বাকী বুদ্ধিখিনি তোৰ দৰাই দিব পাৰিব, যা।....... (*পাত্তেয়ীক*) খালিদ দাদা ঘৰত আছেনে বাৰু? মই কদীশাৰ বিষয়ে তেওঁক বহুত কথা কব লগা আছে।

পাত্তেই ঃ আৰু অধিক কি কবলৈ আছে, বিয়া দেখোন ঠিক কৰিয়ে থৈছে?

হাচান ঃ কদীশাৰ দৰাৰ বিষয়ে ক'ব লগা আছে। চোৱা পাত্তেই, অ' নহয়, ফাতিমা! বিয়া ঠিক কৰিছে সঁচা, কিন্তু কদীশাৰ দৰা কোন, কেনেকুৱা, একোৰে খবৰ নাই। (*কদীশাই লাজ আৰু অপ্ৰস্তুত হৈ মুখ ঘূৰায়*) মই যি গম পাইছোঁ, দৰাটো এটা বান্দৰ, ডাঙৰ ডাঙৰ দাঁত; এফালে পাক খোৱা নাক। মুঠৰ ওপৰত দেখিবলৈ এনেকুৱা (*হাচানে ভেঙুচালি কৰি দেখুৱায়*), ক'লা কুন্ধচ মেকুৰীৰ দৰে ৰং। (*পাত্তেয়ীয়ে হাঁহে আৰু কয়*)

পাত্তেই ঃ দেখিবলৈ কুৎচ হ'লে কি হ'ব, ধন-সম্পত্তি অলেখ আছে! সেইয়াই দেখোন যথেষ্ট! (*কদীশাই উচুপি কান্দে*)

হাচান ঃ তই আক' কিয় কান্দিছ? মই তেন্তে একো নকওঁ।

পাত্তেই ঃ আল্লাহুম্মসল্লে! এয়া আকৌ কিখন কৰিছা, কদীশা, নাপায় নহয়? (*কদীশা যায় গৈ*) তুমি তাইক মিছাকৈয়ে কন্দুৱালা, হাচানদা।

হাচান ঃ কদীশাৰ কান্দোন কেনেকৈ বন্ধ কৰিব লাগে, মই জানোঁ। আকাশী জাহাজ কেনেকৈ উৰে, তাকে সুধিবলৈ তাই আকৌ আহিব। তাইৰ কন্দা বন্ধ হৈ যাব। সৰল ছোৱালী!

পাত্তেই ঃ হাচান দাদা, তুমি আৰু কদীশাই তোমালোকৰ বাবাজানৰ কথা শুনি চলাই মংগল হ'ব। তেখেতৰ খং কিয় তোলা? খং, ৰাগ চলিলে, হাই-কাজিয়া হলে ঘৰ খনত হুলস্থুলৰ পৰিবেশ এটাই ঠাই পায়। অশান্তি বাঢ়ে।

হাচান ঃ বাবাৰ কথা পুৰামাত্রাই শুনা সাহস মোৰ নাই, ফাতিমা!

পাত্তেই ঃ হয় নে কি? কিয় নাই?

হাচান ঃ বাবাৰ কথাবোৰ এনেকুৱা........ মূৰৰ চুলি একেবাৰে খুৰাব লাগিব, মূৰত বগা টুপী পিন্ধিব লাগিব, লুঙি ওপৰলৈ তুলি পিন্ধিব লাগিব, কিলাকুটিৰ তললৈ হাত থকা কুৰ্তা পিন্ধিব লাগিব, মূৰ্গীয়ে ডাক দিয়াৰ লগে লগে নমাজ পঢ়িব লাগিব, পাচ বাৰ নমাজ পঢ়িব লাগিব (*হাতেৰে পাঁচ আঙুলি দেখুৱাই*), দোকান খুলিব লাগিব। বন্ধ কৰিব লাগিব। এনেকৈ এদিন মোৰ বিয়া পাতি দিব, মই ল'ৰা-ছোৱালীৰ বাপেক হৈ যাম। বুঢ়াহৈ হজলৈ যাম, ধৰ্ম কৰিম। এদিন মৰি থাকিম আৰু তেতিয়া স্বৰ্গত গৈ সুখেৰে বাস কৰিম (*পাত্তেয়ীয়ে হাঁহে*)। আৰু কদীশা? তাই ছোৱালী, তাইৰ বাধা বহুত, আদেশো বেছি। তাই কোনো ডেকা ল'ৰা চাব নোৱাৰিব। ছোৱালী সদায় পৰ্দ্দাৰ আঁৰত থকা নিয়ম। বাবাই কদীশাৰ বাবে নিজেই পছন্দ কৰি ল'ৰা ঠিক কৰিব আৰু বিয়া দিব। কদীশাৰ বিয়াৰ পাছত ল'ৰা-ছোৱালী হ'ব সংসাৰ বাঢ়িব। তাই ৰোজা ৰাখিব, নমাজ পঢ়িব আৰু বুঢ়ীহৈ এদিন মৰি স্বৰ্গলৈ গৈ সুখেৰে বাস কৰিব।

পাত্তেই ঃ আমাৰ ছোৱালীবোৰৰ আৰু নো কি আছে? নহলে যে সিহঁত ভুল বাটেদি যোৱাৰ সম্ভাৱনা আছে। নিয়ম মানি চলা দৰকাৰ।

হাচান ঃ ফাতিমাই কি ভুল কৰিছিল? তোমাৰ প্ৰকৃত কথা নজনাকৈয়ে গাঁৱৰ মানুহে তোমাৰ বিষয়ে ক'ত ধৰণৰ কথা উলিয়াইছে! তুমি জানোঁ সেইবোৰ কৰিছা? বাবাই তোমাৰ আচল কথা বিচাৰ নকৰি ক্ৰোধত জ্বলি পুৰি মৰিছে। কালি খুৰাক মাতি নি বহুতো টান কথা শুনাইছে আৰু তোমাক খুৰাৰ ঘৰৰ পৰা উলিয়াই দিবলৈ শপত

খুৱাইছে। চোৱা ফাতিমা, তোমাক ৰখাৰ বাবে খালিদ দাদাই কম কষ্ট পাইছেনে? (*পাত্তেই যেন অত্যন্ত বিচলিত হৈছে*) খালিদ দাদাক আগত পালে বাবাই কিজানি কাটি টুকুৰা টুকুৰ কৰিব! এইবোৰৰ গুৰিতে তুমি নহয়জানো?

পাত্তেই ঃ (*কান্দি কান্দি*) মই ইয়াত থকাৰ বাবেই এইবোৰ অশান্তি হৈছে। মই কি কৰিব লাগে। নিজেই নাজানোঁ। হাচান দাদা, মই সদায় চিন্তা কৰিছোঁ, কেনেকৈ মই ইয়াৰ পৰা আঁতৰি যাব পাৰিম। মাত্ৰ, খালিদ দাদাৰ কথা ভাবি মই একো এটা কৰিব পৰা নাই।

হাচান ঃ তুমি আন যিহকে নকৰা লাগিলে, এই কামটো কৰি নেপেলাবা। খালিদ দাদাই মনত বৰ কষ্ট পাব। তেওঁৰ কথা তুমি হয়তো ভালকৈ নাজানা।

পাত্তেই ঃ জানোঁ হাচান দাদা, জানোঁ। জানো বাবেই যাওঁ বুলিও যাব পৰা নাই! (*কদীশা সোমাই আহে*)

কদীশা ঃ (*হাচানক*) দাদা, তোমাক বাবাই মাতিছে। বেগেতে যাবলৈ কৈছে।

হাচান ঃ তই হবলা বাবাক মই ইয়াত থকাৰ কথা লগালিগৈ? মই তোক ধেমালিহে কৰি কথাবোৰ কৈছিলো........ তই আক'

কদীশা ঃ ধেমালি কৰিছিলা বুলি মইতো নাজানো।

হাচান ঃ বাবাই মোক কিবা কলে, মই কিন্তু তোক সুদাই নেৰোঁ। (*হাচানৰ প্ৰস্থান*)

কদীশা ঃ পাত্তেয়ী বাইদেউ, বাবাই সৰু দাদাক মাতি পঠিওৱা নাই। সৰু দাদা বাবাৰ আগত ঠিয় দিলেই বাবাই তেওঁক বকিবলৈ ধৰে। অযথা খং কৰে। (*পাত্তেয়ীৰ চকুত চকু পানী দেখি*) বাইদেউ, তুমি কিয় কান্দিছা? (*পাত্তেয়ী নিমাত*)...... সৰু দাদাই তোমাক কিবা কলে নেকি?..... মোক কোৱাছোন, তোমাৰ কি হৈছে?

(*পাত্তেয়ীয়ে চকুপানী মচি মচি মুৰ তুলি কদীশাক চায় আৰু আবেগত গবা মাৰি ধৰে*)

—পট পৰিৱৰ্তন—

সপ্তম দৃশ্য

স্থান ঃ [*উচমানৰ ঘৰ। আমীনাই ঘৰ সাৰি আছে। খালিদ বাহিৰৰ পৰা আহি মনে মনে মাকৰ পিচ পিনে ঠিয় দি "মা", বুলি জোৰেৰে মাতে। খালিদৰ হাতত এটা পেকেট*]

আমীনা ঃ (*খালিদৰ মাত শুনি চক্ খাই উঠে*) হে মোৰ আল্লা। (*খালিদলৈ উভতি চাই*) অ', হাৰামজাদাটো? আহিলি হ'বলা?

খালিদ ঃ এনেকৈ নামাতিবা মা।

আমীনা ঃ তেনেহলে কেনেকৈ মাতিব লাগে?

খালিদ ঃ ''পুত্র'' বুলি মাতিবা আক'!

আমীনা ঃ মোৰ 'মৌজান' বুলি নহয়নে? (*খালিদৰ হাতত পেকেটটো দেখি*) তোৰ হাতত সেইটো কিহৰ টোপোলা?

খালিদ ঃ কিবা এটা আনিছোঁ। কিন্তু তোমাক দেখুৱাবলৈ সময় হোৱা নাই। সময় হ'লে দেখুৱাম। (*খালিদ ভিতৰ সোমায়। যাবৰ সময়ত ভিতৰৰ পৰা ওলাই অহা উচ্‌মানে খালিদৰ হাতত থকা পেকেটটোৰ পিনে লক্ষ্য কৰে।*)

আমীনা ঃ (*উচমানৰ প্ৰতি*) তুমি এনেকৈ কিয় মনে মনে আছা? ল'ৰাৰ কাণ্ড-কাৰখানা দেখা নাইনে? কোনোবাই তাক যাদু কৰিলে যেন পাইছোঁ! তাৰ মগজে কাম নকৰাৰ বাবেই সি এনেবোৰ কামত লাগি ফুৰিছে.........

উচমান ঃ আমীনা, তুমি তোমাৰ কাম কৰা। তাৰ যদি মগজ গৰম হৈছে, তেনেহ'লে গাঁৱৰ মানুহে তাক ধৰি বান্ধি হস্‌পিতেললৈ লৈ যাব। তুমি মিছাতে তাৰ কথা ভাবি হুলস্থুলখন নকৰিবাছোন।

আমীনা ঃ কি কৈছা? মই মনে মনে থাকিব লাগে? হুহ! ইফালে ক'তো নাক উলিয়াব নোৱাৰা হৈছোঁ। সি মানুহৰ চাল বাকলি উঠাব খুজিছে আৰু তুমি তাৰ বাপেক হৈ সেইবোৰত নিমখ চটিয়াইছা? হে' মোৰ নেক্ হজৰত, মই এইবোৰ দুখৰ কথা কাক কওঁ?

উচমান ঃ মোৰ বিবিজান, তুমি এনেখন কৰিলে মই ক'ত উৱাদিহ্ পাওঁ? কেতিয়াবা কেতিয়াবা খালিদৰ কথা-বতৰা, কাণ্ড-কাৰখানা দেখি ময়ো অতিষ্ঠ হৈ উঠোঁ। কেতিয়াবা কেতিয়াবা আকৌ ভাবি চালে দেখোঁ, সি একো বেয়া কাম কৰা নাই, যাৰ বাবে, আমি তাক তিৰস্কাৰ কৰিব লাগে।

আমীনা ঃ গাৱঁৰ মানুহৰ মুখত আমাৰ বদনাম শুনা নাইনে। কাণত সোপা দি থাকিলেতো নচলিব। কিবা এটা কৰিব লাগিব। মানুহে কোৱাকুই কৰিছে, বোলে মাক-দেউতাকৰ চকুৰ আগতে ল'ৰাই এজনী গাভৰু ছোৱালীৰ লগত হলি গলি কৰি ফুৰিছে! মানুহৰ মনবোৰ তুমি চিনি নোপোৱা। সিহঁতে আমাৰ দৰে পেটে-ভাতে খাই থকা সাধাৰণ মানুহক শান্তিৰে থাকিবলৈ নিদিয়ে। তুমি চুপ চাপ হৈ সমস্যা সমাধান কৰিব নোৱাৰিবা।

উচমান ঃ (*বিৰক্তিৰে*) সেই দিনা ছোৱালীজনী মই ঘৰৰ পৰা পঠাই দিবলৈ একপ্ৰকাৰ স্থিৰ কৰি পেলাইছিলোঁ। তেতিয়াই সকলো সমস্যা সমাধা হৈ গ'লহেঁতেন। কিন্তু আমীনা, তুমি সন্মতি দিবলৈ আগবাঢ়ি নাহিলা। তোমাৰ জিভা বন্ধ হ'ল। তোমাৰ মন দয়াৰে উপচি পৰিল!

আমীনা ঃ অকল মোক দোষ দিলে নহ'ব। তুমিও একো কথা মুখ ফুটাই নকৈ বাহিৰলৈ ওলাই গ'লা। পুতেৰৰ যুক্তিত তোমাৰ মাত কথা বন্ধ হ'ল।

উচমান ঃ বিপদটো তাতেই আমীনা। খালিদৰ কথাবোৰ দলিয়াই পেলোৱা টান। তাৰ লগত মই যেন হাৰ মানিলোঁ....... *(আমীনাই হাতৰ শোটাটো এফালে থৈ আহে)*

আমীনা ঃ যিয়েই নহওক। মই এতিয়া একো নকওঁ। তোমাৰ সামৰ্থ আছে যদি কিবা এটা উপায় উলিওৱা। কোনোবা জনা-বুজা মৌলবীক আনি তাক দেখুওৱা। তাৰ মগজত কিবা সোমাব পায়। *(লাহেকৈ)* সি ছোৱালীজনীকো মতলবী কৰিছে। তুমি এইবোৰ গম পোৱাই নাই!

হাচান ঃ *(প্ৰবেশ কৰি)* খুৰী, আপুনি খুৰাক ফুচফুচাই কি কৈছে, মই শুনা নাই বুলি ভাবিছে হবলা! সকলো শুনিছো কিন্তু........

আমীনা ঃ হাৰামীটো আহিল আক'?

হাচান ঃ মই কি কৰোঁ? কদীশাক ইফালে বাবাই বিচাৰি চিঞৰ-বাঘৰ কৰিছে। মই ভাবিলোঁ, তাই ইয়াত নাথাকিলে ক'ত থাকিব?

আমীনা ঃ তাই ভিতৰত আছে নেকি ? মই মন কৰা নাই।

উচমান ঃ হাচান, তোৰ বাবা ঘৰত আছেতো?

হাচান ঃ আছে বুলি কৈছোৱেই দেখোন। কদীশাক বিচাৰিছে। অ' এটা কথা! আপুনি খালিদ দাদাক অলপ সাৰধান কৰি দিব।

হাচান ঃ মোয়িল্যাৰ, বাবা, খাদৰ কুট্টী, মালিক সকলো গোট খাই সভা পাতিছে। খালিদ দাদাই যিখন নাটক কৰিছে, সেইখন বোলে ইছলাম বিৰোধী। তেওঁলোকে খালিদ দাদাক সেই নাটক কৰিবলৈ নিদিয়ে। তেওঁলোকে সৰ্বপ্ৰকাৰে এই বিধৰ্মী কাৰ্য্য প্ৰতিৰোধ কৰিব। এইটো তেওঁলোকৰ জেদ। বহাবী আৰু চুন্নী দুয়োপক্ষ এই বিষয়ত একমত হৈছে।

আমীনা ঃ আমাৰ ল'ৰাই নিজৰ বিপদ নিজে চপাই লৈছে। আমাকো সাঙুৰি মান-সম্ভ্ৰম নোহোৱা কৰিছে। এৰা ঠিকেই কৈছ। খালিদে এই খন নাটক পাতি সকলোকে বিপদত পেলাইছে।

হাচান ঃ ইফালে বিয়াৰ কথাও শুনিছো।....... কদীশাৰ সোনকালে বিয়া পাতিব। বাবাই তাকে ভাবিছে। ইফালে শুনিছো খালিদ দাদাৰো বিয়া হব। সঁচা-মিছা কব নোৱাৰোঁ। মিছাও হব পাৰে। তেওঁৰ নিজৰ এটা বিবেচনা আছে।

আমীনা ঃ *(হাচানৰ কথাৰ ইংগিত বুজি)* দেউতাকৰ অমতে খালিদে কিবা এটা কৰিব, মোৰ মনে নধৰে।

উচমান ঃ সকলো গমিপিটি চাই সেয়েহে সেইদিনা ছোৱালীজনী পঠাই দিয়া সিদ্ধান্ত লৈছিলোঁ। মোৰ ল'ৰাৰ বাবে সেই কাম মই এতিয়া কৰিব লাগিব যেন পাইছোঁ।

হাচান ঃ কিন্তু খুৰা, সঁচা কথা ক'বলৈ গলে, ফাতিমা বৰ সৰল ছোৱালী। যি তাইক জানে,

তেওঁহে তাইৰ স্বভাৱটো চিনি পায়।

আমীনা ঃ তয়ো দেখিছোঁ, ছোৱালীজনীৰ হৈ ওকালতি কৰিছ! তাইৰ ভাৱ-ভংগী মই লক্ষ্য কৰি দেখিছোঁ। তাইৰ মতলব ভাল নহয়। মোৰ ভাল ল'ৰাটোক তাই মন ভূলাই পেলাইছে, যাদু কৰিছে।

হাচান ঃ তাত চিন্তা কৰিবৰ কি আছে। তেওঁলোকৰ দুয়ো মন বহিছে। এতিয়া আপোনালোকে বিয়াখন পাতি দিয়ক।

আমীনা ঃ (*হাচানক মাৰিবলৈ হাত দাঙে*) হেৰ, চয়তান, কি কথা কৈছ' মুখত লেকাম লগাই কথা কব নোৱাৰ' হব পায়? মোৰ ল'ৰাৰ বিয়া পাতিবৰ সময় এতিয়াও হোৱা নাই। আল্লাৰ কৃপাত সি ভাল ছোৱালীকে পাব। ভাল বংশৰ, ভাল ঘৰৰ ছোৱালীকে মই বোৱাৰী কৰি ঘৰ সুমাম! (*খালিদৰ প্ৰবেশ*)

হাচান ঃ খালিদ দাদা, তুমি আহিলা, ভালেই হ'ল। তোমাৰ নাটক নচলিব। সকলোৱে ইয়াৰ বিৰোধিতা কৰিছে। বহাবী আৰু চুন্নী, সকলোৱে। আমাৰ বাবে এই নাটক চোৱা মানা।

খালিদ ঃ এই নাটক কৰিলে ইছলাম ধৰ্ম কেতিয়াও ম্লান নপৰে, পৰাজিতো নহয়। দাড়ী ৰখা, পাগুৰী মৰা কিছুমান কু-সংস্কাৰপূৰ্ণ মানুহৰ দম্ভ আৰু গোড়ামী ক্ষুন্ন হ'ব। কিন্তু তাৰ দ্বাৰা আমাৰ পৱিত্ৰ ধৰ্মৰ আদৰ্শ কেতিয়াও তললৈ নাযায়। বৰং উদাৰ আৰু নমস্যহে হ'ব। (*হাচানে উচমানৰ দাড়ীৰপিনে দেখুৱাই খালিদলৈ চাই চকু টিপিয়ায়*)

উচমান ঃ মোৰ দাড়ীকোছালৈ চাইছ কিয় হো? কিন্তু সকলোৱেই দেখোন কৈ ফুৰিছে, খালিদৰ বোলে মূৰৰ বিকৃতি ঘটিছে........ (*হাঁহে*)

(*কদীশা ভিতৰৰ পৰা ওলাই আহে আৰু কয়*)

কদীশা ঃ সৰু দাদা দেখোন, বৰ বৰ লেকচাৰ মাৰিছা হব পায়। তোমাৰ কাম নোহোৱা হ'ল, নহয়নে?

হাচান ঃ কাম নোহোৱা হ'ল ঠিকেই। বাবাৰ মাৰ খোৱাৰ ভয় এতিয়া অৱশ্যে নাই। তোৰ ওপৰতো চকু ৰখা মোৰ ডাঙৰ কাম, তাকেই এতিয়া কৰিছোঁ।

কদীশা ঃ বাবা অহাৰ আগতে মই ঘৰত হাজিৰ হমগৈ। ভয় নকৰিবা। (*ভিতৰলৈ চাই পাত্তেয়ীক দেখি খিল খিলকৈ হাঁহে*)

আমীনা ঃ হাঁহিবৰ কি হ'ল?

কদীশা ঃ (*ভিতৰলৈ দেখুৱাই*) সৌৱা কোন চাওক খুৰী! খুৱা, আপুনিও চাওকছোন? (*উচমান, খালিদ আৰু হাচানে ভিতৰলৈ দৃষ্টি নিক্ষেপ কৰে। হাচানে দুৱাৰ খন বহলকৈ মেলি দিয়ে। খালিদ সোমাই গৈ পাত্তেয়ীক লৈ আহে। পাত্তেয়ীৰ পিন্ধনত নতুন ধুনীয়া শাৰী। তাই লাজ কুৰীয়া ভঙ্গিমাৰে এখোজ দুখোজকৈ আগলৈ আহে। উচ্মানে তাইক ভালকৈ লক্ষ্য কৰি চকী এখনত বহেগৈ*)

খালিদ ঃ মা, মই পাত্তেয়ীক এখন শাৰী দিছোঁ। তাই চখ্ কৰি সেইখন এতিয়া পিন্ধিছে।

হাচান ঃ (*কদীশাক কয়*) তোৰ হ'বলা শাৰীখন পিন্ধিবৰ মন গৈছে? ইমান উত্ৰাৱল হৈছ কেলৈ? দুদিনমান ধৈৰ্য্য ধৰ। তয়ো বঢ়িয়া বঢ়িয়া শাৰী পিন্ধিবলৈ পাবি। অ' বাবা আহিব এতিয়া। ইয়াৰ পৰা পলা...... (*হাচান দৌৰ দিয়ে, পিচে পিচে কদীশাও সোমাই যায়।*)

আমিনা ঃ (*খালিদক সোধে*) এইয়া কি ধেমালি চলিছে ?

খালিদ ঃ তোমাক কৈছোৱেই নহয়, পাত্তেয়ীৰ বাবে মই এখন শাৰী কিনি আনিছো। সেইখনকে তাই পিন্ধিছে........

আমীনা ঃ (*গম্ভীৰ স্বৰে*) তাই তোৰ কি হয়?

খালিদ ঃ মায়ে নাজানে জানোঁ, তাই এজনী ছোৱালী.......

আমীনা ঃ এনে ধৰণৰ কাৰ্য্য কলাপত মই তোক অনুমতি দিব নোৱাৰোঁ। কন্দৰ কুট্টি মালিকৰ ঘৰৰ পৰা তাইক এনেয়ে উলিয়াই পঠিওৱা নাছিল। কন্দৰ কুট্টিৰ ল'ৰাক বশ কৰাৰ দৰে তায়ো তোক বশ কৰি হাতৰ মুঠিলৈ নিছে। তাই মহা বদমাছি ছোৱালী। তোৰ চকু কণা হৈছে নেকি?

খালিদ ঃ মা, মোৰ চকু কণা হোৱা নাই। মই মাত্ৰ তোমালোকতকৈ বেলেগ অন্তৰেৰে দেখিছোঁ। (*পাত্তেয়ীৰ কাষলৈ গৈ*) পাত্তেই বলা, আমি যাও...... (*উচমান নিৰ্বাক হৈ বহি থাকে, আমীনা ক্ৰোধত চঞ্চল হৈ পৰে*)

আমীনা ঃ কলৈ? তাইক লৈ কলৈ যাৱ, শুনো?

খালিদ ঃ (*স্থিৰ বুদ্ধিৰে*) চিনেমালৈ। মা, ফাতিমাই চিনেমা কি বস্তু, নাজানে। মহিলাসকলে চাব লগা এখন চিনেমা চলি আছে। সেইখন তেওঁক দেখুৱাবলৈ লৈ যাওঁ। (*আমীনাই পুতেকৰ কথাত যথেষ্ট বিৰক্ত হৈছে, আৰু ক্ৰোধান্বিত হৈ পৰিছে।*) মা, তুমি খং কৰিছা? কিন্তু মা, তুমি খং কৰাৰ কোনো অৰ্থ নাই। মই একো বেয়া কামলৈ ওলোৱা নাই। তুমি অবুজ নহবা, মা, তুমি একো নকবা। (*খালিদ আৰু পাত্তেই যায়*)

আমীনা ঃ (*কোনো কথা কবলৈ অসমৰ্থ হৈ পৰাত ক্ৰোধৰ মাত্ৰা বৃদ্ধি। খালিদ আৰু পাত্তেই যোৱা লক্ষ্য কৰে। অসহায় ভাৱ*) যা, মই তোক বাধা দিব নোৱাৰিলো। তই মাৰ বাপেৰৰ মৰাশ চাবলৈকে বাট চাইছ। তই এটা চয়তান। আমাৰ কলংক। আমাৰ মনত কষ্ট দি তই সুখী হ'ব নোৱাৰিবি। (*গিৰিয়েকৰ ফালে ঘূৰি*) তুমি চুপচাপ বহি পুতেৰৰ অতপালি চাই থাকা। মুখেৰে মাত এটা মাতিবৰ তোমাৰ সাহস নাই। মই মাত্ৰ মাজতে হায়ৰাণ হৈছোঁ। হে আল্লা, মোক মাৰি নিয়া, মই এনে পাপাচাৰ চাই থাকিব নোৱাৰো। নাৰী হৈ জন্ম লৈছোঁ, মই কি কৰিব পাৰোঁ? মোৰ শক্তি ক'ত??
(*এনেতে হাচান দৌৰি ভিতৰলৈ আহে*)

হাচান ঃ খালিদ দাদাই পাত্তেয়ীক কলৈ লৈ গৈছে? ইফালে বাবাই হুলস্থূলখন লগাইছে!

আমীনা ঃ মই কি জানোঁ বোপাই। তই আগবাঢ়ি অলপ খবৰ ল ছোন......

হাচান ঃ বাবাই সিহঁতক যোৱা দেখিছে হব পায়। সেইবাবেই হুলস্থূল লগাইছে। সিহঁত উভতি অহাটোহে ভাল হ'ব।

আমীনা ঃ (*সকলো খং যেন গিৰীয়েকৰ ওপৰতে*) তুমি, কল গছৰ মূঢ়াটোৰ দৰে ৰৈ থাকা! তোমাৰ নিৰ্বিকাৰ স্বভাৱৰ দোষতে আজি ল'ৰাই ইমান আগবাঢ়ি যাবলৈ কাকো ভয় নকৰা হ'ল!

হাচান ঃ (*কথাৰ সুৰ বদলাই*) খুৰী, সঁচা কথা কবলৈ গলে এনেকুৰা সাহস বেয়া নহয়। খালিদ দাদাই ঘৰৰ চাৰিবেৰৰ মাজৰ পৰা পাত্তেয়ীক উলিয়াই নিছে বাহিৰলৈ। ছোৱালীয়েও বাহিৰৰ পৃথিৱীখন চাওক। নহলে ঘৰৰ ভিতৰতে সোমাই সিহঁতৰ উশাহ-নিশাহ বন্ধ হৈ যাব। আল্লাই এই পৃথিৱীখন সকলো মানুহৰ বাবে ভেদাভেদ নকৰি সৃষ্টি কৰিছে। ইয়াৰ বাহিৰে ভিতৰে মানুহে মুক্তমনেৰে বিচৰণ কৰক, জ্ঞান অৰ্জন কৰক।

আমীনা ঃ তই এইবোৰ কি কৈছ?

হাচান ঃ খুৰী, আমি বৰ্তমান যেনেকৈ আছোঁ, চলিছোঁ, সেয়া যথেষ্ট নহয়। পৃথিৱীৰ পৰিৱৰ্তন হৈছে। আমিও পৰিৱৰ্তনৰ লগত খোজ পেলাব লাগিব। (*এনেতে মালিকে হাতত এদাল বেত লৈ চিঞৰি চিঞৰি সোমাই আহে। বাপেকক দেখিয়েই হাচান বিপৰীত ফালে দৌৰ দিয়ে।*)

মালিক ঃ (*ক্ৰোধেৰে*) তহঁতে দেখিলিনে? কেনেকৈ তহঁতৰ পুতেৰে মানুহৰ সন্মান চূৰ্ণ কৰিবলৈ মৰসাহসেৰে ওলাই গৈছে? তহঁতে যদি তাক বলে নোৱাৰ' মোক ক'। মই তাক ঠাণ্ডা কৰোঁ। সি কি বুলি ভাবিছে? (*আমীনাৰ প্ৰতি*) ভাই-বোৱাৰী, তুমি কি ভাবিছা? এতিয়ালৈকে কিয় হাত চপাই, মুখ বন্ধ কৰি বহি আছা? বাহিৰত মানুহে চেই চেই লেই লেই কৰিছে। কুৎসা ৰটিছে। আৰু তোমালোক দুয়ো নীৰৱে, নিঃশব্দে বহি আছা। তোমালোকৰ মান-সন্মান নাথাকিলেও মোৰ আছে। এই অঞ্চলৰ মই এজন আধিপত্য থকা মানুহ। সকলোৱে মোক ভয় কৰে, সন্মান কৰি চলে। কিন্তু তোমালোকৰ কাণ্ড কাৰখানাত মোৰ সন্মান লাঘব হৈছে। প্ৰতিপত্তি কমাৰ উপক্ৰম ঘটিছে। মই তোমালোক দুয়োকে সুধিব খুজিছোঁ, কিয় তোমালোক আটায়ে মিলি সৰ্বনাশ মাতি আনিছা? বংশত কলংক সানিছা? এজনী বদনামী ছোৱালীক আনি ঘৰত ৰাখিছা, ডেকা পুতেৰৰ লগত অবাধে হাৰামী কামত প্ৰশ্ৰয় দিছা, দুয়োটাকে আলিবাটত গা ঘেলাই ফুৰিবলৈ পঠাইছা? সিহঁতৰ ফুচুলনিত মোৰ ল'ৰা-ছোৱালী দুটা এতিয়া নষ্ট হবৰ উপক্ৰম ঘটিছে। মই, মই এইবোৰ সহ্য নকৰোঁ, সহ্য কৰিব নোৱাৰোঁ.....

আমীনা ঃ (*বিনম্ৰ ভাৱে*) আপুনি আমাক মিছাতে দোষাৰোপ কৰিছে। তাক আমি বহুত বুজাইছোঁ, অনেক উপদেশ দিছোঁ। কিন্তু দাদা, আমি যে নিৰূপায়, তাৰ আৰ্জনৰ ধনেৰে আমি প্ৰাণ ধাৰণ কৰিব লগা হৈছে। আমাৰ ক্ষমতা নাই, জোৰ নাই। বুজোৱাৰ বাহিৰে আন কি কৰিব পাৰোঁ?

মালিক ঃ এইবোৰ অৰ্থহীন কথা। মই বিশ্বাস নকৰোঁ। (*উচমানৰ প্ৰতি*) তই মোৰ সৰু ভাই নহয়নে? তোৰ দেখিছোঁ, আত্ম সন্মান নোহোৱা হৈছে। পুতেৰে ইছলাম বিৰোধী কাম কৰিছে, তই ইফালে দিনৌ মছজিদলৈ গৈ নামাজ পঢ়িছ। পুতেৰৰ উদ্ভাগুলি দেখা নাই হ'বলা? তই যদি পুতেৰৰ উদ্ভাগুলি বন্ধ কৰিব নোৱাৰ, তেন্তে মই বন্ধ কৰিম। আল্লাৰ কৃপাত সেই শক্তি মোৰ আছে।

উচমান ঃ (*ঠিয় হৈ দৃঢ়তাৰে*) আপুনি মোৰ জেষ্ঠ আপোনাক দাদা বুলি মই সন্মান কৰোঁ। কিন্তু আপুনি মোৰ ল'ৰাৰ কথাত হাত নিদিব। তাক চোৱা চিন্তাৰ ভাৰ মোৰ। মই তাক পালন কৰিম।

মালিক ঃ (*ক্ৰোধত কঁপি উঠে*) কি কলি?

উচমান ঃ ঠিকেই কৈছোঁ দাদা, আপুনি মোৰ ল'ৰাৰ কামত হকাবধা নকৰিব। তাৰ ভাল-বেয়া চম্ভালিবৰ দায়িত্ব মোৰ.......

(*মালিকে দাঁত কৰচি দপদপাই গুছি যায়। আমীনাই উচমানক চকু পকাই চায়। আৰু উচ্‌মানে নীৰৱে চাই থাকে।*)

—পট পৰিৱৰ্তন—

অষ্টম দৃশ্য

স্থানঃ [*উচমানৰ ঘৰ। পাত্তেয়ীয়ে শাৰী পিন্ধি এখন কিতাপ ঠিয়কৈ পঢ়ি কোঠাটোৰ ইফাল সিফাল কৰি আছে। স্ক্ৰিন দণ্ডাৰ লগে লগে খালিদক পাত্তেয়ীয়ে চকুত নপৰাকৈ ৰৈ থকা দেখা গৈছে। খালিদৰ মনত অসন্তোষৰ ভাৱ। খালিদে পাত্তেয়ীৰ আগলৈ আহি হাতৰ পৰা কিতাপখন টানি টেবুলত থৈ দিয়ে। টেবুলত বহী আৰু কিতাপ আছে।*]

খালিদঃ তুমি কেৱল কিতাপকে পঢ়ি থাকিবানে? মোৰ কথা নুশুনা কিয়?

পাত্তেই ঃ নুশুনিম বুলি কেতিয়া কৈছো?

খালিদ ঃ মুখেৰে কোৱা নাই, কিন্তু কামেৰে তাকে কৰিছা।

পাত্তেই ঃ মই কিবা ভুল কাম কৰিছোঁ, যদি কোৱা। তোমাৰ কথা মই ধৰিব পৰা নাই।

খালিদ ঃ বুজিবৰ কাৰণে পঢ়াশুনাই যথেষ্ট নহয়। বুদ্ধিও লাগিব। যেতিয়াই আহো তেতিয়াই দেখো হাতত কিতাপ....... কিতাপখন পঢ়া শেষ হোৱাই নাই, নহয়?

পাত্তেই ঃ মই সকলো কাম কৰিহে কিতাপখন পঢ়োঁ। কাম পেলাই কিতাপ পাঢ় নাথাকোঁ।

খালিদ ঃ এনেকৈ কিতাপ পঢ়িব নালাগে। মোৰ আৰু বাবা-মাৰ কথা শুনিব লাগে।

পাত্তেই ঃ মই তোমালোকৰ কি কথা শুনা নাই? তুমি কি কব খুজিছা?

খালিদ ঃ তুমি কথাৰ অৰ্থ বুজি নোপোৱাটো মোৰেই দূৰ্ভাগ্য। মই ভাবিছিলোঁ মাইকী মানুহে পঢ়া শুনা কৰা উচিত। সেইবাবে তোমাক মই পঢ়িবলৈ উৎসাহ দিছিলোঁ, কিতাপ পত্ৰ আনি দিছিলোঁ। মই তোমাক বিয়া কৰালো বহুত আশা কৰি। এতিয়া বুজিছোঁ। মই ভুল কৰিলোঁ।

পাত্তেই ঃ যদি বুজিছাই তেন্তে যিকোনো সময়তে মোক তালাক দিয়াৰ ব্যৱস্থা কৰা। সেই অধিকাৰ তোমাৰ আছে। তুমি সংকোচ কৰিব নালাগে।

খালিদ ঃ সংকোচ কৰা নাই। মই কাকো ভয় নকৰোঁ।

পাত্তেই ঃ তেন্তে ঠিকেই আছে, মই আৰু কি কম।

খালিদ ঃ তুমি মোৰ স্ত্ৰী। এই কথা মনত ৰাখিবা।

পাত্তেই ঃ মনত ৰাখিয়েই মই জীয়াই আছো। কিবা সন্দেহ কৰিছা?

খালিদ ঃ (*অলপ বিৰক্তিৰে*) কথা কবলৈ শিকিছা নহয়। কিতাপ আনি দিয়া যেন পাইছা? কিতাপ পঢ়ি বৰ বৰ কথা!

পাত্তেই ঃ তুমি কিয় খং কৰিছা? পুথিভৰালৰ পৰা কিতাপ আনি দিবলৈ মই তোমাক কৈছিলোঁ। কাৰণ, মই ঘৰৰ পৰা ওলাই গলে তোমাৰে বদনাম হ'ব।

খালিদ ঃ সেই কাম আৰু নহ'ব। মই তোমাক কিতাপ আনি দিব নোৱাৰিম।

পাত্তেই ঃ (*সংকোচহীনভাৱে*) তেনেহলে ময়ে যাম।

খালিদ ঃ (*খং উঠে*) কেনেকৈ যোৱা মই চাই থাকিম।

পাত্তেই ঃ জেদ ধৰিলে কথা বেলেগ হ'ব। মই তোমাক দোষ নিদিওঁ। এদিন তুমিয়ে কৈছিলা, জীৱনত নাৰীৰো অধিকাৰ আছে। এই পৃথিৱীখন অকল পুৰুষৰ বাবে নহয়, নাৰীৰ বাবেও।

খালিদ ঃ নাৰীয়ে পুৰুষৰ ওপৰত কৰ্তৃত্ব চলাব বুলি কোৱা নাছিলোঁ। তুমি কিন্তু তাকে বিচাৰিছা আৰু তোমাৰ কথা বতৰা, চাল চলনত তাকে প্ৰকাশ পাইছে।

পাত্তেই ঃ (*ধৈৰ্য্য আৰু দৃঢ়তাৰে*) কৰ্তৃত্ব লাগে, সেইটো নহয়। স্ত্ৰীক তুমি দাসী বুলি নাভাবিবা।

খালিদ ঃ কিছুমান বিষয়ত স্ত্ৰী, পুৰুষৰ তলতীয়া নহলে সংসাৰখন দেখোন নষ্ট হৈ যাব!

পাত্তেই ঃ পুৰুষৰ সংসাৰখন নষ্ট হৈ যাব বুলি ভয় খাইছা?

খালিদ ঃ যদি সেইটোকে ভাবিছা, তেন্তে কবলৈ একো নাই। বাৰু, এতিয়া অলপ মনে মনে থাকিব নে?

পাত্তেই ঃ এজন পতিৰ ৰূপত মই সদায় তোমাক আদৰ কৰিব পাৰোঁ। স্নেহ কৰিবলৈকো মই সদায় যত্ন কৰিব পাৰোঁ। (*খালিদে মনোযোগেৰে কথা শুনি পাত্তেয়ীলৈ লক্ষ্য কৰে*) ইয়াৰ বাবে মই সুখী যে নহয়, এনে ভাৱ মোৰ নাই। কিন্তু দাসী ৰূপে মই তোমাক সেৱা কৰিব নোৱাৰোঁ। ই মোৰ ইচ্ছাৰ বিৰুদ্ধ।

খালিদ ঃ কিন্তু তুমি ইচ্ছানুযায়ী যি মন যায়, তাকে কৰিব নোৱাৰিবা। তেনে স্বাধীনতা তোমাক দিয়া হোৱা নাই। (*মেজৰ ওপৰত থকা বহীখন আনি*) তুমি মোৰ মতৰ বিষয়ে কিবা চিন্তা কৰিছানে? (*বহীখন দেখুৱাই*) ইয়াত স্ত্ৰীক ইমান স্বাধীনতা দিয়া মত পোষণ কৰিছে জানো?

পাত্তেই ঃ মই সকলো মতকে আদৰ কৰো। কোনোটোকে বেয়া বুলি নকওঁ। কিন্তু ইছলাম ধৰ্মৰ প্ৰতি মোৰ গভীৰ আস্থা আছে। এই ধৰ্মই মানুহৰ মংগল কামনা কৰে। মানুহৰ বিনাশৰ বাবে এই ধৰ্ম প্ৰবৰ্তন হোৱা নাই।

খালিদ ঃ (*বহীখন খুলি এটা পৃষ্ঠাত মনযোগ দি পঢ়ে*) ইছলাম ধৰ্মৰ ওপৰতে বিশ্বাস ৰাখি তুমি জীয়াই আছা বুলি কব খুজিছা, নহয়নে?

পাত্তেই ঃ হয়, তাকে মই অন্তৰৰে সৈতে বিশ্বাস কৰি চলিছোঁ। ইছলাম ধৰ্মত মহিলা পুৰুষৰ দাসী নহয়। মহিলা সকলক শিক্ষাদান কৰিব নালাগে বুলি ইছলাম ধৰ্মই কোৱা নাই। নিজৰ আৰু নিজ সম্পৰ্কীয় মানুহৰ জীৱন উন্নত কৰিবলৈকে শিক্ষাৰ প্ৰয়োজন। এই জ্ঞান মই কিতাপ পঢ়ি আহৰণ কৰিছোঁ। যেতিয়াই মই তোমাৰ পত্নী হ'লোঁ, তেতিয়াৰে পৰা এজনী ভাল পত্নী হ'বলৈ যত্ন কৰিছোঁ। মই নমাজ পঢ়িছোঁ। ৰোজা ৰাখিছোঁ। এনে আচৰণে ইছলাম ধৰ্মৰ বিৰোধিতা কৰে বুলি মই ভবা নাছিলোঁ। (*খালিদে একো উত্তৰ নিদি ঠিয় হৈ বৈ থাকে*) তুমি মনে মনে ৰ'লা কিয়? দৰকাৰ যেন দেখিলে মহিলা সকলেও মানুহক উপদেশ দিব পাৰে, এই কথা মই পঢ়িছোঁ।

খালিদ ঃ তুমি মোক উপদেশ দিয়াৰ প্ৰয়োজন নাই।

পাত্তেই ঃ আছে। তুমি মোৰ স্বামী। তোমাৰ মংগল আৰু উন্নতি কামনা কৰা মোৰ কৰ্তব্য।

খালিদ ঃ মংগলৰ কথা তুমি চিন্তা কৰিব নালাগে।

পাত্তেই ঃ তুমি বেয়া হোৱাটো মই বাঞ্ছা নকৰোঁ। সেয়েহে মই.........

খালিদ ঃ এনে হস্তক্ষেপ মোৰ সহ্য নহ'ব। তুমি নিজৰ ঘৰত গৈ এনে দম্ভালি মাৰাগৈ। ইয়াত নহয়।

পাত্তেই ঃ (*কোনো চঞ্চলতা নোহোৱাকৈ*) যাবলৈ মোক কাৰোঁ অনুমতি নালাগে।

খালিদ ঃ (*ক্ৰোধেৰে*) মোৰ অনুমতি নহলে তুমি এই ঘৰৰ গেট পাৰ হ্ব নোৱাৰিবা। (*হাতত থকা বহীখন মেলি চায়, খং ভাৱ পৰিলক্ষিত*)

পাত্তেই ঃ এই শাসন অৰ্থহীন। অকল নাৰীয়েই ভুল নকৰে। পুৰুষেও ভুল কৰে। পুৰুষৰ ভুলৰ বাবে বহুতো দুখজনক ঘটনা সংঘটিত হয়। এতিয়া সময় পৰিৱৰ্তন হৈছে। বন্ধ ঘৰৰ মাজত আৱদ্ধ থাকি তিৰোতাই কেৱল ল'ৰা-ছোৱালী জন্ম দিব, এনে হ'ব নোৱাৰে। এনে নিয়ম এতিয়া আমি নামানোঁ। তোমালোকে স্ত্ৰীসকলৰ বুদ্ধি ৰোধ কৰিবলৈ বিচাৰিছা, কিন্তু তেওঁলোকক শিক্ষিতা কৰি পোহৰৰ বাট দেখুৱাবলৈ যত্ন কৰা নাই। এয়া কিন্তু অবিচাৰ! স্ত্ৰী শক্তিক বিনাশ কৰাৰ অভিপ্ৰায়। এনে অভিপ্ৰায়ৰ দ্বাৰা অকল স্ত্ৰীসকলেই যে ক্ষতিগ্ৰস্থ হৈছে, এনে নহয়। পুৰুষো ক্ষতিগ্ৰস্থ হৈছে।

খালিদ ঃ মই কৈছোঁ, ৰবৰ বাবে?

পাত্তেই ঃ বৈ, গলে তুমি একো ফল নাপাবা। আমাৰ জীৱন আৰম্ভহে হৈছে। নতুন আশা, নতুন বিশ্বাস আৰু চেনেহৰ বান্ধোনেৰে আমি আগবাঢ়ি যাব নোৱাৰোনে? বৈ গ'লে আমি নতুনৰ প্ৰকাশ কেনেকৈ উপভোগ কৰিম?

খালিদ ঃ তেন্তে এতিয়ালৈকে সকলো ভুল ধাৰণাই আমাৰ মনত ক্ৰিয়া কৰিছিল। ইছলাম ধৰ্মক আমি বৰ বিপদজনক বুলি ভাবিছিলোঁ, নহয়নে?

পাত্তেই ঃ মোৰ চিন্তাধাৰা তেনে নহয়..........

(*হাচান সোমাই আহে। খালিদ আৰু পাত্তেয়ীৰ কথা-বতৰাত একো আগ গুৰি ধৰিব নোৱাৰে*)

হাচান ঃ ময়ো ভাবিছোঁ, ইছলাম ধৰ্ম বৰ বিপদজনক, ঠিকেই খালিদ দাদা! (*খালিদ আৰু পাত্তেয়ীয়ে কথা বতৰা বন্ধ কৰি হাচানৰ কথাত হাঁহে*) তোমালোকে মোৰ কথাত কিয় হাঁহিছা বাৰু? (*লাজ পায়*)

খালিদ ঃ তোৰ কথা শুনি হাঁহি উঠিছে। কছোন বাৰু তই কি কব খুজিছ?

হাচান ঃ (*চকীত বহে*) কোৱাৰ অৰ্থ এয়ে যে আমাৰ মছজিদবোৰত মাৰ-পিট চলে। মছজিদ বন্ধ কৰি দিয়া হৈছে, ১৪৪ ধাৰা জাৰি কৰা হৈছে, চিপাহী আনি নমাজ পঢ়াটো বাধ্য কৰোৱা হৈছে। অচিনাকী মৰাশ' ৰাস্তাৰ ওপৰত টনাটনি কৰিছে। বিয়াবাৰুত বাক্‌বিতণ্ডা চলি অশান্তিৰ বাহ হৈছে। এইবোৰ সকলো, ধৰ্মৰ নামত এচাম মানুহে কৰি আছে। সকলো মানুহেই দেখোন কোৰাণ পঢ়িছে, ৰোজা মানিছে, পিচে মানুহবোৰৰ মনবোৰ কিয় সংস্কাৰমুক্ত হোৱা নাই? আমি কোৱাকুই কৰো, যে হিন্দুসকলৰ মাজত বহুত জাতি আছে মত বিৰোধ আছে। কিন্তু এতিয়া দেখিছো আমিও সেই ফালেই আগবাঢ়িছোঁ।

খালিদ ঃ তই তেনেহলে নমাজৰ বিৰোধী?

হাচান ঃ তুমি মোৰ কথা ভুল নুবুজিবা দাদা। বাবাই এই কথা শুনিলে মোক নাস্তিক বুলি কোব ধৰিব। মই নমাজৰ বিৰোধী নহয়। মাত্ৰ কব খুজিছোঁ যে নমাজ পঢ়া আৰু

ৰোজা ৰখা কাম সকলোৰে বাবে বাধ্যতামূলক হ'ব নালাগে। কাৰণ, বাধ্যত পৰি বেছি ভাগ মানুহেই ধাৰ মৰাৰ দৰে এই অভ্যাসবোৰ কৰি যায়। আন্তৰিকতাৰে নহয়। ৰোজা ৰাখিলেই পাপ নুগুছে।

পাত্তেই ঃ মই কিন্তু হাচান দাদাৰ কথা বুজি পোৱা নাই।

খালিদ ঃ হাচানৰ কথাত অৰ্থ আছে, ফাতিমা। ইছলামী আদৰ্শত কৰ্ম আছে ৰোজা, নমাজ, হজ্জ আদিৰ প্ৰয়োজন মনুষ্য মন আৰু জীৱন শুদ্ধ কৰিবৰ বাবে, নিৰ্মল কৰিবৰ বাবে। এই আদৰ্শই মানুহক স্বৰ্গ আৰু নৰকৰ কাহিনী শুনাবৰ বাবে প্ৰৱৰ্তন হোৱা নাই। মনুষ্য জাতিক আৰু মনুষ্যজাতিৰ দ্বাৰা পৃথিৱীখন উন্নত কৰা ইয়াৰ ধৰ্ম। কিন্তু আমি কি দেখিছোঁ? নিজৰ স্বাৰ্থ পূৰণৰ বাবে কিছুমান দল সৃষ্টি হৈছে আৰু মূল আদৰ্শৰ নামত ভুল ব্যাখ্যা দি পৃথিৱীখন কলুষিত কৰিছে।

হাচান ঃ সেইটোৱেই সমস্যা। কিন্তু কিয় এনে হৈছে? ক্ষুদ্ৰ স্বাৰ্থৰ বাবে মানুহে ইমান সুন্দৰ পৃথিৱীখন কিয় পাহৰি গৈছে? খালিদ দাদাই যি ধৰণেৰে ইয়াৰ ব্যাখ্যা কৰিব পাৰিব, মই অৱশ্যে নোৱাৰোঁ।

খালিদ ঃ হৈছে, হৈছে, তই আহি আমাৰ আলোচনা বেলেগ কৰি পেলালি। আমি দুয়ো নাটকৰ ৰিহাৰ্চেল কৰি আছিলোঁ। মাজতে তই আহি সকলোবোৰ ওলট পালট কৰি দিলিহি।

হাচান ঃ তোমালোকে নাটকৰ আখৰা কৰি আছিলা বুলি মই কেনেকৈ জানোঁ? মোক অহাৰ লগে লগে কৈ দিব লাগিছিল.......

খালিদ ঃ নোকোৱা দেখিছোঁ ভালেই হ'ল। তোৰ মনৰ আচল অভিপ্ৰায় গম পালোঁ। (*বহীখন হাচানৰ হাতত দি*) এই বহীখন ল'। এইখিনিৰ পৰা আমি আকৌ ৰিহাৰ্চেল কৰিম। (*বহীখনৰ কথাখিনি হাচানক দেখুৱায়। হাচানে চকু ফুৰায়*) আমি পাহৰি গলে তই পঢ়ি দিবি।

হাচান ঃ হে খোদা, মহা সমস্যাত পেলালা......

খালিদ ঃ ও, হাচান, আৰম্ভ কৰ...... (*খালিদে ক্ৰোধেৰে পাত্তেয়ীৰ পিনে চাই বচন আৰম্ভ কৰে*) ইছলামী মতবোৰ বৰ বিপদজনক, নহয়নে?

হাচান ঃ ৰ'বা, ৰ'বা, খৰকৈ নকবা। মই অলপ সুধিব লগা আছে।.... বাৰু খালিদ দাদা, নাটকত ফাতিমা আছেনে?

খালিদ ঃ ফাতিমা নাই যদিও, এই কাহিনী মহিলাক লৈয়ে লিখা হৈছে। এতিয়া ফাতিমাই পঢ়া-শুনা কৰি শিক্ষিতা হৈছে। তাই অভিনয় কৰিব পৰা হৈছে, সংলাপৰ অৰ্থ বুজি পাইছে। নাটক পঢ়ি তাই কেনে অভিনয় কৰে, চাইছো......।

হাচান ঃ (*বহীখন বন্ধ কৰে আৰু থৈ দিয়ে*) মোৰ দ্বাৰা নহ'ব। মই নাটক কৰিছো বুলি

গম পালে বাবাই মূৰ কাটি দুচেও কৰিব।

খালিদ ঃ সেইটো এটা কুসংস্কাৰ। নাটক কৰিলে বা চালে মানুহ হাৰামী হ'ব, এনে ধাৰণা আজি আৰু নচলে। ধৰ্মৰ নামত কিছুমান মানুহে সমাজত এইবোৰ প্ৰচলন কৰিব খোজে। আচলতে ইয়াৰ কোনো ভিত্তি নাই। মই এইবোৰ ধাৰণা লৈ ফুৰা মানুহক সমূলি ভয় নকৰোঁ। ফাতিমাই মাটিত পৰি কষ্ট পালে, এইবোৰ মানুহে সহায় কৰিবলৈ নাহে। তেওঁলোকে চকু মুদি নেদেখাৰ ভাও দেখুৱাব, আৰু ফাতিমাৰ গালৈ শিলগুটি দলিয়াব। নাটক কৰিলে পাপ হ'ব বুলি কোৱা মানুহবোৰক ওলাই আহিবলৈ ক', মই সিহঁতক যি ক'ব লাগে কম।

(*এনেতে ভিতৰত নাৰীকণ্ঠ শুনিবলৈ পোৱা যায়।*)

পাত্তেই ঃ মোৰ ৰুমত কোনোবা সোমাইছে যেন পাইছোঁ। (*ভিতৰলৈ যায়*)

খালিদ ঃ (*হাচানৰ প্ৰতি*) তই নাটকত অভিনয় কৰিব খোজ নেকি? এটা 'ৰোল' দিমনেকি? ক'?

হাচান ঃ নালাগে, তুমি মোক মাৰিব খুজিছা? এনেয়ে তোমাৰ বাবে গালি-গালাজ আৰু মাৰধৰ খাই ৰক্ষা পোৱা নাই, তাতে আকৌ নাটত 'পাৰ্ট' লোৱাৰ কথা কৈছা?

(*ভিতৰৰ পৰা নাৰীকণ্ঠত হাঁহি শুনিবলৈ পোৱা যায়। খালিদ আৰু হাচানে ঘূৰি ভিতৰলৈ চায়। পাত্তেয়ীয়ে কদীশাক টানি মঞ্চলৈ লৈ আহে। কদীশাই নিজৰ পোচাকৰ ওপৰতে পাত্তেয়ীৰ শাৰী এখন মেৰিয়াই পিন্ধিছে। এক বিচিত্ৰ বেশভূষা, মূৰত অৰশ্যে 'ওৰ্ণাখন' আছে*)

হাচান ঃ (*কদীশাক লক্ষ্য কৰি*) বৰ ভাল দেখিছোঁ...... (*কদীশাই লাজ পাই এখোজ পিচলৈ যায়*)

পাত্তেই ঃ কদীশা, নাযাবা, তুমি শাৰী পিন্ধা সকলোৱে দেখক।

(*এনেতে বাহিৰৰ পৰা আমীনাৰ প্ৰবেশ। বুৰকা পিন্ধিছে। হাতত বন্ধ কৰা এটা ছাতি আছে।*)

আমীনা ঃ তহঁত সকলোবোৰ মিলি কি কৰিছ? (*আমীনাক দেখি কদীশা আৰু পাত্তেই ভিতৰলৈ দৌৰ মাৰে। আমীনাই তধা লাগি চায়*) তহঁতে কি কৰিব খুজিছ, খোদাইহে জানে! নতুন বিপদ যেন দেখিছোঁ........

হাচান ঃ বিপদ নহয় খুৰীদেউ, শুভদিন। যি হ'ব লাগে, হৈছে।

আমীনা ঃ (*খালিদৰ প্ৰতি*) তই কিয় মনে মনে বহি থাকিব নোৱাৰ? তই মোক আৰু দেউতাৰৰ মনত কিমান কষ্ট দিয়? আমি দুয়ো মৰিলে তই যি মন যায়, কৰিবি। কিন্তু জীয়াই থাকোতে এনেবোৰ কামত হাত নিদিবি।

খালিদ ঃ মা, তুমি কথা কোৱা আৰম্ভ কৰিছা যেতিয়া আৰু ৰক্ষা নাই। তুমি অনুগ্ৰহ কৰি

ভিতৰলৈ যোৱা। এই কাপোৰ বদলাই পেলোৱা। বৰযুণত গোটেইখন তিতি আহিছে।

আমীনা ঃ মই দেখিছোঁ, তোৰ উৎপাতখন দিনক দিনে বাঢ়িহে গৈছে। আমাৰ কথা তই নুশুনা হৈছ' (*এনে সময়তে উচমান সোমাই আহে। একো মাত-বোল নকৰে। সকলোৱে তেওঁৰ নীৰৱতা লক্ষ্য কৰে*)

আমীনা ঃ কি হ'ল? তোমাৰ মুখখন কোনে চিলাই কৰিলে, মাত-বোল দেখোন নোহোৱা হ'ল? আজি কিছু দিনৰ পৰা এনেকৈ মৌন হৈ আছা কিয়?

উচমান ঃ (*গহীনাই*) এতিয়া কথা নোকোৱাই ভাল। তোমালোকে যিহকে নোকোৱা, এতিয়া কথা বহুত আগবাঢ়ি গ'ল......।

—পট পৰিৱৰ্তন—

নৱম দৃশ্য

স্থান ঃ [*মালিকৰ ঘৰ। মালিকে ক্ৰোধমূৰ্তি ধৰি ইফালে সিফালে অহা যোৱা কৰি আছে। মালিকৰ হাতত এখন চিঠি খোলা অৱস্থাত। কদীশাই ভয়ত নিঃশব্দে এফালে ঠিয় দি আছে। মালিকে হঠাতে এবাৰ ভিতৰলৈ যায় আৰু খন্তেকতে ঘূৰি আহে।*]

মালিক ঃ (*ঘূৰি আহি*) সোনকালে আহিবলৈ ক'। মই কোন, এতিয়ালৈকে গম পোৱা নাই তইঁতে। (*কদীশাৰ পিনে চায়*) হেৰ ছোৱালী, তোৰ বুকু এতিয়া ঠাণ্ডা হ'ল নহয়? এতিয়া যি মন যায় কৰি থাক।........ এই চিঠিখনত (*চিঠিখন দেখুৱাই*) কি লিখা আছে, তই জাননে?....... জাননে?

কদীশা ঃ নাজানো, বাবা।

মালিক ঃ হুহ্, নাজান? মই কৈছোঁ, তই জান। নজনাৰ ভাও জুৰিছ। আগত এনেকৈ ঠিয় দি কি চাই আছ? নবহ কিয়? একে ঘোচাতে মুখ ভাঙি দিব পাৰোঁ, মই কিবা পৰোৱাই কৰো বুলি নাভাবিবি। হে পৰবৰ দিগাৰ! (*কদীশাই ভিতৰলৈ যাবলৈ আগবাঢ়ে*) তই কলৈ পলাব খুজিছ? এইফালে আহ। এই চিঠিখনত কি লিখা আছে, জাননে?

কদীশা ঃ মই জানিব নোখোজো, বাবা!

মালিক ঃ তই জনা উচিত। কাৰণ, এই বিপদ তয়ে মাতি আনিছ।

কদীশা ঃ মই? মই কোনো বিপদ মাতি অনা নাই।

মালিক ঃ তেন্তে ময়ে মাতি আনিছো, নহয়? (*অসহ্য ক্ৰোধেৰে*) হে খোদা, (*বাহিৰলৈ চাই*) এই ফালে আহ হাচান (*হাচানে ভয়ে ভয়ে সোমাই আহে*) ইমান সময় ক'ত টহল দিছিলি? ক'ত আদ্দা মাৰিছিলি? যলৈ মই যাবলৈ মানা কৰোঁ তালৈ গৈছিলি

নহয়? (*হাচানৰ দিঙিত ধৰি ভিতৰলৈ গটিয়াই পঠিয়ায় আৰু মালিক নিজেও সোমাই যায়।*)

(*ভিতৰত হাচানক কোবোৱাৰ শব্দ, হাচানে চিঞৰে*)

কদীশা ঃ (*অতিষ্ঠ হৈ*) বাবা, সৰু দাদাক নামাৰিব...... (*ভিতৰলৈ সোমাই যায় ভিতৰত কদীশায়ো কান্দে, অশান্ত পৰিবেশ*)

মালিক ঃ (*ভিতৰৰ পৰা ডাঙৰ কণ্ঠস্বৰেৰে*) অকল হাচানকে নহয়, তোকো বেটী ঠাণ্ডা বনাব লাগিব....... (*মাৰ পিটৰ শব্দ*) (*মাৰপিট, চিঞৰ-বাখৰ শুনি ওক্কৰ সোমাই আহে*)

ওক্কৰ ঃ (*ডাঙৰকৈ ভিতৰলৈ চাই*) বাবা, বাবা, আপুনি দেখিছো ক'ব নোৱাৰা হৈ গৈছে! সিহঁতক মাৰিলে সমস্যা সমাধান নহয়........ (*মালিক ওলাই আহে*)

মালিক ঃ সিহঁতক মই ঠাণ্ডা কৰিহে এৰিম। সিহঁতে মোক কি বুলি ভাবিছে? বনৰীয়া হাতীয়েও মাৰ খাই খাই মানুহৰ বশ হৈ পৰে। তহঁত কোন কূটা। (*চিঠিখন লৈ এবাৰ চকু ফুৰায়*)হে শাহংশাহে আল্লা! মই কি সপোন দেখিছিলোঁ!!

ওক্কৰ ঃ (*হাতত এখন ডাঙৰ বহী*) এইবোৰ আপোনাৰ বাবেই হৈছে। ল'ৰা-ছোৱালীক শাসন নকৰি মৰমত মূৰত তুলি ফুৰিলে এনে অৱস্থা হ'বই।

মালিক ঃ তাক এইবোৰ খবৰ জনাই কোনে চিঠি লিখিছিল?

ওক্কৰ ঃ খবৰ লিখি চিঠি দিবলৈ কাৰ গৰজ পৰিছে। এই ঘৰখনত যি ঘটিছে, তাক গোটেই গাওঁখনে গম পাইছে। যিয়েই হওক ভালেই হৈছে। মই তাকে ক'ব খুজিছোঁ। (*বহীখন মেজত থৈ দিয়ে*)

মালিক ঃ তই কি কৈছ, মই বুজিব পৰা নাই।

ওক্কৰ ঃ মহীশুৰত তাৰ এজনী ঘৈণীয়েক আছে। এটানে দুটা ল'ৰা-ছোৱালীও আছে। এজন বেলেগ মানুহৰ পৰা এই কথা মই গম পাইছোঁ। এই কথা মই আপোনাক আগতে কোৱা নাছিলোঁ।

মালিক ঃ (*মাত্ৰটো নিয়ন্ত্ৰিত কৰি সৰু কৈ*) কথাটো ময়ো শুনিছো। কিন্তু হুলস্থুল নকৰাকৈ কামটো হৈ যাওক বুলি ভাবিছিলোঁ। তালৈ বিয়া দিব পাৰিলে হয়তো খোৱা বোৱাত কষ্ট নাপালেহেঁতেন..........

ওক্কৰ ঃ ইমান সহজ নহয়, বাবা!

মালিক ঃ এৰা, সহজ নহয়! এতিয়া কাঁইটে লাগি গৈছে, কাঁইট এৰুৱাই ওলাই অহাটো সামান্য কথা নহয়। এতিয়া তালাক কেনেকৈ সম্পন্ন হ'ব?

ওক্কৰ ঃ আনে যেনেকৈ দিয়ে।

মালিক ঃ তাই গৰ্ভৱতী বুলি অম্মোশান দাদাই কৈছিল। তই কথাটো জাননে?

ওককৰ ঃ জানোঁ।

মালিক ঃ গর্ভধাৰণ কৰিলে তালাক দিব নোৱাৰি।

ওক্‌কৰ ঃ তালাক দিব নোৱাৰিলে মোকৰ্দমা কৰিব লাগিব। বিয়া কৰোৱা, তালাক দিয়া, মোকৰ্দমা কৰা এইবোৰ আজিকালি সাধাৰণ কথা!

মালিক ঃ তই ভবা সাধাৰণ কথাবোৰে মোৰ মূৰ গৰম কৰি দিছে। ক'তো শান্তি নোহোৱা হৈছে। ঘৰতো নাই, বাহিৰতো নাই। কেৱল অশান্তি, কেৱল দুশ্চিন্তা। দুনীয়াখন বুঢ়া হৈ গৈছে, বুঢ়া হৈ গৈছে (*গৈ, চকী এখনত বহি পৰে*)

ওক্‌কৰ ঃ আপুনি নিজৰ অশান্তি নিজে মাতি আনিছে। সম্পৰ্কীয় মানুহবোৰক, মিতিৰ কুটুম্বক আপুনি হাতৰ মুঠিত ৰাখিব নোৱাৰিলে........।

মালিক ঃ মই সিহঁতক ক্ষমা কৰিবলৈ চেষ্টা কৰিছিলোঁ। পিচে, এতিয়া আৰু নচলিব। মই নিজৰ স্বৰূপ প্ৰকাশ কৰিব লাগিব। এৰা, কিবা এটা কৰিব লাগিব।

ওক্‌কৰ ঃ আপুনি মোৰ কামত কথা-বতৰাত কোনো গুৰুত্ব নিদিলে। এতিয়া তাৰ ফল পাইছে! মোৰ মতলব আছে বুলি আপুনি সন্দেহ কৰে। এতিয়া কি দেখিছে? খালিদে কি কাণ্ড কৰি আছে, দেখিছে নহয়? সি তাইক মলয়ালাম আৰু ইংৰাজী পঢ়াইছে।

মালিক ঃ (*ওক্‌কৰৰ লগতে সুৰ মিলাই*) লাজ-কাজ এৰি আলিবাটত ঘূৰি ফুৰে, নহয় জানোঁ?

ওক্‌কৰ ঃ (*আগৰ ভংগীতে*) চিনেমালৈ যায়। পুথিভঁৰালৈ যায়। সকলোবোৰ অতপালি আপোনাৰ চকুৰ আগতে আৰম্ভ হৈ গৈছে। মানুহে উদ্ভ্ৰাণ্ডালি কৰিলেও, হাঁহি ঠাট্টা কৰিলেও তাইৰ গাত নালাগে। এতিয়া আক' নাটক কৰিব বোলে!

মালিক ঃ ''লা হৌল ৱলা কুব্বত্ ইল্লা বিল্লা!!''

ওক্‌কৰ ঃ অধৰ্মী মানুহবোৰ আছে নহয়, সিহঁতে এতিয়া ভালেই পাইছে আৰু আমাক হাঁহিবলৈ সুবিধা পাইছে।

মালিক ঃ আজি নমাজৰ পিছত দুটাৰ ভিতৰত এটাক মই নিস্পত্তি কৰিব লাগিব। আল্লাৰ কৃপাত মই এই উদ্ভণ্ডালি বন্ধ কৰিব পাৰিম। ইছলাম ধৰ্মীহে দাড়ী ৰাখি, পাগুৰী মাৰি আমি এনেয়ে ঘূৰা-পকা কৰিছোঁনে? যোৱা বছৰত মই 'হজ' কৰিবলৈ নাযাওঁ বুলি কৈছিলোঁ। তোৰ মনত থাকিব পায়। এইবোৰ দেখি শুনি মই আন্দাজ কৰিব পাৰিছিলোঁ যে মই নাথাকিলেই সিহঁতে সুবিধা পাব, কাকো কেৰেপ নকৰি যি মন যায় তাকে কৰি পেলাব, গাৱঁত অশান্তি বাঢ়িব।

ওক্‌কৰ ঃ এৰা ঠিকেই কৰিলে। ঘূৰি আহি আপোনাৰ ল'ৰা-ছোৱালীক বেলেগ ৰূপত দেখিলেহেঁতেন। আপুনি থাকোতেই এই অৱস্থা!

মালিক ঃ সেই কোঠাটো বন্ধ কৰিছে। কিবা অলপ খাবলৈ দি সিহঁতক বন্ধ ঘৰত সুমাই ৰাখ। মজাটো পাওক।

ওক্কৰ ঃ অকল এই শাস্তিয়েই যথেষ্ট নহয়। আৰু কিবা ব্যৱস্থা ল'ব লাগিব।

মালিক ঃ (*মূৰত হাত দি চিন্তিত ভাৱে*) হে খোদা, তোমাৰ ইচ্ছা! তই সিহঁতক ইয়ালৈ এবাৰ লৈ আহ্। কোঠালিটোৰ এচুকত সিহঁত সোমাই কান্দি আছে। (*ওক্কৰ ভিতৰলৈ যায়*) সকলোকে মই দেখুৱাই দিম। নহয়, নহয়, এনেদৰে নহ'ব। ল'ৰা-ছোৱালী মোৰ মূৰৰ ওপৰত উঠিবলৈ বাকী নাই। এতিয়া আৰু আগবাঢ়িবলৈ দিব নোৱাৰি। (*হাচান আৰু ওক্কৰৰ পিচে পিচে কদীশা ৰঙ্গমঞ্চত সোমায়। হাচান আৰু কদীশাৰ চকুত পানী, কান্দি আছে, ভাব প্ৰদৰ্শন। দুয়ো বাপেকৰ মাৰ খাইছে, আৰু মাৰ খোৱা শৰীৰৰ অংশবোৰ হাতেৰে মোহাৰি আছে।*)

মালিক ঃ (*হাচানৰ প্ৰতি*) তোৰ মনৰ হেপাহ পূৰণ হ'লনে? (*ওচৰলৈ গৈ হাতৰ মুঠিত থকা চিঠিখন দেখুৱাই*) এইখন কি, হাৰামী? তই সকলো অথন্তৰৰ মূল। তয়েই কদীশাক সৰ্বনাশ কৰিছ। কদীশাৰ বিয়া বন্ধ হ'ল। যাৰ লগত কথা খাটাং হৈছিল, সি এতিয়া বিয়া কৰাবলৈ অসন্মতি হৈছে। ছোৱালীবোৰে মান-সম্ভ্ৰম ৰক্ষা কৰি চলিব লাগে। এই কুলক্ষণীয়া ছোৱালীজনীয়ে আমাৰ বংশত কলংক সানিছে। (*কদীশাই কান্দি থকা লক্ষ্য কৰি*)। চৈতান ছোৱালীজনীয়ে কেনেকৈ কান্দি দেখুৱাইছে, চাচোন। ইয়াত, মোৰ চকুৰ আগত ঠিয় দি নাথাকিবি। এটা ঘোচাঁ মাৰি ঠাণ্ডা বনাই দিম...... (*হাতেৰে ঘোঁচা প্ৰদৰ্শন কৰে*) ভিতৰলৈ যা, ইয়াত কান্দি দেখুৱাব নালাগে। (*মালিকে অধৈৰ্য্য হৈ ইফাল সিফাল কৰে আৰু এপাকত ভিতৰৰপৰা লাঠি দাল লৈ ওলাই আহে। হাচান আৰু কদীশাৰ সন্মূখত লাঠিডাল দাঙি*) মই তহঁত দুয়োটাকে সুধিব খুজিছোঁ। তহঁত ভাল হবিনে নহৱ।\এই কথাটোৰ জবাব দে......

হাচান ঃ আমি কেনেকৈ ভাল হম বাবা?

মালিক ঃ কথা কোৱাৰ ঢং চোৱা। এই লাঠিডাল দেখিছতো, পিটি পিটি হাড় গুৰি কৰি দিম। মই শুধিছোঁ, নমাজ তমাজ পঢ়ি, দেউতাৰৰ কথা শুনি, ভাল হ'ব পাৰিবিনে নোৱাৰ'?

হাচান ঃ অকল ইয়াৰ দ্বাৰাই আমি ভাল হৈ যামনে?

মালিক ঃ (*জোৰেৰে*) গুছি যা, গুছি যা ইয়াৰ পৰা....... (*হাচানক গটিয়াই ভিতৰলৈ ঠেলামাৰি পঠাই দিয়ে। হাচান আৰু কদীশা সোমাই যায়। মালিক খণ্ডত কপিবলৈ ধৰে*) গুছি যা, তহঁত বংশৰ কুলাংগাৰ। তহঁতৰ মুখ চোৱাটো পাপ! মোৰ হাতত এই লাঠি এনেয়ে থাকিবনে? এটা হেষ্টনেষ্ট কৰিবই লাগিব......। (*ওক্কৰক আগত দেখি*) তই আক' বেঙা লাগি কি চাই আছ অকৰ্মন্য কৰবাৰ। তই যা, নিজৰ কাম কৰগৈ। (*ওক্কৰ ওলাই যায় মালিকে অধৈৰ্য্য হৈ ইফাল সিফাল কৰে এনেতে ভালদৰে শাৰী পিন্ধি পাত্তেই সোমাই আহে; ধীৰ, গহীন স্বভাৱ পৰিলক্ষিত*)

মালিক ঃ (*পাত্তেইক লক্ষ্য কৰে*) তোক মাতি পঠাইছিলোঁ। এইফালে আহ্। ভিতৰলৈ আহ্। তোৰ সাজ-পোছাক চকুত লগা হৈছে। তোৰ বংশত কোনোবাই এনেকুৱা সাজ-পোছাক পিন্ধিছেনে? (*মঞ্চৰ আগত ঠিয় হ'বলৈ ইংগিত দিয়ে।*) আগলৈ আহ্! (*পাত্তেই আগলৈ আহি ঠিয় হয়হি*) তোৰ লগত মই প্ৰথমবাৰৰ বাবে কথা হৈছোঁ। মোৰ সন্মুখত ঠিয় হোৱা সাহস তোৰ নহ'ব বুলি ভাবিছিলোঁ.......

পাত্তেই ঃ (*নিৰ্ভীক ভাৱে*) আপোনাৰ ভয়ত মই ইয়ালৈ অহা নাই। আপোনাক ভয় কৰিবলৈ মোৰ প্ৰয়োজনো নাই।

মালিক ঃ বৰ বৰ কথা নকবি। তোৰ জিভা কটা যাব। মই তোক কিয় মাতিছো জাননে?

পাত্তেই ঃ নাজানোঁ।

মালিক ঃ তই উচমানৰ ঘৰ এৰিব লাগিব। তই আহি আমাৰ সৰ্বনাশ কৰিছ। আমাৰ বংশত বদনাম আনিছ। আমাৰ ল'ৰা-ছোৱালী নষ্ট হৈছে। মই তোক যাবলৈ কৈছোঁ।

পাত্তেই ঃ আপুনি ক'লৈই মই যাম বুলি ভাবিছেনে?

মালিক ঃ তেনেহলে, কোনে ক'লে যাবি, শুনো? উচমান মোৰ ভাই। খালিদ উচমানৰ ল'ৰা, মোৰ ভতিজা। তোক জোৰ কৰি টানি উলিয়াই দিয়াতকৈ তই ভালে ভালে ওলাই যা। তই নাটকো কৰিবলৈ ধৰিছ। তই ইমান বাঢ়ি গৈছ যে তোক নেদেখিলে শান্তি নোহোৱা হ'ব, ঘৰ গুছি বাইঁতল হ'ব। তই নগলে তোক মাৰি তোৰ মৰাশটো দলিয়াই দিম।

পাত্তেই ঃ সেইবোৰ কথা কৈ মোক ভয় দেখুৱাব নোৱাৰিব। খালিদে মোক তেওঁৰ ঘৰলৈ লৈ আহিছিল। মই নিজে অহা নাই। তেওঁলোকে ক'লে মই ওলাই যাম। আপুনি ক'লে নাযাওঁ। কাৰণ, আপুনি মোৰ ধ্বংস বিচাৰিছে। তেওঁলোকে বিচাৰিছে মোৰ জীৱন।

মালিক ঃ (*ধৈৰ্য্যচ্যুত হৈ*) তই মোৰ আগত ইমান ডাঙৰ কথা ক'বলৈ সাহস ক'ত পালি? (লাঠি দাল দাঙি লৈ) তোক মই শেষ কৰিম....... (*এনেতে বেগেৰে খালিদৰ প্ৰৱেশ, মালিক আৰু পাত্তেইৰ মাজত ঠিয় দি*)

খালিদ ঃ বৰদেউতা, আপুনি ক'ব নোৱাৰা হৈ গৈছে! পাত্তেইৰ গাত হাত নিদিব। মই তাইক ইয়ালৈ লৈ আহিছিলোঁ। আপুনি তাইক কিহৰ বাবে মাতি পঠাইছিল, জানিবৰ বাবে.......।

মালিক ঃ তয়ো আহি মোক উপদেশ দিছহি......। তাইক মই শুধিব খুজিছোঁ, তাই ভালে ভালে ইয়াৰ পৰা ওলাই যাবনে নাযায়?

খালিদ ঃ এই প্ৰশ্ন তাইক সোধাৰ প্ৰয়োজন নাই। (*উচমান আৰু আমীনা সোমাই আহে*)

খালিদ ঃ (*পাত্তেইক লক্ষ্য কৰি*) তুমি আৰু এখন্তেকো ইয়াত ৰৈ নাথাকিবা। তুমি যোৱা। (*পাত্তেই যায়*)

উচমান ঃ (*মালিকৰ প্ৰতি*) দাদা, তোমাৰ কি হৈছে?

মালিক ঃ (*অধৈৰ্য হৈ*) মোৰ, মোৰ কি হৈছে, মই ক'ব লাগে, নহয়? হুঁহ্।

ওক্কৰ ঃ (*প্ৰবেশ কৰি*) দেউতা, আপুনি অলপ মনে মনে থাকক।

মালিক ঃ মই এতিয়া মনে মনে থাকিব নোৱাৰোঁ। (*খালিদৰ ফালে লাঠিডাল লৈ আগ বাঢ়ে*) তোক মাৰি শেষ নকৰিলে নহ'ব

খালিদ ঃ (*গা পাতি দিয়ে*) মাৰক, গা পাতি দিছোঁ......

আমীনা ঃ (*খালিদক টানি আঁতৰাই দিয়ে*) তই আঁতৰি যা, খালিদ! আঁতৰি যা।

মালিক ঃ (*উচমানক উদ্দেশ্য কৰি*) তোৰ পুতেৰক শাসন কৰ। সি এইবোৰ কেলেংকাৰী বন্ধ কৰিবনে নকৰে, সোধ। (*খালিদৰ প্ৰতি*) খালিদ, তই এই ছোৱালীজনীৰ লগত নাটক কৰি আছ'। তই নৰকৰ নিম্নস্থানত ভৰি দিছ। মই কৈছোঁ, তই সেইবোৰ ধান্দা এৰি পেলা। যেতিয়ালৈকে আমি জীয়াই আছোঁ, তেতিয়ালৈকে আমি এইবোৰ সহ্য নকৰোঁ। আল্লাৰ কৃপাত মই মোৰ ক্ষমতাৰ স্বৰূপ প্ৰকাশ কৰিম। এতিয়াৰ পৰা মোৰ ল'ৰাছোৱালীয়ে তোৰ মতলব পূৰণৰ বাবে আগ নাবাঢ়ে। তোৰ লগ নলয়। আজিৰ পৰা সেই বদমাছী ছোৱালীজনীয়ে যদি উচমানৰ ঘৰৰ পদূলিত ভৰি দিয়ে, তেতিয়া তাই আৰু জীয়াই নাথাকে। তাইৰ লাচটোহে তইঁতে দেখিবলৈ পাবি।

আমীনা ঃ (*আশ্ৰয়হীনতাৰ ভাৱেৰে*) আমি কি কৰিব লাগে, কওঁক দাদা?

মালিক ঃ যোৱা বছৰ মই হজলৈ কিয় নগলোঁ, ক'ব পাৰানে? এইদৰে গৈ কোনো লাভ নাই। মই হজ কৰিবলৈ যোৱা মানে ইয়াত হাজাৰ বিপদ চপাই অনা। মই মোৰ পূণ্য আৰ্জোতে ইয়াত এশজনৰ কষ্ট হ'লহেঁতেন। তোক ল'ৰা লাগে যদি তাক হাত-ভৰি বান্ধি ঘৰত ৰাখ। নহলে তই পুতেৰৰ মৰাশহে দেখিবলৈ পাবি।....... (*খালিদৰ প্ৰতি*) কি হ'ল? নামাত কিয়? তোৰ নাটকৰ নামটো কি? ''এইখনেই পৃথিৱী'' নহয়নে? বাহ্ কি মজাৰ নাম!! হেৰ, এইখন পৃথিৱী বুলি কোনে নাজানে? আমি আটায়ে এইখনক ''আকাশ'' বুলি কওঁ নেকি? (*উচমানৰ ফালে চাই*) তোৰ বুদ্ধি নষ্ট হৈছে, ঠিক গম পাইছোঁ। তয়ো গম পাইছ জৰুল......

খালিদ ঃ (*জোৰকৈ*) ''এই খনেই পৃথিৱী'', এই কথা আপোনালোকে জানিও নজনাা ভাও জোৰে। আকাশৰপিনে চাই আপোনালোকে সকলো কথা কয়, আমাক উপদেশ দিয়ে। (*মালিকক চকীখন দেখুৱাই*) আপুনি তাত অলপ বহক, মোৰ কথা আছে।

মালিক ঃ মোৰ ঘৰত মই বহিবৰ বাবে তই মোক ক'ব নালাগে। তই মোক একো কথা কোৱা দৰকাৰ নাই। মই তোৰ কথা নুশুনোঁ।

খালিদ ঃ মই তেনেহলে কওঁ, আপুনি সেই লাঠিডালেৰে এইখন পৃথিৱীত আজি কালি নিজৰ লৰা-ছোৱালীকো শুধৰাব নোৱাৰে।

মালিক ঃ লাঠিডালেৰে শুধৰাবলৈ নহয়, মাৰিবলৈহে যাওঁ।..... তহঁত যা সকলো ইয়াৰ পৰা গুচি যা মোক কাকো নালাগে। মই পাগল হৈ গৈছোঁ।

উচমান ঃ (*বিৰক্ত হৈ*) আমীনা, খালিদ আমি যাওঁ, বল। (*আমীনা যাবলৈ আগবাঢ়ে, উচ্‌মানে খালিদৰ হাতত ধৰি মাতে*)

খালিদ ঃ (*মালিকক*) আপুনি আমাক ইয়াৰ পৰা যাবলৈ কৈছে যেতিয়া আমি গুচি যাম। ইয়াত কৈ বেছি আপুনি একো কৰিব নোৱাৰে।

মালিক ঃ (*গৰ্জি উঠি*) যা, যা, মুখ বন্ধ কৰ...... (*বিপৰীত ফালে মুখ ঘূৰায়*) (*উচমান, আমীনা আৰু খালিদ ওলাই যায়, মালিকে অধৈৰ্য্য হৈ ইফাল সিফাল কৰে, অস্থিৰ অসংযত*) ওক্‌কৰ, ওক্‌কৰ (*ডাঙৰকৈ মাতে*)

ওক্‌কৰ ঃ মই একো কৰিব নোৱাৰিম, সকলো আপুনিয়েই কৰক।

মালিক ঃ যা, তয়ো আঁতৰ হ', নিজৰ কাম কৰ। মোক ইয়াত কাৰো প্ৰয়োজন নাই। (*চকীত বহি পৰে*) এনে অৱস্থাত হজলৈ নগলোঁ, ভালেই হ'ল।

ওক্‌কৰ ঃ ময়ো তাকে কৈছোঁ......

মালিক ঃ (*উঠি*) মই তোক মনে মনে গুছি যাবলৈ কৈছোঁ, নহয়? কেলৈ? (*ওক্‌কৰে তলমূৰ কৰি আতঁৰ হয়। মালিকে অধৈৰ্য্য চিত্তেৰে অহা-যোৱা কৰে, চকতি বহে, আকৌ উঠে, ইফাল সিফাল কৰে।*) মই হজলৈ যাব নোখোজোঁ। কলৈকো যাব নোখোজোঁ! মই পাগলৰ দৰে যি মন যায় তাকে কৈছোঁ, কৰিছোঁ। মই সঁচাকৈয়ে পাগল হৈছোঁ!! হুহ্, পাগল'' (*বেগেৰে গৈ চকীখনত বহে, অসংযত, অস্থিৰতা ভাব....*) কদীশা, কদীশা ক'ত? হাচান? হাচান ক'ত? সকলোবোৰ কলৈ গ'ল? মৰিল নেকি? ওক্‌কৰ, ওক্‌কৰ..... (*ওক্‌কৰ ওলাই আহে*) অ' তই। সিহঁত দুটা ক'ত আছে? কদীশা, হাচান ক'ত আছে? সিহঁতক মাত, সোনকালে মাত। মই পগলা হৈ গৈছোঁ!! ওক্‌কৰ, শুনিছনে নাই? মই কি কৈছোঁ? সিহঁতক মোৰ আগত হাজিৰ কৰ।।

ওক্‌কৰ ঃ সিহঁত কোঠালিটোত নাই।

মালিক ঃ নাই? বন্ধ কোঠালিটোৰ পৰা কেনেকৈ ওলাল? মৰিল হব পায়।

ওক্‌কৰ ঃ মই ক'ব নোৱাৰোঁ।

মালিক ঃ তই যা, দুখন সাঙি (*অৰ্থী?*)লৈ আহ! সিহঁতৰ মৃত দেহ দুটা লৈ যাব লাগিব। এতিয়াই লৈ যাব লাগিব! (*মালিকে পাগলৰ দৰে হাতত লাঠিডাল লৈ বাহিৰলৈ দৌৰ মাৰে......*)

ওক্‌কৰ ঃ (*বাপেক যোৱা চাই থাকে, বিষন্ন দৃষ্টি*) হাতত লাঠি লৈ যোৱাটোহে বাকী আছিল। এতিয়া তাৰ দ্বাৰা একো কাম নহ'ব।। □

Printed at Modern Printers, K-30, Naveen Shahdara, Delhi–110032